# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়

# আলোচনী

11
2006-07




সম্পাদক

অমিতাভ পাঠক

Scanned with CamScanner

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
নগৰবেৰা, কামৰূপ (অসম)

একাদশ সংখ্যা (২০০৬-২০০৭)

আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছাৰে—

প্ৰতি, ................................................................................

................................................................................

| সভাপতি | তত্ত্বাৱধায়ক | সম্পাদক |
| --- | --- | --- |
| ড° পৰাগ কুমাৰ ভট্টাচাৰ্য | দীপ্তিৰেখা পাঠক মজুমদাৰ<br>নিৰ্মল চন্দ্ৰ ডেকা | অমিতাভ পাঠক |

Scanned with CamScanner

# উছৰ্গা



কেশৱ চন্দ্ৰ ঠাকুৰীয়া

জন্ম : ১ জুলাই ১৯৩০ খৃঃ     মৃত্যু : ১১ আগষ্ট ২০০৭ খৃঃ

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, অসম ৰাজ্যিক পঞ্চায়ত পৰিষদৰ সম্পাদক তথা অখিল ভাৰতীয় পঞ্চায়ত পৰিষদৰ সম্পাদক আমাৰ সকলোৰে প্ৰিয় কেশৱ চন্দ্ৰ ঠাকুৰীয়াৰ বিয়োগত মহাবিদ্যালয় পৰিয়ালৰ আটায়ে শোকাভিভূত।

আলোচনীৰ এই সংখ্যাটি তেখেতৰ নামত আন্তৰিকতাৰে উছৰ্গা কৰিলোঁ ।

- সম্পাদনা সমিতি

Scanned with CamScanner

**Dr. Saban Ali Ahmed**
MBBS (Gau.) MD (Medicine)
Regd. No. 6030 (AMC) & 535 (AMC)
**Retd. Chief Medical & Health Officer (CD)**
NALBARI : ASSAM: INDIA
***SENIOR CONSULTANT PHYSICIAN***
*Multiple medalist in Medical Sciences &*
*Winner of National & International awards*



☎ : 03624 (Code), 220521 (R), 222167 (C)
*Email- drsali@vsnl.net*
*Dhamdhama Road, Nalbari Town.*
Milanpur- 781 337 :: Dist. - Nalbari
Assam :: India

Date:..............................

## M E S S A G E

I am very much pleased and happy to learn that the Annual journal(Alochani) of Bimala Prasad Chaliha College, Nagarbera for the year 2006-07 is going to be published soon. I believe that the issue would reflect the literary and academic thoughts and aspirations of the staff and students at large and promote their intellectual culture as well.

May God bless the issue with all the glory and ambitions it deserves.

(Dr.S.A.Ahmed)
06-10-2007

Scanned with CamScanner

# সম্পাদকীয়



"সুন্দৰ যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে ইমান ফুল
প্ৰভাতে প্ৰভাতে।"

জাতীয় সংস্কৃতি, জাতীয়তাবাদ, যুৱসমাজ ইত্যাদি শব্দবোৰ পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। জাতীয় সংস্কৃতি এক বৃহৎ ধাৰণা। এই ধাৰণাটোৱে জাতি এটাৰ আৰ্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক ৰীতি-নীতি, উৎসৱ-পাৰ্বণৰ লগতে চিন্তাধাৰাও সামৰি লয়। প্ৰতিটো জাতিৰ সদস্যসকলৰ নিজস্ব জাতীয় সংস্কৃতিৰ প্ৰতি থকা শ্ৰদ্ধা, আস্থা আৰু একাত্মতাই জাতীয়তাবাদী ভাৱধাৰৰ উন্মেষ ঘটায়। বিভিন্ন সময়ত জাতীয়তাবাদী চেতনাস্ৰোতৰ অমংগলজনক ঢৌ উঠা দেখা যায় যদিও জাতি এটাৰ মজবুত ভেটি নিৰ্মাণত জাতীয়তাবাদী চেতনাই ঢাল ৰূপে কাম কৰে। সেয়েহে জাতিসমূহে সংকীৰ্ণ জাতীয়তাবাদ নতুবা অঞ্চলসমূহে সংকীৰ্ণ স্বাৰ্থসম্ভূত আঞ্চলিকতাবাদ পৰিহাৰ কৰি স্বজাতি তথা দেশৰ লগত মানৱ সমাজৰ বিকাশৰ প্ৰচেষ্টা হাতত লোৱা উচিত।

আধুনিক গোলকীয়কৰণৰ যুগত জাতিসমূহৰ পৰিচয় হেৰাই যোৱাৰ উপক্ৰম হৈছে। বহু জাতিক কোম্পানী আৰু পুঁজিবাদৰ পৃষ্ঠপোষকসকলে 'এখন পৃথিৱী এক জাতি'— এই আদৰ্শবাণী ঘৰে ঘৰে প্ৰচাৰ কৰি ফুৰিছে যদিও শংকা ওপজে এই মুনাফালোভী পুঁজিপতীসকলে কিমান সফলতাৰে এই লক্ষ্যত উপনীত হ'ব পাৰিব? বৰ্তমানৰ সামাজিক প্ৰেক্ষাপটত যি বিভেদকৰণৰ ঢৌ উঠিছে তালৈ চকু কাণ দিলেই এই ভণ্ডামীৰ আচল স্বৰূপ দেখ দেখকৈ ওলাই পৰে। গোলকীয়কৰণ সংস্কৃতিত নতুন পুৰুষ হতবাক হোৱাই নহয় বিপথেও পৰিচালিত হ'ব ধৰিছে। অৰাজকতা, বিশৃংখলতা আদিৰে পৰিবেষ্টিত নৈৰাজ্যবাদী সমাজত নতুন পুৰুষে 'আমি সভ্য মানৱ' বুলি ক'বলৈও সংকোচবোধ কৰা হৈছে। এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে যি জাতিৰ নিজস্ব কোনো সংস্কৃতি নাই, যি জাতিৰ নিজস্ব কোনো গৌৰৱোজ্জ্বল স্থিতি নাই সেই জাতিয়ে কেতিয়াও শক্তিশালী ৰূপত মূৰ দাঙি থিয় দিব নোৱাৰে আৰু কুঁজা হৈ জীয়াই থকাতকৈ মৃত্যুয়ে শ্ৰেয় বুলি আমি বিশ্বাস কৰোঁ।

জাতীয় সংস্কৃতিৰ বিভিন্ন উপাদানসমূহ যেনে অৰ্থনীতি, সংস্কৃতি, ৰাজনৈতিক ভাবাদৰ্শ আৰু ব্যৱস্থা আদি পৰস্পৰ নিৰ্ভৰশীল যদিও আমাৰ এই চমু লেখনিৰ মূল বক্তব্য বিষয় হৈছে জাতি গঠন প্ৰক্ৰিয়াত সাংস্কৃতিক কাৰ্যক্ৰমণিকাৰ ভূমিকা। সংস্কৃতিয়ে জাতি সত্তাৰ সৃষ্টিশীলতাৰ পৰিচয় দাঙি ধৰি জাতি গঠন প্ৰক্ৰিয়া সবল কৰি তোলে। গতিশীল সমাজ জীৱনৰ সোঁতে সোঁতে সংস্কৃতিৰ ৰূপান্তৰ প্ৰক্ৰিয়া এটিও নিৰন্তৰভাৱে চলি থাকে। এই সাংস্কৃতিক ৰূপান্তৰ প্ৰক্ৰিয়াৰ প্ৰধান হোতা হ'ল নতুন পুৰুষ বা যুৱসমাজ। নৱ-প্ৰজন্মৰ হাততেই আৱহমান কালৰে পৰা পৰিবৰ্তনৰ

Scanned with CamScanner

ছবি কাঢ়ি লৈ আছে। সামাজিক সচেতনতাৰ অভাৱনত সাংস্কৃতিক পৰিবৰ্তনৰ নামত অপসংস্কৃতিয়ে কেতিয়া আহি ৰাজপাট দখল কৰে তাৰ ভু পোৱা নাযাব।

ঐতিহাসিকভাৱে এই কথাৰ সত্যতা প্ৰতিপন্ন হৈ আহিছে যে জাতীয় সংস্কৃতিৰ অবক্ষয় কোনো এটা জাতিৰ অবক্ষয়ৰ মৌলিক কাৰণ। জাতিসমূহৰ উত্থান-পতনৰ আঁৰত জাতীয় সংস্কৃতিয়ে মূল ভূমিকা পালন কৰি আহিছে। বৰ্তমান অসমীয়া জাতিৰ দুৰ্বল স্থিতিৰো মূল কাৰণ হৈছে অসমীয়া জাতিৰ সোপাটিলা চৰিত্ৰ। অসমীয়া জাতীয়তাবাদ আজি এনে এক অৱস্থাত উপনীত হৈছে য'ত কোনো শ্ৰদ্ধা বা তেজস্বীতা জড়িত নাই। জাতিৰ এই দুৰ্গতিৰ সময়ত নতুন প্ৰজন্মই হাত সাবটি বহি থাকিলে অতি সোনকালে অসমীয়া জাতিয়ে নিজৰ পৰিচয় হেৰুৱাব। এই সময় বিলাসৰ সময় নহয়। অসমৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা জনজাতীয় কৃষ্টি-সংস্কৃতি সমূহক একগোট কৰি একেখন মঞ্চত থিয় কৰি এক বৃহৎ অসমীয়া জাতি গঠন কৰিবলৈ যুৱ শক্তিয়ে সংকল্প ল'ব লাগিব। তেতিয়াহে অসমীয়া জাতীয় সংস্কৃতি ঠন ধৰি উঠিব।

সাহিত্য চৰ্চাৰ ক্ষেত্ৰত উল্লেখনীয় আৰু গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন আজিকোপতি নিয়মীয়া নোহোৱাটো যথেষ্ট দুখ আৰু পৰিতাপৰ কথা। মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাসমূহ যেনে 'ফল্গু', 'প্ৰবাহ' (সাহিত্যকানন), 'দৃষ্টি' (অসমীয়া বিভাগ), 'সোপান' (শিক্ষা বিভাগ), 'অৱলোকন' (ৰাজনীতি বিজ্ঞান বিভাগ) 'প্লাৱন' (ভূগোল বিভাগ), Spark (ইংৰাজী বিভাগ) আদিয়ে সাহিত্য চৰ্চাৰ ক্ষেত্ৰত নিৰৱচ্ছিন্ন প্ৰচেষ্টা চলাই আহিছে। এইক্ষেত্ৰত 'সাহিত্য কানন'ৰ হাতে লেখা মুখপত্ৰ 'প্ৰতীতি'য়েও উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। কিন্তু ডাঙৰ সমস্যা হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ লেখা-মেলাৰ প্ৰতি থকা অনীহামূলক মনোভাৱ। ইয়াৰ ফলত এই প্ৰাচীৰ পত্ৰিকাসমূহ নিয়মীয়া ভাবে চলাই যোৱাত যথেষ্ট অসুবিধা হৈছে। যোৱা কিছু বছৰ ধৰি মহাবিদ্যালয়ৰ সাহিত্য চৰা 'সাহিত্য কানন'এ কিছুমান মূল প্ৰচেষ্টা যেনে বিভিন্ন সাহিত্য প্ৰতিযোগিতা, আলোচনা চক্ৰ, কুইজ, বক্তৃতানুষ্ঠান, আবৃত্তি আদিৰ জৰিয়তে মহাবিদ্যালয়ত সাহিত্যিক বাতাবৰণ এটা সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হৈছে। এই প্ৰয়াস সম্পূৰ্ণৰূপে সফল কৰিবলৈ হ'লে আমি সকলো ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ সহযোগ কৰাটো নিতান্ত বাঞ্চনীয়।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শৰে আমাক উৎসাহিত কৰা সম্পাদনা সমিতিৰ সভাপতি তথা মাননীয় অধ্যক্ষ ড° পৰাগ কুমাৰ ভট্টাচাৰ্য ছাৰলৈ কৃতজ্ঞতা নিবেদন কৰিলোঁ। ছপা ৰূপত পঢ়ুৱৈৰ হাতত তুলি দিব পৰাকৈ আলোচনীখনৰ গল্প, কবিতা, প্ৰবন্ধ আদি সজাই পৰাই দিয়া বাবে আলোচনীৰ তত্বাৱধায়ক শ্ৰদ্ধেয় দীপ্তিৰেখা পাঠক মজুমদাৰ বাইদেউ আৰু নিৰ্মল চন্দ্ৰ ভোই ছাৰৰ লগতে মাননীয় নগেন্দ্ৰ নাৰায়ণ দেৱান ছাৰ, অৰুণ কুমাৰ চৰকাৰ ছাৰ, শ্বাহজমাল মোল্লা ছাৰ আৰু হৃষীকেশ সিং ছাৰৰ ওচৰত ঋণী হৈ ৰলোঁ। প্ৰবন্ধ-পাতি সংগ্ৰহ কৰাত সহায় কৰা বন্ধুৰৰ ফিৰোজুল হক, দিলীপ চৌধুৰীৰ উপৰি নিলোৎপল ঠাকুৰীয়া, ৰাপন মেধি, হাফিজুৰ ৰহমান আৰু মাকনি নাথলৈ শলাগ যাচিলোঁ। যিসকল বন্ধু-বান্ধৱীৰ সহায়-সহযোগিতাত এই দায়িত্বভাৰ গ্ৰহণ কৰাৰ সুবিধা পালোঁ তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। অজানিত ভুল-ভ্ৰান্তিৰ বাবে মাগিলোঁ ক্ষমা।

অনাগত দিনবোৰ আটাইৰে বাবে সুখ-সমৃদ্ধিৰে উপচি পৰক এই কামনাৰে সামৰিছোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়

অমিতাভ পাঠক

*সম্পাদক*

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

Scanned with CamScanner

# সূচীপত্ৰ

## নিবন্ধ মালা




| | | |
|---|---|---|
| ৰুগ্ন মানসিকতা আৰু ইয়াৰ প্ৰতিকাৰ | দিগন্ত কলিতা | ১১ |
| প্ৰেম আৰু সৌন্দৰ্যৰ প্ৰতীক 'তাজমহল' | পল্লৱী কলিতা | ১৩ |
| শিক্ষা আৰু উশৃংখল যুৱ সমাজ | অঞ্জন দাস | ১৪ |
| অসমীয়া ভাষা-সাহিত্যৰ পুৰোধা ব্যক্তি হেমচন্দ্ৰ বৰুৱা — এটি আলোকপাত | মিতালী শৰ্মা | ১৬ |
| সুস্থ শৈক্ষিক পৰিৱেশ গঠনত শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য | মকুন্দ কলিতা | ১৮ |
| আন্তৰ্জাতিক খ্যাতিসম্পন্ন পক্ষীবিজ্ঞানী ড° চালিম আলি ঃ জীৱন আৰু সাধনা | নাজনীন আৰা হক | ১৯ |
| লোক-ভাষা আৰু অসমীয়া গালি-শপনি ঃ এটি আলোচনা | ড° উপেন ৰাভা হাকাচাম | ২১ |
| সৌৰশক্তি | বীৰেন্দ্ৰ কুমাৰ বৰা | ২৮ |
| পৰম্পৰাগত চিকিৎসাত বনৌষধি | মঃ নুৰ আলম হক | ৩১ |
| উত্তৰ পূৰ্বাঞ্চলত মহিলাৰ উদ্যমিতা ঃ এটি অৱলোকন | অংশুমান শইকীয়া | ৩৩ |
| ইছলামত জাকাত আৰু ইয়াৰ বণ্টন পদ্ধতি | কোৰবান আলী আহমেদ | ৩৫ |
| বিশিষ্ট সমাজকৰ্মী নৈমুদ্দিন মুন্সীৰ সোঁৱৰণত | নূৰ আলম | ৩৭ |
| ৩৩ তম্ ৰাষ্ট্ৰীয় ক্ৰীড়া আৰু অসম | দিলীপ চৌধুৰী | ৩৯ |
| বিশ্বপ্ৰবাহ | ইকবাল হুছাইন | ৪১ |


## গল্প সম্ভাৰ




| | | |
|---|---|---|
| সংক্ৰমণ | জয়নাল আব্দিন | ৪৩ |
| অপূৰ্ণ বেদনা | মাধৱ চন্দ্ৰ দাস | ৪৫ |
| প্ৰত্যাৱৰ্তন | আৰজু আহমেদ | ৪৮ |
| সপোনৰ শেষত | অজন্তা কলিতা | ৫০ |
| কুঁহিপাত কুমলীয়া | মফিদুল হাছান | ৫২ |
| গোন্ধ | ড° পৰমানন্দ ৰাজবংশী | ৫৪ |
| উৰ্বী, শোভিতা আৰু অনন্ত জিজ্ঞাসা | দীপ্তিৰেখা পাঠক মজুমদাৰ | ৬২ |
| মঙ্গলসূত্ৰ | নগেন্দ্ৰ নাৰায়ণ দেৱান | ৬৭ |


## গীত আৰু কবিতাৰ কৰণি




| | | |
|---|---|---|
| সন্ধি | হৃদয়ানন্দ গগৈ | ৭০ |
| সমবেত সংগীত | ড° পৰাগ কুমাৰ ভট্টাচাৰ্য | ৭১ |
| এটি শিশুৰ জন্ম | নৱনীতা পাঠক | ৭১ |
| হ'বই এদিন সূৰ্যোদয় | ড° নীলকমল বৰদলৈ | ৭২ |
| শৰৎ ঃ এটি অনুভৱ | চিত্ৰলেখা দেৱী | ৭২ |
| বিভীষিকা | নূৰণ নাহাৰ বেগম | ৭৩ |
| প্ৰেমেৰেও গঢ়িব পাৰি মানুহৰ দেশ | মাকনি নাথ | ৭৩ |
| জীৱন তৃষ্ণা | ৰবিউল হক | ৭৩ |
| যদি মই বৰষুণ হওঁ | আবুল হুছেইন আশিফ | ৭৪ |


Scanned with CamScanner




| | | |
|---|---|---|
| নগৰবেৰাত নম্ৰতাৰ পদ্য | মেহবুব আলম | ৭৪ |
| কৃষ্ণচূড়া, চকুলোবোৰ শুকাবলৈ দিবা | ৰূপম নাথ | ৭৫ |
| সাগৰিকালৈ | মইদুল ইছলাম | ৭৫ |
| শ্ৰদ্ধাঞ্জলি | মমতা দাস | ৭৬ |
| মৃত্যুৰ খবৰ | মোবাৰক হুছেইন | ৭৬ |
| উত্তৰণ | নূৰীয়া আহমেদ | ৭৭ |
| অনুভৱ | মৃণাল নাথ | ৭৭ |
| স্মৃতিৰ এলবাম | কমল দাস | ৭৭ |
| ন্যায় | মাজিদা খাতুন | ৭৮ |
| তোমাৰ বাবেই বৈ | মইদুল ছিকদাৰ | ৭৮ |
| প্ৰিয়ালৈ | আহাদ আলি আহমেদ | ৭৮ |
| মোৰ প্ৰেম | ছমিৰ জালাল আহমেদ | ৭৯ |
| এখানি পোহৰ বিচাৰি | জেহেৰুল ইছলাম | ৭৯ |
| শৰতৰ নিশা | লক্ষী ঠাকুৰীয়া | ৭৯ |
| মোৰ পঢ়া টেবুলত দুখৰ মমবাতি | ৰবিউল হুছহিন | ৮০ |
| সমিধান | আবু বক্কৰ ছিদ্দিক | ৮০ |


## সম্পাদকীয় প্ৰতিবেদন


৮১


## English Section :




| | | |
|---|---|---|
| Theme of decadence in William Faulker | Dr. Parag Kr. Bhattacharyya | 90 |
| Manas The heaven of TIGER | Hafizur Rahman | 92 |
| Yeti : The snowman | Nilotpal Thakuria | 94 |
| Is there any creature on other planet ? | Benejir Rezza | 95 |
| Environment, Development Process And Green Economics | Dr. B. B. Panda | 97 |
| Ecotourism in Assam | Firoza Ahmed | 99 |
| The Story and the Short Story | Nirmal Chandra Bhoi | 102 |


## Poetry




| | | |
|---|---|---|
| The sweet little bird | Sudeep Kr. Paul | 104 |
| My Mother | Dhiraj Kalita | 104 |
| A goal we need | Ahad Ali Ahmed | 105 |
| Illusion | Mrinal Nath | 105 |
| Alone | Akram Hussain | 105 |
| When I shall meet you | Md. Shamsul Haque | 105 |


## Others


| | | |
|---|---|---|
| Thoughts precious | Md. Ziaul Haque | 106 |
| Jokes | Manik Paul | 106 |
| List of Faculty Members | | 107 |
| Result of the College Week Session 2006-07 | | 108 |
| মহাবিদ্যালয়ৰ প্ৰকাশিত আলোচনী সমূহৰ সম্পাদক আৰু তত্বাৱধায়ক সকল | | 110 |
| Results of Higher Secondary (Arts/Science) Final Examination | | 111 |



Scanned with CamScanner



কৰ্মৰত অৱস্থাত অধ্যক্ষ ড° পৰাগ কুমাৰ ভট্টাচাৰ্য



## সম্পাদনা সমিতি

বহি (বাওঁফালৰ পৰা) ঃ নগেন্দ্ৰ নাৰায়ণ দেৱান (শিক্ষক সদস্য) দীপ্তিৰেখা পাঠক মজুমদাৰ (তত্বাৱধায়ক)
ড° পৰাগ কুমাৰ ভট্টাচাৰ্য (সভাপতি), নিৰ্মল চন্দ্ৰ ভেহি (তত্বাৱধায়ক), অৰুণ কুমাৰ চৰকাৰ, (শিক্ষক সদস্য ফটোত নাই)
থিয় হৈ (বাওঁফালৰ পৰা ) ঃ অমিতাভ পাঠক ( সম্পাদক), মাকনি নাথ (সদস্য), ফিৰোজুল হক (সদস্য)

Scanned with CamScanner

## TEACHING STAFF



Sitting First (L to R) : B. S. Barpujari, N.N. Dewan, D.R.P. Mazumdar, N.N. Begum, U.N. Das, Dr. P. K. Bhattacharya (Principal) N.B. Das (Vice-Principal) A. Salam, D. Devnath, N. B. Chetri, A. Ali

Sitting - 2nd (L to R) : A. Keot, F. Ahmed, C. Devi, N. Pathak, B. R. Talukdar, S. J. Mollah, A. B. Siddique, N. Saikia, Dr. B. B. Panda, R. Das.

Standing 1st (L to R) : B. Bora, A. Rahman, H. Singh, S. Das namosudra, N. C. Bhoi, H. Patowary

Standing 2nd (L to R) : G. Das, B. Kalita, K. Ali, K. Das, A. Saikia, A. Jubbar, R. D. Das

## NON-TEACHING STAFF WITH PRINCIPAL



Sitting (L to R)
R. Kalita (L. D. A.) D. Talukdar (Librarian), N. Kalita (U.D.A.) P. K. Bhattacharya (Principal), B. Thakuria (L.D. A.), J.Thakuria, N.Pathak (L.D.A.)

Standing (L to R)
A. Das, D. Pathak, D. Kalita, D. Kalita, S. Das, S. Haque, K. Kalita, K. Islam, D. Kalita

## STUDENTS UNION (SESSION 2006-2007)

Sitting (L to R) : K. Kalita (Vice-President), Dr. P. K. Bhattacharya (Principal), F. Ahmed (G. Secretary)

Standing (L to R) : H. Das (A.G.S.), N. Hussain (Social Service) N. Ahmed (Atheletics) A.Pathak (Magazine) D. Chowdhury (Cultural)

Not seen in the Photograph : M. Hoque (Debate & Symp), A. Rahman (Literary), W. A. Hussain (Minor game), R. Medhi (Girls' Common Room), N. Huda (Boys' Common Room)



Scanned with CamScanner

# ৰুগ্ন মানসিকতা আৰু ইয়াৰ প্ৰতিকাৰ

দিগন্ত কলিতা
স্নাতক মহলা, তৃতীয় বৰ্ষ

বৰ্ত্তমান আমাৰ দেশ আৰু সমাজ বহুতো বিকাৰগ্ৰস্ত মানসিকতাৰে পুষ্ট যুৱক-যুৱতীৰে ভৰি পৰিছে। ইয়াৰ বাবে কোনোবাই দোষ দিছে শিক্ষানীতিক, কোনোবাই ৰাজনীতি আৰু ৰাজনীতিবিদসকলক, কোনোবাই দোষ দিছে ধৰ্মনীতিক আৰু কোনোবাই যুৱক-যুৱতীসকলক দোষাৰোপ কৰি নিজকে প্ৰবোধ দিছে। ইয়াৰ বাবে প্ৰকৃততে দায়ী বা দোষী কোন? ইয়াৰ যোগ্য উত্তৰ অবিহনে সমস্যা সমাধান সম্ভৱ নহয়। সেয়েহে এনে সংকটময় অৱস্থাত এইবিলাক সমস্যাৰ বিশ্লেষণাত্মক পৰ্যালোচনা কৰি প্ৰতিকাৰৰ উপায় উদ্ভাৱন কৰাটো খুবেই প্ৰয়োজন হৈছে।

আমাৰ প্ৰথম প্ৰশ্ন হৈছে ৰুগ্ন মানসিকতা বুলিলে কি বুজায়? ইয়াৰ উত্তৰস্বৰূপে আমি ক'ব পাৰোঁ যে — ৰুগ্ন মানসিকতা বুলিলে কোনো ব্যক্তিয়ে স্বাভাৱিকতাৰ পৰা আঁতৰি গৈ কিছুমান আচহুৱা আচৰণ কৰাকে বুজায় যিবোৰে সমাজ জীৱনত বিৰূপ প্ৰভাৱ পেলায়। এইটো সকলোৰে দৃষ্টিগোচৰ হৈছে যে বৰ্ত্তমান সময়ত ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকল দিনক দিনে উদণ্ড, উতনুৱা বিলাসপ্ৰিয় আৰু বিকৃত ৰুচিবোধৰ অধিকাৰী হৈ আহিছে। ইয়াৰ ফলত এওঁলোকৰ এচামৰ দ্বাৰা সমাজত উচ্ছৃংখলতা, সুৰাপান, ড্ৰাগচ সেৱন, দুৰ্নীতি, সন্ত্ৰাস আদি নানা অপৰাধমূলক কাৰ্য দিনক-দিনে বৃদ্ধি পাবলৈ ধৰিছে। এনে সংকটপূৰ্ণ অৱস্থাত যুৱক-যুৱতীসকলক ৰসাতললৈ যাবলৈ নিদি সেই সংকটৰ পৰা উদ্ধাৰ কৰাটো প্ৰতিজন সচেতন ব্যক্তিৰে মহান কৰ্তব্য হোৱা উচিত। বহুতো বুদ্ধিজীৱিয়ে এই অধঃপতনত উদ্বেগ প্ৰকাশ কৰিছে। ইয়াক ৰুধিবৰ বাবে বাতৰি কাকত বা আলোচনীত প্ৰবন্ধ পাতি প্ৰকাশ কৰিছে। কিন্তু সেইবোৰ কেৱল অৰণ্য ৰোদন হোৱাহে দেখা গৈছে। সেয়ে আমি সকলোৱে সংঘবদ্ধ হৈ মাৰ বান্ধি ওলাই আহি এই ধ্বংস আৰু অধঃপতনক ৰোধ কৰিব নোৱাৰিলে আমাৰ ধ্বংস অনিবাৰ্য।

আমাৰ অসমখন আজি তিল্ তিলকৈ ধ্বংসৰ গৰাহলৈ আগবাঢ়িছে। ইয়াৰ মূল কাৰণ হৈছে ৰাজ্যৰ সৰ্বস্তৰত চলি থকা লুণ্ঠন আৰু লুণ্ঠন; আমাৰ ৰাজনীতি, অৰ্থনীতি, সমাজ-সংস্কৃতি, শিক্ষা-দীক্ষা সকলোতে চলি থকা ভ্ৰষ্টাচাৰ। জাতীয় জীৱন সাংঘাতিক ধৰণেৰে বিপন্ন কৰা লুণ্ঠনকাৰীহঁতে সমাজৰ নৈতিক আৰু মানৱীয় প্ৰমূল্যবোধৰ ওপৰত ভয়ংকৰ আঘাত হানিছে। সিহঁতে ন-প্ৰজন্মকো সিহঁতৰ অনুচৰ হিচাপে পোৱাৰ মানসেৰে যুৱ সমাজৰ মাজত বিয়পাই দিছে ড্ৰাগছ, মদ, জুৱা আদি। ইয়াৰ ফলত সিহঁতৰ কবলত পৰা এচাম যুৱ ছাত্ৰই অসামাজিক কামত লিপ্ত হৈ পৰিছে। সেয়ে সিহঁতক সহজলভ্য ধনৰ আশাত কেতিয়াবা দেখা গৈছে এচাম অসাধু ৰাজনৈতিক নেতাৰ পিছে পিছে দৌৰা, নহিবা কেতিয়াবা দেখা গৈছে হত্যা ঠগবাজী বা ডকাইতৰ ৰূপত। ভোগবাদত বিশ্বাসী এইচাম পথভ্ৰষ্ট যুৱকে সমাজৰ আন যুৱক সকললৈ যি ৰোগৰ বীজাণু এৰি দিলে সিয়েই হ'ল ৰুগ্ন মানসিকতা। বাইক, মাৰুতি আৰু ম'বাইলৰ দ্বাৰা সংপৃক্ত এই ভ্ৰষ্টাচাৰী যুৱকচামৰ এনে কুকাৰ্য নাই যাক সিহঁতে কৰিব নোৱাৰে। সেয়ে এই চাম যুৱকে জাতিৰ বাবে কঢ়িয়াই আনিছে জাতি ধ্বংসৰ অশনি সংকেত।

এই জাতি বিধ্বংসী প্ৰক্ৰিয়াটোক প্ৰতিহত কৰিবলৈ হ'লে সমাজৰ মহান চিন্তাশীল ব্যক্তিসকল, যিসকলক আমি বুদ্ধিজীৱি বুলি কওঁ তেখেতসকল আগবাঢ়ি আহিবই লাগিব। তথ্যৰ লগত যুক্তিক সংযুক্ত কৰি তেখেতসকলে হাতত কলম তুলি ল'ব লাগিব। এইক্ষেত্ৰত কবি-সাহিত্যিক সকলৰ ভূমিকাও কোনো গুণে কম নহয়। এই অন্ধকাৰ সময়ত তেখেতসকলে সঠিক পথৰ সন্ধান দিয়াটো নিতান্তপ্ৰয়োজনীয় কথা। "নাশিতে হবে অন্ধকাৰ ঘোৰ, যাত্ৰীৰা হুচিয়াৰ" বোলা সুকান্তৰ কবিতাফাকি এই প্ৰসংগত উল্লেখযোগ্য। সৈনিক শিল্পী

বিষুৱাভাৱ দৰে নিপীড়িত, বঞ্চিত, শোষিত জনগণ, যি জনগণে জাতিৰ সংস্কৃতি নিৰ্ভেজাল ৰূপত ৰক্ষা কৰি আছে, সেই সকলৰ পক্ষত থিয় দিয়াৰ বাবে আজিৰ শিল্পী, সাহিত্যিক বা বুদ্ধিজীৱি সকলে মানসিকভাৱে প্ৰস্তুত থাকিব লাগিব।

আজি বিশ্বায়ন নামৰ ভূতটোৱে বিশ্বত দুষ্কৃতি বিয়পাই দিছে, তৃতীয় বিশ্বৰ গৰীব জনসাধাৰণক দুৰ্ভিক্ষৰ অতল গৰ্ভলৈ নিক্ষেপ কৰিছে। যিমান পাৰা ভোগ কৰা — এয়াই হ'ল পশ্চিমীয়া ভোগবাদী মন্ত্ৰ। চুৰি, ডকাইতি, লুণ্ঠন বা সকলোধৰণৰ অনৈতিক কামৰ দ্বাৰা ধন সংগ্ৰহ কৰা এওঁলোকৰ লক্ষ্য। দুখৰ বিষয় বৰ্তমান সময়ত সমাজৰ মুখাফুটা এচাম সাহিত্যিক, বুদ্ধিজীৱি আদিয়েই এই দুষ্কৃতিৰ বাহক বিশ্বায়নৰ হকে থিয় দিছে তেওঁলোকৰ নিজস্ব মুনাফাৰ বাবে। এই চতুৰ তথাকথিত 'শিক্ষিত' শ্ৰেণীটোক চিনাক্ত কৰিব পাৰিব লাগিব আৰু তেওঁলোকক সমাজৰ পৰা একাষৰীয়া কৰাৰ যত্ন কৰিব লাগিব যাতে তেওঁলোকে সমাজত দুষ্কৃতি বিয়পাই দিব নোৱাৰে।

সুখৰ বিষয় আজি গোটেই বিশ্বৰ প্ৰান্তে প্ৰান্তে বিশ্বায়ন বিৰোধী যি আৱাজ উঠিছে তাৰ প্ৰতিধ্বনি আমিও শুনিবলৈ পাইছোঁ আৰু অনুধাৱন কৰিব পাৰিছো দুষ্কৃতিৰ বিৰুদ্ধে সাংস্কৃতিক সংগ্ৰাম। এই সাংস্কৃতিক সংগ্ৰামত আমাৰ যুৱ সমাজক ঐক্যবদ্ধ কৰিব পাৰিলেহে আমি আমাৰ যুৱ সমাজৰ কলুষ মানসিকতাক আঁতৰাবলৈ সক্ষম হ'ম।



## কৌতুক ঃ

- ডিউটিত থকা পুলিছ এজনক তেওঁৰ ওপৰৱালা বিষয়াই ধমক দি ক'লে 'টকা বিচাৰি গাড়ীবোৰক কেলেই হাৰাশাস্তি কৰিছা? লাইচেন্সখন জব্দ কৰি থানাৰ পৰা লৈ যাবলৈ ক'বা। টকা হাতৰ মুঠিতে পাবা।'

- কেবাদিন দিছপুৰলৈ গৈ মন্ত্ৰী মহোদয়ক লগ নোপোৱা গঞা এজনক চকীদাৰে ক'লে 'ছাৰক প্ৰথমে দিল্লীত বিচাৰিব' তাত নাপালেহে দিছপুৰলৈ আহিব। ক'তো নাপালে আমেৰিকাত খবৰ কৰিব পাৰে। তাত বাইদেউৰ নামত ফ্লেট এটা আছে।'

- এজন ঘকুৱা শিক্ষকে তেওঁৰ ছাত্ৰক ক'লে 'তোৰ নিচিনা অধামূৰ্খ এটাক কোনোবা গাধইহে পঢ়াব পাৰিব।'
'সেই বাবেই দেউতাই মোক আপোনাৰ ওচৰলৈ পঠিয়াইছে ছাৰ' ছাত্ৰই তৎক্ষনাত উত্তৰ দিলে।

সংগ্ৰাহক - চন্দনা নাথ
স্নাতক মহলা তৃতীয় বৰ্ষ

# প্ৰেম আৰু সৌন্দৰ্যৰ প্ৰতীক 'তাজমহল'

পল্লৱী কলিতা
*উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ*

প্ৰেম হেনো স্বৰ্গীয়। এই স্বৰ্গীয় প্ৰেমৰ শাশ্বত অভিব্যক্তি কবি সাহিত্যিক সকলে লক্ষ্য কৰিছে বিশ্ব-ব্ৰহ্মাণ্ডৰ বিভিন্ন প্ৰাকৃতিক পৰিঘটনাত। বেজবৰুৱাৰ ভাষাত —

প্ৰেমত ঘূৰিছে ভূ-মণ্ডল
প্ৰেমত ফুলিছে শতদল।

এই স্বৰ্গীয় প্ৰেমৰ পৰিণতিও বিচিত্ৰ। প্ৰেমৰ ফলশ্ৰুতি হিচাপেই আমি পৃথিৱীত পাইছোঁ বহুতো মহাকাব্য, অজস্ৰ স্মৃতিসৌধ, মহাকবি ছেক্সপীয়েৰৰ অতুলনীয় ট্ৰেজেডীসমূহ আৰু বহুতো ....। প্ৰেমৰ বাবেই হয়তো বহুতে আত্মবলিদানো দিবলগীয়া হৈছে। ইজিপ্তৰ ৰাণী ক্লিওপেট্ৰাৰ প্ৰেমত বহুতো বীৰ পুৰুষে হাবু-ডাবু খোৱাৰ কাহিনীও বুৰঞ্জীত পোৱা যায়।

আজি আমি আলোচনা কৰিবলৈ লৈছোঁ প্ৰেমৰেই বিস্ময়কৰ, অতুলনীয় ফলশ্ৰুতি 'তাজমহল'ৰ বিষয়ে।

০৭-০৭-০৭ শতিকাত এবাৰেই অহা এই দিনটোতেই আৰু এটা ৭ৰ সংযোগ হ'ল — অৰ্থাৎ এই দিনটোতেই বহু প্ৰতীক্ষিত বিশ্বৰ সপ্তাশ্চৰ্যৰ তালিকা ঘোষিত হ'ল — পৰ্তুগালৰ লিচবন চহৰত। সুদীৰ্ঘ দিন ধৰি ফোন আৰু ইন্টাৰনেট যোগে প্ৰায় ১০০ নিযুত ভোটেৰে নিৰ্ণিত তালিকাত সগৌৰৱে জিলিকি উঠিল শুভ্ৰ-মাৰ্বল নিৰ্মিত সম্ৰাট ছাহজাহানৰ অমৰ প্ৰেমৰ প্ৰতীক 'তাজমহল'এ।

'N 7 W' ফাউণ্ডেচনৰ দ্বাৰা ঘোষিত তালিকাত তাজমহলৰ অন্তৰ্ভূক্তিয়ে গোটেই ভাৰতবৰ্ষতেই সীমাহীন আনন্দৰ বন্যা নমাই আনে। ছাহজাহানৰ প্ৰেম আৰু সৌন্দৰ্য্যবোধে আকৌ এবাৰ বিশ্বক আলোড়িত কৰিবলৈ সক্ষম হ'ল।

কি এই তাজমহল? ক'তেই বা ইয়াৰ গুৰুত্ব? এই প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে আমি নিশ্চয় ইতিহাসৰ পাত লুটিয়াবই লাগিব। মোগল সম্ৰাট সকলৰ সাহিত্য-সংস্কৃতি আৰু সৌন্দৰ্যবোধৰ প্ৰতি থকা দুৰ্বলতা সৰ্বজনবিদিত। সেইফালৰ পৰা মোগল সাম্ৰাজ্যৰ পঞ্চমজন সম্ৰাট ছাহজাহানো ব্যতিক্ৰম নাছিল। দেউতাক জাহাংগীৰৰ দৰে তেওঁ আছিল সাহিত্য আৰু সংস্কৃতিৰ পূজাৰী। এটা কথা ঠিক যে কেৱল মাথোঁ প্ৰেমৰ পৰিণতিতেই এনেকুৱা এটা অনিন্দ্যসুন্দৰ নিৰ্মাণ কাৰ্য সম্ভৱ নহ'লহেঁতেন যদিহে তাত সংস্কৃতি, ৰুচিবোধ আৰু সৌন্দৰ্যবোধৰ সংযোগ নঘটিলহেঁতেন।

ছাহজাহানৰ মৰমৰ পত্নী অপৰূপ সৌন্দৰ্যৰ গৰাকী আৰ্জুমান বাণুবেগম ওৰফে মমতাজ বেগমৰ অকাল বিয়োগৰ পিছত তেওঁৰ শেষ ইচ্ছা পূৰণৰ বাবে যমুনা নদীৰ ভাঁজ এটাৰ পাৰত নিৰ্মিত হ'ল প্ৰেম আৰু সৌন্দৰ্যৰ অপূৰ্ব স্মৃতিসৌধ — আজিৰ বিশ্বৰ অন্যতম আকৰ্ষণ 'তাজমহল'। ১৬৩১ চনৰ পৰা ১৬৪৮ চনৰ ভিতৰত ২০,০০০ মিস্ত্ৰী আৰু কৰ্মীৰ অক্লান্ত পৰিশ্ৰমৰ ফলত নিৰ্মিত হৈছিল এই 'তাজমহল'। নিৰ্মাণ কাৰ্যত ব্যৱহৃত হৈছিল প্ৰায় এহেজাৰ হাতী। ৫৭ মিটাৰ ওখ এই সমাধি নিৰ্মাণত ৪০ হাজাৰ তোলা সোণ আৰু ২৮ বিধ শিল ব্যৱহাৰ কৰা হৈছিল। ৰাজস্থানৰ মাকৰাণাৰ পৰা শুভ্ৰ মাৰ্বল অনা হৈছিল। যমুনা নদীক প্ৰায় চুই যোৱাকৈ ওখ ভেটিৰ ওপৰত থিয় কৰোৱা বাবে মাৰ্বলৰ ৰঙৰ পৰা প্ৰতিফলিত হোৱা ছাঁ-পোহৰৰ অপৰূপ বৰ্ণালীয়ে যুগে যুগে পৰ্যটকক আকৰ্ষণ কৰি আহিছে। তাজমহলত ব্যৱহৃত সামগ্ৰী সমূহৰ এনেকুৱা গুণ আছিল যে ইয়াক দেখিলে আজিও ন-কৈ সাজি উলিওৱা যেন লাগে। সূৰ্যৰ পোহৰৰ পৰিৱৰ্তনৰ লগে লগে হোৱা ৰঙৰ পৰিৱৰ্তন তাজমহলৰ অন্যতম বিশেষত্ব।

মোগল যুগৰ অন্যতম কীৰ্তিস্তম্ভ তাজমহল ভাৰতবাসীৰ গৌৰৱৰ থল হ'লেও তাজমহল নিৰ্মাণৰ সমালোচনা হোৱাও পৰিলক্ষিত হয়। মধ্যযুগৰ দুখ-দুৰ্দশাগ্ৰস্ত দৰিদ্ৰ জনসাধাৰণৰ বহু কষ্ট আৰু ত্যাগৰো ই প্ৰতীক বুলি কিছুমানে ক'ব খোজে। "তাজমহল কিহৰ প্ৰতীক — সৌন্দৰ্য নে শোষণৰ?" বুলি বিতৰ্কও এটা সময়ত হৈছিল।

এই সকলোবোৰ বিতৰ্কৰ ওৰ পেলাই সৌ সিদিনা ঘোষিত হ'ল বিশ্বৰ সপ্তাশ্চৰ্যৰ অন্যতম তাজমহল — বিশ্ব মানৱ নিৰ্মিত সৰ্বোৎকৃষ্ট কীৰ্ত্তি, সম্ৰাট ছাহজাহনৰ অমৰ প্ৰেম আৰু সৌন্দৰ্যবোধৰ সৃষ্টি 'তাজমহল' সমগ্ৰ ভাৰতবাসীৰ গৌৰৱৰ থল।।



Scanned with CamScanner

# শিক্ষা আৰু উশৃংখল যুৱ সমাজ

অঞ্জন দাস
স্নাতক মহলা, তৃতীয় বৰ্ষ

দেশ এখনৰ প্ৰগতিত শিক্ষা পদ্ধতিয়ে ভালেখিনি বৰঙণি যোগাব পাৰে, কিয়নো আমি প্ৰত্যেকেই জানো যে উপযুক্ত সুশিক্ষাই প্ৰকৃত মনুহ সৃষ্টি কৰে। যাক আমি প্ৰকৃত মনুহ বুলিছোঁ সেই মনুহবোৰ সমাজৰ মংগল সাধন কৰিব পৰা নৈতিক জ্ঞানৰ অধিকাৰী হোৱা উচিত। শিক্ষা মানৱ জীৱনৰ অবিচ্ছেদ্য অংগ। শিক্ষা অবিহনে মানসিক, আধ্যাত্মিক, শাৰীৰিক আদি দিশত উৎকৰ্ষ সাধন কৰিব পৰাটো সম্ভৱ নহয়।

স্কুলত বা মহাবিদ্যালয়ত পঢ়ি বি. এ., এম. এ. পাছ কৰিলেই যে এজন লোক শিক্ষিত হৈ পৰে এনে নহয়। কিয়নো এটা বিষয়ত লাভ কৰা অভিজ্ঞতাই হ'ল শিক্ষা। এজন কৃষকে কৃষি কৰ্মত লাভ কৰা অভিজ্ঞতাও শিক্ষা। এজন গায়কে সুললিত ভংগীৰে গীত গোৱা যি কৌশল বা জ্ঞান আয়ত্ব কৰে সেয়াও শিক্ষা। অকল স্কুল-কলেজত পঢ়াজনেই শিক্ষিত নহয়। বিভিন্ন কৰ্মত থকা পাৰদৰ্শিতাই হ'ল প্ৰতিজন ব্যক্তিৰ নিজস্ব শিক্ষা।

এৰিষ্টটলে কৈছিল যে শিক্ষাই সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰে। পেষ্টালজিৰ মতে মনুহৰ আত্মশক্তিৰ স্বাভাৱিক স্বতঃস্ফূৰ্ত আৰু প্ৰগতিপূৰ্ণ বিকাশেই শিক্ষা। প্লেটোএ শিক্ষাক উপযুক্ত সময়ত সুখ-দুখ অনুভৱ কৰিব পৰা ক্ষমতা বুলি অভিহিত কৰিছে। এইদৰে শিক্ষাৰ ক্ষেত্ৰত বিভিন্নজনৰ বিভিন্ন অভিমত দেখা যায়। গতিকে শিক্ষা কাক বোলে বুলি পৰ্যালোচনা কৰিলে আমি শিক্ষাৰ দুটা অৰ্থ পাওঁ এটা সংক্ষিপ্ত আনটো বহল। সংক্ষিপ্ত অৰ্থত বিদ্যালয়ৰ পৰা আৰ্জিত জ্ঞান বা কলেজৰ পৰা নিৰ্ধাৰিত পাঠ্যক্ৰম অনুসৰি আয়ত্ব কৰা বিদ্যাই হ'ল শিক্ষা। আনটো বহল অৰ্থত শিক্ষা হ'ল নিজৰ অভিজ্ঞতাৰে জীৱনৰ বিভিন্ন সমস্যা, ঘটনা, সুযোগ, সাফল্য, ব্যৰ্থতা আদিৰ পৰা আহৰণ কৰা উচিত অৰ্থপূৰ্ণ জ্ঞান।

অনাতাঁৰ, দূৰদৰ্শন, বাতৰি কাকত, চিনেমা, পুথিভঁৰাল আদিৰ পৰাও বিভিন্ন দিশত শিক্ষা আহৰণ কৰা হয়। অনাতাঁৰ কেন্দ্ৰৰ জৰিয়তে প্ৰচাৰিত বিভিন্ন অনুষ্ঠান যেনে সাহিত্য-সংগীত, যুৱক-যুৱতীৰ অনুষ্ঠান, জ্ঞান-বিজ্ঞানৰ বতৰা আদিৰ দ্বাৰা ন-ন জ্ঞান আহৰণ কৰিব পৰা যায়। জ্ঞান আহৰণৰ ক্ষেত্ৰত পুথিভঁৰালও এটা উল্লেখযোগ্য মাধ্যম। শিক্ষাৰ কাৰ্য হ'ল মানৱ জীৱনৰ অভিজ্ঞতাৰ পৰা শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক গুণবোৰৰ বিকাশ সাধন কৰা। শিক্ষাৰ জৰিয়তে ব্যক্তিক সমাজমুখী কৰি তোলা হয় আৰু কলা, কৃষ্টি, ধৰ্ম, বিশ্বাস আদি সংৰক্ষণ কৰি সমাজৰ অলাগতিয়াল ৰীতি-নীতিসমূহ দূৰ কৰি সমাজ সংশোধন কৰা হয়।

মানুহে শিক্ষা দুই প্ৰকাৰে আহৰণ কৰিব পাৰে — আনুষ্ঠানিক আৰু অনানুষ্ঠানিক। স্কুল, কলেজ আদিত পৰিকল্পিতভাৱে কোনো নিৰ্দিষ্ট লক্ষ্য ৰাখি নিৰ্ধাৰিত সময়সূচী, নিয়ম প্ৰণালী, পৰীক্ষা ব্যৱস্থা, পাঠ্যক্ৰম আদিৰ সহায়ত যি শিক্ষা লাভ কৰা হয় তাকে আনুষ্ঠানিক শিক্ষা বোলে। এই শিক্ষাৰ পৰা ডিগ্ৰী, ডিপ্লোমা, চাৰ্টিফিকেট আদি লাভ কৰিব পাৰি।

আনহাতে সমাজত থাকি সমাজৰ পৰা বা কোনো ব্যক্তি বিশেষৰ পৰা সামাজিক জীৱনৰ বাবে উপযোগী জ্ঞান আৰু দক্ষতা আহৰণ কৰা শিক্ষাক অনানুষ্ঠানিক শিক্ষা বোলে।

এই কথা সৰ্বজন জ্ঞাত যে স্কুল-কলেজৰ নিৰ্ধাৰিত পুথিগত বিদ্যাই জীৱনৰ প্ৰয়োজনীয় সকলো শিক্ষা দিব নোৱাৰে। প্ৰয়োজনীয় শিক্ষা আৰু জ্ঞান লাভ কৰিবলৈ কিছুমান সহ-পাঠ্যক্ৰমৰ প্ৰয়োজন। কিছুমান বিষয়ৰ সান্নিধ্যত প্ৰকৃত শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক জ্ঞান লাভ কৰিব পাৰি। সেইবোৰ হ'ল — খেলা-ধূলা, সভা-সমিতি, সমাজ কল্যাণমূলক আঁচনি, সাংস্কৃতিক অনুষ্ঠান, দেশ ভ্ৰমণ, প্ৰকৃতিবীক্ষণ ইত্যাদি। খেলা-ধূলাৰ পৰা মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধন হয়, স্বাস্থ্য ভালে থাকে, ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি হয়, বলৱন্ত হয়, সামাজিক ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা লাভ কৰাৰ উপৰিও নিঃস্বাৰ্থভাৱে কাম



Scanned with CamScanner

কৰাৰ প্ৰেৰণা পোৱা যায়। সাংস্কৃতিক অনুষ্ঠানত পৰিৱেশিত গীত-নাচ, নাট্যাভিনয়, আবৃত্তি আদিৰ দ্বাৰা মানসিক দক্ষতা অৰ্জন কৰাৰ লগে লগে এইবোৰৰ বিকাশ সাধন হয়।

উঠি অহা যুৱ-শক্তি এখন দেশৰ আশাৰ প্ৰদীপ স্বৰূপ। প্ৰতিজন যুৱকেই এখন দেশ তথা এটা জাতিৰ ভৱিষ্যৎ কৰ্ণধাৰ। যুৱক সকলেই হৈছে এটা জাতি আৰু এখন দেশৰ অফুৰন্ত শক্তিৰ ভাণ্ডাৰ। এওঁলোকৰ আছে সুদূৰ প্ৰসাৰী দৃষ্টি তথা জ্ঞান লাভৰ তৃষ্ণা, এটা অসীম সাহসী কল্পনাবিলাসী নবীন মন। এই যুৱক সকলেই এদিন দেশক নেতৃত্ব দিব লাগিব। কিন্তু বৰ্তমানৰ উশৃংখল যুৱ মানসিকতাই আমাক কি প্ৰদৰ্শন কৰে? য'ত যুৱ শক্তি হ'ব লাগে সমাজৰ জাগ্ৰত প্ৰহৰী, তেনে ক্ষেত্ৰত যুৱকসকলৰ নৈতিক স্খলনৰ বিভিন্ন দিশে যুৱ-সমাজৰ ভেঁটিটো ফোঁপোলা কৰি তুলিছে। ধৰ্ষণ, লুণ্ঠন, নিচাযুক্ত দ্ৰব্য সেৱন, সহজলভ্য ধনৰ প্ৰতি লিপ্সা আদি নৈতিক স্খলনবোৰ যুৱ সমাজৰ বাবে এক চিন্তনীয় বিষয় হৈ পৰিছে। এনে ফোঁপোলা যুৱ সমাজে জাতীয় সংকটৰ সময়ত জাতিক ৰক্ষা কৰিব পাৰিব বুলি কল্পনাও কৰিব নোৱাৰি।

**বহল অৰ্থত শিক্ষা হ'ল নিজৰ অভিজ্ঞতাৰে জীৱনৰ বিভিন্ন সমস্যা, ঘটনা, সুযোগ, সাফল্য, ব্যৰ্থতা আদিৰ পৰা আহৰণ কৰা উচিত অৰ্থপূৰ্ণ জ্ঞান।**

সাম্প্ৰতিক সময়ত দুৰ্নীতিৰ কৰাল গৰাহত ডুব গৈ থকা অসমৰ চৰকাৰী কৰ্মচাৰী, অসুস্থ ৰাজনৈতিক ব্যৱস্থা আদি উশৃংখল যুৱ মানসিকতাৰ অন্যতম কাৰণ। উচ্চ শিক্ষাৰে শিক্ষিত হৈ যেতিয়া কোনো এজন ছাত্ৰই নিজকে প্ৰতিষ্ঠিত কৰিব নোৱাৰে, তেতিয়া মানসিক ভাৰসাম্য হেৰুৱাই উশৃংখল মানসিকতাপূৰ্ণ হৈ পৰা দেখা যায়। কিছুমান যুৱকে আকৌ দেশৰ কুটিল ৰাজনৈতিক চক্ৰত পৰি ভুলপথে পৰিচালিত হৈ পৰে। কিছুমান যুৱকে ধৰ্ষণ, লুণ্ঠন আদি অপকৰ্মত লিপ্ত হৈ 'ৰাজঘৰত' থকা দীঘল হাতৰ বাবে আইনৰ ফালৰ পৰা ৰেহাই পায়। ফলস্বৰূপে এনে যুৱকসকলে যিকোনো কুকাৰ্য কৰিবলৈ কুণ্ঠাবোধ নকৰি এক উশৃংখল পৰিৱেশৰ সৃষ্টি কৰা দেখা যায়।

বৰ্তমান সময়ত অৰ্থনৈতিক কাৰণতো উশৃংখল যুৱ মানসিকতাই গঢ় লৈছে। বিত্তৱান অভিভাৱকসকলৰ ধনত বলীয়ান হৈ এচাম যুৱকে পশ্চিমীয়া ঢঙেৰে নিজকে প্ৰতিষ্ঠা কৰিবলৈ গৈ ড্ৰাগছ বা তেনে ধৰণৰ নিচাসক্ত দ্ৰব্যৰ আশ্ৰয় লয়। এচামে আকৌ য'তে ত'তে আড্ডা দি উদ্দেশ্যবিহীনভাৱে ঘূৰি ফুৰে। এইচাম যুৱক সামাজিক উশৃংখলা সৃষ্টি কৰা অন্যতম কাৰক।

পাৰিবাৰিক পৰিৱেশেও উশৃংখল যুৱ মানসিকতাৰ সৃষ্টি কৰিব পাৰে। বহুতো অভিভাৱকে নিজৰ সন্তানক সংস্কৃতিৱান কৰি তোলা অথবা নৈতিক দিশৰ পূৰ্ণাংগ বিকাশৰ প্ৰতি মনোযোগী হোৱাৰ পৰিবৰ্তে তথাকথিত আধুনিক জগতৰ লগত মিল খোৱাকৈ ডাঙৰ কৰিবলৈ যায়। ফলত সন্তান সমূহ হৈ পৰে অভাৰ স্মাৰ্ট, যিটো ভাৰতীয় সমাজ ব্যৱস্থাৰ লগত খাপ খাব পৰা বিধৰ নহয়। এনেবোৰ পৰিঘটনায়ো আমাৰ সমাজত উশৃংখল যুৱ-মানসিকতাৰ সৃষ্টি কৰে বুলি ক'লে ভুল নহয়।

দূৰদৰ্শনৰ প্ৰচলিত কিছুমান চেনেলত বিশেষকৈ 'কেবল' টি. ভি.ত দেখুওৱা কিছুমান দৃশ্যই আমাৰ যুৱক সকলৰ চঞ্চলমনক অধিক চঞ্চল কৰাত অবিহণা যোগায়। ফলত সমাজত বহুতো অপ্ৰীতিকৰ ঘটনা ঘটে।

সাম্প্ৰতিক সময়ত মানৱীয় গুণ সম্পন্ন, সামাজিক ন্যায় আৰু সমতাবিশিষ্ট, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক সমাজ এখনৰ অতি প্ৰয়োজন হৈ পৰিছে — য'ত ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, সংস্কৃতি আদি সকলো দিশতে যুৱ সমাজ নতুন অৰ্ন্তদৃষ্টিৰ অধিকাৰী হ'ব পাৰে। ইয়াৰ বাবে এলাহ্নকলীয়া সমাজ ব্যৱস্থাক আঁতৰাই নতুন সমাজ ব্যৱস্থা গঢ় দিব লাগিব। এই কাম তেতিয়াহে সম্ভৱ হ'ব যেতিয়া যুৱ শক্তিয়ে বিশ্ব ইতিহাসত সংঘটিত বিপ্লৱবোৰৰ বিষয়ে অধ্যয়ন কৰি তাৰ পৰা সঠিক শিক্ষা আয়ত্ব কৰিব, যি শিক্ষাই যুৱ সমাজক এন্ধাৰৰ পৰা পোহৰৰ দিশলৈ আগুৱাই লৈ যাব পাৰিব।

'যিজনে সকলোৰে পৰা শিকে সেইজনেই জ্ঞানী' - বেঞ্জামিন ফ্ৰেংকলিন।



Scanned with CamScanner

# অসমীয়া ভাষা-সাহিত্যৰ পুৰোধা ব্যক্তি হেমচন্দ্ৰ বৰুৱা — এটি আলোকপাত

মিতালী শৰ্
স্নাতক মহলা, তৃতীয় ব

অসমৰ এক প্ৰাচীন ঐতিহ্যমণ্ডিত পৰিয়ালত অসমীয়া ভাষা সাহিত্যৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ জন্ম হৈছিল। তেওঁৰ উপৰিপুৰুষ কলিবৰে সোতৰ শতিকাৰ মাজভাগমানতে সুদূৰ কান্যকুব্জৰ (কনৌজ) পৰা অসমৰ পৱিত্ৰ স্থানসমূহ দৰ্শন কৰিবলৈ অসমভূমিত পদাৰ্পণ কৰিছিল। আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহই তেওঁৰ বৈদ্যশাস্ত্ৰৰ পাৰদৰ্শিতাৰ বাবে 'বেজবৰুৱা' অৰ্থাৎ ৰাজ্যৰ এগৰাকী প্ৰধান চিকিৎসক পদত নিয়োগ কৰাৰ উপৰিও ভেটি-মাটি, ধন-সোণ, দাস-দাসী আদি দি সংস্থাপন কৰিছিল।

হেমচন্দ্ৰ বৰুৱাৰ পিতৃ মুক্তাৰাম বৰুৱাও এজন নিপুণ চিকিৎসক আছিল। তেওঁ সংস্কৃত ভাষাৰো পণ্ডিত আছিল। এটি পুত্ৰ সন্তানৰ জন্মৰ পিছত মুক্তাৰাম বৰুৱাৰ পত্নী বিয়োগ ঘটাত যোৰহাটৰ ঢাপকাটা সত্ৰৰ লক্ষ্মীনাথ দেৱগোস্বামী আৰু কামেশ্বৰী দেৱীৰ কন্যা ৰূপহী দেৱীক বিয়া কৰায়। ১৮৩৫ চনৰ ডিচেম্বৰ মাহত পিতৃ ভিঠা ৰজাবাহৰত হেমচন্দ্ৰ বৰুৱাৰ জন্ম হয়। তেওঁৰ জন্মৰ এবছৰৰ পিছতে ৰৰমাকৰ পুতেক যোগেশ্বৰৰ ওঠৰ বছৰ বয়সত অকাল মৃত্যু হয়। পিতৃ মুক্তাৰামে পুত্ৰ যোগেশ্বৰক বৰ যত্নেৰে সংস্কৃত ভাষা আৰু চিকিৎসা বিদ্যাত পাৰ্গত কৰি তুলিছিল। সেয়েহে পুত্ৰৰ অকাল বিয়োগত মৰ্মাহত হৈ পৰা পিতৃয়ে দ্বিতীয় পুত্ৰৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট দেৰী কৰিছিল। ন বছৰ বয়সতহে তেওঁৰ আনুষ্ঠানিক বিদ্যাৰম্ভ কৰোৱা হয়। ইয়াৰ আগতে শিশু হেমচন্দ্ৰই অইনৰ মুখৰপৰা শুনি শুনি বৰ্ণমালাৰ আখৰ কেইটা মাতিব পৰা হৈছিল। দেউতাকে বৰ্ণমালাৰ লগত পৰিচয় কৰি নিদিয়াকৈ শব্দ জোঁটাবলৈ শিকোৱাত ভালেমান বয়সলৈকে তেওঁ বৰ্ণমালাখন ক্ৰমানুসৰি মাতিব পৰা নাছিল।

পুথি পঢ়িব পৰা হোৱাত দেউতাকে হেমচন্দ্ৰক ব্যাকৰণ শিকাবলৈ আৰম্ভ কৰিলে। এই সময়তে ৰজাবাহৰ আৰু ওচৰ-পাজৰৰ ঠাইত মহামাৰী ৰূপত জহনী অৰ্থাৎ কলেৰা ৰোগে দেখা দিলে। সুচিকিৎসক মুক্তাৰাম ডাঙৰীয়াই দিনে-নিশাই শ্ৰম কৰি বহুলোকৰ প্ৰাণ ৰক্ষা কৰিলে যদিও অৱশেষত সেই ৰোগতে আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিবলগীয়া হয়।

তিনিটা কণ কণ শিশুৰে অথাই সাগৰত প ৰূপহীদেৱীক মুক্তাৰাম বৰুৱাৰ খুৰাকৰ ল'ৰা লক্ষ্মীৰা বৰুৱাই সহায়ৰ হাত আগবঢ়ায় আৰু গোটেই পৰিয়ালটো শিৱসাগৰলৈ লৈ যায়। তেৰ বছৰীয়া হেমচন্দ্ৰক খুৰাকে শিৱসাগৰ কছাৰীত শিক্ষা-নৱিচ হিচাপে সুমুৱাই দিয়ে। সেই সময়ত অসমৰ পঢ়াশালী আৰু আদালতত বঙলা ভাষাই চলিছিল। তেখেতে প্ৰথমে বঙলা ভাষা শিকে যদিও ইয়াৰ পিছত প্ৰথমে উৰ্বীধৰ বৰুৱাৰ টোলত আৰু পিছত খুৰাকে নিজ ঘৰৰ চৌহদত খোলা টোলত সংস্কৃত ভাষা শিকিছিল। বঙলা আৰু সংস্কৃতৰ উপৰিও তেওঁ থমাছ ব্ৰ'ডি চাহাব তত্বাৱধানত হিন্দী ভাষাও শিকিছিল।

সেই সময়ত ইংৰাজী ভাষাটোক ম্লেচ্ছৰ ভাষা বুলি ঘিণ কৰিছিল। জাত যাব বুলি ভাবি এই ভাষাটো শিকিবলৈ নিদিছিল। জ্ঞান পিপাসু আৰু দূৰদৰ্শী হেমচন্দ্ৰই গোপনে খুৰাককো জানিবলৈ নিদিয়াকৈ ইংৰাজী ভাষা শিকিবলৈ লৈছি যদিও খুৰাকে গম পোৱাত ইংৰাজী শিকা নিষেধ কৰিলে। অৱশ্যে শেষত পুৰণি বন্ধু কৃষ্ণৰাম গগৈৰ উৎসাহত পৰমানন্দ ভঁৰালী আৰু প্ৰিয়লাল বৰুৱাৰ সহযোগত ইংৰাজী ভাষা শিকিবলৈ সক্ষম হয়। ইংৰাজী ভাষাত থকা ব্যুৎপত্তিৰ বাবেই চৰকাৰী কামত দোপত-দোপে উন্নতি লাভ কৰি ট্ৰেনশ্লেটৰ বা ভাষা ভঙা কাকতী হৈ শেষত অসমৰ জুডিচিয়েল কমিছ্যনাৰৰ অফিচৰ চুপাৰিণ্টেডেণ্ট হৈছিল।

হেমচন্দ্ৰ বৰুৱাই প্ৰথমাৱস্থাত 'অৰুণোদই'ত (১৮৪৬) দুই এটা প্ৰবন্ধ লিখিলেও মিছনেৰী সকল প্ৰয়োগ কৰা বৰ্ণ বিন্যাস ৰীতি মানি চলাৰ পক্ষপাতি নাছিল। মিছনেৰীসকলে দীৰ্ঘ আৰু মূৰ্দ্ধণ্য বৰ্ণবিলাক আৰু ছ, ষ, শ আদি বৰ্ণবোৰ এৰাই চলিছিল। হেমচন্দ্ৰ বৰুৱাৰ মতে যিহেতু অসমীয়া ভাষাটো বঙলা ভাষাৰ অপভ্ৰংশ নহয়, ইয়াৰ মূল সংস্কৃত,



Scanned with CamScanner

গতিকে আমি ভাষাটোক তাৰ মূলৰ পৰা কেতিয়াও বিচ্ছিন্ন কৰিব নোৱাৰোঁ। আনহাতে 'ৱ' আখৰটো বঙলা ভাষাত নথকা বাবে এই আখৰটোৰ অস্তিত্ব নাই বুলি মিছনেৰীসকলে ভাবিছিল। সেয়েহে অসমীয়া পাঠ্যপুথিত এই আখৰটো অন্তৰ্ভুক্ত কৰিব বিচৰা নাছিল। 'ৱ' আখৰৰ সপক্ষে হেমচন্দ্ৰ বৰুৱাই আগবঢ়োৱা অকাট্য যুক্তি আৰু তথ্যৰ ফলস্বৰূপে মিছনেৰীসকলে আখৰটো গ্ৰহণ কৰিলে যদিও বৰ্ণ বিন্যাস সলনি কৰাত অনিচ্ছুক আছিল। অৱশেষত হেমচন্দ্ৰ বৰুৱাৰ জয় হ'ল। ১৮৬১ চনৰ জানুৱাৰী মাহৰ পৰা 'অৰুণোদই' কাকতৰ নাম 'অৰুণোদয়' হ'ল আৰু ইয়াত তেখেতে নিৰ্দিষ্ট কৰি দিয়া বৰ্ণ বিন্যাসেই চলিবলৈ ধৰিলে।

যিকোনো জাতিৰে ভাষা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ব্যাকৰণ আৰু অভিধানে যে নিৰ্ণায়ক স্বৰূপে কাম কৰে এই কথা হেমচন্দ্ৰ বৰুৱাই ভালদৰে উপলব্ধি কৰিছিল। দুখ আৰু দুৰ্ভাগ্যৰ কথা এয়ে যে ঊনবিংশ শতিকাৰ আগলৈ আমাৰ ভাষাত ব্যাকৰণ বা অভিধান নাছিল। ১৮৫৯ চনত হেমচন্দ্ৰ বৰুৱাই লিখা প্ৰথমখন অসমীয়া ব্যাকৰণ 'অসমীয়া ভাষাৰ ব্যাকৰণ' প্ৰকাশ পায়। চৌধ্য বছৰ পিছত এইখন ব্যাকৰণৰ পৰিবৰ্ধিত আৰু পৰিমাৰ্জিত দ্বিতীয় তাঙৰণ প্ৰকাশ পাইছিল 'অসমীয়া ব্যাকৰণ' নামেৰে। এইখন ব্যাকৰণ উচ্চ মান বিশিষ্ট হোৱা বাবে তেওঁ ন-শিকাৰুৰ উপযোগীকৈ 'অসমীয়া ল'ৰাৰ ব্যাকৰণ'খন লিখে।

'হেমকোষ' হেমচন্দ্ৰ বৰুৱাৰ জীৱনৰ অক্ষয়কীৰ্ত্তি। তেওঁ কেতিয়াৰ পৰা অভিধান প্ৰণয়নৰ কাম আৰম্ভ কৰিছিল এই বিষয়ে সঠিককৈ ক'ব নোৱাৰি। অভিধান লিখা সময়ত তেওঁ দিনে ৰাতিয়ে অবিশ্ৰান্তভাৱে পৰিশ্ৰম কৰিছিল। যেতিয়াই কোনো এটা কথা মনত পৰিছিল তেতিয়াই তেওঁ সেইটো বহীত লিখি থৈছিল আনকি ৰাতি সাৰ পাওঁতে মনত পৰিলেও তেতিয়াই উঠি সেইটো বহীত লিখিছিল। শয়নে সপোনে 'হেমকোষ'ৰ চিন্তা কৰা এই মহান কৰ্মযোগীজনে এইদৰে বাইছ হেজাৰমান শব্দ সংগ্ৰহ কৰিছিল কিন্তু ধনৰ নাটনিৰ বাবে তেওঁ সেইখন ছপাব পৰা নাছিল। তেতিয়া তেওঁ 'সংক্ষিপ্ত হেমকোষ' এখন যুগুতাই উলিয়ায় যদিও এইখনো ছপা হৈ ওলোৱা নাছিল। ইয়াৰ পিছত তেওঁ 'পঢ়াশলীয়া অভিধান' এখন লিখে। তেওঁৰ জীৱনৰ চৰম দুৰ্ভাগ্য এয়ে যে তেওঁ প্ৰণয়ন কৰা এখনো অভিধান তেওঁৰ জীৱিতাৱস্থাত প্ৰকাশ নহ'ল। তেওঁৰ মৃত্যুৰ ভালেমান বছৰ পিছত বহুতো ঘাত-প্ৰতিঘাতৰ অন্তত ১৯০০ চনত কলিকতাৰ বেপ্টিষ্ট মিছন প্ৰেছৰ পৰা 'অসমীয়া হেমকোষ'খন ছপা হৈ ওলায়। এই অভিধানখনৰ বাবে অসমীয়া জাতিয়ে চিৰদিন তেওঁৰ ওচৰত ঋণী হৈ থাকিব।

তেওঁ স্কুলীয়া ল'ৰা-ছোৱালীৰ উপযোগীকৈ 'আদিপাঠ' আৰু 'পাঠমালা' নামৰ স্কুলীয়া পুথি লিখি নগদ ধনেৰে পুৰস্কৃতও হৈছিল। তেওঁ ৰচনা কৰা আন এখন পুথি আছিল 'স্বাস্থ্যৰক্ষা বা গা ভালে ৰাখিবৰ উপায়।' চাকৰিৰ পৰা অৱসৰ গ্ৰহণৰ পিছত তেওঁ 'আসাম নিউচ' নামৰ সাপ্তাহিক বাতৰি কাকতৰ এখনৰ সম্পাদনা কৰিছিল।

আধুনিক মনৰ অধিকাৰী হেমচন্দ্ৰ বৰুৱাদেৱে সমাজত নাৰীৰ মৰ্যাদাৰ সংস্কাৰ বিচাৰিছিল। 'অনেক বিয়া কৰা অনুচিত', 'স্ত্ৰীশিক্ষা' আদি প্ৰবন্ধ এইক্ষেত্ৰত উল্লেখযোগ্য। নিজে বিধৱা বিবাহ কৰা নাছিল যদিও তেওঁৰ আত্মজীৱন চৰিতত বিধৱা বিবাহৰ সপক্ষে মত আগবঢ়াইছিল। তেওঁৰ ডেৰকুৰি বছৰ নৌহওঁতেই পত্নীৰ বিয়োগ ঘটিছিল যদিও তেওঁ পুনৰ বিবাহ কৰা নাছিল। নাৰীৰ প্ৰতি তেওঁ যি স্নেহ আৰু শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল সেয়া আজিও সমাজত বিৰল।

সমাজৰ তথাকথিত ভদ্ৰলোক সকলৰ মুখা খুলিবলৈ তেওঁ 'কানীয়াৰ কীৰ্তন' আৰু 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' নামৰ তীব্ৰ ব্যংগাত্মক পুথি দুখন ৰচনা কৰিছিল। 'কানীয়াৰ কীৰ্তন'ত অকল মাদক দ্ৰব্যৰ অপকাৰিতাই ফুটি উঠা নাই সমাজৰ এচাম লোকৰ ভণ্ডামিৰ মুখাও খুলি দিছে। 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী'তো হাস্য ব্যংগভাৱে সমাজৰ কু-সংস্কাৰ, তথাকথিত 'ধৰ্মপুৰুষ', জ্যোতিষী আদিৰ ভণ্ডামি প্ৰৱঞ্চনা, বিশ্বাসঘাতকতা আদিৰ ওপৰত তীব্ৰ আঘাত হানিছিল।

সংস্কাৰমুক্ত মনৰ অধিকাৰী হেমচন্দ্ৰ বৰুৱাদেৱে সমাজত থকা জাত-পাত আদি মনা নাছিল। সেয়েহে ব্ৰাহ্মণ বংশত উপজিও অব্ৰাহ্মণ ৰান্ধনিয়ে ৰন্ধা আহাৰ প্ৰকাশ্যে গ্ৰহণ কৰিছিল। প্ৰচাৰ বিমুখ এই লোকজনে তেওঁৰ ফটো তোলাটোও পচন্দ কৰা নাছিল। এবাৰ এজন লোকে মনে মনে তেওঁৰ ফটো তুলি তেওঁক দেখুওৱাত তেওঁ হেনো খঙতে সেইখন দীঘে দীঘে ফালি পেলাইছিল। পিছত সেই দুফালকে জোৰা দি এখন ফটো কৰা হৈছিল।

১৮৯৬ চনৰ ১৭ মে'ত গুৱাহাটীৰ উজান বজাৰৰ নিজা বাসভৱনত এইগৰাকী মহান সাহিত্যিক তথা সমাজ সংস্কাৰক কৰ্মযোগীৰ দেহাৱসান ঘটে।



Scanned with CamScanner

# সুস্থ শৈক্ষিক পৰিৱেশ গঠনত শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য

মকুন্দ কলিতা
স্নাতক মহলা, তৃতীয় বৰ্ষ

আজিৰ ছাত্ৰই কাইলৈৰ নাগৰিক। এখন প্ৰগতিবাদী সমাজ গঠনৰ সহায়ক স্বৰূপে এই ছাত্ৰসকলক উপযুক্তভাৱে গঢ় দি তোলাটো অতি প্ৰয়োজনীয় কথা। ইয়াৰ বাবে আমাক লাগিব উপযুক্ত শিক্ষা আৰু সুস্থ পৰিৱেশ।

সুস্থ শৈক্ষিক পৰিৱেশ গঠন কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষকৰ সহায়-সহযোগিতাৰ একান্ত প্ৰয়োজন। ফ্ৰবেলৰ মতে, "শিক্ষা হ'ল মানুহৰ গাত নিহিত হৈ থকা গুণসমূহৰ প্ৰকাশ।" এই গুণসমূহৰ বিকাশ নিৰ্ভৰ কৰে ছাত্ৰ, শিক্ষক আৰু অভিভাৱকসকলে নিষ্ঠা সহকাৰে পালন কৰা দায়িত্বৰ ওপৰত।

ছাত্ৰ-ছাত্ৰীৰ আভ্যন্তৰীণ গুণ সমূহৰ বিকাশৰ ক্ষেত্ৰত শিক্ষক আৰু অভিভাৱকসকল পথ নিৰ্দেশক স্বৰূপ। ঘৰেই শিক্ষাৰ্থীৰ শিক্ষাৰ প্ৰধান আলয়। স্কুলত নামভৰ্ত্তি কৰাৰ আগলৈকে এটি শিশুৰ দায়িত্ব পিতৃ-মাতৃ বা অভিভাৱকৰ ওপৰত ন্যস্ত থাকে। এইখিনি সময়ত অভিভাৱকে যিখিনি কৰ্তব্য পালন কৰে, স্কুললৈ যোৱাৰ পিছতো সেইখিনি অটুট থাকিব লাগে। কিছুমান অভিভাৱকে স্কুলত নামভৰ্তি কৰাৰ পিছতেই তেওঁলোকৰ কৰ্তব্য শেষ হোৱা বুলি ধৰি লয়। এনেধৰণৰ মনোভাৱে ছাত্ৰ-ছাত্ৰীৰ নৈতিক চৰিত্ৰৰ অৱনতি ঘটাব পাৰে। কিছুমান অভিভাৱকে বহুতো ধন উপাৰ্জন কৰি বিলাসী আৰু সুখ-স্বাচ্ছন্দ্যৰে ভৰা জীৱন এটা কটোৱাৰ চিন্তাতেই ব্যস্ত থাকে। এই ব্যস্ততাই ল'ৰা-ছোৱালীৰ প্ৰতি থকা কৰ্তব্যৰ কথা পাহৰাই দিয়ে। ইয়াৰ ফলত উপযুক্ত দিশ নিৰ্দেশকৰ অভাৱত ছাত্ৰ সমাজত বিশৃংখলা আৰু অনৈতিক কাৰ্য-কলাপ বৃদ্ধি পাব পাৰে। শিক্ষাৰ্থী সময়মতে স্কুললৈ গৈছে নে নাই, পোছাক-পৰিচ্ছদৰ পৰিপাটিতা আছে নে নাই, স্কুলৰ পৰা সময়মতে ঘৰলৈ উভতিছে নে নাই, ঘৰত পঢ়া-শুনা কৰিছে নে নাই — ইত্যাদিৰ প্ৰতি অভিভাৱকসকল সচেতন হোৱাটো অতি প্ৰয়োজনীয় কথা।

ফ্ৰবেলৰ মতে "শিক্ষক হ'ব লাগে শিশুৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক (Friend, Philosopher and Guide)। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দৰকাৰ। শিক্ষা পদ্ধতিক বাস্তৱত ৰূপদান কৰিবলৈ হ'লে শিক্ষকসকলে যথেষ্ট কষ্ট আৰু ত্যাগ কৰিব লাগিব। স্কুল-কলেজৰ সময়ছোৱাত শিক্ষকৰ দায়িত্ব অপৰিসীম। শিক্ষাৰ্থীয়ে যাতে শিক্ষকসকলক ফাঁকি দিব নোৱাৰে তাৰ প্ৰতি তেওঁলোকে তীক্ষ্ণ দৃষ্টি দিয়া উচিত। শিক্ষকে নিজেও শৃংখলা আৰু নিয়মানুবৰ্তিতা মানি চলিলেহে শিক্ষাৰ্থীসকল তেওঁলোকৰ প্ৰতি আগ্ৰহী হ'ব। স্কুলত এটা ঘৰুৱা পৰিৱেশ গঢ়ি তুলিব পৰাটো শিক্ষকৰ ডাঙৰ কৃতিত্ব। শিক্ষানুষ্ঠান অকল জ্ঞান বা বিদ্যা লাভৰ অনুষ্ঠান নহয় আনন্দ লাভৰো ক্ষেত্ৰ এই কথাটো ছাত্ৰ-ছাত্ৰীসকলক উপলব্ধি কৰাব পাৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ ভয় ভাব আঁতৰি যাব। শিক্ষকসকলে সকলো ছাত্ৰ-ছাত্ৰীলৈ সমদৃষ্টি ৰখাটোও এইক্ষেত্ৰত অতি প্ৰয়োজনীয় কথা। কৰ্তব্য পালনত কঠোৰতা অৱলম্বন কৰা শিক্ষকসকলক অভিভাৱক অথবা সমাজে নিষ্ঠুৰ বা স্বাৰ্থপৰ বুলি অভিহিত কৰা অনুচিত। উদণ্ড আৰু উশৃংখল ছাত্ৰ-ছাত্ৰীক শাসনাধীন কৰি ৰাখিবলৈ আৰু মাৰ্জিত ৰুচি সম্পন্ন কৰিবলৈ শিক্ষকসকলে যি ব্যৱস্থা গ্ৰহণ কৰে তাৰ প্ৰতি অভিভাৱকসকলে পূৰ্ণ সমৰ্থন আগবঢ়োৱা উচিত। ইয়াৰ বিপৰীতে অভিভাৱকসকল যদি শিক্ষকসকলৰ কাৰ্যৰ কটু সমালোচক হয় তেনে ছাত্ৰৰ অধঃপতন হোৱাৰ সম্ভাৱনাই অধিক।

সুস্থ শৈক্ষিক পৰিৱেশ গঠনত যেনেদৰে অভিভাৱক আৰু শিক্ষকৰ সহায়-সহযোগিতাৰ প্ৰয়োজন আছে ঠিক তেনেদৰে শিক্ষাৰ্থীসকলৰ সহায়-সহযোগিতাৰ প্ৰয়োজনীয়তাও কোনো গুণে কম নহয়। শিক্ষাৰ্থীসকল শৃংখলা আৰু নিয়মানুবৰ্তিতাৰ প্ৰতি বিশেষভাৱে সচেতন হোৱা উচিত। নিয়ম-শৃংখলা ভংগ কৰিলে শিক্ষানুষ্ঠানত পঢ়াৰ পৰিৱেশ নষ্ট হয়, ফলত শৈক্ষিক পৰিৱেশ বিনষ্ট হয়। শিক্ষাৰ্থীয়ে ঘৰত অভিভাৱকৰ আৰু বিদ্যালয়ত শিক্ষকৰ অনুশাসন মানি চলাটো নিতান্ত প্ৰয়োজনীয়। শিক্ষাৰ্থীসকল অধ্যৱসায়ী আৰু বিচাৰ বুদ্ধিসম্পন্ন হ'বলৈ যত্ন কৰিব লাগে। "এলেহুৱাই যেতিয়া শুবলৈ যায় তুমি তেতিয়া ৰুবলৈ যাবা" এইষাৰ মূল্যৱান কথাৰ তাৎপৰ্য বুজিবলৈ শিক্ষাৰ্থীসকল যত্নপৰ হোৱা উচিত।

শিক্ষক আৰু শিক্ষাৰ্থী উভয়ৰে শৃংখলা আৰু সময়জ্ঞানে শিক্ষাৰ সুস্থ পৰিৱেশ গঠনত সহায় কৰে। যেনেকৈ ভাত ৰান্ধিবলৈ হ'লে চাউল, পানী আৰু জুইৰ পূৰ্ণ সহযোগিতাৰ প্ৰয়োজন তেনেকৈ সুস্থ, শৈক্ষিক পৰিৱেশ গঠনত ছাত্ৰ, শিক্ষক আৰু অভিভাৱকৰ পূৰ্ণ সহযোগিতাৰ প্ৰয়োজন।

(মকুন্দ কলিতা ২০০৭ চনৰ স্নাতক
মহলাৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছে।)



Scanned with CamScanner

# আন্তৰ্জাতিক খ্যাতিসম্পন্ন পক্ষীবিজ্ঞানী ড° চালিম আলি ঃ জীৱন আৰু সাধনা

নাজনীন আৰা হক
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ।

পৃথিৱী বিখ্যাত পক্ষীবিদ ড° চালিম আলিৰ সম্পূৰ্ণ নাম আছিল চালিম মাইজউদ্দিন আলি। ১৮৯৬ চনৰ ১২ নবেম্বৰত মুম্বাইৰ খেতৱাৰী অঞ্চলৰ এমি মধ্যবিত্ত পৰিয়ালত তেওঁৰ জন্ম হয়। পাঁচজন ল'ৰা আৰু চাৰিজনী ছোৱালীৰে পৰিপূৰ্ণ পৰিয়ালটোত তেওঁ আছল আটাইতকৈ সৰু। চালিমৰ এবছৰ নৌহওঁতেই তেওঁৰ পিতৃ মাইজউদ্দিনৰ মৃত্যু ঘটে। তাৰ দুবছৰ পিছতেই মাতৃৰ মৃত্যু হয়। সেয়ে চালিমে খুড়াক-খুড়ীয়েকৰ তত্বাৱধানত ডাঙৰ দীঘল হ'বলৈ ধৰে আৰু তেওঁলোকৰ লগতে তেওঁৰ শৈশৱকাল পাৰ হয়। ল'ৰালিকালত তেওঁ শাৰীৰিকভাৱে বৰ দুৰ্বল আছিল। ১৯১০ চনত তেওঁ 'ছেণ্ডৰে'ৰ শৰীৰচৰ্চা প্ৰশিক্ষণকেন্দ্ৰত ভৰ্ত্তি হয়। এই শৰীৰ চৰ্চাৰ ফলস্বৰূপে তেওঁ ডেকাকালত সু-স্বাস্থ্যৰ অধিকাৰী হ'বলৈ সক্ষম হয়। তেওঁ বৰ বেছি মেধাৱী ছাত্ৰ নাছিল যদিও তেওঁৰ নিৰীক্ষণ ক্ষমতা আছিল ৰঅতি তীক্ষ্ণ। শৈশৱৰে পৰা তেওঁ চৰাই নিৰীক্ষণ কৰি ভাল পাইছিল।

কেইবাটাও বিৰতিৰ মাজেৰে স্কুলীয়া শিক্ষা সাং কৰাৰ পিছত তেওঁ পক্ষীবিজ্ঞানত বিশেষ জ্ঞান লাভ কৰিব খুজিও কৃতকাৰ্য হ'ব পৰা নাছিল। হতাশ হৈ তেওঁ চিন্তিত থকা ককায়েক 'হামিদৰ' ঘৰলৈ যায় আৰু তাৰ পৰা ব্ৰহ্মদেশলৈ গুছি যায়। ব্ৰহ্মদেশত তেওঁ চাৰিবছৰমান অতিবাহিত কৰে। এইছোৱা সময়ত তেওঁ ব্ৰহ্মদেশৰ বনে-জংঘলে ঘুৰি নানা তৰহৰ চৰাইৰ কণী সংগ্ৰহ কৰে আৰু চৰাইৰ বিষয়ে অধ্যয়ন কৰে। ১৯১৭ চনত তেওঁ মুম্বাইলৈ ঘৰি আহে আৰু 'তেহমিনা'ৰ লগত বিবাহপাশত আবদ্ধ হয়।

ব্ৰহ্মদেশৰ পৰা ঘৰি অহাৰ পিছত তেওঁ প্ৰাণীবিজ্ঞানক বিশেষ বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰী লাভ কৰে। ১৯২৬ চনত মাহে ৩৫০ টকা দৰমহাত 'বম্বে নেচাৰেল হিষ্ট্ৰি ছ'চাটিত 'গাইজ লেকচাৰাৰ' আৰু সহকাৰী কিউৰেটৰ হিচাপে নিযুক্তি লাভ কৰে। তাত দুবছৰমান কাম কৰাৰ তেওঁ ইউৰোপলৈ গৈ বাৰ্লিন বিশ্ববিদ্যালয়ত পক্ষীবিজ্ঞানৰ বিষয়ে অধ্যয়ন কৰে। ১৯৩০ চনত স্বদেশলৈ ঘুৰি আহি সুদীৰ্ঘ কুৰি বছৰ জুৰি চৰাইৰ বিষয়ে অধ্যয়ন কৰে। তেওঁ হায়দৰাবাদ ভূপাল আদিলৈ গৈ চৰাইৰ জৰীপ কাৰ্য চলায়। ১৯৪৫ চনত চালিমে প্ৰথম বাৰৰ বাবে ফ্লেমিংগ নগৰীত থকা মুঠ চৰাইৰ সংখ্যা আৰু হিঁতৰ নৈশ আচৰণৰ বিষয়ে আৱিষ্কাৰ কৰে। আশী বছৰ বয়সতো তেওঁ বিৰল প্ৰজাতিৰ ক'ল ডিঙিৰ 'সাৰসা'ৰ বংশবৃদ্ধি প্ৰক্ৰিয়া অধ্যয়ন কৰিবলৈ বৰফাবৃত 'লাডাখ' হ্ৰদত উপস্থিত হয়। চালিমে ৰচনা কৰা গ্ৰন্থবোৰ হ'ল — The birds of Bombay and Solcatte, Birds of Central India' তেওঁ ৰচনা কৰা আটাইতকৈ বিখ্যাত গ্ৰন্থখন হ'ল 'Hand book of the birds of India and Pakistan'। ফ্লেমিংগ নগৰীলৈ আন এবাৰ যাওঁতে তেওঁ 'এডছেটৰ' বংশবৃদ্ধি কলনি এটা আৱিষ্কাৰ কৰে। এইটো আছিল আমাৰ উপমহাদেশৰ পৰা প্ৰথম ৰেকৰ্ড।

পক্ষীবিজ্ঞানলৈ যোগোৱা অৱদান আৰু সংৰক্ষণৰ ক্ষেত্ৰত কৰা জীৱনজোৰা সাধনাৰ স্বীকৃতি স্বৰূপে তেওঁ নানা ধৰণে সন্মানিত হৈছে। ১৯৫৮ চনত তেওঁক "পদ্মশ্ৰী বঁটা"ৰে আৰু ১৯৭৬ চনত 'পদ্মভূষণ' সন্মানেৰে বিভুষিত কৰা হয়। তেওঁ পক্ষী সংৰক্ষণৰ 'আন্তৰ্জাতিক কাউন্সিল'ৰ এচীয় শাখাৰ উপ-সভাপতি আছিল। ১৯৮৬ চনত তেওঁক ৰাজ্যসভাৰ সদস্য হিচাপে মনোনিত কৰা হয়। বিশ্ব বন্যপ্ৰাণী পুঁজিয়ে তেওঁলৈ আগবঢ়োৱা 'জে. পল. মেট্ৰি' বঁটাক পক্ষী সংৰক্ষণৰ নবেল বঁটা বুলি অভিহিত কৰা হয়।

চালিমৰ শেষ প্ৰবন্ধটো আছিল "Fall of the



Scanned with CamScanner

Sparrow"। চিকাৰ আছিল তেওঁৰ অতি প্ৰিয়, তথাপি তেওঁ বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে পৰিৱেশ নষ্ট হোৱা বাবেহে আজি প্ৰাণীজগত বিপদত পৰিছে, চিকাৰীৰ বাবে নহয়। হাবি-বন ধ্বংস কৰাৰ ফলত সিহঁতৰ থাকিবলৈ ঠাই নোহোৱা হৈছে। তেওঁ 'ছাইলেণ্ট ভেলি' আঁচনিৰ বিৰোধিতা কৰিছিল যদিও গড়বালৰ 'চিপকো' আৰু কৰ্ণাটকৰ 'আমিক আন্দোলন'ক সমৰ্থন জনাইছিল। তেওঁৰ মতে ইংৰাজী ভাষাটো আধুনিক চিন্তাধাৰা, বিজ্ঞান আদিৰ লগত তাল মিলাই চলিবলৈ জনাটো অতি আৱশ্যক। তেওঁ কৈছিল 'মই পৃথিৱীৰ সকলোতকৈ সুখী মানুহ'। ইয়াৰ কাৰণ হ'ল তেওঁ বেছিভাগ সময় কৰ্মৰ মাজেদি অতিবাহিত কৰিছিল।

চালিম আলি আছিল এজন কৰ্মবীৰ। ১৯৮৭ চনৰ ২০ জুন তাৰিখে এইগৰাকী প্ৰসিদ্ধ পক্ষীবিজ্ঞানীৰ মৃত্যু ঘটে। তেওঁৰ মৃত্যুৰ লগে লগে অবসান ঘটে ভাৰতৰ পক্ষীবিজ্ঞানী... এক দীঘলীয়া অধ্যায়ৰ। জীৱনজোৰা সাধনাৰে ইতিহা... গঢ়োতা চালিম আলিৰ সুদীৰ্ঘ কৰ্মময় জীৱনৰ নিদৰ্শন চৰাই... বিষয়ে লিখা গ্ৰন্থ আৰু প্ৰবন্ধসমূহ, পৰিৱেশ সংৰক্ষণৰ বাবে চলোৱা তেওঁৰ অক্লান্ত প্ৰয়াস, ভৱিষ্যতৰ ওপৰত ৰখা গভী... আস্থা আৰু দেশৰ প্ৰতি থকা পৰম শ্ৰদ্ধাই — তেওঁ দেখুৱা... যোৱা বাটেৰে অগ্ৰসৰ হ'বলৈ নিশ্চয় বহুতকে উদ্বুদ্ধ কৰি তুলিব। পক্ষীবিজ্ঞানত চালিম আলিৰ অৱিহণাৰ বিষয়ে ধাৰণা কৰিবলৈ হ'লে আমি ভাৰতৰ পক্ষী বিজ্ঞানৰ চৰ্চা কৰিব লাগিব। সেয়েই হ'ব চালিম আলিৰ প্ৰতি প্ৰকৃত স্বীকৃতি আৰু শ্ৰদ্ধা।

# — মহৎ লোকৰ বাণী —

সংগ্ৰাহক — হেলেন মেধি
*দ্বাদশ শ্ৰেণী*

১। যিবিলাক গুণেৰে চৰিত্ৰ সংগঠিত হয় তাৰ ভিতৰত সংযম গুণ ছাত্ৰ জীৱনত আটাইতকৈ লাগতিয়াল, কিয়নো ছাত্ৰ শক্তি যেনে প্ৰবল, সংযতভাৱে পৰিচালিত নহ'লে সময়ত সি অসৎ বাটেদি ছুঁয়া কাটি গৈ মহা অনৰ্থক ঘটাবৰ আশংকা থাকে। — পদ্মনাথ গোহাঞিবৰুৱা।

২। সকলোৰে কথা শুনিবা, নিজে কিন্তু বেছি কথা নক'বা। সকলোৰে সমালোচনালৈ কাণ পাতিবা কিন্তু চলিবা নিজৰ বিচাৰ-বুদ্ধি মতে — উইলিয়াম শ্বেইক্‌ছপীয়েৰ।

৩। নৈতিকতা, মানৱতা আৰু অধ্যয়নেই এজন ছাত্ৰৰ লক্ষ্য হোৱা উচিত — ডনবস্ক।

৪। বিশুদ্ধ যুক্তিয়ে সকলো সময়তে আতিশৰ্য পৰিহাৰ কৰি চলে আৰু মানুহক মধ্যম পন্থা অৱলম্বন কৰি জ্ঞানী হ'বলৈ শিক্ষা দিয়ে। .... আনক নিন্দা কৰাৰ আগতে মানুহে নিজকে বহুত সময় ধৰি পৰীক্ষা কৰি চোৱা উচিত — মলিয়েৰ।

৫। পৃথিৱীত কিবা ডাঙৰ কাম কৰিব লাগিলে, জীৱনৰ আগডোখৰত সাধনা লাগিবই আৰু সাধনাৰ সাৰুৱা ক্ষেত্ৰ হৈছে নীৰৱতা — ড° বাণীকান্ত কাকতি।

৬। য'ত সুখ-দুখ, হাঁহি-কান্দোন আদি সাৰ্বজনীন ভাবৰ সমাৱেশ — সেয়ে বিশ্ব সাহিত্য — ড° সূৰ্য কুমাৰ ভূঞা।

৭। একমাত্ৰ মাতৃ ভাষাৰ সুঁতিয়েদি আগবাঢ়ি গৈহে বিশ্বৰ মানৱ সংস্কৃতিৰ সাগৰত উপনীত হ'ব পাৰে — ৰবীন্দ্ৰনাথ ঠাকুৰ।

৮। অৰ্থ নথকা হাজাৰ শব্দ থকা বাক্যতকৈ অৰ্থপূৰ্ণ এটি বাক্যও ভাল — বুদ্ধদেৱ।



Scanned with CamScanner

# লোক-ভাষা আৰু অসমীয়া গালি-শপনি ঃ
## এটি আলোচনা

ড° উপেন ৰাভা হাকাচাম

লোক-সাহিত্যৰ ভাষা অৰ্থাৎ লোক-সাহিত্যত পোৱা ভাষা-উপাদান মাত্ৰে 'লোক-ভাষা' (folk-speech) যেন লাগে যদিও লোক-ভাষাৰ পৰিসৰ কিছু ঠেক। আনহাতে বাংলা, হিন্দী আদি ভাষা-সাহিত্যৰ আলোচনাত লোক-ভাষা পদটোৱে উপভাষা (dialect), অমাৰ্জিত গ্ৰাম্যভাষা (substandard বা vulgar tongue) আদিকহে সূচোৱা হয়।

সমাজ-ভাষাতত্ত্ব (socio-linguistics) আৰু লোক-বিদ্যা (folklore)ৰ উমৈহতীয়া আলোচ্য বিষয় এই লোক-ভাষাৰ সংজ্ঞা আৰু পৰিসৰ সম্বন্ধে পণ্ডিতসকলৰ মাজত আলোচনাৰ অন্ত নাই। থোৰতে ক'বলৈ গ'লে — এসময়ৰ বহুল প্ৰচলিত কোনো অঞ্চলৰ উপভাষা (dialect) বা কোনো সমাজৰ সামাজিক উপভাষা (sociolect) নতুবা একান্ত ঘৰুৱাভাৱে পতা নিম্নস্তৰৰ ভাষাৰূপ (losilect) বা সাধাৰণভাৱে চলা মধ্যস্তৰৰ ভাষা-ৰূপ (mesolect)ৰ বিশেষ বিশেষ সমল, এটা সময়ত বিশেষ শ্ৰেণী বা বৰ্গৰ (folk) মাজতহে বিশেষ অৰ্থত বিশেষ প্ৰসঙ্গত সীমিতভাৱে ব্যৱহাৰ হোৱা দেখা যায়। অন্য সৰ্বসাধাৰণ বাইজে তেতিয়া লাহে লাহে ইয়াৰ পূৰ্বৰ অৰ্থ পাহৰিবলৈ ধৰে নতুবা মুকলিভাৱে ইয়াক ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকে। অৰ্থাৎ বহুক্ষেত্ৰতে ই নিষিদ্ধ ভাষা (taboo speech) হিচাপে পৰিগণিত হয়। অৱশেষত অকল জতুৱা ঠাঁচ-খণ্ডবাক্য বা প্ৰবচন-দৃষ্টান্ত আকাৰত এইবোৰ প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ হ'বলৈ ধৰে। এনে অধঃস্তৰৰ (substratum) পৰ্যায়ত প্ৰচলিত কথিত ভাষাৰ উপাদানে লোকভাষা।

লোক-ভাষাৰ পৰিসৰ বা সমল অতি বিস্তৃত। লোক-ভাষাৰ নিদৰ্শন সমূহ সাধাৰণতে মৌখিক সাহিত্যতে সীমাবদ্ধ। কোনো এটা অঞ্চলৰ বা কোনো এটা সম্প্ৰদায় (speech community) বা জনগোষ্ঠীৰ মাজত প্ৰচলিত কথিত ভাষাৰ পৰাই এইবোৰ সমল উপলব্ধ হয়।

লোক-নাট্যানুষ্ঠানৰ অলংকৃত গদ্যশৈলী আৰু কাব্যধৰ্মী বৰ্ণনাৰ মাজেদি বিশেষ এক শ্ৰেণীলোকৰ মনোৰঞ্জনৰ বাবে ৰচিত হোৱা লোক-আখ্যান বা মালিতা (ভাৰী গানৰ পণা শুনোৱা আৰু মাৰেগানৰ ঝুনা বা কৰি) আৰু সৰ্বসাধাৰণ

> লিংগভেদে অৰ্থাৎ পুৰুষ-নাৰী সাপেক্ষেও গালিৰ ভাষা বেলেগে বেলেগ হ'ব পাৰে। ইয়াৰ কেবাটাও কাৰণ আছে। সমাজত পুৰুষ-নাৰীৰ স্থান সমমৰ্যাদা সম্পন্ন নোহোৱা গুণে বিশেষকৈ জৈৱিক কাৰণতে গালি-শপনি, ভাষা-ৰূপৰ তাৰতম্য হয়।



Scanned with CamScanner

ৰাইজৰ মাজত প্ৰচলিত ফকৰা-যোজনা, সাঁথৰ (দিষ্টান/শাস্ত্ৰ), প্ৰবাদ-পটন্তৰ (গুলুক) আৰু ঘৰত আই-বাইহঁতে গালি-শপনি পাৰোঁতে বা কুৎসা ৰটনা কৰোঁতে বিশেষকৈ শাহু-বোৱাৰীৰ মাজত খুট্-খাট্ লাগোতে নতুন দুই সতিনীয়েকৰ উখনা-উখনিত আৰু লগ সমনীয়াৰ চুকলা-চুকলিত ব্যৱহাৰ কৰা মুখনিসৃত লোকভাষা (শাও/curses, গালি /abuses, উপহাস/টিটকাৰি taunts আদি); গাঁৱৰ দদাইদেউ-ককাইদেউহঁতৰ খং-বিৰাগ, অপমান-অমৰ্যাদা, প্ৰতিশোধ-প্ৰত্যুত্তৰত ক'ব নোৱাৰাকৈ ওলাই যোৱা কুবচন-অবাইচ মাত (slangs, vulgar tongue, rustic language); মতা-তিৰোতাৰ দন বা লেৰেলা সাদৰত আৰু ইজনে-সিজনক দিয়া বধ-শপত (oath, challenging) প্ৰেমিক-প্ৰেমিকাৰ মান-অভিমান, হিংসা-ঈৰ্ষাত ফুটি উঠা লেন চেলোৱা মাত (তুতুৰনি, কুটুৰনি/tantalizing, উক্ত্যক্তকৰণ/eve-teasing, অৱদমিতকৰণ/nagging), সমজুৱা ৰাইজৰ আশীৰ্বাদসূচক হৈ ধ্বনি (slogan, blessings) নতুবা গৰিহণাসূচক ধিক্কাৰধ্বনি (condemning/ মুৰ্দাবাদ); বুঢ়া-মেথাই সমাজ পাতি দায়-দণ্ড নিষ্পত্তি কৰোঁতে বাকপটুতা প্ৰদৰ্শন কৰিবলৈ নিক্ষেপ কৰা লোক-উক্তি (maxims); বিয়া-সবাহ বা মদৰ মেলৰ মুখৰোচক চুপতা-চুপতি (জমনি, টেটকুটি, খিচাগীত/jokes); আদৰণি আৰু বিদায় সম্ভাষণৰ সুভাষণ/অভিবাদন (greetings, wel-comes), জিভাৰ কেঁকুৰি ভঙা শব্দ-শৃঙ্খল (tangue twisters), কণ কণ অকণিৰ ছুৱাখেল, নাচৰ গুটি খেল (হেতালি) আদিত উচ্চাৰিত ফুনুক-ধানাক মাত (babblings) ইত্যাদিও প্ৰকাৰন্তৰে লোক-ভাষাৰে সমল। অসমীয়া ভাষাৰ বিভিন্ন আঞ্চলিক আৰু নৃগোষ্ঠীয় উপভাষাতো এনেধৰণৰ সমল নথকা নহয়। ইয়াত অকল গালি-শপনি* মূলক লোক-ভাষাৰ কথাহে আলোচনাৰ বাবে বাচি লোৱা হৈছে।

অঞ্চল আৰু সম্প্ৰদায় বা গোষ্ঠীভেদে একে ভাষা-ভাষী লোকৰ মাজতে গালি-শপনিৰ ভাষা বেলেগ বেলেগ হোৱাৰ দৰে লিংগ ভেদেও অৰ্থাৎ পুৰুষ আৰু নাৰীভেদেও ভাষাৰ ভিন্নতা হ'ব পাৰে। উদাহৰণস্বৰূপে নামনি অসমত প্ৰচলিত সিদ্ধ শব্দ একোটিয়ে উজনি অসমত নিষিদ্ধ শব্দ বা ইয়াৰ সলনা-সলনি হোৱাৰ অলেখ উদাহৰণ আছে। যেনে—

নামনি অসমৰ লোক-ভাষা

উজনি অসমৰ লোক-ভাষা

কটি 'গুহ্যদ্বাৰ, পিছফাল, তলিভাগ'

কটি 'যোনি' (নিষিদ্ধ)

(তু. সংস্কৃত : কটি 'কংকাল, মধ্যদেশ)

পোকৰ 'যোনি' (নিষিদ্ধ)

পোকৰ 'গুহ্যদ্বাৰ'

ফোপ 'নিষিদ্ধ শব্দ' (দৰং অঞ্চলত)

ফোপ 'গুহ্যদ্বাৰ'

সেইদৰে, 'কামৰূপ অঞ্চল বিশেষে লোকজীৱনত প্ৰচলিত 'চেলেই দিয়া', 'কোলোৱা', 'ধাপ' আদি শব্দ দৰং অঞ্চলত নিষিদ্ধ শব্দ হিচাপে পৰিগণিত। দৰং, কামৰূপ আৰু উজনি অসমত প্ৰচলিত 'ঘুমা', 'ঘুমেতি' আদি পদে পত্নীৰ লগত সহবাস কৰা অৰ্থহে সূচায়।' কোনো এটা ভাষাৰ পৰা ধাৰলৈ অনা শব্দ কিছুমানে এইদৰে অৰ্থৰ লৰ হৈ আন এটা ভাষাত নিষিদ্ধ শব্দ ৰূপে প্ৰচলিত হয়। উদাহৰণ স্বৰূপে - সংস্কৃত আৰু হিন্দীত 'বাল' শব্দৰ অৰ্থ চুলি; কিন্তু অসমৰ লোকভাষাত ই এটা যৌন কেশৰ অৰ্থ সূচিত নিষিদ্ধ শব্দ। সেইদৰে হিন্দীত 'কেলা' শব্দৰ অৰ্থ কল কিন্তু অসমৰ লোক-ভাষাত ই পুৰুষাংগ সূচোৱা নিষিদ্ধ শব্দ।*

গোষ্ঠী বা সম্প্ৰদায়ভেদে যে গালি-শপনিৰ ভাষাৰ পাৰ্থক্য হয় তাক বুজিবলৈ বেছি দূৰলৈ যাব নালাগে। অন্যান্য পিতৃতান্ত্ৰিক বৰ্ণ হিন্দু সমাজত প্ৰচলিত চপনীয়া, ধেমনা, গুভীয়া, ঘৰজীয়া, ঢোকা, ধেমনী, বাঁৰী, ফুলবাঁৰী, মতাডাং/মতাডাঙী, ডাংকাটি, গছত উঠা তিৰোতা, ঘৰবুঢ়ী (আবিয়ৈ থকা/বালী), ভাতাৰছাৰী (Divorced woman), তিৰোতা সেকুৱা, গাইমুৱা (দাড়ি-গোঁফ নথকা পুৰুষ) আদি গালিবাচক শব্দ ৰাভা, বড়ো, হাজং, তিৱা, মিছিং আদি সমাজৰ (আদিম মাতৃতান্ত্ৰিক সমাজৰ প্ৰাধান্য থকা সমাজত) নৃগোষ্ঠীয় উপভাষাত অৰ্থাৎ ৰাভামিজ, তিৱামিজ, মিছিংমিজ আদিত গালি-বাচক শব্দ হিচাপে বিবেচিত নহয়। আনকি অসমৰ লোক-ভাষাত বহুল প্ৰচলিত ঋণকৃত গালিবাচক শব্দ — ছুৱৰ, ছুৱৰৰ বাচ্চা অথবা থলুৱা-গালিবাচক শব্দ — গাহৰি,



Scanned with CamScanner

গাহৰি পেৰালী, গাহৰিৰ জাত, খাই গাহৰি ইত্যাদি জনজাতীয় কোনোটোইতে সমাজতে গালিবাচক শব্দ হিচাপে বিবেচিত নহয়। সেইদৰে হিন্দু-মুছলমান, শৰণীয়া-অশৰণীয়া আদি ধৰ্মীয় (ধৰ্মী-বিধৰ্মী, জাতি-অজাতি) সম্প্ৰদায় ভেদেও গালিবাচক শব্দৰ স্বকীয়তা বা তাৰতম্যতা পোৱা যায়। উদাহৰণস্বৰূপে — গৰু খোৱাৰ জাত, মেলেচৰ সঁচ, গৰিয়াত খোৱা, অশৰণীয়াৰ জাত, অধৰমীৰ পো, অজাতিত খোৱা, অজাতীয়া ইত্যাদি অথবা গো-বধী, ব্ৰহ্ম-বধী, গুৰুবধী, দেউ-ব্ৰহ্ম নমনা, গুৰু-গোঁসাই নমনা, গোঁসাইৰ তেজখোৱা, গাৰ গোঁসাই খেদা, বৌ বৌ নৰকত পৰা, যমে নিব নজনা, অষ্টমীৰ ছাগ আদি বৰ্ণ হিন্দু, নৈষ্ঠিক ব্ৰাহ্মণ, মহাপুৰুষীয়া-শৰণীয়াসকলৰ মাজত যেনেকৈ বহুল সমাদৃত তেনেকৈ হাৰামী, পাজি, জল্লাদ, কাফেৰ, গুনাহগাৰ, দোজখত পৰিবি, জহন্নামে যাবি আদি মুছলমান সকলৰ মাজতহে সীমাবদ্ধ বুলিব পাৰি। সমাজৰ উচ্চ-নীচ, ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত আদি শ্ৰেণীভেদে নতুবা বৃত্তিভেদেও গালিবাচক শব্দৰ প্ৰকৃতি বেলেগ বেলেগ হ'ব পাৰে। ভিক্ষৰো ভিক্ষ ভিক্ষৰ জাত, কুকুৰ ধূলি, ভৰি চেলেকা জন্তু, কটাৰ পো বন্দী বেটী, গোলামৰ সঁচ, চুৰাপাত চেলেকা, টোকাই খোৱাৰ সঁচ, কুকুৰ মৰণে মৰা, বাবা নাপুৱাৰ জাত (বাভামিজ), জধামুৰ্খ, নৰাধম, গোট গৰু, গাধ অলগদ্ধ আদি শব্দ তুলনামূলকভাৱে নিজকে উচ্চ, ধনী বা শিক্ষিত বুলি ভবাসকলৰ (বৰলোকালি, দাদাগিৰি) মুখত আখৈ ফুটাদি ফুটে। ইয়াৰ বিপৰীতে নীচ, দুখীয়া বা অশিক্ষিত বুলি ভবাসকলে নিজৰ ভাগ্যক দোষ দি নীৰৱে সেইবোৰ হজম কৰে অথবা বৰলোকালি দেখুৱায়, বৰ বাহাদুৰি বাঢ়িছে, দাদাগিৰি কৰে, নিৰ্লীৰ ওপৰত বৰ মতা দেখুৱায়, দুখীয়াৰ মুৰত কঁঠাল ভাঙি খায় আদি তুলনামূলকভাৱে কম চোকযুক্ত বাক্যৰে মৃদু প্ৰতিবাদ কৰে।

সেইদৰে লিংগভেদে অৰ্থাৎ পুৰুষ-নাৰী সাপেক্ষেও গালিৰ ভাষা বেলেগে বেলেগ হ'ব পাৰে। ইয়াৰ কেবাটাও কাৰণ আছে। সমাজত পুৰুষ-নাৰীৰ স্থান সমমৰ্যাদা সম্পন্ন নোহোৱা গুণে বিশেষকৈ জৈবিক কাৰণতে গালি-শপনি, ভাষা-ৰূপৰ তাৰতম্য হয়। বস্তুত যিবিলাক ভাষা পুৰুষে ৰাজহুৱা স্থানতো প্ৰয়োগ কৰিব পাৰে তেনে ভাষা নাৰীয়ে গোপনীয় স্থানতো হয়তো প্ৰয়োগ কৰিব নোৱাৰিব পাৰে। নাৰীৰ বুকু ফাটে মুখ নাফাটে বোলা কথা এষাৰো আছে। অৱশ্যে বহুবক্তী, প্ৰগল্‌ভা নাৰীৰ কথা সুকীয়া। নাৰী-পুৰুষৰ খঙৰ প্ৰকোপ কিম্বা খঙৰ গতি-প্ৰকৃতিও বেলেগ বেলেগ। শব্দ নিৰ্বাচনৰ ক্ষেত্ৰতো তেনে তফাৎ দেখা যায়। সেয়েহে পুৰুষ আৰু নাৰীয়ে প্ৰয়োগ কৰা গালি-শপনিৰ ভাষাত ভিন্নতা পোৱা যায়। পুৰুষে ব্যৱহাৰ কৰা ভাষা নাৰীয়ে কাচিৎহে অবিকল ৰূপত ব্যৱহাৰ কৰে অথবা নাৰীয়ে ব্যৱহাৰ কৰা ভাষা পুৰুষে সততে এৰাই চলে। সেইদৰে পুৰুষে পুৰুষৰ লগত আৰু নাৰীয়ে নাৰীৰ লগত গালি-গালাজত ব্যৱহাৰ কৰা ভাষাৰো স্বকীয়তা আছে। অৱশ্যে কিছুমান গালি-গালাজৰ ভাষা উমৈহতীয়া। তলত তাৰে কিছুমান তালিকা আকাৰে দেখুওৱা হ'ল।

**ক) পুৰুষৰ একচেতীয়া গালি-গালাজ ঃ**

**অ) পুৰুষ বনাম পুৰুষ ঃ** কেলা, বে/আবে/বেই, ঐ ছালা, বৈনেৰ লালাক (ভগ্নীগামী, কামৰূপী), মাইৰেৰ পৈয়েক (মাতৃগামী, পাতিদৰভীয়া), বইনীবাৰাক বহা (ভগ্নীগামী, বাভামিজ) নাৰীৰ গুপ্তাংগবাচক শব্দৰ উল্লেখেৰে বা সম্বন্ধত নচলা নাৰীৰ সৈতে যৌন সহবাস লিপ্ত থকাৰ বৰ্ণনাৰে কোৱা অবাইচ মাত, বাপেৰৰ মুৰটো/মূৰ চোবোৱা, স্বাৰ্থিক প্ৰত্যয়েৰে সৈতে প্ৰয়োগ কৰা বাপেৰে/বাপেকে' আদি শপাশে যুক্ত বাক-ভংগী।

**আ) পুৰুষ বনাম নাৰী ঃ** ছালী, পৈয়েকৰ/পোৱেৰাৰ মুৰখাঁতী, পৈয়েৰক চিনি পোৱা নাই, আইৰ ঘৰৰ তাই/আইৰ মাকৰ তাই ঃ তাইৰ মাকৰ থিতাই মাকৰ সতিনীয়েকৰ মিতিনীয়েকৰ বাই ইত্যাদি।

**খ) নাৰীৰ একচেতীয়া গালি-গালাজ ঃ**

**অ) নাৰী বনাম নাৰী ঃ** আই চিকৌ, আই-আইহে, আইলা-আপচু, "নেওচা কেওচা ছুৰৰ চদকা, আউলা-আপচু তাৰি-জোকাৰি দিবলৈ বহি", তাইৰেৰ মাইহুনেক/ভাইৰে-ভটেৰী (ভাতৃগামিনী, পাতিদৰভীয়া), বাপেৰেৰ গোহানী



Scanned with CamScanner

(পিতৃগামিনী, পাতিদৰঙীয়া), মতা খকে পোৱা ইত্যাদি।

**আ) নাৰী-বনাম পুৰুষ ঃ** মাৰৰ/মায়েৰৰ-মূৰটো/লাওখোলাটো, ঘৈণীয়েৰৰ মেখেলা খোৱা/চেলেকা/তলত সোমোৱা, বায়েৰক ভনী বোলা, মেখেলাৰে পাগুৰী দিম/বান্ধিম, ছুৱা/বুঢ়ী বাঢ়নীৰে জাৰিম, ৰকাত খোৱাৰ পুতেক, লোকৰ মাইকীৰ লগত ফুৰা, তিৰীৰ/ঘৈণীয়েৰৰ ওপৰত বৰ মতা দেখুওৱা ইত্যাদি।

**গ) উমৈহতীয়া গালি-গালাজ ঃ**

**অ) অকল পুৰুষৰ ব্যৱহাৰ কৰা ঃ** থুই কটা (নিধক), কটাৰ পো কুটী, নৰাধম, কুলাংগাৰ, গুণ্ডা, ফাত্ৰা, জধামূৰ্খ, হাৰামী, হাৰামজাদা/খোৰ, বজ্জাত, জহৰা, (গোট/মৰা) গৰু, গাধটো, টোকেলা, নাককটা, হতাছিৰি যোৱা, গৰুচোৰ, গাইমুৱা, যমে নিবলৈ নজনা, মাউৰত মৰা, নিকিনা গোলাম, সবংশে নিপাত যোৱা ইত্যাদি।

কিছুমান গালি-শপনি উদ্দিষ্টজন/জনী যাৰ উদ্দেশ্যে নিক্ষেপ কৰা হয় তাৰ উপস্থিতিত মুখা-মুখিভাৱে অৰ্থাৎ প্ৰত্যক্ষভাৱে (হাত দাঙি, বাহু জোকাৰি মেখেলাত চপলা পিটি বুঢ়া আঙুলি বা গুপ্তাংগ প্ৰদৰ্শন কৰি পাতি সা ফাৰ দি অৰ্থাৎ পাচি-ৰবাহি উবুৰিয়াই থৈ দি) নতুবা কাৰো নাম-ধাম উল্লেখ, নকৰাকৈ পৰোক্ষভাৱে (গুৱালগালি) প্ৰয়োগ কৰা হয়। নাম ধৰি যিবিলাক গালি নিক্ষেপ কৰা হয় তাৰো কেবাটাও প্ৰকাৰ আছে।

**ক) উচ্চাৰণৰ বিকৃতিকৰণৰ দ্বাৰা ঃ** ভোগেশ্বৰ-মোগেশ্বৰ, হৰেণ-মৰেণ, কেতেকী-চেতেকী, জেতুকী-চেতুকী, কুমুদ নে কামুদ, তৰালি নে খৰালি, বিমলা নে বিমলা ইত্যাদি।

**খ) গালিবাচক শব্দ সংযোগৰ দ্বাৰা ঃ** কাণু হাৰামজাদা কলঙ্কিনী ৰাধা, বাজু গুণ্ডা, দস্যু ৰত্নাকৰ, টুটকীয়া নাৰদ, টেটোন তামুলী, শাঁখিনী তেজ এলোকেশী বেশ্যা ইত্যাদি।

**গ) উপনাম অৰ্থাৎ উপলুঙা কৰি দিয়া নামৰ দ্বাৰা ঃ** পেটেলা (শকত-আৱতজনক), ড্ৰাম বা গেলন (মদপীজনক), কামোৰ (আমনি কৰাজনক), কেজেং/কেংজেং (জঞ্জাল বঢ়োৱাজনক), মাল বা বস্তু (নিজৰে সহজলভ্য কৰি তোলাজনীক), কাৰেণ্ট বা বিজুলী (প্ৰতিক্ৰিয়া প্ৰকাশ কৰাজনীক), কেচেট বা এল পি (যি অনৰ্গলভাৱে কথা কয়), টিউব লাইট (যি পলমকৈ কোনো কথা বা ৰসিকতা বুজি পায়), বেল (মূৰ্খ, যাৰ মূৰত একো নাই) ধৰ্মযুধিষ্ঠিৰ (সত্যবাদী হৈ ঠগ খোৱাজনক), বদন (বিশ্বাসঘাতক), শিয়াল পণ্ডিত (অতি ধূৰ্ত) ইত্যাদি।

আনহাতে গুৱালগালি পাৰোঁতে কাৰো নাম-ধাম স্পষ্টকৈ বা নিৰ্দিষ্টভাৱে উল্লেখ কৰা নহয়। কিছু দীঘল বৰ্ণনামূলক বাক্য নিক্ষেপ কৰি যাৰ উদ্দেশ্যে গালি পৰা হয় তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ চেষ্টা কৰা হয়। উদাহৰণ — কাৰণো গৰজ পৰিছে? কোননো মৰিব বিচাৰিছে? খুজি কিনি খাবলৈ কোননো ওলাইছে? তাৰ নাম নাজানো। সেইডালে/পাটে মোৰ ঘেণ্টা/লেঠু (গুপ্তাংগৰ নাম কৈ) কৰিব? সৰে মূৰত তুলি লওঁতে লওঁতে বৰ উঠি গৈছে-সেইডাল/পাট, ই বৰ বেছি কৰে বে ইত্যাদি।

স্বগতোক্তি অৰ্থাৎ আত্মভাষণমূলক গালিও একধৰণৰ গুৱাল গালিয়ে। উদাহৰণ — হয় গুৱাহাটী নহয় ৰঙামাটি, হয় মৰিম নহয় বাচিম (আজিয়েই আজি), যায় লাং থাকে লাং — খোকাত নাইকীয়া মাছ (এতিয়া কেনে) পালি, নহয় মজাপালি, জাৰিলো/দিলো নহয় ডজ/মচলা, বাপেকে/মাকে, এনেও কাণী তেনেও কানী ভালকৈয়ে দিওঁ শাকত পানী ইত্যাদি। গাঁথনিক দিশৰ পৰা আলোচনা কৰিবলৈ হ'লে এইজাতীয় শব্দ বা বাক্য মূলতঃ দুটা ভাগত ভগাব পাৰি। নাতিদীৰ্ঘ শব্দ বা শব্দ-সজ্জাৰে নিৰ্মিত গদ্যধৰ্মী বাক্য আৰু দীৰ্ঘ শব্দ-সজ্জাৰে নিৰ্মিত পদ্যধৰ্মী বাক্য। গদ্যধৰ্মী বাক্য আকৌ সাধাৰণ বিশেষ্য এটা, দুটা বা ততোধিক ৰূপৰ মুক্তাৱস্থা (উদাহৰণ - কুকুৰ, কুকুৰৰ পোৱালি, বনেৰ লালাক, অশ্বডিম্ব, বাপেৰৰ মূৰ খোৱা, মৰিয়াৰ পইতা খোৱা পো ইত্যাদি) নতুবা বিশেষণ বা বিশেষণবাচক বাক্যাংশ (উদাহৰণ - নৰাধম, জহৰা, কাণকটা, ভিকহৰো ভিকহু, চকুত খাঁইতী, ছিগাসুতা জোৰাব নজনাব জাত ইত্যাদি); নতুবা সকল বাক্যৰ ৰূপ এটা (উদাহৰণ - জহন্নামে যা, বৌ বৌ নৰকত পৰিবি, তোৰ আগলৈ-পিছলৈ জেও নেথাকক ইত্যাদি।) হ'ব পাৰে। আনহাতে গদ্যধৰ্মী বাক্য মিত্ৰাক্ষৰীয়েই হওক বা অমিত্ৰাক্ষৰীয়ে ই দুশাৰীৰ পৰা



Scanned with CamScanner

ততোধিক শাৰীৰ হয় আৰু ইয়াক পদ্য আকাৰে বা গীত আকাৰে গাব পাৰি। উদাহৰণ —

"লাহতী মৰিল লাহত
পৈয়েকতো মৰিলে উদফাই ৰোগত।"
"তুলাৰ আগতে নুন এ
হাজেলনী গালি পাচ্ছু
কাণ পাতি শুন এ।
পুতে হাতৰ মুৰা এ
পুত খাইতী হাত।।
আলা চাউলৰ গুড়া এ
পুতে হাতক মুৰা এ
পুত খাইতী হাত।
বেৰাৰ আগত চুণ এ
হাজেলনী গালি পাচুচু
কাণ পাতি শুণ এ
পুতে হাতৰ মুৰা এ
এ বেটী পুতে খাইতা হাত।।"[১৪]

গালি নিক্ষেপৰ সময়ত সাধাৰণতে বে/বেই (আবে), কেন্না, ছালা, ছালী নতুবা অন্যান্য গুপ্তাংগবাচক বা অশ্লীলতাবাচক শব্দ সমিধানবোধক অব্যয়ৰ (terms of interjection/interjectional markers) দৰে ব্যৱহাৰ কৰা হয়। অই/ঐ সম্বোধনবোধক অব্যয়ৰ (terms of address) সহযোগত ইতৰ লোকত জাত বা পাতত বুলি বিবেচিত কৰি (অমুক/অমুকীৰ জাত/সঁচ/বাচ্চা/ পোৱালী/ পুতেক) গালিবাচক কটুবাক্য প্ৰয়োগ কৰা হয়। অনুজ্ঞা বা ইচ্ছাবাচক ভাৱত দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থ ৰূপত বাক্যবিলাক গঠন কৰা হয়। অসমীয়াত এই তিনি প্ৰকাৰৰ বাক্য, বাক্যাংশ বা খণ্ডবাক্য থাকিলে গালি-গালাজৰ' ভাষা বুলি চিনিব পাৰি। সেইদৰে বিভিন্ন নেতিবাচক লক্ষণাক্ৰান্ত বিশেষণৰ সমাহাৰ ঘটা বাক্য মাত্ৰেই এইশ্ৰেণীৰ বুলি অতি সহজতে ধাৰণা কৰিব পাৰি। অৰ্থতত্ত্বৰ দিশতো অসমীয়া গালিবাচক শব্দৰ ব্যাখ্যা মনকৰিবলগীয়া। বহু শব্দৰ অৰ্থ পৰিবৰ্তন কৰি বিশেষকৈ অৰ্থ অপকৰ্ষৰ জৰিয়তে ব্যঙ্গাৰ্থত নানা গালিবাচক শব্দ গঠন কৰা হয়। শ্ৰেণীত পাঠ দিব নোৱৰা ছাত্ৰ বা ছাত্ৰীক যেতিয়া শিক্ষকে মহাপণ্ডিত, বা মহাপুৰুষ বুলি সম্ভাষি লাজ দিয়ে, অবাধ্য ল'ৰা বা ছোৱালীক যেতিয়া মাক-দেউতাকে গুণধৰ, গুণনিধি, সুপুত্ৰ, সুপুত্ৰী, কুলমণি বুলি উল্লেখ কৰে তেতিয়া ইয়াতকৈ আৰু অৰ্থ অপকৰ্ষ বা ব্যঙ্গাৰ্থৰ সুন্দৰ উদাহৰণ আৰু কি লাগিছে। অসমীয়াত ৰূপক বা মেণ্টাফৰ (metaphor) ধৰ্মী গালিৰ সংখ্যাও নিচেই সামান্য নহয়। বাহ্যিক লক্ষণ (শাৰীৰিক অৱয়ৱ, আকৃতি-প্ৰকৃতিৰ মিল) আৰু আভ্যন্তৰীণ লক্ষণ (চাৰিত্ৰিক, মানসিক তথা গুণগত মিল)ৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন জীৱ-জন্তু, প্ৰাণী বা অপ্ৰাণী বিশেষকৈ বস্তুবাচক শব্দৰ পৰা গালিবাচক শব্দ হিচাপে আৰোপ কৰা হয়।[১৫] ফেঁচা (ফেঁচানকা/নাকী), কাউৰী/কুলি (ক'লা), এণ্ডাৰ (ক'লা), ফুলালুচি (গোলাকাৰ মুখ), টেকেলি (টেকেলিপেটা) ইত্যাদি যদি প্ৰথম শ্ৰেণীৰ গালিবাচক শব্দ তেন্তে গাধ (মুৰ্খ), বান্দৰ/বান্দৰী (ধূৰ্ত), ছাগল (কথা চোবাই থকা স্বভাৱৰ লোক), ডাউনী (নিষ্ঠুৰ নাৰী), কাল নাগিনী (হৃদয়হীনা নাৰী), গোবৰ (মগজুত একো নথকা, মেধাহীন লোক), লাওপাত-কচুপাত (সকলোৱে উৰ্ধত বুলি ভাবি দাংকোপ মাৰি কথা কোৱা তিৰোতা) ইত্যাদি হ'ল দ্বিতীয়শ্ৰেণীৰ গালিবাচক শব্দ।

গালি-গালাজত প্ৰয়োগ হোৱা অসমীয়া জতুৱাঠাঁচ খণ্ডবাক্যৰ সৰহখিনিয়ে গুণগত দিশৰ সাদৃশ্যধৰ্মী শব্দহে। উদাহৰণ - সাত ঘাটৰ চেঙেলী, অকাল কুমাণ্ড, শেনৰ এজাত, একাঠি চ'ৰা, কঠিয়াহে সৰু - জেঠতে পৰা, আহোমৰ তলে-পুতল, নীলা শিয়াল, বগলী ভকত, চুকৰ ভেকুলী/কূপমণ্ডুক, বাঘৰ আগ তেল খোৱা, অষ্টমীত ছাগ, বলিৰ পঠা ইত্যাদি।

গালি-শপনিৰ ভাষাত মনস্তত্ত্ব বিচাৰ মনোভাষা বিজ্ঞানৰ (psychlinglutics) অন্যতম আলোচ্য বিষয় হ'ব পাৰে। মাকৰ সতি-সন্ততিৰ প্ৰতি দিয়া চুচুৰীয়া শাও-শপনি (যিমানেই খং নুঠক হয়তো আওমৰণ কামনা কৰি মৰিব নেজান, মৰ তাই, জহনীত যা, মাউৰত মৰ ইত্যাদি বুলিব অথবা বাপেৰ মাৰ নাম নুমাবি, জহন্নামে যাবি, ৰসাতলে যাবি বুলি আক্ষেপ কৰিব) আৰু দুই সতিনীৰ চুলিয়া-চুলি পৰ্যায়লৈ যোৱা অশ্লীল শাও-শপনিৰ মাজত যিমান তফাৎ স্বামী-স্ত্ৰী কিম্বা প্ৰেমিক-প্ৰেমিকাৰ মান-অভিমান মিশ্ৰিত চুতলা-চুতলি (কথাতে কয় অজ যুদ্ধ, দম্পতি কলহ আৰু



Scanned with CamScanner

প্ৰভাতে মেঘডুম্বৰ একে সমান, যিমান গাজে সিমান নবৰষে) আৰু গৃহস্থ-গৃহস্থনীৰ বনকৰা ল'ৰা-ছোৱালীৰ প্ৰতি তুচ্ছ-তাচ্ছিল্যপূৰ্ণ উক্তি-কটুক্তিৰ মাজতো সিমানেই তফাৎ। গালি দিয়া আৰু গালি খোৱা লোকৰ মাজত মানসিক সংঘাত যিমান তুংগত সিমানেই গালিৰ চোকো বেছি হয়। গালি-শপনিৰ মাজেদি বক্তাজনৰ ৰুচি-অভিৰুচি বা বিকৃত মানসিকতাৰো উমান পাব পাৰি। সেয়েহে গালি সমূহক মানসিক স্তৰ অৰ্থাৎ বদ্ধমূল ধাৰণা (frituition) অনুযায়ী কেবা প্ৰকাৰেও শ্ৰেণীবিভাগ কৰিব পাৰি।[১৭]

১। নিজকে শ্ৰেষ্ঠ জাহিৰ আৰু অইনক তুচ্ছ-তাচ্ছিল্য কৰি গালি

২। ধন আৰু ক্ষমতাৰ বলত একো নাই হৈ দৰিদ্ৰতা আৰু দুৰ্বলতাক ইতিকিং কৰা গালি

৩। নীচ জীৱ-জন্তুৰ সৈতে একাকাৰ কৰা গালি

৪। মলত্যাগ কিম্বা গুপ্তাংগৰ উল্লেখ থকা গালি

৫। অভক্ষ্য-ভক্ষণ আৰু অগম্য গমনৰ উল্লেখ থকা গালি

৬। প্ৰিয়-পৰিজনৰ অমঙ্গল কামনাৰ লগতে গালি খোৱা মানুহজনৰো অপমৃত্যু আৰু দুৰাৰোগ্য কামনা কৰা গালি

৭। শাস্তি প্ৰদানৰ ভাবুকিৰে কিম্বা নপুংসক আচৰণক ৰাজহুৱা কৰি কাবোবাৰ পুৰুষত্বত আঘাত হনা গালি

৮। নাৰীক ৰমনৰ বাসনা বা পণ্য সামগ্ৰী জ্ঞান কৰা গালি

৯। নাৰীৰ মাতৃত্বহীনতা বা বৈধব্যক ভেঙুচালি কৰা গালি

মন কৰিবলগীয়া যে গালি-গালাজৰ প্ৰধান উদ্দেশ্যয়েই হৈছে শ্ৰোতাক উত্তেজিত কৰা আৰু তাৰ দ্বাৰা নিজৰ উত্তেজনা প্ৰশমন কৰা। অৱশ্যে খং নামেই চণ্ডাল। সেয়েহে খঙৰ ভমকত হিতাহিত জ্ঞান হেৰুৱাই নানা অঘটন ঘটাৰো উদাহৰণ নোহোৱা নহয়। সেইদৰে গালি-গালাজৰ মাজেদি বক্তাৰ অৱদমিত হৈ থকা অবচেতন মনৰ কামনা-বাসনাও ফুটি উঠে।

স্থান-কাল-পাত্ৰ ভেদে গালি-শপনিৰ প্ৰকৃতিৰো তাৰতম্য আছে। সেয়েহে উপভাষা বিজ্ঞান আৰু সমাজ ভাষা বিজ্ঞান (Socio-linguistics)ৰ পৰিগণ্ডীতো গালিক আলোচনাৰ মেজলৈ আনিব পাৰি। সমাজ এখন মূলত পিতৃপ্ৰধান নে মাতৃপ্ৰধান আৰু সমাজত বিভিন্ন সম্বন্ধৰ বাচবিচাৰ কেনেকৈ কৰা হয় (পৰিহাস্য নে পৰিহাৰ্য সম্বন্ধ) তাৰ ওপৰত নিৰ্ভৰ কৰিও গালি-গালাজৰ ভাষাৰ তাৰতম্য হ'ব পাৰে। অসমীয়া সমাজত জনজাতীয়ই হওক অজনজাতিয়েই হওক ভিনিহিয়েক-খুলশালীয়েক, দেওৰেক-নবৌয়েক, ককাক-নাতিয়েক আদি সম্বন্ধৰ মাজত জোকোৱা-জুকি চলে বা তেনে সম্বন্ধৰ মাজত শাৰীৰিক সম্বন্ধ ঘটিলে অবৈধ বিবেচনা কৰা নহয়। ইয়াৰ বিপৰীতে পিতৃ-কন্যা স্থানীয়, মাতৃ-পুত্ৰ স্থানীয়, ববজনাক-ভাইবোৱাৰীয়েক, জেশাহুৰেক-ভনীজোৱায়েক, শহুৰেক-বোৱাৰীয়েক কিম্বা শাহুৰেক-জোঁৱায়েকৰ মাজত জোকোৱা-জুকি শাহুৰেক-জোঁৱায়েকৰ মাজত জোকোৱা-জুকি কিম্বা শাৰীৰিক সম্বন্ধ সম্পূৰ্ণৰূপে নিষেধ। গালি-গালাজৰ ভাষাত এইধৰণৰ পৰিহাৰ্য সম্বন্ধৰ দুই বিপৰীত লিংগৰ মাজত অবৈধ যৌন সম্বন্ধ গঢ়ি উঠাৰ কথা প্ৰকাশ কৰি গালিৰ তীব্ৰতা বঢ়োৱা হয়। ইয়াৰ বিপৰীতে নামনি অসমৰ কথিত ভাষাৰ (বাংলা ভাষাতো) শালা/ছালা অৰ্থাৎ খুলশালী ল'ৰা আৰু শালী/ছালী অৰ্থাৎ খুলশালী ছোৱালীৰ সম্বোধনেৰে প্ৰকাৰন্তৰে শ্ৰোতাৰ বায়েকক ৰমণ কৰা বা বলপূৰ্বক হৰণ কৰাৰে ইংগিত দিয়া হয়, যাৰ বাবে শ্ৰোতাৰ খং উঠি মনে মনে থাকিব নোৱৰা অৱস্থা হয়। এসময়ত অকল পুৰুষৰ মাজত প্ৰচলিত এই ছালা, ছালী গালিবাচক শব্দ দুটি সম্প্ৰতি বৃত্তিজনিত কাৰণত (মহিলা আৰক্ষীৰ মুখত) নাৰীৰ মাজতো সৰবৰাহ হ'বলৈ ধৰিছে। এইধৰণৰ চিন্তা-চৰ্চাৰ বাট সমাজ ভাষাবিজ্ঞানে কাটি দিব পাৰে। সেইদৰে অইন সমাজত প্ৰচলিত অইন ভাষাৰ গালিবাচক শব্দ ক্ৰমান্বয়ে অসমীয়া লোকৰ মাজলৈ বা অসমৰ বিভিন্ন ভাষা-ভাষী জনগোষ্ঠীয় লোকৰ মাজলৈও আমদানি হ'বলৈ ধৰিছে। ছুৱৰ(কা) ৰ বাচ্চা, কুত্তা (কা) ৰ বাচ্চা, নালায়ক, বুদ্ধু, পাজি, চয়তান, বইজ্জাত, বেইমান, হাৰামখোৰ, গুণ্ডা, বদমইচ, দগাবাজ, লাফাংগা, লাফ্ৰা, বকবাছ, দুছমন, গাড্ডাৰি আদি আৰবী-ফাৰ্চী মূলীয় বা মূল বিচাৰি নোপোৱা শব্দ হিন্দীভাষী লোকৰ মাজেদি আহি অসমীয়াত সম্প্ৰতি জনপ্ৰিয়তা লাভ কৰিব ধৰিছে। সেইদৰে বাংলাভাষীৰ মাজেদি খচ্চৰ, গাধা, লক্ষ্মীছাড়া, ফক্কড়, ধাপ্পাবাজ, ধান্দাবাজ, মতলবী, ফান্টু, দাদাগিৰি, ফাত্ৰা, চয়তানে গোড়া, দুই নম্বৰী আদি শব্দ



Scanned with CamScanner

কথিত অসমীয়াত সোমাই পৰা দেখা যায়।[১১] সেইদৰে ইংৰাজী ভাষাৰ ৰাস্কেল (rascal), বাষ্টাৰ্ড (bustard), ন্যাষ্টি (nasty), ননচেন্স (nonsense), ষ্টুপিড (stupid), মাই ফুট (my foot), চাট আপ (setup), গেট আউট (get out), ফৰ্টুৱেন্টি (আইনৰ ৪২০ ধাৰাত অন্তৰ্ভুক্ত চিটিং বাজি অৰ্থাৎ ঠগ কৰা অপৰাধত অপৰাধী লোকক বুজোৱা), ড্ৰাম (damn), ব্লাডি (bloody) আদি গালিবাচক শব্দও অসম মুলুকত শুনা যায়।

উপভাষাত প্ৰচলিত বিশেষকৈ নামনি অসমৰ প্ৰচলিত দৰঙীয়া, পাতি দৰঙীয়া, বৰপেটীয়া, ৰাভামিজ, মৈমনসিঙীয়া, অসমীয়া, গুৱাহাটীৰ উজান বজাৰ অঞ্চলৰ স্থানীয় অসমীয়া নতুবা মালিগাঁও ৰেলৱে কলনিৰ বেংগুলী, নৱপ্ৰজন্মৰ আড্ডাবাজিত প্ৰচলিত চলতি অসমীয়া গালিবাচক শব্দ ভাষাও বিভিন্ন মাধ্যমৰ জৰিয়তে (এফ. এম. ৰেডিঅ'ৰ, ৰেডিঅ'যোগে প্ৰচাৰিত টেলিফোনিক বাৰ্তালাপ বা বিজ্ঞাপন, অনাতাঁৰ নাট, দূৰদৰ্শনত প্ৰচাৰিত ধাৰাবাহিক হাস্যৰসিক চি ডি ফিল্ম ইত্যাদিৰ জৰিয়তে) মান্য অসমীয়া ৰূপতো স্থায়ী আসন পাৰি বহিবলৈ আৰু কেইটি পৰ লাগিছে। তলত এনে কেতবোৰ গালি-গালাজৰ উদাহৰণ দিয়া হ'ল।

**ক) পাতিদৰঙীয়া স্বকীয়তা পূৰ্ণ গালি-গালাজ ঃ** বোট্‌লা, ফোফলু, চেলচেলী, ফকফ'কে, লেংটিভাৰী, তিৰীভুতুং, নটীৰ চলি, বকাত্ খাই মৰাৰ পুতেক, কাতি মেহে কুকুৰ, ভোকৰা পণ্ডিত, আদেৰীলতা, ঘোন্টা চপু, বেন্টা মু'ৰ/মুৰী, ভাৰৌৰ পেটী, বাপৰেৰ গোঁহানী, ভাইৰে ভাটৰী, কটিত হুলাবাৰী ভৰাম, পিঠিত বাস্কা, ভাভিম, চাঙোৰ, তলোত লুকৌ, চুলি খুৰে দিম, লাংতে কৰিম ইত্যাদি।

**খ) চলতি অসমীয়াত প্ৰচলিত অত্যাধুনিক গালি-গালাজৰ নমুনা ঃ** একদম বকবাছ্, এক নম্বৰৰ গাধা, সি ছাল্লা লেবেল দেখুৱায়, চিনি পোৱা নাই বাইকা (........), ই বেছি কথা কৈছে বে, তেমা চুটি যায় বে, তাও নেদেখুৱাবি-তাও বাহিৰ হৈ যাব, দম নিদিবি-দম চুটি যাব, ফিনিচ/খালাচ কৰিম, মাৰগুলি তাৰ কথা-সবতে ইয়ে কৰে, মা কচম আজিৰপৰা তোৰ-মোৰ বিস্তা খতম, "আৱে শ্যালা কুটুৰ ঘাই-একলেং মাৰি ফেলে সাত জামানা দেখাই দিম বাপ্পেকে", "কেপ কেপ নকৰিবি কেলা, মাৰি ভক্তা কৰাই জিন্দেগী চুটাই দিম, হু কেয়াৰ মি - ষ্টুপিত, ননচেন্স" ইত্যাদি।

**সামৰণি ঃ** সমাজৰ ব্যক্তিবিশেষৰ মাজত মুদ্ৰাদোষৰ দৰে প্ৰয়োগ হোৱা অবাইচ মাতত (slangs) এই ধৰণৰ গালি-শপনিৰ লগত জড়িত শব্দ, শব্দাংশ বা জতুৱা ঠাঁচ, খণ্ডবাক্যত বহুতো আপত্তিজনক, অসংবিধানিক (unparliamentary of language) আৰু মান হানিকৰ (defamatory) উক্তি-কটুক্তি পোৱা যায়। জাতিগত অনগ্ৰসৰতাক লৈ, নাৰীৰ দুৰ্বলতাক লৈ, শাৰীৰিক বাধাগ্ৰস্ততা থকা লোকক লৈ ৰচিত এনে উপৰুৱা ভাষা (peripheral language) সভ্য সমাজত অতিকৈ নিন্দনীয়। কিন্তু অপ্ৰিয় হ'লেও সত্য যে সকলো প্ৰান্তৰ সকলো ভাষাতে অতীতৰ পৰা বৰ্তমানলৈকে এইসমূহ শব্দগুচ্ছৰ জ্ঞাতে বা অজ্ঞাতে বহুল প্ৰয়োগ হৈয়ে আহিছে আৰু হৈয়ে থাকিব। যেতিয়াই ভাষা-সাহিত্যত অশ্লীলতা, নগ্নতা, গালি-শপনি আৰোপত কেঁচী চলোৱা (censorship) হ'ব তেতিয়াই বহু ভাষা-সাহিত্যৰ অপমৃত্যু নহ'লেও বিশিষ্ট স্বাদধৰ্মীতা বা প্ৰকাশভংগীৰ সুখানুভৱ খৰ্ব হৈ এটা নীৰস আৰু সেৰেকা সমালোচনাধৰ্মী বা বিজ্ঞানধৰ্মী ৰচনালৈ পৰ্যবসিত হ'ব। তেতিয়াই ভাষা প্ৰয়োগৰ বোৱঁতী সুঁতিত জঠৰতা আহি এটা স্ৰোতহীন ধাৰাই চিৰ্‌চিৰ্‌কৈ বৰলৈ আৰম্ভ কৰি বালি চাপৰি পোৱাৰ দৰে স্বতন্ত্ৰবীয়া প্ৰকাশিকা শক্তিৰ হ্ৰাস হৈ মৃত্যুমুখী ভাষাৰ দৰে পঁয়ালগা অৱস্থালৈ ৰূপান্তৰিত হ'ব। সেইবাবেই সময় থাকোতেই ভাষা প্ৰয়োগৰ এই ধাৰা যাতে অক্ষুণ্ণ থাকে তাৰ প্ৰতি আটায়ে মনোযোগ দিয়া উচিত।

ঃঃঃঃঃঃঃঃ

(গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ উপেন ৰাভা হাকাচাম আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ)

'সচা কথা সাহসেৰে সোৱাদ লগাকৈ লিখিব আৰু ক'ব পৰাটোৱেই আজিৰ যুগৰ শ্ৰেষ্ঠ সাহিত্য।'
- লক্ষ্মীধৰ চৌধুৰী



Scanned with CamScanner

# সৌৰশক্তি

বীৰেন্দ্ৰ কুমাৰ বৰা
*মুৰব্বী, পদাৰ্থ বিজ্ঞান বিভাগ*



সৌৰশক্তি — অৰ্থাৎ সূৰ্যৰ পৰা শক্তি আহৰণ কৰা প্ৰক্ৰিয়া অতি প্ৰাচীন কালৰে পৰা মানুহৰ মাজত প্ৰচলিত আছে। সকলো প্ৰাচীন সভ্যতাই সূৰ্যক মূল শক্তি হিচাপে মানিছিল। ইজিপ্তত সূৰ্য 'ৰা' (Ra), ভাৰতবৰ্ষত সূৰ্য সবিত্ৰ আৰু পুষাণ, ইৰাণত 'মিত্ৰ' (Mithra) আৰু আসুৰা (Asura), গ্ৰীচত আসুৰীয়া (Assuria) আৰু হেলিঅ'ছ (Helius) নাইবা এপ'ল, ইটালিত জুপিটৰ শোল (Jupitor Sol) আৰু জাপানত এমেতাৰ্চু (Ametarsu) নামে পৰিচিত আছিল। জাপানৰ বৰ্তমান নাম ৰখা হৈছে 'নিপ্পন' (Nippon) যাৰ অৰ্থ হ'ল সূৰ্যোদয়ৰ দেশ। মধ্য আমেৰিকা, পেৰু, মেক্সিকো আদি দেশত সূৰ্যক মুখ্য ভগৱান হিচাপে পূজা কৰিছিল। আমাৰ ভাৰতবৰ্ষত প্ৰাচীন ঋষি-মুনি সকলে সূৰ্যদেৱতাক মূল শক্তি হিচাপে গণ্য কৰিছিল।

আধুনিক যুগত জ্যোতিৰ্বিজ্ঞানীসকলে এক মতত উপনীত হৈছে যে আমাৰ হাতীপটি তাৰকা ৰাজ্যৰ লাখ লাখ নক্ষত্ৰৰ ভিতৰত সূৰ্য হ'ল মাথোঁ এটা। যদিও হাতীপটি তাৰকা ৰাজ্যত সূৰ্যতকৈ বহুগুণে বেছি ডাঙৰ আৰু উজ্জ্বল তৰা আছে তথাপিও জ্যোতিৰ্বিদসকলৰ বাবে সূৰ্যটো অতি গুৰুত্বপূৰ্ণ কাৰণ সূৰ্যটো হাতীপটি তাৰকা ৰাজ্যৰ প্ৰায় কেন্দ্ৰত অৱস্থিত আৰু পৃথিৱীৰ পৰা ই আটাইতকৈ ওচৰত থকা নক্ষত্ৰ। সেয়েহে ইয়াক সকলো ধৰণে অধ্যয়ন কৰি বাকী নক্ষত্ৰ বিলাকৰ জীৱন বুৰঞ্জী ভালদৰে জানিব পাৰি।

সূৰ্য সকলো শক্তিৰ মূল। যোৱা চাৰে চাৰি (৪.৫) বিলিয়ন বছৰ ধৰি সূৰ্যই পোহৰ বিলাই আছে। সূৰ্যৰ কেন্দ্ৰ অতি উষ্ণ। ইয়াৰ উষ্ণতা প্ৰায় চৌধ্য (১৪) মিলিয়ন ডিগ্ৰী চেলচিয়াছ। সূৰ্যত থকা প্ৰায় দুই (২) বিলিয়ন বিলিয়ন বিলিয় (১০²⁷) টন পদাৰ্থৰ বাবে কেন্দ্ৰত সৃষ্টি হোৱা প্ৰচণ্ড চাপৰ ফলত হাইড্ৰ'জেন সৃষ্টি হয়। সূৰ্যৰ ভৰৰ নৈব্ৰে (৯০) শতাং নিউক্লিয়াৰ বিয়োজ হৈ হিলিয়াম উৎপন্ন কৰে। এই বিক্ৰিয়াত বিশ্ব বিখ্যাত $E = mc^2$ সূত্ৰ অনুসৰি প্ৰচণ্ড শক্তি নিৰ্গত কৰে, য'ত m শক্তিলৈ ৰূপান্তৰ হোৱা ভৰ আৰু c পোহৰৰ বেগ (৩ লাখ কি.মি./ছে.)। এই হাইড্ৰ'জেন বিয়োজন বিক্ৰিয়াত কাৰ্বন আৰু নাইট্ৰ'জেন পৰমানুএ সহায়ক হিচাপে কাম কৰে। যিহেতু সূৰ্যত প্ৰতি ছেকেণ্ডত প্ৰায় চাৰে চাৰি (৪.৫) মিলিয়ন টন হাইড্ৰ'জেন শক্তিলৈ ৰূপান্তৰ হৈ আছে। এতিয়াও চাৰে পাঁচ (৫.৫) বিলিয়ন বছৰ পোহৰ দিব পৰাকৈ যথেষ্ট পৰিমাণৰ হাইড্ৰ'জেন সূৰ্যত জমা হৈ আছে।

বৰ্তমান সূৰ্যটোৱে এশ (১০০) বিলিয়ন বিলিয়ন ($১০^{২০}$) কিলোৱাট শক্তি নিৰ্গত কৰি আছে। তাৰে মাত্ৰ আধা বিলিয়ন অংশ পোহৰ শক্তি হিচাপে পৃথিৱী পায়হি। ইমানখিনি শক্তিৰ চল্লিছ (৪০%) শতাংশ মহাকাশলৈ প্ৰতিফলিত হৈ যোৱাৰ পিছত বাকী যিমানখিনি শক্তি পৃথিৱীত বৈ যায়, সেইখিনিৰেই প্ৰতি এক হেক্টৰত আপতিত হোৱা সূৰ্যৰ পোহৰৰ প্ৰায় আঢ়ৈ কিলোৱাট (২.৫) শক্তি উৎপন্ন কৰিব পাৰি।

পৃথিৱীয়ে গ্ৰহণ কৰা সৌৰ বিকিৰণে বিশ্বায়নৰ উষ্ণতা গড়ে ত্ৰিশ (৩০) ডিগ্ৰী চেলচিয়াছত ৰাখিবলৈ সহায় কৰিছে। ইয়াৰ ফলত পৃথিৱীৰ উপৰিভাগত থকা পানীভাগ তৰল অৱস্থাত থাকিবলৈ সক্ষম হৈছে য'ত প্ৰায় তিনি বিলিয়ন



Scanned with CamScanner

বছৰ আগতে এককোষী জীৱ সৃষ্টি হ'ব পৰা পৰিৱেশ সৃষ্টি হৈছিল। এই জীৱৰেই বিভিন্ন অৱস্থা পাৰ হৈ ক্ৰমে মাছ উভচৰ প্ৰাণী, কীট-পতংগ, গছ-গছনি, সৰিসৃপ, চৰাই, স্তন্যপায়ী প্ৰাণী আৰু শেষত মানুহ সৃষ্টি হৈছিল। এই মানৱ জাতিয়েই আৰম্ভণিৰে পৰা বিভিন্ন অৱস্থাৰে যেনে — গুহাযুগ, শৈলযুগ, লৌহ যুগ, ভাপযুগ, বৈদ্যুতিক যুগ আৰু ইলেকট্ৰনিক যুগ পাৰ হৈ আহি বৰ্তমান মহাকাশ যুগ পাইছেহি।

বৰ্তমান সময়ত মানুহে সৌৰশক্তিক বিকল্প শক্তি হিচাপে বিনাদ্বিধাই গ্ৰহণ কৰিববৈলে ওলাইছে। এতিয়া সূৰ্যই শক্তি উৎপাদনৰ একমাত্ৰ ভৰষা হৈ পৰিছে। সকলোবোৰ ইন্ধন যেনে - কাঠ, কয়লা, তেল, গেচ ইত্যাদি; যিবিলাক বিদ্যুৎ উৎপাদন, উদ্যোগ আৰু যানবাহন আদি চলাবলৈ ব্যৱহাৰ কৰা হয় — এই সকলোবোৰেই বহু যুগৰ আগতে গছ-গছনিয়ে সংগ্ৰহ কৰি থোৱা সৌৰ শক্তি মাথোন। গছৰ সেউজীয়া পাতত থকা ক্ল'ৰফিলে সূৰ্যৰ শক্তি আহৰণ কৰে আৰু বায়ুৰ পৰা গ্ৰহণ কৰা কাৰ্বন-ডাই-অক্সাইড কাঠলৈ ৰূপান্তৰ ঘটায়। ইয়াক গছ ডালৰ শৰীৰ বুলি কোৱা হয়। বৃহৎ ভূমিকম্পৰ ফলত এই গছ-গছনিবোৰ ভূ-পৃষ্ঠৰ বহু তলত পোত খাই গ'ল। এইবোৰেই কালক্ৰমত কয়লা, গেছ, তেল আদিলৈ ৰূপান্তৰ হ'ল। এইবোৰকেই জৈৱ ইন্ধন বুলি কোৱা হয়। বৰ্তমান ভূ-পৃষ্ঠৰ তলত পোৱা কয়লা, তেল বা গেছবোৰ উৎপন্ন হ'বলৈ নিচেই কমেও পাঁচশ (৫০০) বিলিয়ন বছৰ প্ৰয়োজন হৈছিল। কিন্তু কুৰি শতিকাৰ পৰা মানুহে ইয়াক এনে তীব্ৰ গতিৰে আহৰণ কৰিববৈলে ধৰিলে যে আৰু মাত্ৰ এহেজাৰ (১০০০) বছৰ মানৱ বাবেহে ভূগৰ্ভত কয়লা জমা আছেগৈ। আনহাতে মাত্ৰ এশ (১০০) বছৰ মানৱ বাবেহে তেল (পেট্ৰোল, ডিজেল) জমা আছেগৈ। গতিকে মানুহে সৌৰশক্তিক বিকল্প শক্তি হিচাপে গ্ৰহণ কৰিববৈলে বাধ্য হৈছে।

**নিউক্লিয়াৰ শক্তি ঃ**

সৌৰশক্তি আহৰণৰ বিষয়ে আলোচনা কৰাৰ আগতে পাৰমাণৱিক শক্তিৰ বিষয়ে কিছু আলোচনা কৰা হওক। এটমিক ৰিয়েক্টৰত ইউৰেনিয়াম ২৩৫, প্লুটনিয়াম-২৩৯ আদি তেজস্ক্ৰীয় পদাৰ্থৰ পৰমাণু নিউট্ৰনৰ লগত খুন্দা খুৱাই নিউক্লিয়াৰ শক্তি উৎপাদন কৰা হয়। ইয়াত $E = mc^2$ সূত্ৰ অনুসৰি ভৰৰ ক্ষয় হৈ শক্তিলৈ ৰূপান্তৰ হয়। এই একে পদ্ধতিয়েই পৰমাণু বোমাত ব্যৱহৃত হয়। পৰমাণু বোমা বিস্ফোৰণত এই শক্তি তাৎক্ষণিকভাৱে নিৰ্গত হয়। সেয়েহে ই ধ্বংসমুখী। কিন্তু এটমিক ৰিয়েক্টৰত এই শক্তি নিৰ্গত প্ৰক্ৰিয়া মৃদু গতিত নিয়ন্ত্ৰিত অৱস্থাত হয়। আমেৰিকা, ফ্ৰান্স, ইংলেণ্ড, চীন, ৰাছিয়া, ভাৰত আদি দেশত এনে আঁচনিৰে শক্তি উৎপাদন কৰি আছে। কিন্তু নিউক্লিয়াৰ ইন্ধন ইউৰেণিয়াম, প্লুটনিয়াম, থৰিয়াম আদি পদাৰ্থবোৰ আৰু মাত্ৰ ২০০০ বছৰ মানুহে ব্যৱহাৰ কৰিব পৰা যাব বুলি ধাৰণা কৰা হৈছে। আনহাতে এই পদ্ধতিৰে শক্তি উৎপাদন কৰা প্ৰক্ৰিয়া অতি খৰচী। তদুপৰি ৰিয়েক্টৰত ব্যৱহাৰ হোৱা অলাগতিয়াল তেজস্ক্ৰীয় পদাৰ্থবোৰ পৰিৱেশৰ প্ৰতি অতি ভয়াবহ। এইখিনিতে উল্লেখযোগ্য যে সূৰ্যত ঘটি থকা নিউক্লিয় বিক্ৰিয়াত কোনো ইউৰেণিয়াম বা প্লুটনিয়ামৰ সৃষ্টি নহয়। এনে ধৰণৰ পদাৰ্থ কিছুমান নক্ষত্ৰত উৎপন্ন হৈছিল, যিবিলাক বিস্ফোৰণ হৈ শেষত চুপাৰন'ভা সৃষ্টি হৈছিল। সূৰ্যৰ পৰা পৃথিৱীলৈ হাইড্ৰ'জেনৰ যোগান (সাগৰীয় পানী ৰূপত) এনে ধৰণে হ'ব ধৰিছে যে মানুহে শক্তি উৎপাদনৰ সমস্যাটো স্থায়ীভাৱে সমাধান কৰিব পাৰে। কিন্তু দুৰ্ভাগ্যবশতঃ ইয়াৰ বাবে প্ৰয়োজনীয় নিউক্লিয়াৰ ৰিয়েক্টৰটো প্ৰস্তুত কৰিবলৈ প্ৰয়োজন হয় ১০ বিলিয়ন ডিগ্ৰী উষ্ণতা - যিটো পৰমাণু বোমাতহে উৎপন্ন কৰিব পাৰি। বিজ্ঞানীসকলে টোকামাক্‌চ (Tokamaks) নামৰ চুম্বকীয় বটলৰ মাজেৰে উষ্ণ আয়'নিয় প্লাজমা পঠিয়াই এই প্ৰয়োজনীয় উষ্ণতা উৎপন্ন কৰিবলৈ চেষ্টা চলাই আছে।

সৌৰশক্তি কেইবাধৰণে আহৰণ কৰিব পৰা যায় যদিও বৰ্তমানে এই প্ৰযুক্তি চালুকীয়া অৱস্থাত আছে। তথাপিও ইয়াৰ গুৰুত্ব নুই কৰিব নোৱাৰি। কাৰণ এই শক্তি আহৰণ কৰিব পাৰিলে এচিয়া, আফ্ৰিকা আদিৰ দৰে অনুন্নত মহাদেশ সমূহ (যিবোৰত নিউক্লিয়াৰ শক্তি উৎপাদনৰ সামৰ্থ নাই) অতি লাভৱান হ'ব। উদাহৰণস্বৰূপে বতাহ হ'ল শক্তি আহৰণৰ এক উপযুক্ত উৎস। উইণ্ড' জেনেৰেটৰ উপযুক্ত স্থানত বহুৱাই তাৰ পৰা বিদ্যুৎ উৎপাদন কৰিব পাৰি। ইতিমধ্যে ভাৰতবৰ্ষত এনেকুৱা বহুতো উইণ্ড' জেনেৰেটৰ প্ৰতিষ্ঠা কৰি বিদ্যুৎ উৎপাদন কৰা হৈছে। সাগৰৰ জোৱাৰ ভাটা বিদ্যুৎ উৎপাদনৰ বাবে ব্যৱহাৰ কৰিব পাৰি। এইক্ষেত্ৰত ফ্ৰান্স ইতিমধ্যে বহুদূৰ আগুৱাই গৈছে। তেওঁলোকে এনেকুৱা বহুতো জোৱাৰ ভাটা পাৱাৰ ষ্টেচন (Tidal Power Station) প্ৰতিষ্ঠা কৰিছে।



Scanned with CamScanner

ভাৰতবৰ্ষত এনেকুৱা সাগৰ পাৰ (Cost line) যিহেতু যথেষ্ট দীঘলীয়া সেয়েহে এনেকুৱা টাইডেল পাৱাৰ ষ্টেছন বহুতো প্ৰতিষ্ঠা কৰিব পাৰে। ভোটএৰা (Jatropha) কুঁহিয়াৰ জাবৰী (Sugar cane wast) আদি শক্তি উৎপাদনৰ ভাল উৎস। ইয়াৰ পৰা ৰাসায়নিক পদ্ধতিৰে ডিজেল উৎপন্ন কৰিব পাৰি। ছটিশগড়, তামিলনাডু আদি ৰাজ্যত ভোটএৰা খেতিত গুৰুত্ব দি ৰেললাইনৰ কাষৰ অলাগতিয়াল ঠাই বিলাকত এই খেতি কৰিবলৈ লৈছে। মহাৰাষ্ট্ৰত ইতিমধ্যে কুঁহিয়াৰ জাবৰীৰ পৰা ডিজেল উৎপন্ন কৰিবলৈ লৈছে।

নতুন দিল্লীৰ নেচনেল ফিজিকেল লেবৰেটৰীত বিজ্ঞানীসকলে সৌৰশক্তি গোনে গোনে ব্যৱহাৰ কৰিব পৰাকৈ দুই ধৰণৰ ভাপ বাকচ্ আৰু প্ৰতিফলক সৌৰকুকাৰ সাজি উলিয়াইছে। কিন্তু ই জনসাধাৰণৰ পৰা ভাল সঁহাৰি পোৱা নাই।

বৰ্তমানে সৌৰ তাপেৰে গৰম কৰা পানী ঘৰুৱা বা ঔদ্যোগিক অঞ্চললৈ যোগান ধৰাটো বাণিজ্যিকভাৱে সম্ভৱ হৈ উঠিছে। এতিয়া ভাৰতৰ হোটেল, হোষ্টেল, হস্পিটেল, ঔদ্যোগিক অঞ্চলত Roof top solar water heater আদি ব্যৱহাৰ কৰাটো অতি সাধাৰণ হৈ পৰিছে। আমেৰিকাৰ কোনো কোনো ঠাইত সৌৰশক্তিৰ দ্বাৰা ঘৰ, অফিচ আদি গৰম কৰি ৰখা ব্যৱস্থা ১৯৫৮ চনৰ পৰাই চলি আছে।

**সৌৰ অভেন ঃ**

সূৰ্যৰ তাপ ব্যৱহাৰ কৰি খাদ্যশস্য, মাছ আদি শুকুওৱা, সাগৰৰ পৰা নিমখ আহৰণ কৰা ব্যৱস্থা বহু আগৰে পৰা চলি আহিছে। এইবিলাক কাৰ্যব্যৱস্থা অৱশ্যে প্ৰাকৃতিকভাৱেহে হৈছিল। সৌৰশক্তি ধৰি ৰাখি মানুহৰ বাবে কামত লগোৱা চিন্তা আজিৰ পৰা দুহেজাৰ বছৰ আগতেহে কৰা হৈছিল। খ্ৰীষ্টপূৰ্ব ২১২ চনত গ্ৰীক বিজ্ঞানী আৰ্কিমিডিছে গোলাকাৰ দাপোনৰ দ্বাৰা সূৰ্যৰ তাপ ক'কাছ কৰি ৰোমাণী যুদ্ধ জাহাজ জ্বলোৱা কথাটো মানুহে শুনিছিলহে, কিন্তু চিন্তা কৰা নাছিল। পিছত ১৭, ১৮ আৰু ১৯ শতিকাত ইউৰোপৰ বিজ্ঞানীসকলে ডাঙৰ উত্তল লেন্স আৰু অৱতল দাপোণৰ দ্বাৰা ফ'কাছ কৰি ধাতু গলোৱা কামত লগাইছিল। ১৯৩৩ চনত জাৰ্মান বিজ্ঞানী ৰুদলফ্ ষ্ট্ৰওবেলে ধাতু গলাবলৈ সৌৰ অভেন এটা সাজি উলিয়াইছিল। এই অভেনৰ দ্বাৰা সূৰ্যৰশ্মি তেওঁ প্ৰায় ৪০০০°c উষ্ণতা পাবলৈ সক্ষম হৈছিল। ১৯৫৪ চনত আমেৰিকাৰ উইলিয়াম কৰ্ণ নামৰ বিজ্ঞানী এজনে এটা সৌৰ অভেন সাজি উলিয়ায় য'ত উষ্ণতা ৫০০০°c লৈ পাব পাৰি।

**সৌৰ বিদ্যুৎ ঃ**

ভাৰতবৰ্ষত বছৰৰ প্ৰায় ৩০০ দিনেই ৰ'দৰ দিন। গতিকে দেশৰ সকলো ঠাইতে যথেষ্ট পৰিমাণে সৌৰশক্তি আহৰণ কৰিব পৰা যাব। সৌৰফটোভল্টায়িক প্ৰযুক্তিৰ দ্বাৰা সৌৰশক্তি বিদ্যুতলৈ ৰূপান্তৰ ঘটাই তাৰ দ্বাৰা বিজুলীবাতি জ্বলোৱা ব্যৱস্থা বৰ্তমানে ভাৰতৰ সকলো ঠাইতে হৈছে। এই পদ্ধতিত ফ'টোভল্টায়িক কোষবিলাক এখন ধাতুৰ পাতত শাৰী-শাৰীকৈ সজোৱা থাকে। এই পাতখনক সৌৰ পেনেল বোলে। ফটোভল্টায়িক কোষে সূৰ্যৰ পোহৰক পোনে পোনে বিদ্যুতলৈ ৰূপান্তৰ ঘটায়। এই পদ্ধতি মহাকাশযানবোৰত বহুলভাৱে ব্যৱহাৰ কৰা হয়।

**সৌৰশক্তি সংৰক্ষণ ঃ**

সৌৰশক্তি ব্যৱহাৰ কৰা এটা প্ৰধান সমস্যা হ'ল ডাৱৰীয়া বতৰ বা আন্ধাৰ। অৰ্থাৎ ৰাতি ইয়াক সংৰক্ষণ কৰি ৰখাটো সমস্যা। ফটো ভল্টায়িক কোষৰ দ্বাৰা উৎপন্ন কৰা বিদ্যুৎ বেটাৰীত সংৰক্ষণ কৰিব পৰা গৈছে যদিও ইয়াৰ সক্ষমতা মাত্ৰ ২০% হে।

গতিকে সৌৰশক্তি মানুহৰ বাবে তেতিয়াহে অতি লাভজনক হ'ব যেতিয়া ইয়াক সম্পূৰ্ণভাৱে সংৰক্ষণ কৰা ব্যৱস্থা বিজ্ঞানীসকলে কৰিব পাৰিব।

উৎস গ্ৰন্থ ঃ

1. Solar Energy by Hans Rou
2. Dream India
3. Solar Energy by S. P. Sukhatme



Scanned with CamScanner




বনৌষধিৰ দ্বাৰা চিকিৎসাৰ ক্ষেত্ৰত ভাৰতবৰ্ষ এক ঐতিহ্যৰ বাহক। সু-প্ৰাচীন কালৰে পৰা আমাৰ দেশত বনদৰবেৰে চিকিৎসাৰ এক শক্তিশালী পৰম্পৰা অব্যাহত আছে। প্ৰাচীনতম হিন্দু ধৰ্মগ্ৰন্থ ঋকবেদতো বনৌষধিৰে চিকিৎসা কৰাৰ কথা উল্লেখ আছে। তদুপৰি অথৰ্ববেদ, চৰক সংহিতা, শুশ্ৰুত সংহিতা আদি গ্ৰন্থত বনৌষধিৰে প্ৰস্তুত কৰা ১৫০০ বিধ দৰবৰ উল্লেখ আছে। উক্ত প্ৰাচীন গ্ৰন্থ সমূহত বনৌষধি ভিত্তিক ধ্ৰুপদী আৰু বিজ্ঞানসম্মত চিকিৎসা পদ্ধতিৰ বৰ্ণনা আছে। আয়ুৰ্বেদৰ উৎস অথৰ্ববেদ আৰু ধনন্তৰী আছিল আয়ুৰ্বেদিক পদ্ধতি চিকিৎসাৰ পথিকৃত। চৰক আৰু সুশ্ৰুতে শল্য চিকিৎসাৰ ক্ষেত্ৰত ব্যুৎপত্তি অৰ্জন কৰিছিল। অথৰ্ববেদত ৭০০ বিধ বন-দৰবৰ উল্লেখ আছে। প্ৰামাণ্য তথ্যানুসাৰে বুদ্ধৰ সময়ছোৱাত বনৌষধিৰ চিকিৎসা পদ্ধতিয়ে চীন, ম্যানমাৰ, তিব্বত আদিলৈ প্ৰসাৰ লাভ কৰিছিল জাৰ্মানীত 'হিপক্ৰেটাছে' উদ্ভাৱন কৰা য়ুনানি চিকিৎসা পদ্ধতি ভাৰতলৈ আনিছিল। আৰবিয়ানসকলে পৰম্পৰাগত নৃ-গোষ্ঠীয় চিকিৎসা পদ্ধতিত ব্যৱহৃত ৭৫০০ বিধ উদ্ভিদ প্ৰজাতিৰ এতিয়ালৈ সন্ধান পোৱা গৈছে।

বৰ্তমান যুগত অতি উত্তেজনা, মুৰৰ বিষ, পেটৰ বিষ আদি বেমাৰ নিৰাময়ৰ বাবে বনদৰৱ যেন হৈ উঠিছে অধিক গুৰুত্বপূৰ্ণ। সৰ্বত্ৰলোকে সুস্বাস্থ্যৰে থাকিবলৈ আৰু নিজৰ নিজৰ দীৰ্ঘায়ুৰ বাবে বনৌষধিৰ ওপৰত নিৰ্ভৰ কৰি আহিছে। হৃদৰোগ, শৈশৱকালীন ৰক্তহীনতা, লিম্ফেটিক, কেন্সাৰ, হাঁকমা আৰু আন বহু ৰোগৰ চিকিৎসাৰ বাবে উদ্ভিদৰ পৰা তৈয়াৰ কৰা দৰবেই সাধাৰণভাৱে ব্যৱহাৰ কৰা হয়।

আমাৰ মহাবিদ্যালয় চৌহদতো সহজে পোৱা আৰু আমি তেনে বিশেষ গুৰুত্ব নিদিয়া অথচ অৰ্থনৈতিক ভাৱে যথেষ্ট গুৰুত্বপূৰ্ণ বনৌষধি আছে। তেনে বিশেষ গুৰুত্বপূৰ্ণ কেইবিধমান বনৌষধিৰ বিষয়ে আলোচনা কৰিব বিচৰা হৈছে। আমাৰ মহাবিদ্যালয় চৌহদত পোৱা বনৌষধিৰ ভিতৰত বকুল, আমলখি, শিলিখা, চন্দন, বগাজামু, কুটজ বা দুধকড়ি, অৰ্জুন, অশোক, মহানিম, পুনৰ্ণৱা, বনমানিমুনি, শতমূল, তুলসী, বাহক, বেল ইত্যাদি। তাৰে ভিতৰত অন্যতম হ'ল —

বকুল (Mimosaps elengi) ঃ বকুলক সংস্কৃতত মধুগন্ধা, স্থিৰপুষ্প, চিৰপুষ্প, অসমীয়া আৰু বঙালীত বকুল বুলি কোৱা হয়। বকুলৰ ছালত ৩ ৰ পৰা ৭ ভাগ, চেপনিন, টেনিন পোৱা যায়। বীজৰ পৰা ১৩-২৫% স্থিৰ তেল পোৱা যায়। বকুলৰ ফুলৰ পৰাও এবিধ সুগন্ধি তেল পোৱা যায়।

মুখ গহ্বৰৰ কিছুমান ৰোগৰ বাবে বকুল অতি উপযোগী। দাঁত লৰা, দাঁত ঢিলা হোৱা, দাঁতৰ আলুৰ পৰা তেজ ওলোৱা, পুঁজ ওলোৱাত বকুলে ভাল কাম কৰে। কৃমিৰোগ, ৰক্তপ্ৰদৰ, শুক্ৰমেহ আদিত বকুল প্ৰয়োগ কৰা হয়। বিষত বকুলৰ ছাল আৰু দুৰ্বলতাত বকুলৰ ফল ব্যৱহাৰ কৰা হয়। ই মূত্ৰথলী আৰু মূত্ৰজনন তন্ত্ৰৰ স্ৰাৱ, ফুলা আদি কমায়। ইয়াৰ গা-গছৰ কোমল ডাল সদায় ব্ৰাছ হিচাপে ব্যৱহাৰ কৰিলে মুখ আৰু দাঁতৰ ৰোগৰ পৰা হাত সাৰি থাকিব পাৰি।

মহানিম (Azadirecta Indica) ঃ আয়ুৰ্বেদত নিমৰ ফুল, পাত, ছাল, বীজ আৰু তেলৰ ব্যৱহাৰৰ বিধান আছে। নিমৰ তিনিটা প্ৰধান গুণ — ই Antibacterial, Antifangul আৰু Antiviral হিচাপে কাম কৰে। নিমত সক্ৰিয় পদাৰ্থ হিচাপে Azadirectin পোৱা যায়। ইয়াৰ উপৰি নিমৰ ছালত

Nimbin – 0.04%



Scanned with CamScanner

Nimbinin – 0.001%
Nimbidin – 0.04%
Nimbesterol – 0.03%
Tanin – 6.00% পোৱা যায়

বিশ্ব স্বাস্থ্যসংস্থাৰ স্বাস্থ্য পত্ৰিকাত বিভিন্ন ধৰণৰ চৰ্মৰোগত নিম ব্যৱহাৰ কৰিব পাৰি বুলি উল্লেখ আছে। যেনে - খৰ-খজুৱতি Scabies হ'লে নিম পাতৰ ক্বাথ তৈয়াৰ কৰি গা ধুৱালে দিয়া হয় আৰু নিমৰ তেল প্ৰয়োগ কৰা হয়। ছালৰ ঘা, পুঁজ ওলোৱা আৰু ফোঁহাত নিম ব্যৱহাৰ কৰিব পাৰি। নানাধৰণৰ তেজৰ দোষ, ছিফিলিছ, গনৰিয়া আৰু অৰ্শতো নিম ব্যৱহাৰ কৰা হয়। গলগণ্ড, শালমইনা, দুৰ্বলতা, চলি, কাঁহ আদি বিকাৰত নিম ব্যৱহাৰ কৰা হয়। তদুপৰি 'ইনছুলিন' ল'ব নলগা ডায়েবেটিছ ৰোগত নিম প্ৰধান দ্ৰব্য হিচাপে থকা কেপচুল/টেবলেট ব্যৱহাৰ কৰি সুফল পোৱা গৈছে।

চন্দন (Santalum Album) ঃ চন্দনৰ গা-গছ আৰু মূলৰ পৰা 4.5-6.5 ভাগ উৰণশীল তেল পোৱা যায়। শিপাত সৰ্বাধিক তেল পোৱা যায়। বীজত 50-55% তেল পোৱা যায়। চন্দনৰ তেলত 90% (Santalol) পোৱা যায় যিয়ে বিভিন্ন বেমাৰ আদি নিৰাময়ত সহায় কৰে।

আয়ুৰ্বেদত চন্দনক 'মূত্ৰকৃচ্ছ্ৰ' অৰ্থাৎ প্ৰসাৱ কৰোঁতে কষ্ট হোৱা, মূত্ৰথলীৰ শোথ (endema) বা প্ৰমেহ যেনে, পূয়মেহ, শুক্ৰমেহ, শ্বেতপ্ৰদৰ, ৰক্ত প্ৰদৰ, চৰ্মৰোগ, জ্বৰ হ'লে হোৱা দাহ, অম্লপিত্ত, তৃষ্ণা, কাম্লা বা জণ্ডিছৰ উপকাৰী বুলি কোৱা হৈছে। মানসিক ব্যগ্ৰতা, দুৰ্বলতা, মুখৰ বিষ, দাহ, বেছিকৈ ঘাম ওলোৱা বাবে হোৱা দেহৰ দুৰ্গন্ধ নাশ কৰিবলৈ চন্দন ব্যৱহাৰ কৰা হয়। হৃদয়ৰ দুৰ্বলতা, ৰক্তপিত্ত বা Haemorrhagic disease ত চন্দন ব্যৱহাৰ কৰা হয়। তদুপৰি হাত ভৰি টানা, বিষোৱা, পুৰণি কাঁহ আদিত চন্দনৰ তেলত ব্যৱহাৰ কৰা হয়।

অৰ্জুন (Terminalia Arjuna) ঃ অৰ্জুনৰ ছালত Arjunetin, Fridelin নামৰ Glucoside পোৱা যায়। ইয়াৰ ছালত 12-15% tanin আৰু triterpenoidsaponins আৰু বেছিকৈ Calcium Magnesium আদি পোৱা যায়। ইয়াৰ ছালত ripenoid saponin থাকে বাবেই মূত্ৰল হিচাপে কাম কৰে আৰু উচ্চ ৰক্তচাপ কমাই হৃদস্পন্দন নিয়ন্ত্ৰণ কৰে। হাড় ভাঙিলে অৰ্জুনৰ ছালৰ লেপ দিয়া হয়। অৰ্জুনৰ ছাল ব্যৱহাৰ কৰিলে জ্বৰ কমে আৰু শাৰীৰিক বল বৃদ্ধি হয়। হাঁহ ভঙাত ইয়াৰ ছাল গাখীৰৰ লগত খাব দিলে আৰাম পোৱা যায়। অৰ্জুনৰ ছালৰ পাউদাৰ টুথ পাউডাৰ হিচাপে ব্যৱহাৰ কৰিলে দাঁতৰ আলুৰ ৰোগ আৰু পুঁজ ওলোৱা বন্ধ হয়।

আমলখি (Emblica Officinalis) ঃ আমলখিত প্ৰচুৰ Vitamin-C বা Ascorbic Acid ($C_6H_{26}$) থাকে। আয়ুৰ্বেদ শাস্ত্ৰৰ মতে আমলখি ত্ৰিকোষৰ পৰা উৎপন্ন পিত্তৰ বিকাৰত অতি ফলদায়ক। Vitamin-C মানুহ দেহত কমি গলে স্কাৰ্ভি নামৰ অসুখ হয় আৰু দেহৰ ঘা শুকাওতে দেৰী হয়। দেখা গৈছে যে ৰাসায়নিকভাৱে তৈয়াৰী Vitamin-C তকৈ আমলখিৰ পাউডাৰ ব্যৱহাৰ কৰিলে বেছি ভাল ফল পোৱা যায়। বিশ্বস্বাস্থ্য সংস্থাৰ স্বাস্থ্য পত্ৰিকাত আমলখি এচিডিটি, বমি (বিশেষকৈ গৰ্ভধাৰণৰ সময়ত), প্ৰস্ৰাৱ জ্বলা-পোৰা কৰা ৰোগৰ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা হয়। সৰু ল'ৰা-ছোৱালীৰ বাবে আমলখিক উত্তম টনিক হিচাপে ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ নিয়মিত ব্যৱহাৰে সঘনাই কাহ, চৰ্দি হ'ব নোৱাৰা শাৰীৰিক শক্তি প্ৰদান কৰে। আমলখিৰ পৰা মোৰব্বা, আচাৰ, জেলি, চচ্, কেণ্ডি, শুকান চিপচ্, টফি, পাউডাৰ তৈয়াৰ কৰা হয়। ইয়াৰ ব্যৱহাৰে অকাল বাৰ্ধক্য প্ৰতিহত কৰিব পাৰে।

এইবোৰৰ উপৰি আৰু বহুতো তৃণ, গুল্ম ও বৃক্ষজাতীয় ঔষধি গছ আমাৰ মহাবিদ্যালয় চৌহদত আছে। সেইবোৰৰ ব্যৱহাৰে আমাৰ দৈনন্দিন হোৱা বিভিন্ন সৰু-সুৰা বেমাৰৰ উপশম ঘটাব পৰা যায়। তাৰ ভিতৰত যেনে Asoka ইয়াৰ ব্যৱহাৰে মাহেকীয়াৰ সময়ত কষ্ট লাঘৱ, গৰ্ভাশয়ৰ শিথিলতা, গৰ্ভাশয়ৰ বিষ তথা গৰ্ভশ্ৰাৱ দূৰ কৰে। কলাজামুৰ গুটিৰ পৰা কৰা পাউডাৰৰ দ্বাৰা ডায়েবেটিছ ৰোগৰ চিকিৎসা কৰিব পৰা যায়। শিলিখাৰ ব্যৱহাৰে গ্ৰহণীৰোগ, ভোক নলগা, পেটৰ বিষ, উদৰ বিকৃতি, কোষ্ঠ-কাঠিন্য, জণ্ডিছ, কৃমি ৰোগ আদিৰ নিৰাময় ঘটায়। তদুপৰি আন কিছুমান তৃণ জাতীয় উদ্ভিদ যেনে, তুলসী, আদা, মানি-মুনি, পুনৰ্ণৱা, ব্ৰাহ্মী, বাহকা আদিকো বিভিন্ন ৰোগৰ নিৰাময়ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা যায়।

এতিয়া দেখা যায় যে আমাৰ মহাবিদ্যালয় চৌহদখনেই এখন বনৌষধিৰ উদ্যান হৈ পৰিছে। কিন্তু ক্ৰমাগতভাৱে উপযুক্ত fencing ৰ অভাৱত অনাদৃত, অবহেলিত হৈ সেইবোৰ লোপ পাব ধৰিছে। সেয়েহে সেইবোৰক উদ্ধাৰৰ বাবে উপযুক্ত সংৰক্ষণ দিয়াটোৱেই হৈছে আমাৰ মুখ্য উদ্দেশ্য ও কৰ্তব্য।



Scanned with CamScanner

# উত্তৰ পূৰ্বাঞ্চলত মহিলাৰ উদ্যমিতা (Enterprenurship) ঃ এটি অৱলোকন

অংশুমান শইকীয়া
*প্ৰবক্তা, অৰ্থনীতি বিভাগ*

কুৰি শতিকাৰ আগলৈকে ভাৰতবৰ্ষত মহিলাৰ উদ্যমিতাৰ হাৰ যথেষ্ট কম আছিল যদিও কুৰি শতিকাৰ মাজভাগৰ পৰা ভাৰতবৰ্ষত, বিশেষকৈ উত্তৰ পূৰ্বাঞ্চলত মহিলাৰ উদ্যমিতাৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে। উদ্যমিতাৰ ক্ষেত্ৰত মহিলাৰ প্ৰবেশ এক নতুন আৰু পৰিবৰ্ধিত ধাৰা। এই ধাৰা যে অকল উন্নত ৰাজ্য সমূহতেই বৃদ্ধি পাইছে, তেনে নহয়। অনুন্নত ৰাজ্য সমূহতো মহিলাৰ উদ্যমিতাৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে। পৰম্পৰাগত যেনে খাদ্য সামগ্ৰী প্ৰস্তুতকৰণ, হস্তশিল্প আদি আৰু অপৰম্পৰাগত যেনে যোগাযোগ, কম্পিউটাৰ প্ৰশিক্ষণ আদিত মহিলাসকলে বিভিন্ন প্ৰতিষ্ঠান মুকলি কৰিছে।

উত্তৰ পূবৰ মহিলাসকলে অতীজৰে পৰা বাণিজ্য আৰু বজাৰ পৰিচালনাত সফলতাৰে কাৰ্য নিৰ্বাহ কৰি থকা দেখা যায়। উদাহৰণস্বৰূপে মণিপুৰৰ ইম্ফলত থকা 'খৱাইৰামবান্ধ' বজাৰ পৰিচালনা আৰু নিয়ন্ত্ৰণ মহিলা সকলেই কৰি আহিছে। তেনেদৰে মেঘালয়ৰ ছিলঙত থকা 'বৰ বজাৰ'খনতো মহিলা উদ্যোগীৰ সংখ্যা বেছি। তদুপৰি অসম, অৰুণাচল প্ৰদেশ আদিৰ বিভিন্ন বজাৰ সমূহত মহিলা উদ্যোগী যথেষ্ট পৰিমাণে দেখা যায়। "খৱাইৰামবান্ধ" বজাৰখন মহিলাৰ দ্বাৰা পৰিচালিত এচিয়াৰ ভিতৰতে বৃহৎ বজাৰ। এক সৰ্বভাৰতীয় পৰিসাংখীয় তথ্য মতে ১৯৮৭-৮৮ চনত উত্তৰ পূবৰ ১২.৫% ক্ষুদ্ৰ উদ্যোগৰ পৰিচলানাৰ দায়িত্বত মহিলা থকাৰ বিপৰীতে সৰ্বভাৰতীয় পৰ্যায়ত ৭.৭% ক্ষুদ্ৰ-উদ্যোগত মহিলা পৰিচালক আছে। গতিকে উদ্যোগ খণ্ডতো উত্তৰ পূৰ্বাঞ্চলৰ মহিলাৰ উদ্যমিতাৰ হাৰ সৰ্বভাৰতীয় পৰ্যায়তকৈ বেছি। একেদৰে হস্তচালিত শিল্পখণ্ডতো পূৰ্ণ পৰ্যায়ৰ শিপিনীৰ ভিতৰত ৮২.২% মহিলা। উক্ত তথ্যই উত্তৰ পূবত মহিলা উদ্যোগীয়ে প্ৰসাৰ লাভ কৰাৰ ক্ষেত্ৰত থকা সম্ভাৱনীয়তাকেই সূচায়।

মহিলা উদ্যোগীসকলে উত্তৰ পূৰ্বাঞ্চলত তেওঁলোকৰ প্ৰসাৰ আৰু প্ৰগতিৰ বাবে উত্তৰ পূব মহিলা উদ্যোগী সংস্থা (North East Women Entrepreneurs Association) নামেৰে এক সংস্থাও গঠন কৰিছে। এই সংস্থাই মহিলা উদ্যোগীসকলৰ অধিকাৰ আৰু বিকাশৰ বাবে যথেষ্ট অৰিহণা যোগাই আহিছে।

উত্তৰ পূৰ্বাঞ্চলত মহিলাসকলৰ মাজত উদ্যমিতা বৃদ্ধি পোৱাৰ বহুতো কাৰণ আছে। উদাহৰণস্বৰূপে শিক্ষা ব্যৱস্থাৰ প্ৰসাৰ লাভ কৰাৰ লগে লগে মহিলাসকলকে উদ্যোগমূলক কাম-কাজত আগভাগ ল'বৰ বাবে অনুপ্ৰাণিত কৰিছে। তদুপৰি মহিলাসকলৰ মাজত স্ব-নিয়োগৰ সুযোগ যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। হস্তশিল্পমূলক কাৰ্যই মহিলাসকলক আজৰি সময়ত কৰা উৎপাদনৰ পৰিবৰ্তে সম্পূৰ্ণ সময়ৰ বাবে এক বাণিজ্যিক কৰ্মলৈ ৰূপান্তৰিত কৰাৰ সুযোগ দিছে। সেইদৰে শিক্ষিত মহিলাসকলে তেওঁলোকৰ সৃষ্টিমূলক ইচ্ছাক উদ্যমিতাৰ জৰিয়তে প্ৰতিষ্ঠা কৰিব পাৰে। মহিলাসকলে ব্যক্তিগত বিদ্যালয়, নাৰ্চাৰী, কাপোৰৰ দোকান, ৰেষ্টোৰা আৰু আধুনিক যুগৰ নতুন নতুন ব্যৱসায় সমূহত প্ৰতিষ্ঠা লাভ কৰিছে। অভিভাৱক সকলেও তেওঁলোকৰ সন্তানসকলক বিশেষকৈ মহিলাসকলক স্ব-নিৰ্ভৰশীল হ'বলৈ যথেষ্ট উৎসাহিত কৰে। আনকি বিবাহিতা মহিলাসকলকো বিভিন্ন উদ্যোগমূলক কাম-কাজত অংশগ্ৰহণ কৰা দেখা যায়। এইক্ষেত্ৰত উল্লেখনীয় যে এই বিবাহিতা মহিলাসকলক তেওঁলোকৰ স্বামী বা শহুৰ-শাহুৱে যথেষ্ট উৎসাহ যোগোৱা দেখা যায়। গতিকে মহিলাৰ মাজত উদ্যমিতা বৃদ্ধি পোৱাত পৰিয়ালৰ লোকসকলৰ এক মহৎ অৱদান আছে বুলি ক'ব পাৰি।

উত্তৰ-পূবৰ আন অঞ্চল সমূহৰ লগতে অসমতো বৰ্তমান মহিলাসকলক তেওঁলোকৰ উদ্যমিতা বৃদ্ধিৰ বাবে পৰামৰ্শ আৰু প্ৰশিক্ষণৰ হেতু বিভিন্ন সংস্থা আছে। এই সংস্থা সমূহে সমাজৰ যুৱক আৰু মহিলা সকলৰ মাজত বিভিন্ন ধৰণৰ কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। এইক্ষেত্ৰত IIE (Indian Institute of Entrepreneurship) গুৱাহাটী



Scanned with CamScanner

আৰু SPEED (Society for Promotion of Entrepreneurship and Economic Development) উল্লেখযোগ্য।

মহিলাৰ উদ্যমিতাৰ ক্ষেত্ৰত অৱশ্যে কিছুমান অসুবিধা নথকা নহয়। মহিলাসকলে উদ্যোগ এটা স্থাপন আৰু পৰিচালনাৰ ক্ষেত্ৰত বহু সময়ত বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। বিশেষকৈ বজাৰ সম্পৰ্কীয় তথ্য, কেঁচা সামগ্ৰী, উদ্যমিতা সম্পৰ্কীয় নতুন ধাৰা আদিৰ ক্ষেত্ৰত বহু অসুবিধাৰ সৃষ্টি হয়। এইক্ষেত্ৰত দেখা দিয়া আন এক সমস্যা হ'ল বহু সময়ত মহিলাসকলৰ আত্মবিশ্বাসৰ অভাৱ। ইয়াৰ কাৰণ হ'ল ভাৰতবৰ্ষত এতিয়াও মহিলাসকলৰ মাজত উদ্যমিতাৰ হাৰ যথেষ্ট কম আৰু পুৰুষৰ প্ৰভাৱ যথেষ্ট বেছি। তাৰ বাবেও মহিলাসকল আগবাঢ়ি অহাত কিছু সমস্যাই দেখা দিয়ে।

Indian Institute of Entrepreneurship (IIE) এ উত্তৰ-পূবৰ মহিলাসকলৰ মাজত উদ্যমিতাৰ বিকাশ আৰু প্ৰশিক্ষণৰ বাবে এক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। যোৱা চাৰি বছৰত এই প্ৰতিষ্ঠানটোৱে মহিলাৰ বাবে ন (৯) টা কাৰ্যসূচী গ্ৰহণ কৰিছে আৰু এই কাৰ্যসূচী সমূহৰ পৰা বহুসংখ্যক মহিলা উদ্যোগীৰ সৃষ্টি হৈছে। এই শিক্ষিত মহিলাসকলে তেওঁলোকৰ সপোন আৰু আশাসমূহ প্ৰশিক্ষণ আৰু JIE ৰ সহায়ত বাস্তৱত ৰূপ দিবলৈ সমৰ্থ হৈছে।


**সহায় লোৱা গ্ৰন্থ :**

1. Promoting Entrepreneurship, by D.D. Mali
2. IIE News letter


# এক ডজন কুইজ


সংগ্ৰাহক — হামিদুল ইছলাম
দ্বাদশ শ্ৰেণী


১। সকলোৰে পৰিচিত অস্কাৰ বঁটা সৰ্বপ্ৰথমে কোন চনৰ, কোন তাৰিখত ক'ত দিয়া হৈছিল?
২। কোন কোন বিখ্যাত কবি অন্ধ আছিল?
৩। বিশ্বৰ সবাতোকৈ চুটি নাটক কোনখন?
৪। ২০০৬ চনৰ সাহিত্যৰ ন'বেল বঁটা কোনে পাইছিল?
৫। অস্কাৰ বঁটা বিজয়ী প্ৰথম ভাৰতীয় জন কোন?
৬। টেনিচ খেলত ব্যৱহৃত নেটখনৰ উচ্চতা কিমান?
৭। 'বানছ এণ্ড ৰুইনছ' নামৰ কিতাখনৰ লেখক কোন?
৮। আধুনিক যুগৰ অলিম্পিক ক'ত কেতিয়া আৰম্ভ হৈছিল?
৯। ভৱানন্দ পাঠক কোনজন বিখ্যাত অসমীয়া সাহিত্যিকৰ ছদ্মনাম আছিল?
১০। পৃথিবীৰ প্ৰথম মানৱ মহাকাশচাৰী কোন?
১১। বিশ্ব ধুমপান বিৰোধী দিৱস কোন তাৰিখে উদ্‌যাপন কৰা হয়?
১২। বিশ্ব পাৰিপাৰ্শ্বিকতা দিৱস কোন তাৰিখে উদ্‌যাপন কৰা হয়?

**উত্তৰসমূহ :** ১। ১৯২৯ চনৰ ১৬ মে'ৰ দিনা হলিউদৰ 'হোটেল ৰাজভেলী'ত, ২। গ্ৰীক কবি হোমাৰ আৰু মিল্টন, ৩। চেমুৱেল বেকেটৰ 'ব্ৰিথ', দৈৰ্ঘতা মাত্ৰ ৩৫ ছেকেণ্ড, ৪। অৰহাম পামুক, ৫। ভানু আথাইয়া, ৬। তিনি ফুট, ৭। সুনীল গাভাস্কাৰ, ৮। ১৮৯৬ চনত এথেন্সত, ৯। ড° বাণীকান্ত কাকতি, ১০। য়ুৰি গাগাৰিণ, ১১। ৩১ মে ১২। ৫ জুন।



Scanned with CamScanner

# ইছলামত জাকাত আৰু ইয়াৰ বণ্টন পদ্ধতি

কোৰবান আলী আহমেদ
*প্ৰবক্তা, আৰবী বিভাগ*

জাকাতৰ অৰ্থ হ'ল পৱিত্ৰ বা শুদ্ধ কৰা। ইছলামী শ্বৰীয়তৰ দ্বাৰা চাহেবে নিচাবৰ উপাৰ্জিত চল্লিচ (৪০) ভাগৰ এভাগ মাল বছৰৰ মূৰত গৰীব দুখীয়া সকলক ভাগ কৰি দিয়াকে জাকাত বোলে। ইছলামৰ পাঁচোটা ভেটিৰ জাকাত হ'ল চতুৰ্থ ভেটি। জাকাত নিদিলে মাল সম্পত্তি পৱিত্ৰ নহ'ব আৰু আল্লাহৰ আদেশো লংঘন কৰা হ'ব। আল্লাহ তা আলাই পৱিত্ৰ কোৰআনত কৈছে, "তোমালোকে নামাজ পঢ়া আৰু জাকাত আদায় কৰা।"

মালে নিছাবকাৰীসকলে আল্লাহ তাআলাৰ ভয় অন্তৰত ৰাখি জাকাত আদায় কৰা উচিত। এজন ব্যক্তিৰ এবছৰৰ খৰচ আৰু ঋণ পৰিশোধ কৰাৰ পিছত যিখিনি ধন-সম্পত্তি থাকিব সেই ধনখিনিৰ তন্ন তন্ন হিচাপ কৰি চল্লিছ ভাগৰ এভাগ জাকাত আদায় কৰিব লাগে। জাকাত অনাদায় কৰা সম্পৰ্কে পৱিত্ৰ কোৰআন শ্বৰিফত আল্লাহ তা আলাই বজ্ৰপাতৰ দৰে ঘোষণা কৰি কৈছে "..... আৰু যিসকল লোকে সোণ, ৰূপ জমা কৰি ৰাখে আৰু আল্লাহৰ পথত সেইবোৰ খৰছ নকৰে, সেইসকল লোকক (হে নবী দাঃ) তুমি কঠোৰ শাস্তিৰ সংবাদ দিয়া। যিদিনাখন সেইবোৰক দোজখৰ জুইত উত্তপ্ত বা গৰম কৰা হ'ব আৰু সেইবোৰেৰে সিহঁতৰ মুখমণ্ডল, পিঠি আৰু সন্মুখৰ ভাগত সকলোবোৰ দাগ (চিন) দিয়া হ'ব। (আৰু কোৱা হ'ব) এইবোৰ তোমালোকে নিজৰ বাবে সাঁচি ৰাখিছিলা। সেয়ে তোমালোকে যিবোৰ জমা কৰি ৰাখিছিলা সেইবোৰৰ আজি সোৱাদ লোৱা।' (ছুৰা তওবা) ইমাম বোখাৰীৰ পৰা।

আল্লাহ তা আলাই যিসকললোকক ধন-সম্পত্তি দিছে সিহঁতে ধন-সম্পত্তিৰ জাকাত আদায় নিদিলে কিয়ামতৰ দিনাখন সিহঁতৰ চকুত দুটা ক'লা তিল থাকিব। সেই সাপে কিয়ামত পৰ্যন্ত সিহঁতৰ ডিঙিত মেৰিয়াই থাকিব আৰু সিহঁতৰ মুখেৰে ক'ব আমিয়েই তোমাৰ ধন-সম্পত্তি আৰু তোমাৰ ধনৰ ভড়াল। আজি তোমালোকে আমাৰ সঞ্চয়ৰ সোৱাদ গ্ৰহণ কৰা। (বোখাৰী)

**জাকাত দিয়াৰ নিয়ম আৰু ইয়াৰ উপকাৰিতা ঃ**

যিবোৰ ধন-সম্পত্তিৰ জাকাত দিয়া ওৱাজিব সেইবোৰ মাল তিনি ভাগত ভাগ কৰা হৈছে। (১) সোণ-ৰূপ (২) মালে তিজাৰত (ব্যৱসায়ৰ উদ্দেশ্যে বিক্ৰী সামগ্ৰী) (৩) জীৱ-জন্তু (গৰু, ম'হ, ছাগলী, ভেড়া ইত্যাদি) (হিদায়া)।

আৱশ্যকীয় খৰচৰ পিছত কোনো এজন ব্যক্তিৰ হাতত বছৰৰ শেষত যদি ৫২।।০ তোলা ৰূপ আৰু ৭।।০ তোলা সোণ থাকে তেন্তে সেই সোণ আৰু ৰূপৰ মূল্য হিচাপ কৰি তাৰ ১/৪০ ভাগ জাকাত দিব লাগিব। এইসকল ব্যক্তিৰ ওপৰত প্ৰতি বছৰে জাকাত ফিৎৰা আৰু কুৰবানী ইত্যাদি দিয়া ওৱাজিব। হজৰত মহম্মদ (ছাঃ) এ কৈছে "প্ৰত্যেক বস্তুৰে জাকাত আছে।" উদাহৰণ স্বৰূপে জান-মাল, সোণ-ৰূপ, জীৱ-জন্তু, টকা-পইচা, বয়-বস্তু আদিৰো জাকাত প্ৰদান কৰিব লাগে। ঠিক তেনেকৈ মানুহৰ দেহৰো জাকাত আদায় কৰিব লাগিব।

বাৰ মাহে এবছৰ। এবছৰৰ এঘাৰ মাহত যদি কোনো মানুহৰ দেহত হাৰাম তেজৰ সৃষ্টি হয় তেন্তে ৰমজানৰ এমাহ ৰোজাই তেওঁৰ দেহৰ জাকাতৰ কাম কৰে। বাৰ মাহৰ এমাহ ৰোজা ব্ৰত পালন কৰিলে দেহৰ বা সম্পূৰ্ণ শৰীৰৰ জাকাত আদায় হয়। তেতিয়াৰ পৰা দেহ-মন বাকী থকা এঘাৰ মাহৰ বাবে পৱিত্ৰ হয়। বুজুৰ্গ সকলৰ মতে জাকাত প্ৰদান কৰা দেহ-মনৰ জিম্মাদাৰ আল্লাহ তা আলা হৈ যায়। দেহৰ জাকাত হ'ল পৱিত্ৰ ৰমজান মাহৰ ৰোজা। মালৰ জাকাত নিদিলে



Scanned with CamScanner

ধন-সম্পত্তি যেনেকৈ পাক নহয়, ঠিক তেনেকৈ ৰমজানৰ ৰোজা ব্ৰত পালন নকৰিলে মানুহৰ দেহ-মন শুদ্ধিকৰণ নহয়।

**জাকাতৰ তাৎপৰ্য :**

(১) জাকাত হ'ল বিত্তশালী ব্যক্তিসকলৰ ধন-সম্পত্তি পাক কৰাৰ এটি বিশেষ কাৰক। (২) ই হ'ল সোণ-ৰূপ পাক কৰাৰো এটি উপাদান। (৩) ই হ'ল মালে নিছাবকাৰী সকলৰ জীৱ-জন্তু পাক কৰাৰো হাতিয়াৰ স্বৰূপ। (৪) জাকাত হ'ল ধনী মানুহৰ টকা পইচাৰ শুদ্ধিকৰণ আৰু দুখীয়া গৰীব সকলৰ খাদ্যৰ উপকৰণ।

আল্লাহ তা আলাই মানৱ জাতিক 'বিবেক শক্তি' দি সৰ্বশ্ৰেষ্ঠ জীৱৰূপে সৃষ্টি কৰিছে। আল্লাহে মানুহক ভাল-বেয়া, হাৰাম-হালাল, ন্যায়-অন্যায় ইত্যাদিৰ পাৰ্থক্য বুজিবলৈ তেওঁৰ এটি মহান নিয়ামত 'জ্ঞানশক্তি' দান কৰিছে। এই জ্ঞানেৰে পৃথিৱী সৃষ্টিৰ আদিৰ পৰা আজিলৈকে মানুহে ভাল-বেয়া, সৎ-অসৎ, ন্যায়-অন্যায় বিচাৰ কৰিব পাৰিছে। জ্ঞানৰ জৰিয়তে মানুহে ডাক্তৰ, ইঞ্জিনিয়াৰ হ'ব পাৰিছে। ইম্মান গাজ্জালী (ৰঃ) এ কৈছে — 'এই জ্ঞান শক্তিৰো জাকাত দিব লাগিব, নহ'লে এই জ্ঞানেৰে কৰা কাম সমূহ পবিত্ৰ বা শুদ্ধিকৰণ নহ'ব।' এতিয়া প্ৰশ্ন হ'ল জ্ঞানৰ জাকাত কি? ইমাম গাজ্জালী (ৰঃ) এ কৈছে — "জ্ঞানৰ জাকাত হ'ল মানৱ জাতিৰ কল্যাণাৰ্থে সৎ চিন্তা কৰা।" শিক্ষিত, জ্ঞানী, গুণী ব্যক্তিসকলে যদি মানৱ জাতিৰ কল্যাণৰ বাবে গঠনমূলক চিন্তা-চৰ্চা নকৰে, তেন্তে সেইজন ব্যক্তিৰ জ্ঞানৰ (বোধশক্তিৰ) জাকাত আদায় কৰা নহ'ব। মানৱ জাতিৰ বাবে সৎ চিন্তা কৰাই হ'ল জ্ঞান বা বোধশক্তিৰ পাৰ পবিত্ৰ কৰাৰ এটা প্ৰধান কাৰক।

মানৱজাতিক অজ্ঞান অন্ধকাৰৰ পৰা পোহৰলৈ বাট দেখুওৱা গঠনমূলক কাম-কাজেই হ'ল জ্ঞান শুদ্ধিকৰণৰো এটি উপাদান। প্ৰতিজন ব্যক্তিৰ কান্ধত তিনিটা কৰ্তব্য নিহিত হৈ আছে। জনৈক ইংৰাজে কৈছে, Duty towards Allah, duty towards Parents, duty towards Mankind এই তিনিটা কৰ্তব্য পালন কৰিলেহে এজন মানুহৰ জ্ঞানৰ জাকাত আদায় কৰা হ'ব। দ্বিতীয়তে, যিগৰাকী পিতৃ-মাতৃয়ে আমাক জন্ম দি তুলি-তালি ডাঙৰ-দীঘল কৰিছে লগতে স্কুল-কলেজত পঢ়ুৱাই জ্ঞানী-গুণী কৰিছে, সেইসকল পিতৃ-মাতৃক যদি সন্তানে ভৰণ-পোষণ নকৰে তেন্তে সিহঁতৰ জ্ঞানৰ জাকাত আদায় কৰা নহ'ব। মৌলানা ৰুমীয়ে কৈছে যে সাত হাজাৰ বাৰ অগ্ৰিম হজ্জ কৰিলে যিমান পুণ্য হয় তাতকৈ বেছি পুণ্য হয় আল্লাহ তা আল্লাই বনোৱা পিতৃ-মাতৃৰ অন্তৰ কাবাক সেৱা-সন্তুষ্ট কৰা। মক্কাত অৱস্থিত কাবা ঘৰটো আজৰাজ ব্ৰাহ্মণ ল'ৰা হজৰত ইব্ৰাহিম নবীয়ে সজাইছিল। পিতৃ-মাতৃক সন্তুষ্ট নকৰিলে বা নাৰাখিলে, আল্লাহ তা আল্লাই সেইজন ব্যক্তিৰ ওপৰত কেতিয়াও সন্তুষ্ট নহয়। গতিকে আমি মানৱ সন্তানে পিতৃ-মাতৃৰ প্ৰতি থকা কৰ্তব্য পালন কৰিলেহে ইহকাল আৰু পৰকাল মংগলময় হ'ব। তৃতীয়তে, এজন জ্ঞানী, গুণী আৰু শিক্ষিত ব্যক্তি হিচাপে সমাজৰ প্ৰতি কৰিবলগীয়া কৰ্তব্য যদি পালন নকৰে, তেন্তে মহান আল্লাহৰ ওচৰত জবাবদিহি হ'ব লাগিব।

মানৱ সম্পদ সকলো সম্পদতকৈ শ্ৰেষ্ঠ সম্পদ। এই গুণী-জ্ঞানী মানৱে ন ন বস্তু আৱিষ্কাৰ কৰি মানৱ জাতিৰ কল্যাণ সাধন কৰিছে। আৱিষ্কাৰ কৰি মানৱ জাতিৰ কল্যাণৰ বাবে গঠনমূলক কাম-কাজ কৰিছে। তেওঁলোকৰ জ্ঞানৰ জাকাত আদায় কৰা হ'ব। জ্ঞানৰ জাকাত হ'ল মানৱ জাতিৰ বাবে সৎ চিন্তা কৰা। আনহাতে পবিত্ৰ ৰমজান মাহত যি ৰোজা পালন কৰা হয় সেই ৰোজাৰো জাকাত দিব লাগিব। ৰোজাৰ জাকাত হ'ল ফিৎৰা। ৰোজাদাৰ সকলে ফিৎৰা আদায় নকৰিলে তেওঁলোকৰ ৰোজা দোষমুক্ত নহ'ব।

আমাৰ সমাজৰ মুখিয়াল মানুহখিনিয়ে যদি দুখীয়া মানুহৰ বাবে কিছুমান আঁচনি প্ৰস্তুত কৰি ধনী মানুহবোৰৰ পৰা জাকাত, ফিৎৰা কুৰবাণীৰ চামৰাৰ মূল্য, উটৰ কাফফাৰা ইত্যাদি সংগ্ৰহ কৰি আৰ্থিকভাৱে ভাৰাক্ৰান্ত লোক সকলৰ মাজত গঠনমূলক কামৰ বাবে ভগাই দিলেহেঁতেন তেতিয়া দুখীয়া মানুহখিনিৰ অভাৱ কিঞ্চিত পৰিমাণে দূৰ হ'লহেঁতেন। ইয়াৰ দ্বাৰা ভিক্ষাবৃত্তিক কিছু পৰিমাণে প্ৰতিৰোধ কৰিব পৰা যাব। এই ভিক্ষা বৃত্তি ইছলামে কেতিয়াও পচন্দ নকৰে, ইছলামৰ দৃষ্টিত ই বৰ ঘৃণনীয় অপৰাধ।



Scanned with CamScanner

# বিশিষ্ট সমাজকৰ্মী নৈমুদ্দিন মুন্সীৰ সোঁৱৰণত

নূৰ আলম
*প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ*

মানুহজনক মই লগ পাওঁ ১৯৭৬ চনত। সোণতলী উচ্চ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰি থকা অৱস্থাত সোণতলীলৈ যোৱাৰ পথত মাজে-সময়ে ৰাস্তাত, কেতিয়াবা হাট-বজাৰ আদিত দেখা দেখি হয়। পৰিচয় সূত্ৰে জানিব পাৰিছিলোঁ তেওঁ নৈমুদ্দিন মুন্সী। মোৰ কলেজীয়া জীৱনত তেওঁৰ সান্নিধ্য লাভৰ সুযোগ পাঁও। অসম আন্দোলনৰ ভৰপক সময়ত সংখ্যালঘু জনগণৰ হকে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ আহ্বানত আমি সংখ্যালঘু সম্প্ৰদায়ৰ স্বাৰ্থত যি আন্দোলন কৰিছিলোঁ সেই আন্দোলনত তেওঁৰ ভূমিকা আছিল অতুলনীয়।

১৮৯৬ চনত বংগদেশৰ মৈমনসিংহ জিলাৰ বেলতো গাওঁত এটা অতি দুখীয়া তাঁতী পৰিয়ালত নৈমুদ্দিন মুন্সীৰ জন্ম হয়। পিতৃৰ নাম কিফাৎ উল্লাহ আৰু মাতৃৰ নাম আছিল নছিৰণ নেছা। ন বছৰীয়া নৈমুদ্দিনক তেওঁৰ মাক-দেউতাকৰ সৈতে মোমায়েক জামাত উল্লাই ১৯০৫ চনত (বংগ ভংগৰ সময়ত) বঙ্গেশ্বৰী গাঁওলৈ লৈ আহে আৰু তাতেই বসতি স্থাপন কৰে। অঞ্চলটো তেতিয়া অৰণ্য হাবি জংঘলেৰে ভৰপুৰ আছিল। বনৰীয়া জীৱ-জন্তুৰ লগত মাজে সময়ে সহ-অৱস্থান কৰিও তেওঁৰ পৰিয়ালেৰে সৈতে দিন অতিবাহিত কৰিবলগীয়া হৈছিল। কিছুদিন পিছত অলপ পৈণত বয়সত ভাল খেতি মাটিৰ সন্ধান পাই ১নং টুপামাৰী গাওঁত স্থায়ীভাৱে থাকিবলৈ লয়।

তেওঁৰ বাল্যকাল অতি দুখ কষ্টৰ মাজেৰে অতিবাহিত হয়। মাক-দেউতাকে তাঁতত বোৱা কাপোৰ ধুপধৰা, দলগোমা, আলিৰপাম আদি বজাৰত বিক্ৰী কৰি পৰিয়ালটো ভৰণ-পোষণ দিবলগীয়া হোৱাত সংসাৰ চলোৱাত যথেষ্ট কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছিল।

শিক্ষানুষ্ঠানৰ অভাৱৰ বাবে তেওঁ কোনো আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিব পৰা নাছিল। কিন্তু তেওঁৰ অনুসন্ধিৎসু তথা বিদ্যানুৰাগী মনে তেওঁক শিক্ষাৰ পৰা বঞ্চিত কৰিব পৰা নাছিল। দিনৰ ভাগত খেতি-বাতিৰ কাম কৰি নিশা সহপাঠী কেইজনমানৰ সৈতে সাত কিলোমিটাৰ দূৰৈৰ বঙ্গাপানী গাওঁৰ ইচমাইল হুছেইন মৌলবীৰ ওঁচৰত ইচলামিক শিক্ষা (কোৰাণ আৰু হাদিছৰ জ্ঞান) আৰু বাংলা শিক্ষা গ্ৰহণ কৰিছিল। ইচলামিক শিক্ষাৰ ওপৰত তেওঁ যথেষ্ট পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। কম দিনৰ ভিতৰতে আৰবী ভাষাত বুৎপত্তি লাভ কৰি মনোগ্ৰাহী সুৰত কোৰাণ পঢ়ি ধৰ্মপ্ৰাণ মানুহক আপ্লুত কৰিব পাৰিছিল। কিছুদিন পিছত ঘৰতে 'মোক্তাৱ' খুলি গাওঁৰ বহুতকে আৰবী ভাষাৰ 'আলীম' বিদ্যা শিকাইছিল। টুপামাৰী গাওঁত ঈদগাহ প্ৰতিষ্ঠা কৰি তেঁৱেই প্ৰথমে ঈদৰ নামাজৰ ইমামতি কৰিছিল। নিজ মাটিত মছজিদ স্থাপন কৰি নিজে জুম্মাৰ নামাজৰ ইমামতি কৰিছিল। সেইবাবে সকলোৱে তেওঁক মুন্সী বুলি মাতিছিল আৰু তেতিয়াৰে পৰা তেওঁৰ নাম নৈয়ম উদ্দিনৰ পৰা নৈমুদ্দিন মুন্সী হয়।

নিজৰ অধ্যৱসায়ৰ বাবে তেওঁ বাংলা আৰু অসমীয়া ভাষাৰ কিতাপ পঢ়িব আৰু লিখিব জনা হৈছিল। কোনো আনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰাকৈয়ে হিন্দী ভাষাৰ কিতাপ পঢ়িব আৰু হিন্দীত বক্তৃতাও দিব পাৰিছিল। বাতৰি কাকত তেওঁ নিয়মিতভাৱে পঢ়িছিল। মানুহৰ মুখে মুখে শুনি তেওঁ কমেও দুশ ফকৰা-যোজনা আৰু সাঁথৰ (ঠিল্লক) মনত ৰাখিছিল। বাংলা পুথি সোনাভানুৰ কেচ্ছা, ছয়ফুল মুল্লুক বদি উৎ জামাল, কালু-গাজীৰ কাহিনী আদি পদ্য অথবা গদ্যৰ ছড়া আকাৰে শুনাই শ্ৰোতাৰ পৰা প্ৰশংসা লাভ কৰিছিল।

তেওঁ এজন আদৰ্শ খেতিয়ক আছিল। সৰু ভায়েক



Scanned with CamScanner

আব্দুল আজিজক লগত লৈ হাবি-জংগল কাটি ছাফা কৰি প্ৰায় ১৫০ বিঘা মাটিৰ মালিক হ'ব পাৰিছিল।

মুন্সী চাহেব সৰু কালৰে পৰা এজন সমাজ সচেতক ব্যক্তি হিচাপে পৰিচিত আছিল। বাল্য কালতেই সমনীয়া বন্ধুসকলৰ লগ লাগি এটা ফুটবল টিম তৈয়াৰ কৰি অ'ত ত'ত খেলিবলৈ গৈছিল। কেপ্টেইন হিচাপে থকাৰ উপৰিও তেওঁ ফুটবলৰ প্ৰশিক্ষক ৰূপেও কাম কৰিছিল।

শিক্ষাই জাতিৰ উন্নতি সাধে — এই কথাটোক বিশেষ গুৰুত্ব দি ১৯২৬ চনত তেওঁৰ নেতৃত্বত টুপামাৰী প্ৰাইমাৰী বিদ্যালয় স্থাপিত হয়। ১৯৬২ চনত তেওঁৰ ভাতৃ আবুল হুছেইনক প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে লৈ এখনি এম. ই মাদ্ৰাছা আৰু বঙ্গেশ্বৰী টুপামাৰী আজাদ মেম'ৰিয়েল হাইস্কুল স্থাপন কৰে। পিছলৈ উক্ত বিদ্যালয়ৰ নাম পৰিবৰ্তন কৰি বঙ্গেশ্বৰী টুপামাৰী হাইস্কুল ৰখা হয়। এতিয়া সেইখন উচ্চতৰ মাধ্যমিক স্কুললৈ উন্নীত হৈছে। ১৯৭০ চনত তেওঁ নিজ গাওঁত ছোৱালীৰ বাবে প্ৰাথমিক স্কুল স্থাপন কৰে। তদুপৰি ১৯৫৯ চনত 'নৱ জাগৰণ' নামেৰে পুথিভঁৰাল এটিও স্থাপন কৰে।

১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত গঢ় লৈ উঠা অসহযোগ আন্দোলনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছৰ ৪১ তম অধিবেশনত যোগদান কৰি মহাত্মা গান্ধীৰ সাক্ষাৎ লাভ কৰিবলৈ সক্ষম হৈছিল। গান্ধীৰ নীতি আৰু আদৰ্শৰ প্ৰতি শ্ৰদ্ধাশীল এই লোকজনে নিজকে গান্ধীবাদী বুলি পৰিচয় দি ভাল পাইছিল। ১৯৩৭ চনৰ পৰা তেওঁ কংগ্ৰেছ কৰ্মী হিচাপে কাম কৰে। সেই সময়ত ছাৰ ছাদুল্লাৰ মুছলীম লীগ আৰু গোপীনাথ বৰদলৈৰ কংগ্ৰেছৰ মাজত জোৰদাৰ টনা আজোৰাৰ সময়তো মুন্সী চাহেবে কংগ্ৰেছকহে সমৰ্থন কৰিছিল। মহাত্মা গান্ধীৰ 'বিদেশী বস্ত্ৰ বৰ্জন' আন্দোলনত নেতৃত্ব দিয়া বাবে নগৰবেৰাৰ সাপ্তাহিক বজাৰৰ সংঘৰ্ষত বৃটিছে দোষী সাব্যস্ত কৰি তেওঁক সাত দিনৰ বাবে কাৰাগাৰলৈ নিক্ষেপ কৰিছিল।

১৯৫০ আৰু ১৯৬৫ চনত পাকিস্থানী খেদা আন্দোলন অৰ্থাৎ হিন্দু মুছলিম সাম্প্ৰদায়িক আন্দোলনত নগৰবেৰাৰ মুক্তিযোদ্ধা পদ্মলোচন চৌধুৰী, গজেন্দ্ৰ নাৰায়ণ পাঠক, উত্তম ঠাকুৰীয়া, হৰেন্দ্ৰ নাৰায়ণ পাঠক, উমেশ পাঠক, উমা পাঠক, শৰৎ চৌধুৰী, ভুপেন দাস, হেকেৰাৰ কমলা মেনেজাৰ আদি ব্যক্তিসকলৰ লগত লগ লাগি এই বৃহৎ এলেকাত সাম্প্ৰদায়িক সংঘৰ্ষ হ'ব দিয়া নাছিল। স্বাধীন ভাৰতত গাঁও পঞ্চায়ত গঠন হোৱাত তেওঁ তিনিবাৰ টুপামাৰী পঞ্চায়তৰ সভাপতি নিৰ্বাচিত হৈছিল।

অকল টুপামাৰী অঞ্চলৰ সামাজিক কাম-কাজৰ লগতেই যে তেওঁ জড়িত আছিল তেনে নহয় নগৰবেৰা অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো তেওঁ বিশেষভাৱে জড়িত আছিল। নগৰবেৰা হাইস্কুলৰ (বৰ্ত্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়) প্ৰধান শিক্ষক কৃষ্ণকান্ত শৰ্মাদেৱৰ লগতো তেওঁৰ সম্পৰ্ক অতি মধুৰ আছিল।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ পূৰ্বতেই মুন্সী চাহাবক সভাপতি আৰু উদয় ঠাকুৰীয়াক সম্পাদক হিচাপে লৈ কলেজ পৰিচালনা সমিতি গঠন কৰা হৈছিল। মুন্সী চাহাবক প্ৰতিষ্ঠাপক সভাপতি পাতি সমগ্ৰ পূৰ্বাঞ্চলৰ সমৰ্থন আদায় কৰিব পৰা হৈছিল। মুন্সী চাহাবৰ লগত বন্ধুত্বৰ চিনস্বৰূপে উদয় ঠাকুৰীয়াই তৰুণ সংঘৰ পূবফালে এক পোৱা মাটি প্ৰীতি উপহাৰ হিচাপে দিছিল। বিধাতাৰ কি অদ্ভুত বিধান — এই দুয়োজন ব্যক্তিয়ে একে দিনাই এই পৃথিৱীৰ পৰা মেলানি মাগে।

২০০৪ চনৰ ১২ আগষ্ট তাৰিখে ১০৮ বছৰ বয়সত নিজ গৃহত বাৰ্দ্ধক্যজনিত কাৰণত তেওঁৰ মৃত্যু হয়। তেওঁৰ জানাজাত অসংখ্য লোকৰ সমাগম হয়। বঙ্গেশ্বৰী-টুপামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ ঈদগাহ ময়দানত ১৩ আগষ্ট তাৰিখে তেওঁৰ জানাজা সম্পন্ন হয় আৰু ঘৰৰ সন্মুখত মছজিদৰ কাষত কবৰস্থ কৰা হয়।

'যি নিষ্কৰ্মা তেওঁক স্বৰ্গই কেতিয়াও হাতবাউল দি নামাতে' - ছফ'ক্লিছ



Scanned with CamScanner

# ৩৩ তম্ ৰাষ্ট্ৰীয় ক্ৰীড়া আৰু অসম

দিলীপ চৌধুৰী
*স্নাতক দ্বিতীয় বৰ্ষ*

অৱশেষত অসমবাসীৰ সকলো ভয়, দ্বিধা, শংকা, অনিশ্চয়তা আদিৰ ঘটিল। বিভিন্ন কাৰণত এবছৰ পিছুৱাব লগা হ'লেও বহুতো ঘাত-প্ৰতিঘাত, প্ৰত্যাহ্বান আৰু প্ৰতিবন্ধকতাৰ অন্তত ৯/২/০৭ ইং তাৰিখে দেশৰ সৰ্ববৃহৎ ক্ৰীড়া মহোৎসৱ ৩৩ তম্ ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱৰ মূল অগ্নিশিখা অৰ্জুন ভোগেশ্বৰ বৰুৱাই প্ৰজ্বলন কৰাৰ লগে লগে আলোকিত হৈ উঠিল ক্ৰীড়াভূমিৰ চৌপাশ। ৰৌদ্ৰোজ্বল গুৱাহাটী মহানগৰীত ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বৰ্ণিল শুভাৰম্ভ হ'ল। ইয়াৰ আগতে দাদা চাহেব ফাল্কে বঁটা বিজয়ী ড° ভূপেন হাজৰিকাৰ জনপ্ৰিয় গীত 'এই পৃথিৱী এক ক্ৰীড়াঙ্গন, ক্ৰীড়া হ'ল শান্তিৰ প্ৰাঙ্গণ' শীৰ্ষক গীতটো গণশিল্পী খগেন মহন্তৰ নেতৃত্বত দিলীপ শৰ্মা, সুদক্ষিণা শৰ্মা, পুলক বেনাৰ্জীকে আদি কৰি ভালেমান সংগীত শিল্পীয়ে পৰিৱেশন কৰি যেন ৰাষ্ট্ৰীয় ক্ৰীড়াৰ দুৱাৰ মুকলি কৰি দিলে। অসম পুলিচ, সেনা, বায়ুসেনা আদিৰ বেণ্ড বাদনৰ পিছত নীলাকাশত জিলিকি উঠা তিনিখন হেলিকপ্টাৰৰ পুষ্পবৃষ্টি, বায়ুসেনাৰ জোৱানে কৰা আকাশী কাৰুকাৰ্য, সহস্ৰ কণ কণ শিশুৰ দ্বাৰা পৰিৱেশিত এক বৰ্ণাঢ্য নৃত্যানুষ্ঠানে দৰ্শকক ঘণ্টাৰ পিছত ঘণ্টা মোহাচ্ছন্ন কৰি ৰাখে।

বিয়লি ঠিক ৪.৩০ বজাত মণিকূট সজ্জিত এখন বাহনত ৰাষ্ট্ৰীয় ক্ৰীড়াৰ শুভংকৰ 'ৰংমন' সৰুসজাইৰ মূল ষ্টেডিয়ামত (ইন্দিৰা গান্ধী এথলেটিকছ্ ষ্টেডিয়াম) নাছি-বাগি প্ৰৱেশ কৰাৰ লগে লগে সমবেত অগণন জনতাৰ হাতচাপৰি আৰু হৰ্ষোল্লাসেৰে মুখৰিত হৈ পৰে অসমৰ আকাশ-বতাহ। প্ৰতিভাৱান কণ্ঠশিল্পী তথা পৰিচালক মানস ৰবীন আৰু কল্লোলৰ কণ্ঠত ৰংমনক আদৰাৰ গীত "ৰংমন ঐ, ৰঙাই দে ঐ"ৰ তালে তালে নাচি উঠে সমবেত দৰ্শক। হেজাৰ হেজাৰ লোকক আপ্লুত কৰি ষ্টেডিয়ামত পৰিৱেশন কৰা হয় পৰম্পৰাগত গীত, নৃত্য, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য, বিহু নৃত্য আদি। ইয়াৰ পিছতে প্ৰৱেশ কৰে ক্ৰীড়া ৰণাংগনলৈ বুলি ওলাই অহা বিভিন্ন ৰাজ্যৰ খেলুৱৈ সেনানীসকল।

৯ ফেব্ৰুৱাৰীৰ পৰা ১৮ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হোৱা



এই খেলখনত ২৮ খন ৰাজ্য ৪ খন কেন্দ্ৰীয় শাসিত অঞ্চল আৰু চাৰ্ভিচেজে অংশ গ্ৰহণ কৰে। প্ৰতিযোগিতাৰ মুঠ ইভেণ্টৰ সংখ্যা আছিল ৩২ টা। তদুপৰি এইবাৰ কাৰাটে, ল'ন ব'ল, উৰ্শু আৰু ৰাগবী ৭ — এইকেইটা খেল নতুনকৈ অন্তৰ্ভুক্ত কৰা হয়। প্ৰতিযোগিতাখনত সৰ্বাধিক খেলুৱৈ থকা দলটো হ'ল ঘৰুৱা দল অসম। দলটোৰ প্ৰতিযোগী আছিল ৯০৮ গৰাকী। আনহাতে আটাইতকৈ কম খেলুৱৈ থকা দলটো হ'ল দমন ডিউৰ। প্ৰতিযোগীৰ সংখ্যা মাত্ৰ তিনি গৰাকী। প্ৰতিযোগিতাত থকা সৰ্বমুঠ ৩০৪৩ টা পদকৰ ৯৫৮ টাকৈ সোণৰ আৰু ৰূপৰ আৰু ১১২৭ টা পদক ব্ৰঞ্জৰ।

৩৩ তম্ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পদক তালিকাত ছাৰ্ভিচেজ দলে ৫৯ টা সোণ, ৪৬ টা ৰূপ আৰু ৩৭ টা ব্ৰঞ্জৰ পদকেৰে প্ৰথম স্থান অধিকাৰ কৰে। ৫১ টা সোণ, ৩২ টা ৰূপ আৰু ৪০ টা ব্ৰঞ্জৰ পদকেৰে মণিপুৰে দ্বিতীয় আৰু ৩৮ টা সোণ, ৫৩ টা ৰূপ আৰু ৫৭ টা ব্ৰঞ্জৰ পদকেৰে ঘৰুৱা দল অসমে লাভ কৰে তৃতীয় স্থান। এয়া অসমৰ ক্ৰীড়া জগতৰ এক গৌৰৱময় ইতিহাস স্বৰূপে চিহ্নিত হৈ ৰ'ব। তিনিখন ৰাজ্যই ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পৰা সুদাহাতে উভতিব লগীয়া হৈছে। সেই কেইখন হ'ল বিহাৰ, ত্ৰিপুৰা আৰু পণ্ডিচেৰী। সৰ্বাধিক ৯ টা সোণৰ পদকেৰে কৰ্ণাটকৰ ৰেহান পোঞ্চা আৰু ৮ টা সোণৰ পদক বিজয়ী দিল্লীৰ বিছা মিশ্ৰই লাভ কৰে শ্ৰেষ্ঠ খেলুৱৈৰ পুৰস্কাৰ।

ক'ব নোৱাৰাকৈয়ে পাৰ হৈ গ'ল দহটা দিন। ১৮ ফেব্ৰুৱাৰত অসমৰ অজস্ৰ লোকে অশ্ৰুসিক্ত নয়নেৰে বিদায় জনালে ৰাষ্ট্ৰীয় ক্ৰীড়াক। বেগুত "চালে জাঁহাসে আজা, হিন্দুস্তান হামাৰা"ৰ লগতে বাজি উঠিল অসমৰ 'নাহৰ ফুলে নুশুৱায়, তগৰ ফুলে শুৱাব।" বিদায়ৰ মুহূৰ্তত বিচ্ছেদৰ যন্ত্ৰণাত খেলুৱৈ সকলৰ চকু সেমেকি উঠিল। খাৰখণ্ডত অনুষ্ঠিত হ'বলগীয়া ৩৪ তম্ ৰাষ্ট্ৰীয় ক্ৰীড়াত পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে ক্ষন্তেক আগলৈকে নৃত্য-গীত আৰু সুৰৰ লহৰেৰে মুখৰিত হৈ থকা ইন্দিৰা গান্ধী এথলেটিক্‌ছ ষ্টেডিয়ামৰ পৰা বিদায় মাগিলে প্ৰতিখন ৰাজ্যৰ খেলুৱৈ, সাংবাদিক তথা অন্যান্য বিষয়ববীয়াসকল।

৩৩ তম্ ৰাষ্ট্ৰীয় ক্ৰীড়াত ৰাইজৰ সঁহাৰি আছিল অভাৱনীয়। প্ৰতিখন ষ্টেডিয়ামতে প্ৰতিদিনে সমবেত হোৱা হেজাৰ হেজাৰ ক্ৰীড়ামোদী দৰ্শকে ৰাষ্ট্ৰীয় ক্ৰীড়াক সফল কৰি তুলিছিল। প্ৰতিকূল বতৰকো নেওচা দি সমবেত হোৱা দৰ্শকে নিজৰ প্ৰিয় খেলুৱৈবোৰক ওচৰৰ পৰা দেখিলে, হেঁপাহ পলুৱাই উপভোগ কৰিলে তেওঁলোকৰ ক্ৰীড়া কৌশল। ৰাষ্ট্ৰীয় ক্ৰীড়াত সমাৱেশ ঘটিছিল বহুতো আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় খেলুৱৈৰ। ইয়াৰ ভিতৰত লিম্বাৰাম, দোলা বেনাৰ্জী, তৰুণদীপ ৰায় আদি হ'ল অলিম্পিয়ান।

৩৩ তম্ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ঋণাত্মক দিশবোৰ বাদ দি আমি এযাৰ কথা একমুখে স্বীকাৰ কৰিব লাগিব ই এখন সফল ক্ৰীড়া মহোৎসৱ। খেলৰ ক্ষেত্ৰত ভৱিষ্যত প্ৰজন্মই যি আত্মগাঁথনি লাভ কৰিলে সিয়েই অসমক ক্ৰীড়াৰ ক্ষেত্ৰত দোপতদোপে আগবঢ়াই নিব পাৰিব বুলি আশা কৰিব পাৰি।



'আশা আছে বাবেই পৃথিৱীখন ইমান ধুনীয়া' - হেমবৰুৱা

# বিশ্বপ্ৰৱাহ



যুগুতাইছে — ইকবাল হুছাইন
স্নাতক তৃতীয় বৰ্ষ

**টুৱেণ্টি ২০ বিশ্বকাপত ভাৰতৰ বিশ্বজয় ঃ**

এদিনীয়া ক্ৰিকেটৰ ক্ষুদ্ৰ সংস্কৰণ টুৱেণ্টি ২০ ক্ৰিকেটৰ বিশ্ব চেম্পিয়ন খিতাপ অৰ্জন কৰি ভাৰতে ক্ৰিকেটৰ নতুন ইতিহাস ৰচনা কৰিলে। ইতিহাস ৰচনা কৰিলে এই কাৰণেই যে প্ৰতিষ্ঠিত তাৰকা খেলুৱৈৰ অবিহনে ভাৰতে ক্ৰিকেটৰ মহাৰণত অৱতীৰ্ণ হৈছিল। শচীন টেণ্ডুলকাৰ, সৌৰভ গাংগুলী, ৰাহুল দ্ৰাবিড় আদিৰ দৰে মহাৰথীয়ে টুৱেণ্টি ২০ বিশ্বকাপৰ মহাৰণত অৱতীৰ্ণ হোৱা নাছিল। তথাপিও একেৰাহে তিনিবাৰ বিশ্ব চেম্পিয়ন অষ্ট্ৰেলিয়াৰ উপৰিও দক্ষিণ আফ্ৰিকা, ইংলেণ্ড, পাকিস্তান আদিৰ দৰে দেশবোৰত ঘটুৱাই খিতাপ দখল কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে দক্ষিণ আফ্ৰিকাত আয়োজিত টুৱেণ্টি ২০ বিশ্বকাপত অংশ লোৱা ভাৰতীয় দলটোৰ কেবাজনো সদস্যই আন্তৰ্জাতিক টুৱেণ্টি ২০ মেচ খেলা নাছিল। দলত অন্তৰ্ভুক্ত হোৱা ৰোহিত শৰ্মা আৰু ইউচুফ পাঠানৰ আনকি এদিনীয়া আন্তৰ্জাতিক খেলাৰো অভিজ্ঞতা নাছিল। ইয়াৰ বিপৰীতে ইংলেণ্ড, নিউজিলেণ্ড, অষ্ট্ৰেলিয়া আদিয়ে বিশ্বকাপৰ আগতে আন্তৰ্জাতিক টুৱেণ্টি ২০ মেচ খেলি অভিজ্ঞতাপুষ্ট হৈ আছিল। সি যিয়েই নহওক বিশ্বকাপ ক্ৰিকেটত ভাৰতৰ হাতত প্ৰায়ে পৰাজিত হৈ অহা পাকিস্তানৰ প্ৰতি এইবাৰো ভাগ্য সুপ্ৰসন্ন নহ'ল। জোহান্সবাৰ্গৰ 'ৱাণ্ডাৰাৰ্চ'ত অনুষ্ঠিত টুৱেণ্টি ২০ বিশ্বকাপৰ শ্বাসৰুদ্ধ ফাইনেল খেলখনত মহেন্দ্ৰ সিং ধোনিৰ নেতৃত্বত যোৱা ইয়ং ব্ৰিগেডে চিৰ প্ৰতিদ্বন্দ্বী পাকিস্তানক ৫ ৰাণত পৰাস্ত কৰাৰ লগে লগে 'জোহান্সবাগ' আৰু ভাৰতৰ আকাশ বতাহ কঁপি উঠিল। 'ৱাণ্ডাৰাৰ্চ'ৰ চৌদিশে জিলিকি উঠিল ভাৰতৰ বিজয়ধ্বজা।

**২০০৭ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা ঃ**

বিখ্যাত ব্ৰিটিছ ঔপন্যাসিক ড'ৰিছ লেছিঙলৈ ২০০৭ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। আঁঠাশী বছৰীয়া এইগৰাকী মহান ঔপন্যাসিকে যোৱা পাঁচটা দশক জুৰি কেইবাখনো চমকপ্ৰদ উপন্যাস ৰচনা কৰি বিশ্ব-সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেওঁৰ উপন্যাস সমূহত সমাজৰ দাৰিদ্ৰ, দুৰ্ভিক্ষ, ৰাজনীতি আৰু আফ্ৰিকাত কটোৱা তেওঁৰ শৈশৱকালৰ বিৱৰণ পোৱা যায়। ন'বেল বঁটা ঘোষণা কৰি ছুইডিছ একাডেমীয়ে এইগৰাকী মহান লেখিকাৰ উপন্যাসসমূহক মহাকাব্যৰ লগত তুলনা কৰিছে। ড'ৰিছ লেছিঙৰ "গ'ল্ডেন নোট বুক" পৃথিৱীৰ লাখ লাখ গ্ৰন্থপ্ৰেমীৰ বাবে এখন অবিস্মৰণীয় গ্ৰন্থ।



Scanned with CamScanner

**বিশ্ব দবাত বিশ্বনাথন আনন্দৰ খিতাপ জয় ঃ**

ভাৰতবৰ্ষৰ তাৰকা দবাৰু বিশ্বনাথন আনন্দে যোৱা ৩০ ছেপ্তেম্বৰত মেক্সিকো চিটিত অনুষ্ঠিত বিশ্ব দবা প্ৰতিযোগিতাত হাংগেৰীৰ গ্ৰেণ্ড মাষ্টৰ পিটাৰ লেকোৰ বিৰুদ্ধে খেলখন ড্ৰ খেলি বিশ্ব দবাৰ খিতাপ অৰ্জন কৰিছে। বিশ্বনাথনে ২০০০ চনত প্ৰথমবাৰৰ বাবে দবাৰ বিশ্ব খিতাপ অৰ্জন কৰিছিল। ২০০৭ চনৰ বিশ্ব দবা প্ৰতিযোগিতাৰ নিৰ্ণায়ক ২০ টা মুভৰ পিছত লেকোৰ বিৰুদ্ধে খেলখন ড্ৰ ৰাখিবলৈ সক্ষম হয়। বিশ্ব চেম্পিয়ন হোৱা সূত্ৰে খেলুৱৈজনে লাভ কৰিছে ৩৬,০০০ ডলাৰ। জয়ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সাংবাদিক সকলৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয় যে "এই বিশেষ মুহূৰ্তৰ বাবে মই ছবছৰ ধৰি অপেক্ষা কৰি আছিলো।"

**২০০৭ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা ঃ**

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এল গোৰে আৰু ৰাষ্ট্ৰসংঘৰ দ্বাৰা গঠিত "ইন্টাৰনেচনেল পেনেল ফৰ ক্লাইমেট চেঞ্জ" (আই.পি. চি.চি.) লৈ যুটীয়াভাৱে ২০০৭ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে মানৱজাতিৰ কাৰ্য-কলাপ আৰু পৃথিৱীৰ ক্ৰমবৰ্দ্ধমান উত্তাপ বৃদ্ধি সম্পৰ্কে সুদীৰ্ঘ দিন অধ্যয়ন কৰি বিশ্বজুৰি কৰা সচেতনতাৰ বাবে তেওঁলৈ শান্তি ন'বেল বঁটা আগবঢ়োৱা হয়। মাৰ্কিন ৰাজনীতিৰ এই ব্যতিক্ৰমধৰ্মী সক্ৰিয় নেতা গৰাকীয়ে পৃথিৱীৰ উত্তাপ বৃদ্ধিয়ে বিশ্ববাসীলৈ কঢ়িয়াই অনা ভাবুকি আৰু এই বিষয়ত সচেতনতা সৃষ্টিৰ বাবে নিৰলস প্ৰচেষ্টা চলাই আহিছে। ২০০০ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত বৰ্তমানৰ ৰাষ্ট্ৰপতি জৰ্জ ডব্লিউ বুশ্বৰ হাতত পৰাজিত হোৱাৰ পিছত তেওঁ বতৰ, জলবায়ু, পৰিৱেশ আৰু 'গ্ল'বেল ৱাৰ্মিং'ৰ বিষয়ে একানপতীয়াকৈ অধ্যয়ন আৰু গৱেষণাত নিমগ্ন হয়। ১.৫ মিলিয়ন মাৰ্কিন ডলাৰ মূল্যৰ (ভাৰতীয় হিচাপত ৫ কোটি ৮৭ লাখ) এটা বঁটাৰ বাবে মনোনয়ন লাভ কৰা শতাধিক ব্যক্তিৰ মাজৰ পৰা তেওঁ এই বিশ্ব গৌৰৱ লাভ কৰিবলৈ সক্ষম হয়।

আনহাতে ৩০০০ বতৰ বিজ্ঞানী গৱেষকৰ দ্বাৰা গঠিত ৰাষ্ট্ৰসংঘৰ 'পেনেল' আই.পি.চি.চিয়েও নিৰৱচ্ছিন্নভাৱে বিশ্বৰ বতৰ পৰিৱৰ্তন, গ্ল'বেল ৱাৰ্মিং তথা পৰিৱেশক লৈ অধ্যয়ন তথা গৱেষণা চলাই অহাৰ উপৰিও বিশ্ববাসীৰ মাজত এই বিষয়ে সচেতনতা সৃষ্টিৰ বাবে বিশ্বযোৰা কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। উল্লেখযোগ্য যে যুটীয়াভাৱে শান্তিৰ ন'বেল বঁটা লাভ কৰা আই.পি.চি.চি.ৰ নেতৃত্বত আছে ভাৰতীয় বতৰ বিজ্ঞানী কে. পাছাউৰী।



## কৌতুক

- পূজাৰ বন্ধত ফুৰিবলৈ যাবলৈ নাপাই খঙতে অগ্নিশৰ্মা হৈ পৰা বৰুৱানীয়ে উষ্মাৰে বৰুৱাক ক'লে 'মোক এতিয়া কোনো কথাই নকবা। মোৰ মূৰৰ জুই জ্বলি আছে।'
  'অ' সেই কাৰণে হবলা অথনিৰে পৰা গোবৰ পোৰা গোবৰ পোৰা গোন্ধ পাই আছিলোঁ।' বৰুৱাই নিৰ্বিকাৰ ভাবে উত্তৰ দিলে।'

- স্কুলৰ পৰা আহিয়েই গুনগুনে দেউতাকৰ ওচৰত খেন খেনালে 'দেউতা হোমৱৰ্ক কৰাৰ সময়ত অলপ মনোযোগ দিবাচোন। ৰাতিপুৱা কৰি দিয়া অংককেইটা এটাও নহ'ল!! ক্লাছত মইহে 'মিছ'ৰ গালি খাব লাগে!!!'

- দিনটোত অতি কমেও চাৰিটা চিঙৰা নাখালে মনটো ভাল নলগা তুলতুল বাইদেউয়ে কেন্টিনৰ চিঙৰাত কামোৰ মাৰি ক'লে 'আজিৰ চিঙৰাটো সিমান ভাল হোৱা নাই। কালিৰটো বৰ ভাল হৈছিল।
  'এইটোও কালিৰেই বাইদেউ' - কাষতে বৈ থকা বয়টোৱে তৎক্ষনাত উত্তৰ দিলে।

**সংগ্ৰাহক ঃ মধুস্মিতা দেৱী**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)



Scanned with CamScanner

গল্প



# সংক্ৰমণ

জয়নাল আব্দিন
স্নাতক ১ম বৰ্ষ

প্ৰায় উৰলি যোৱা কেঁথাখনৰ পৰা মূৰটো উলিয়াই আনি ক্ষণিকৰ আগতে হৈ যোৱা শব্দটোৰ উমান ললে সঞ্জয়ে। ক'তো সাৰ-সুৰ নোহোৱাত সি আধা হাউলি পৰা ঘৰৰ মুধচটোলৈকে চাই ভাবিলে মেৰামতি কৰিবলৈ হাতত ধনো নাই। যি এক আছিল সিও কাহানিবাই ......! পুৰণা বেমাৰটো উক দিবলৈ ধৰাত সঞ্জয়ে সামান্য উচ্ পিচাই উঠিল। কেঁথাখন মূৰে গায়ে মেৰিয়াই সি টোপনি যোৱাৰ চেষ্টা কৰিলে। প্ৰায় ১১ বছৰ বয়সত সঞ্জয়ে স্কুললৈ যাওঁতে পিছফালৰ পৰা অহা মালবাহী ট্ৰাক এখনে খুন্দিয়াই তাৰ ভৰিৰ ওপৰেৰে পাৰ হৈ গ'ল। চিৰকালৰ বাবে সঞ্জয়ৰ আঠুৰ তলভাগটো ঘূণীয়া হোৱাত সি আঠুৰে খোজ কাঢ়ে। মাক-দেউতাক থকালৈকে বিশেষ অসুবিধা ভোগ কৰা নাছিল সঞ্জয়ে। কিছু বছৰ পাছত মাক-দেউতাকে সঞ্জয়ৰ বিয়া পাতি দি তেওঁলোকৰ দায়িত্বৰ পৰা আহৰি হৈছিল। ঘৈণীয়েক ৰাধা অগঢ়ি হলেও সঞ্জয়ৰ তাত কোনো আক্ষেপ নাছিল। তাৰ দৰে দুৰ্ভগীয়া এজনৰ জীৱনৰ সংগী হোৱাৰ বাবে সি তাইক ধন্যবাদহে জনাইছিল অন্তৰেৰে। মাক-দেউতাকে তাক এৰি যোৱাত সঞ্জয়ৰ গাত পৃথিৱীৰ সমস্ত বোজা আহি পৰিছিল। দেউতাক ভেদৌৰে বাৰীৰ পাণ, তামোল, নাৰিকল, নানা ফল-মূল বেচি যি দুই এপইচা ঘটি থৈ গৈছিল সেই ধনখিনি মূলধন হিচাপে লৈ সঞ্জয়ে ঘৰৰ ওচৰতে থকা হাইস্কুলখনৰ কাষতে সৰুকৈ পান, তামোল, চানা, ডালমুঠৰ দোকান দিছিল। কালক্ৰমত এদিনাখন বিধান সভা নিৰ্বাচনত সঞ্জয়ৰ দোকানখনৰ আগত দুই দলীয় সমৰ্থকৰ মাজত কাজিয়া লগাত দোকানখন ধ্বংসপ্ৰাপ্ত হয়। পুনৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল যদিও দোকান নহ'ল। তাৰ পৰাই তাৰ ধন ঘটাৰ সম্বল হেৰাই গ'ল চিৰদিনৰ বাবে।

ঘৈণীয়েক ৰাধা হ'ল অলপ ধুনপেচ মৰা বিধৰ। এক কথাত তাইক ধুনতী কাউৰী বুলিবও পাৰি। খোৱা-বোৱাৰ যিয়েই নহওঁক আনৰ পৰা খুজি হ'লেও তাইৰ গালকেইখনত কিবা অলপ ক্ৰীম ঘঁহিবই। সঞ্জয়ো ৰাধাৰ এনেবোৰ আচৰণ ভাল নাপায়



Scanned with CamScanner

যদিও উপায় নাই। বহুদিন দুয়োজনৰ মাজত কথা কটা-কটি হৈছিল; কিন্তু সঞ্জয়ৰ কথাত কোনো কেৰেপ নকৰা দেখি এতিয়া সেইবোৰ ক'বলৈ এৰিলে। সঞ্চিত টকা পইচাখিনি শেষ হোৱাৰ পাছত ধন ঘটাৰ শেষ সম্বলো ধ্বংস হৈ গ'ল। ৰাধাই ইঘৰে-সিঘৰে কাম কৰি ভৰণ-পোষণ দিব লগা হোৱাত তাইৰ ক্ষমতা দুগুণে বাঢ়িল। ৰাধাই ছলনাৰে অবৈধ কামত লিপ্ত হ'ল।

ৰাধাই সঞ্জয়ৰ বিচনাত একেলগে নুশুৱে। শোৱে দৰ্জাখনৰ কাষতে থকা কোঠাটোত। সঞ্জয় শোৱে সেই কোঠাটোৰ লগালগি আন এটা কোঠাত মাজত মাত্ৰ ভঙা চিঙা বেৰে কোঠালী দুটা পৃথক কৰিছে। সেইবোৰ কথাত সঞ্জয়ৰ কোনো ভ্ৰূক্ষেপ নাই। কিন্তু ........ কেতিয়াবা তাইক সঞ্জয়ে ওচৰতে পাবলৈ কাতৰভাৱে অনুৰোধ কৰিলেও তাইৰ উত্তৰত হতাশ হৈ পৰে। ৰাধাৰ এতিয়াই যে সন্তানৰ মাক হোৱাৰ ইচ্ছা নাই, সেইকথা সঞ্জয় ভালদৰে জানে তথাপি .......। ইতিমধ্যে ৰাধাৰ কাম-কাজে সঞ্জয়ক সামান্য হ'লেও সন্দিহান কৰি নোতোলা নহয়। কিন্তু ..... সেইবোৰ কথা সঞ্জয়ে ৰাধাৰ আগত প্ৰকাশ কৰিব নোৱাৰে আৰু কেতিয়াও প্ৰকাশো নকৰে। এদিনৰ কথা মনত পৰিলে আজিও ৰম্ ৰমাই যায় তাৰ গাটো, ঘামেৰে সিক্ত হৈ গোটেই শৰীৰ জুৰুলি জুপুৰি হৈ পৰে ক্ষণিকৰ বাবে হ'লেও।

ৰাতি কিবা এটা শব্দত সাৰ পাই সি অলপ উমান ল'লে। বাহিৰত কোনোবাই অনুচ্চ কণ্ঠৰে কথা পাতি থকা যেন পাই সঞ্জয়ে ৰাধাক মাত দিলে। ৰাধা, ৰাধা! — ৰাধাৰ কোনো মাতবোল নোপোৱাত অলপ খঙেৰেই সঞ্জয় ৰাধা ৰাধা বুলি কেইবাবাৰো মাত লগালে তেতিয়াহে ৰাধাই বাহিৰৰ পৰা ভেকাহি এটা মাৰি দিলে। "কিনো হ'ল এই ৰাতিখন চিঞৰিবলৈ! বাহিৰলৈ আহিছো মনে মনে থাকক।" সঞ্জয়ে আৰু কিবা এঠা কোৱাৰ চেষ্টা নকৰি বিচনাতে অলসভাৱে পৰি চকুহাল মুদি দিলে। অলপ সময়ৰ পাছত দুৱাৰখন খোলাত সি বেৰৰ ফাঁকেৰে দুৱাৰখনলৈ চাই পঠালে। ৰাধাই ভিতৰলৈ সোমাই অহাটো সঞ্জয়ে আন্ধাৰৰ মাজৰ অস্পষ্ট পোহৰকণতে অনুমান কৰিলে। কিন্তু তাইৰ পিছে পিছে অন্য এটা ছায়ামূৰ্তি সোমাই অহাত সঞ্জয় আচৰিত হ'ল। সঞ্জয় বিমোৰত পৰিল। বাহিৰত জোনাক নাই তথাপিও ....... তাইৰ লগত তাইৰ গাৰ ছাঁ কেতিয়াও হ'ব নোৱাৰে সেইটো সঞ্জয়ে ভাবিলে। সঞ্জয়ে কথাযাৰ সম্পূৰ্ণ ভবালৈকে ৰাধা আৰু ছায়ামূৰ্তি দুটা আঠুৱাৰ তলত নেদেখা হৈ পৰিল। তেনেকৈয়ে নিশ্চল হৈয়ে কিছু সময় পৰি ৰ'ল সঞ্জয় আৰু কিবাকিবি ভবাৰ আগতে টোপনিত লালকাল দিলে। পুনৰ ৰাধাই উস্ আস্কৈ উঠা শব্দত সঞ্জয়ে সাৰ পাই ৰাধাৰ বিৰক্তিৰে মাত দিলে 'কিনো হ'ল এই নিশাখন'! 'এই মহসোপাৰ পৰা আৰু শান্তি নাই।' কালিলৈকে আঠুৱাখন চিলাই কৰি ফুটাকেইটা বন্ধ কৰিব লাগিব। সঞ্জয় আৰু নুশুই টোপনিৰ কোলাত লালকাল দিলে। সঞ্জয়ে পুৱা উঠি অনুমান কৰিলে ৰাধা উঠি গৈ হয়তো কামত লাগিছেগৈ। আঠুৱাখন উঠাই সামৰি থৈ যোৱা নেদেখি আঠুৱাখন উঠালে। ৰাধাৰ বিচনাৰ একাষত পঞ্চাশ টকীয়া নোট এখন পৰি থকা দেখি চকুহাল বহলকৈ মেল খালে। বহুসময় নিমাত হৈ থকাৰ পাছত সি কিবা এটা অনুমান কৰিলে।

কিবা ক'লে ৰাধাই হুলস্থূল লগাব বুলি ভাবি সঞ্জয়ে একো নক'লে। পিছে তাক ক্ষোভে আগুৰি ধৰিলে। তাৰ পাছত ........। তাৰ পাছত ৰাধাই বহুকেইটা ৰাতি আঠুৱাৰ ভিতৰত মহৰ কামোৰত অনিদ্ৰাৰে পাৰ কৰিছে। আৰু প্ৰতিটো নিশাই সঞ্জয়ে এটা উত্তৰকে পাইছে ......... এই মহসোপাৰ পৰা আৰু শান্তিনাই। কালিলৈকে আঠুৱাখন চিলাই ফুটা কেইটা বন্ধ কৰিব লাগিব। সঞ্জয়ে যোৱা কেইদিনতে ভালদৰে বুজি উঠিছে আঠুৱাখন চিলাই কৰিবৰ বাবে কালিলৈকে দিনটো আৰু কেতিয়াও নাহে।

বহু ৰাতি এইদৰে ৰাধাই পাৰ কৰিলে বহুতো ছলনাৰে। কিন্তু ... কিন্তু সকলোৰে পৰা মিছা ছলনাৰে হাত সাৰিল যদিও অবৈধ মিলনৰ ফলত হোৱা এটি সংক্ৰমনৰ পৰা ৰাধাৰ হাত সাৰিব নোৱাৰিলে। এসময়ত সঞ্জয়ৰ কথা নমনা ৰাধাই বেমাৰত পৰিল। ডাক্তৰে তেজ পৰীক্ষা কৰাই ক'লে এইচ. আই. ভি.ৰ সংক্ৰমণ হৈছে আৰু এইড্ছত পৰিণত হৈছে। তিল্ তিলকৈ মৃত্যুৰ মুখলৈ আগবাঢ়ি যাব লাগিব। বৰ্তমান সময়ত ৰাধাৰ দৰে বহুতো ৰাধাই এই মৃত্যুৰূপী মহজাকৰ বশৱতী হৈ এইড্ছক আকোঁৱালি ল'ব লগা হৈছে। বিশ্বজুৰি এই সমাজ কলুষিত কৰা মহজাকে সমাজখনক মৃত্যুৰ গৰাহলৈ ঠেলি দিছে। শেঁতা পৰি যাবলৈ ৰাধাৰ মুখখনিলৈ চাই সঞ্জয়ে এটা দীঘল হুমুনিয়াহ কাঢ়িলে।



Scanned with CamScanner

গল্প



# অপূৰ্ণ বেদনা

মাধৱ চন্দ্ৰ দাস
*দ্বাদশ শ্ৰেণী (বিজ্ঞান)*

স্বামীৰ অকাল মৃত্যুৰ শোকত ভাগি পৰা আকাশৰ মাকে চৌদিশে ধোঁৱা-কোৱা দেখিবলৈ ধৰিলে। সংসাৰখন এতিয়া কেনেদৰে চলিব, জোনালীক কিদৰে বিয়া দিব — এইবোৰ চিন্তাই মানুহজনীক খুলি খুলি খাবলৈ ধৰিলে।



Scanned with CamScanner

আকাশৰ দেউতাকৰ আকস্মিক মৃত্যুৰ পিছত ঘৰৰ মানুহখিনিৰ ওপৰত আকাশী সৰগ ভাগি পৰিল। এটা সমস্যাৰ সমাধান নৌহওঁতেই আন এটা সমস্যা উপস্থিত হ'বলৈ ধৰিলে। কুৰিৰ দেওনা পাৰ নোহোৱা আকাশৰ একেজনী মাথোঁ ভনীয়েক, তাইৰ নাম জোনালী। দেউতাক থাকোঁতে স্বচ্ছলতাৰে নহলেও দুবেলা দুসাজ খাই লৈ দিনবোৰ পাৰ হৈ গৈছিল। কিন্তু অকস্মাতে আহি পৰা এই দুৰ্যোগে থানবান কৰি দিলে সংসাৰখন। স্বামীৰ অকাল মৃত্যুৰ শোকত ভাগি পৰা আকাশৰ মাকে চৌদিশে ধোঁৱা-কোৱা দেখিবলৈ ধৰিলে। সংসাৰখন এতিয়া কেনেদৰে চলিব, জোনালীক কিদৰে বিয়া দিব — এইবোৰ চিন্তাই মানুহজনীক খুলি খুলি খাবলৈ ধৰিলে। আকাশ অলপ ডাঙৰ হৈছে সঁচা কিন্তু দেউতাক থাকোঁতে হাবিৰ পৰা খৰি কাটি অনা আৰু দুই এটা সৰু সুৰা কামত সহায় কৰি দিয়াৰ বাহিৰে আন কোনো কামেই কৰা নাছিল। ভৱিষ্যতে যে চাকৰি-বাকৰি কৰি উপাৰ্জনৰ পথা মোকলাব পাৰিব সেই আশাও আৰু কেতিয়াও কৰিব নোৱাৰে।

'আকাশ বাবা, তই কিবা কাম কৰাৰ কথা ভাবিছ নে?' চাহৰ কাপটো আগবঢ়াই দি মাকে আকাশক সুধিলে।

'নাই মা, মই এতিয়াও কোনো সিদ্ধান্ত ল'ব পৰা নাই। ভগৱানে দেউতাক আমাৰ মাজৰ পৰা কিয় এনেদৰে লৈ গ'ল মা, তেওঁ আমাৰ প্ৰতি কিয় ইমান নিষ্ঠুৰ হ'ল ....?' কথাখিনি কৈ আকাশে উচুপি উঠিল।

'তই এনেদৰে ভাগি পৰিলে আমাৰ কি হ'ব বাবা? বিপদত ধৈৰ্য ধৰি কাম কৰিলে কিবা নহয় কিবা ৰাস্তা এটা ওলাব।' মাকে আকাশক সান্ত্বনা দিবলৈ যত্ন কৰিলে।

লাহে লাহে পৃথিৱীলৈ সন্ধিয়া নামি আহিল। সখীয়েক কল্পনাৰ ওচৰলৈ যোৱা জোনালীয়েও সন্ধিয়াৰ আগে আগে আহি ঘৰ সোমালহি। জোনালী দেউতাকৰ অতিপাত মৰমত ডাঙৰ হোৱা ছোৱালী। ঘৰখনৰ চৌপাশে দেউতাকৰ স্মৃতি। সকলো ঠিকেই আছে কিন্তু দেউতাক নাই। কথাটো মনত পৰিলে কেতিয়াবা তাইৰ চিএৰি চিএৰি কান্দিবলৈ মন যায়। কিন্তু তাই কান্দিব নোৱাৰে। সেয়েহে অসহায় হৈ তাই সখীয়েকৰ তালৈ গুছি যায়।

আকাশে বহুদিনৰ পৰা ভিতৰি ভিতৰি অসুখত ভুগি আছে। ঘৰত তাৰ অসুখৰ বিষয়ে জনাবলৈ সাহস কৰা নাই। তাৰ দেউতাকৰ মৃত্যুৰ দুমাহ পূৰ্ণ হ'ল। দেউতাকৰ মৃত্যুৰ দুদিন আগতে আকাশ এদিন চিকিৎসালয়লৈ গৈছিল। চিকিৎসকক আকাশে তাৰ বিভিন্ন সমস্যাৰ কথা ভাঙি-পাতি কোৱাৰ পিছত চিকিৎসকে লগে লগে দুটামান পৰীক্ষা কৰিবলৈ দিলে আৰু পিছদিনাখন ৰিপোৰ্ট ল'বলৈ ক'লে। পিছদিনাখন সি যথাসময়ত চিকিৎসকৰ ওচৰলৈ গ'ল। তাৰ ৰিপোৰ্টবোৰ চাই অলপ চিন্তিত মনেৰে চিকিৎসকে ক'লে, 'আকাশ তুমি এটা জটিল ৰোগত আক্ৰান্ত হোৱা বুলি মোৰ সন্দেহ হৈছে। চিকিৎসাৰ বাবে কিছু টকাৰ প্ৰয়োজন হ'ব। তুমি কালিলৈ তোমাৰ অভিভাৱকক লৈহে আহিবা।'

কিন্তু আকাশে তাৰ অসুখৰ কথা দেউতাকক জনাবই নাপালে। দেউতাকক ক'ম ক'ম বুলি ভাবি থাকোঁতে আহিল সেই সৰ্বনাশীয়া খবৰটো। বজাৰলৈ শাক-পাচলি বিক্ৰী কৰিবলৈ যোৱা দেউতাকক পিছফালৰ পৰা অহা এখন দ্ৰুতবেগী ট্ৰাকে মহতিয়াই নিলে। কান্দি কান্দি সংজ্ঞাহীন হৈ যোৱা মাক আৰু ভনীয়েকলৈ চাই সি মূক হৈ পৰিছিল। যন্ত্ৰৱৎভাৱে সি কামবোৰ কৰি গৈছিল।

শোক, দুখ, ব্ৰত আদিয়ে আকাশক আৰু বেছি দুৰ্বল কৰি তুলিলে। জুপুকা লাগি বহি থকা মাক আৰু ভনীয়েকলৈ সি চাব নোৱাৰে। এনে অৱস্থাত সি সিহঁতক কেনেকৈ তাৰ অসুখৰ কথা ক'ব? আৰু ক'লেই বা অসুখৰ কথা — কিদৰে মাকে তাৰ চিকিৎসা কৰিব? পৈতৃক সম্পত্তি বুলি থকা এই ভেটি মাটিখিনি বন্ধকত দি চিকিৎসা কৰা কথা সি কাহানিও ভাবিব নোৱাৰে। নাই, নালাগে এয়াই ভাল। তাৰ যি হয় হ'ব কিন্তু মাকক তাৰ অসুখৰ কথা ক'ব নোৱাৰে। দেউতাকৰ যি সাঁচতীয়া পইচা আছিল তাৰে শ্ৰাদ্ধটো কোনোমতে পাৰ কৰিছে। এতিয়া সিহঁতৰ জমাৰ ভঁৰাল তেনেই উদং। সি জানে সি কিবা এটা কৰিব লাগে। মাকেও সি কিবা কৰা বিচাৰে। কিন্তু তাৰ এই দুৰ্বল দেহা আৰু ভগ্ন মনেটোৰে কোনো কাম কৰিবলৈ সাহস গোটাব পৰা নাই।

'দাদা, তই আজিকালি কিয় এনেদৰে মন মাৰি বহি থাক? তোক এনেদৰে বহি থকা দেখিলে আমাৰ বৰ দুখ লাগে। তোৰ গা-চা ভাল নহয় নেকি?' ভনীয়েক জোনালীৰ কথাত উচপ খাই উঠে আকাশ। কি কৈছে এইজনীয়ে? সি অসুস্থ বুলি তাই বুজি পাইছে নেকি? ল'ৰালৰিকৈ সি ক'লে — 'দেউতাৰ কথা বৰ মনত পৰি থাকে অ' জোনা। দেউতাৰ অবিহনে ঘৰখন যেন মৰিশালী হৈ গ'ল।' ম্লান হাঁহি এটা মাৰিবলৈ যত্ন কৰিলে আকাশে। 'তই কালি বজাৰলৈ যাওঁতে পুলকেশ দাদা আহিছিল' — জোনালীয়ে ক'লে।



Scanned with CamScanner

'পুলকেশ আহিছিল? কিবা কৈছে নেকি তোক?'

'নাই মোক একো কোৱা নাই? তোক আজি যেনে তেনে সিহঁতৰ ঘৰলৈ যাবলৈ কৈছে।'

আবেলি আকাশ পুলকেশৰ ঘৰ পালে। পুলকেশে তাক নিজৰ কোঠালৈ নি বহুৱালে। সিহঁত দুয়ো নলে-গলে লগা বন্ধু। আকাশ আৰু সোণমণিৰ মাজৰ প্ৰেমৰ সম্পৰ্ক গাঢ় কৰাত পুলকেশে যথেষ্ট সহায় কৰিছিল। সোণমণি আৰু আকাশে যগ্ম জীৱনৰ সুন্দৰ সুন্দৰ সপোন ৰচে। পুলকেশে সেইবোৰ বাস্তৱ কৰিবলৈ ইন্ধন যোগায়। 'কিবা খবৰ আছে নেকি পুলকেশ?' আকাশে সুধিলে। পুলকেশে মুখেৰে একো নামাতি আকাশলৈ চাই থাকিল। যোৱা কেইদিনমানত আকাশে বৰকৈ ক্ষীণাইছে। মানসিকভাৱেও যেন ভাগি পৰিছে। এনে অৱস্থাত সি কেনেকৈ আকাশক সেই নিষ্ঠুৰ কথাটো কয়? যি সোণমণিৰ বাবে আকাশে সকলো ত্যাগ কৰিবলৈ সাজু সেইজনী সোণমণিৰ এতিয়া বিয়া ঠিক হৈছে। দুখৰ অথাই সাগৰত ডুব গৈ থকা আকাশে জানো ইমান ডাঙৰ আঘাত সহ্য কৰিব পাৰিব? নাই, তাতকৈ সোণমণিয়ে দিয়া চিঠিখনিকে তাক দিয়া হওক। তাৰ পিছত যি হয় হ'ব! পুলকেশে পকেটৰ পৰা সোণমণিয়ে দিয়া চিঠিখন উলিয়াই আকাশক দিলে। ভয় ভয়কৈ কঁপা কঁপা হাতেৰে চিঠিখন মেলি সি পঢ়িবলৈ ধৰিলে —

মৰমৰ আকাশ,

হিয়াভৰা মৰম ল'বা। যোৱা দুমাহে তুমি এবাৰৰ বাবেও মোৰ কোনো খবৰ লোৱা নাই। হয়তো মোৰ কথা তুমি পাহৰিয়েই গ'লা। তুমি পাহৰিলেও তোমাৰ সোণমণিয়ে তোমাক কাহানিও নাপাহৰে আকাশ। পুলকেশ দাৰ পৰা তোমাৰ সকলো খবৰ গম পাই আছোঁ। আকাশ, মা-দেউতাই মোৰ বিয়া পাতিছে। কিন্তু এই বিয়াত মই কেতিয়াও বহিব নোৱাৰো। তুমি অবিহনে মই জীয়াই থাকিব নোৱাৰোঁ। তুমি সোনকালে কিবা এটা কৰা ....। পুনৰ মৰম আৰু উত্তৰৰ অপেক্ষাত —

তোমাৰেই 'সোণমণি'

চিঠিখন পঢ়ি ব্ৰজপাত পৰা মানুহৰ দৰে স্থিৰ হৈ ৰ'ল আকাশ। গোটেই পৃথিৱীখন যেন তাৰ চাৰিওফালে ঘূৰিছে — এনে লাগিল তাৰ। দুচকুৰে ধাৰাসাৰে চকুলো বৰলৈ ধৰিলে। কিন্তু অলপ পিছতে আকাশে নিজকে সংযত কৰি ল'লে। মনতে ভাবিলে ভগৱানে এয়া ঠিকেই কৰিছে। তাৰ কাৰণে সোণমণিৰ জীৱন কেতিয়াও ধ্বংস হ'ব নোৱাৰে। সি অইনক নহ'লেও সোণমণিক তাৰ অসুখৰ কথা জনাবই লাগিব। সোণমণিক মাক-দেউতাকে পচন্দ কৰা ল'ৰাটোৰ লগত বিয়াত বহিবলৈ মান্তি কৰাবই লাগিব।

'পুলকেশ তই সোণমণিক কবি তাই যেন কাইলৈ পদুমপুখুৰীৰ পাৰলৈ আহে। মই তাইৰ বাবে তাতেই ৰৈ থাকিম।' আকাশে ক'লে।

ক্লান্ত, অবসন্ন আকাশে লাহে লাহে ঘৰলৈ খোজ ল'লে। দেউতাকৰ মৃত্যুৰ শোক, জোনালীক বিয়া দিয়াৰ চিন্তা, বেমাৰৰ চিন্তা আদিয়ে আকাশক খুলি খুলি খাইছিল। আজি এইবোৰৰ লগত আৰু এটা দুখ যোগ হ'ল।

পিছদিনাখন আবেলি পদুমপুখুৰীৰ পাৰত থকা নাহৰ জোপাত শৰীৰৰ সমস্ত ভৰ দি আকাশে সোণমণিলৈ ৰৈ থাকিল। নানা ধৰণৰ চিন্তাই ভাৰাক্ৰান্ত কৰি তোলা আকাশ আৰু সেই আগৰ ৰঙীয়াল আকাশ নহয়। আকাশক লগ পায়েই সোণমণিয়ে হুক্‌হুকাই কান্দিবলৈ ধৰিলে। কি হৈছে আকাশৰ। ইমান নিস্তেজ, ইমান নিষ্প্ৰাণ! আকাশে থিয় হৈ থাকিব পৰা নাই। সি ক্ষীণ স্বৰেৰে ক'লে 'সোণমণি মোক অলপ বহাই দিয়া।' সোণমণিয়ে আলফুলে তাক বহাই দিলে আৰু তাৰ মূৰটো তাইৰ কোলাত লৈ চুলিৰ মাজেৰে লাহে লাহে আঙুলি বুলাই দিবলৈ ধৰিলে। বৰ কষ্টেৰে আকাশে ক'বলৈ ধৰিলে — 'সোণমণি পাৰিলে তুমি মোক ক্ষমা কৰিবা। মোৰ বাবে তুমি তোমাৰ এই সুন্দৰ ভৱিষ্যতটো কেতিয়াও নষ্ট নকৰিবা। মইও তোমাক বৰ ভাল পাওঁ সোণমণি, কিন্তু এই জীৱনত মই কেতিয়াও তোমাক পাব নোৱাৰো। আমি বিচাৰিলেও ভগৱানে আমাৰ মিলন নিবিচাৰে। মই আৰু জীয়াই নাথাকো সোণ, মোৰ ডাঙৰ অসুখ হৈছে। দেউতাৰ মৃত্যু, টকা-পইচাৰ অভাৱ আদিৰ বাবে মই কেতিয়াও কাকো মোৰ অসুখৰ কথা ক'ব নোৱাৰিলোঁ। তুমি মা-দেউতাই পচন্দ কৰা ল'ৰাজনৰ লগতে বিয়াত বহিবা। প্লিজ, মোক কথা দিয়া — সোণমণি, প্লিজ......' চকুদুটা মুদ খাই গৈছে আকাশৰ। সোণমণিৰ উত্তৰ শুনি যোৱালৈ সি যেন অপেক্ষা কৰিব নোৱাৰে। তাৰ দুহাতৰ মাজত সোণমণিৰ দুহাত বন্দী কৰি লৈ থৰ লাগি ৰ'ল। হতভম্ব হৈ পৰা সোণমণিয়ে হিয়া ঢাকুৰী কান্দিবলৈ ধৰিলে।।



Scanned with CamScanner

গল্প

# প্ৰত্যাৱৰ্তন

আনজু আহমে
স্নাতক প্ৰথম ব

অণিমাৰ কিয় জানো আজি ভাল লগা নাই। তাই জানে যে আজিয়েই তাইৰ জীৱনৰ এটি স্মৃতিপূৰ্ণ দিন। এবা হয়, আজিয়েই তাই বিদায় ল'ব এই হ্ৰুৱল হাউচৰ পৰা। কেৱল হ্ৰুৱল হাউচৰ পৰাই নহয়, এই গোটেই ঠাইখনকে এৰি যাব লাগিব তাই। জ্যোতি, পল, অনুপ, ৰীতা, মিনু, স্বপ্না, বীণা, পাপৰি আৰু চন্দনাহঁতক ....। এইবোৰ ভাবি ভাবি কেতিয়ানো সাত বাজিল তাই ক'বই নোৱাৰিলে। তাই বেডিং, বাকচ, কাপোৰ-কানি ঠিক কৰাত লাগিল। ইফালে সময় মাথোঁ এঘণ্টাহে বাকী। তাই খৰধৰ লগাই দিলে। বেচেৰী কোনোমতে ভাত কেইটা খাই ওলাই মানে ঘড়ীত আঠ বজাৰ সংকেত দিলে। তাই খৰধৰ কৈ বেডিং বেগবোৰ লৈ জ্যোতি, ৰীতা, পলহঁতৰ লগত আগবাঢ়িল। 'ছেহ্ আঠ বজাৰ বাছখনত যাব পৰা হ'লে ভাল আছিল, তাকো মিচ্ কৰিলোঁ, আজিৰ যাত্ৰাই শুভ নহ'ব যেন পাইছোঁ।' — ক'লে অনিমাই।

'তেনেকৈ কিয় কৈছা অনি, আৰুচোন বহুত বাছেই আছে' — স্বপ্নাই মাত লগালে।

'ন-বজাৰ বাছখন আহি আছে, সেইখনতে যাব পাৰিবা নেকি?' বুলি কৈ অনুপে অনিমাৰ ফালে চালে। অনিমাই 'ও' বুলি শলাগিলে।

অলপ পিছতে ন বজাৰ বাছখন আহিল। অনিমাই সিহঁতৰ পৰা বিদায় লৈ বাছত উঠিল। খিৰিকীৰ কাষৰ চিটটোত অনিমাক বহুৱাই দি সিহঁত গাড়ীৰ পৰা নামি গ'ল। সিহঁতে হাত জোকাৰি জোকাৰি অনিমাক বিদায় জনাই ক'লে — মনত ৰাখিবা, ফোন কৰিবা, পাহৰি নাযাবা, বিয়ালৈ মাতিবা --- ইত্যাদি, ইত্যাদি। কিন্তু তাই একো ক'ব পৰা নাছিল। তাই মাথোঁ কান্দিছিল। কান্দিছিল ৰীতা, স্বপ্নাহঁতেও। বাছখন যাবলৈ মাত্ৰ কেই ছেকেণ্ডমানহে বাকী আছিল। কিন্তু হঠাৎ ৰ'দত ঘামি-জামি তাত উপস্থিত হ'ল অনিৰ্বাণ।

'কি হ'ল? অনি ক'ত?' — সুধিলে অনিৰ্বাণে।

'বাছত উঠিছে' — স্বপ্নাই ক'লে।

সি জাপ মৰাদি বাছত উঠিল আৰু অনিমাৰ কাষত গৈ তাইক এক মুহূৰ্তৰ বাবে চালে। অনিমা চমকি উঠিল, অনিৰ্বাণৰ দুচকু চকুলোৰে ভৰি পৰিছে। অনিৰ্বাণে ক'লে — 'অনি, তুমি মোক ক্ষমা কৰি দিবা। বেয়া নাপাবা, বিয়ালৈ মাতিবা, দুৰ্ভগীয়া অনিৰ্বাণটোক পাহৰি নাযাবা।'

অনিমাই ক'লে — 'তোমাৰ লগত বহু কথাই আছি[...] কোৱাই নহ'ল।'

'এয়া লোৱা। "Happy Birthday to you" পৰ্[...] গ'লা নেকি আজি তোমাৰ জন্মদিন বুলি! এটা সৰু উপহা[...] দিলোঁ বেয়া নাপাবা।' এই বুলি কৈয়েই সি এটা সৰু পেক[...] তাইৰ হাতত দিলে আৰু চকুপানীখিনি মচি বাছৰ পৰা না[...] গ'ল।

যথা সময়ত বাছখন চলিবলৈ আৰম্ভ কৰিলে। [...] খিৰিকীৰে চালে ৰীতা, জ্যোতিহঁতে চলচলীয়া চকুৰে তাই[...] হাত জোকাৰি জোকাৰি বিদায় জনাই আছে আৰু অনিৰ্বা[...] বহুদূৰলৈ আঁতৰি গৈছে। তাই এটা হুমুনিয়াহ এৰিলে। তাই[...] এনেকুৱা লাগিল যেন তাই এই হুমুনিয়াহটোৰ জৰিয়তে চিৰ[...] আটাইবোৰ স্মৃতি হেৰুৱাই পেলাব। নাই, সেয়া কেতিয়া[...] হ'বই নোৱাৰে। তাই মনত পেলাবলৈ ধৰিলে এটা এটা দি[...] এটা এটা স্মৃতি।

সুদূৰ গুৱাহাটী এৰি আহিছিল অনিমা শৰ্মাই ডিব্ৰ[...] ইউনিভাৰ্চিটিত পঢ়িবলৈ। যেন সিদিনাহে তাই বেডিং বাকচ[...] দেউতাকৰ সৈতে আহিছিল! আহিয়েই তাই লগ পাইছিল হ্ৰু[...] হাউচৰ বাকীবোৰ সদস্যক আৰু ৰীতা, বীণা, মিনুহঁতক। মা[...] কেইদিনৰ ভিতৰতে সিহঁতৰ মাজত এটা আত্মীয় ভাৱ গঢ়ি[...] উঠিছিল। কলেজত গৈ দেখা হৈছিল সিহঁতৰ ডিপাৰ্টমেণ্টৰ[...] জ্যোতি, পল, অনুপ আৰু অনিৰ্বাণহঁতৰ লগত।

জুবিন গাৰ্গৰ সুৰেৰে গীত গোৱা অনিৰ্বাণ ডিব্[...] জনপ্ৰিয় আছিল কলেজত। সি প্ৰথমৰ পৰাই তাইক দেখি[...] মুখ ভেঙুচুৱাইছিল। কৃত্ৰিম হাঁহি এটা মাৰিছিল। কিছুমান কথা[...] সি তাইক বৰ বেয়াকৈ পৰাজিত কৰিছিল। তাই কি[...] সেইবোৰত সিমান গুৰুত্ব দিয়া নাছিল। মাথোঁ ইজনে-সিজন[...] দেখা পালে, হাই-হেল্ল' আদিৰ টাৰ্মচতে সীমাবদ্ধ ৰাখিছি[...]

এদিন আটাইবোৰ কেণ্টিনত বহি আড্ডা মাৰোঁ[...] পলে কৈছিল — 'নিৰ্বাণ চাহ খুওৱালা'। সি কৈছিল 'সবকে[...] খুৱাম কিন্তু...... অনিমাক নহয়'। আৰু সি সঁচাকৈয়ে তাইৰ [...] বাদে সবৰে কাৰণে চাহৰ অৰ্ডাৰ দিছিল। তাই মাথোঁ 'তোমা[...] চাহ নাখাওঁ যোৱা' বুলি খং কৰি গুচি আহিছিল। পিছত মিনু[...]

কৈছিল 'এই নিৰ্বাণটোৱে আৰু তোমাৰ লগত লাগিয়েই থাকে। সেইজন নিৰ্বাণে আজি তাইৰ বিদায়ৰ সময়ত কান্দিছে। মিছা কথা। শিলো কেতিয়াবা গলিব পাৰে নেকি? নাই, নাই নোৱাৰে। তাই ভাবিলে এয়া তাইৰ প্ৰতি নিৰ্বাণৰ দুৰ্বলতা নহয়তো?

চকুপানীখিনি মচি তাই পোনহৈ বহি ল'লে। তেতিয়াহে তাইৰ মনত পৰিল অনিৰ্বাণে দিয়া পেকেটটোৰ কথা। তাই যথেষ্ট আগ্ৰহী হৈ পৰিল। কি বাৰু থাকিব পাৰে তাত? হয়তোবা কোনো দামী ঘড়ী নহ'লেবা ..। তাই পেকেটটো লাহে লাহে খুলিলে। কিন্তু এয়া কি? এয়া যে কল্পনাৰো অতীত এয়া আকৌ কেনে উপহাৰ? নে এয়া কোনো অগ্নি পৰীক্ষা? পেকেটৰ ভিতৰত এটা চিঠিৰ খাম। ওপৰত লিখা আছে "Please open with smile" তাই কঁপা কঁপা হাতেৰে চিঠিখনৰ জাপ খুলি ল'লে।

মৰমৰ অনিমা,

মৰম লবা। এজনে যেতিয়া আনৰ সুখ-দুখৰ চুবুৰীত মনৰ ভাব প্ৰকাশ কৰি তেতিয়াই হয়তো এখন চিঠিৰ জন্ম হয়। চিঠিত সংগোপনে যি লুকাই থাকে সেয়াই আত্ম সন্তুষ্টি। আত্ম সন্তুষ্টিৰ বাবেই তোমালৈ চমু উপন্যাস লিখিব লগা হ'ল।

প্ৰথমতে, এটা ভাঙৰ ছ'ৰি, হাজাৰ বাৰ ক'লেও মই মানি নলওঁ তুমি মোক বেয়া পোৱা নাই বুলি। কিন্তু জানা অনি, মই এটা বিৰাট বেয়া ল'ৰা। তোমাক দেখিলেই মই সম্পূৰ্ণ সলনি হৈ যাওঁ অন্য এক অনিৰ্বাণলৈ।

যিদিনা কলেজত মই তোমাক প্ৰথম দেখিছিলোঁ, মই চমকি উঠিছিলোঁ। এয়া মই কি দেখিছো সপোন নে বাস্তৱ। এৰা ঠিকেই, জ্যোতিয়ে ঠিকেই কৈছে তুমি দেখাত সাইলাখ আমিনাৰ দৰে।

এৰা আমিনা নামটো শুনি তুমি ভয় খালা নেকি? মোৰ বিষয়ে কিছু কথা ক'ম তোমাক শুনিবানে?

জানা অনিমা, মই ভাল পাইছিলোঁ আমিনা নামৰ এজনী মুছলমান ছোৱালীক। তায়ো ভাল পাইছিল মোক। অকণো কৃত্ৰিমতা নাছিল আমাৰ প্ৰেমত। মই তেতিয়া ডিব্ৰুগড়ত আছিলোঁ। ক্লাছ ফ'ৰৰ পৰাই মই তাইক ভাল পাইছিলোঁ। একেখন স্কুলতে পঢ়িছিলো আমি। আমাৰ ভালপোৱাই এটা সময়ত পূৰ্ণ ৰূপ লৈছিল কোনেও গম নোপোৱাকৈ। মই যেতিয়া ছিলঙলৈ পঢ়িবলৈ আহিছিলোঁ তেতিয়া তাই মোৰ বুকুত মূৰ থৈ কৈছিল —'নিৰ্বাণদা মই তোমাক খুউব ভালপাওঁ। কলেজত গৈ যাতে মোক পাহৰি নোযোৱা। তুমিতো জানাই তোমাৰ আৰু মোৰ মাজত এখন ডাঙৰ প্ৰাচীৰ আছে। মোক ভুল বুজি মোৰ পৰা আঁতৰি নাযাবা।' মই মাথোঁ কৈছিলোঁ "তুমি মাত্ৰ ঠিকে থাকিবা চাবা কেনেকৈ সেই প্ৰাচীৰ ভাঙি যাব পাৰোঁ I Love You"। তাই খুউব কান্দিছিল মোৰ বিদায়ৰ ক্ষণত। কিন্তু কি আচৰিত জানা অনি, মই সপোনতো ভবা নাছিলোঁ যে সেয়াই আমাৰ শেষ দেখা। মই ইয়ালৈ অহাৰ কিছুদিন পিছত মাৰ পৰা এখন চিঠি পাইছিলোঁ আৰু সেই চিঠিখনে কঢ়িয়াই আনিছিল এক মৰ্মান্তিক খবৰ আমিনাই নদীত জাপ দি .....। কাৰণ তাইৰ লগত মোৰ সম্পৰ্কৰ কথাটো সিহঁতৰ ঘৰৰ সকলোৱে গম পাইছিল। আৰু তাৰেই ফলস্বৰূপে আমাৰ মাজত বাধাৰ প্ৰাচীৰ হৈ থিয় দিছিল তাইৰ দেউতাক। তাইৰ বিয়া ঠিক কৰিছিল গাওঁৰে কোনোবা এজন ল'ৰাৰ লগত। মোৰ অনুপস্থিতিত তাই একো সিদ্ধান্ত ল'ব পৰা নাছিল। আৰু অৱশেষত তাই নদীত জাপ মাৰি আত্মহত্যাৰ বাহিৰে ......

জানা অনি, পৃথিৱীৰ পৰা হেৰাই গৈছিল মিনা। মই কিন্তু তাইক পাহৰিব পৰা নাছিলোঁ। বিশ্ববিদ্যালয়লৈ আহিও তাইৰ ফটোবোৰ দেখুৱাইছিলোঁ, জ্যোতি, পলহঁতক। কিন্তু যিদিনা তোমাক প্ৰথম দেখিছিলোঁ মোৰ ভাব হৈছিল যেন মই মোৰ মিনাক পুনৰ ঘূৰাই পাইছোঁ। কিন্তু মই যেতিয়া শুনিছিলোঁ তোমাৰ কোনোবা ডাক্তৰ এজনৰ লগত বিয়া ঠিক হৈছে আৰু পঢ়া শেষ হলেই তোমাৰ বিয়া, তেতিয়া মোৰ মনটো অভিমানী হৈ উঠিছিল। আৰু তোমাক প্ৰত্যেক ক্ষেত্ৰতে মিনা বুলি ভাবি তেনে ব্যৱহাৰ কৰিছিলোঁ। পাৰিলে মোক মা .. ফ.. ক.. ৰি.. বা। আজি মই দ্বিতীয় বাৰৰ বাবে মিনাক হেৰুৱালোঁ। ভাবিছিলোঁ, মিনাৰ কথা কৈ চাওঁ নেকি তোমাক। কিন্তু কি হ'ব কৈ, তোমাৰতো বিয়া ঠিক হৈয়েই আছে।

"If some day you want to comeback to my life onece again you will most welcome. I wait for you forever." "I Love You"

মৰমেৰে
"অনিৰ্বাণ"

গাড়ীখনে ছিলঙৰ পাইন গছৰ মাজে মাজে আগবাঢ়িছে। তাই কি কৰিব একো ভাবি পোৱা নাই। তাই চিঠিখন জপাই থৈ চকু দুটা মুদি দি ভবিলে — তাই তাইৰ কোমল হৃদয়ৰ সমস্ত উমেৰে অনিৰ্বাণক ভাল পাব। অনিৰ্বাণ কেতিয়াও দুৰ্ভগীয়া নহয়। তাই তাক নিজৰ কৰি ল'ব। তাই দেখিলে হোমৰ শুৱিত দৰাৰ সাজেৰে নিৰ্বাণ আৰু কইনাৰ সাজেৰে তাই .....। হাঁহি উঠিল তাইৰ। সাৰ পাই তাই পোন হৈবহি ল'লে। তাইৰ হৃদয়ত এতিয়া ভালপোৱাৰ বৰ্ণিল বহাগ।



Scanned with CamScanner



# সপোনৰ শেষত

অজন্তা কলিতা
দ্বাদশ শ্ৰেণী

প্ৰতিজন ব্যক্তিৰে জীৱনৰ একো একোটা নিজস্ব সপোন থাকে। হয়তো কাৰোবাৰ সেই সপোনে বাস্তৱৰ সুকভাৱে ওলাই আহিবলৈ সুবিধা পায়, আৰু হয়তো কাৰোবাৰ সপোনবোৰে সপোন নামৰ ৰাজাখনৰ চাৰিসীমাৰ পৰা ওলাবলৈ পোৱাৰ আগতেই দিঠকৰ দুৱাৰখনি বন্ধ হৈ যায়।

মাইনুৰো ঠিক তেনেকুৱাই হৈছিল। জীৱনৰ সুখ-দুখ, আৱেগ-অনুভূতিবোৰ ভালদৰে উপলব্ধি কৰিব নজনাকৈয়ে তাই কিছুমান সপোন দেখিছিল। কিন্তু তাই নাজানিছিল — তাইৰ সপোনবোৰ দিঠকত ৰূপায়িত হ'ব নে নহয়?

তেতিয়া মাইনুৰ বয়স প্ৰায় সোতৰ বছৰ। মেট্ৰিকৰ দেওনাখন পাৰ হৈ কলেজৰ দুৱাৰ দলিত প্ৰথম খোজ পেলাইছিল তাই। এদিন-দুদিন কৈ প্ৰায় এমাহ মানেই হৈছিল, তাই কলেজলৈ অহা-যোৱা কৰা। লাহে লাহে দুই এজন নতুন বন্ধু-বান্ধৱীৰ সৈতে পৰিচয়ো নোহোৱাকৈ নাথাকিল। ঠিক তেনেকুৱা সময়তেই আকস্মিক অথচ নভবা ধৰণে তাইৰ জীৱনলৈ আহিছিল জিৎ নামৰ ল'ৰাজন। দেখাই-শুনাই ল'ৰাজন আছিল অমায়িক স্বভাৱৰ। কথাও সিমান বেছিকৈ নকয়। লগা কথাৰ বাহিৰে এটা শব্দও বেছিকৈ নোকোৱা বাবেই তাইৰ তাক খুব ভাল লাগিছিল। কিন্তু ...... সেই ভাল লগাখিনিৰ আঁৰে আঁৰে আৰু এবিধ ভাললগা দেখোন নিহিত হৈ গৈছে। যিখিনি ভাল লগাৰ সম্পূৰ্ণ বিৱৰণ দিবলৈ তাই অপাৰগ। আৰু জিৎ....... ? তাৰো সেই একেই অৱস্থা। প্ৰথম দেখাৰ পৰাই কিয় জানো মাইনুক তাৰ খুব ভাল লাগিছিল। দুয়োৰে এই ভাল লগাই ক্ৰমে প্ৰেমলৈ ৰূপান্তৰিত হৈছিল। সুখ-দুখ, হাঁহি-স্ফূৰ্তি, খং অভিমান এইবোৰৰ মাজেৰেই সিহঁতৰ প্ৰেম আগবাঢ়িছিল, লাহে লাহে ......... ।

কিন্তু মাইনুৰ মাজে মাজে বৰ ভয় হৈছিল। কাৰণ জিৎ আছিল ধনী মানুহৰ ঘৰৰ ল'ৰা আৰু তাই আছিল দুখীয়া



Scanned with CamScanner

পৰিয়ালৰ ছোৱালী। তাইৰ মনত পৰিছিল ........ বহুদিন আগতে কোনোবাই তাইক কৈছিল ধনী মানুহে প্ৰেমক টকা-পইচাৰ লগত তুলনা কৰে বুলি। সেয়েহে তাইৰ খুব ভয় লাগিছিল , তাইৰো যদি একেই অৱস্থা হয়। সেয়েহে তাই সময় থাকোঁতেই জিতক তাইৰ নিচিনা এজনী সাধাৰণ ছোৱালীৰ জীৱনৰ পৰা আঁতৰি যাবলৈ কৈছিল। কিন্তু তাই বাৰে বাৰে বিফল হৈছিল .... জিতৰ যুক্তিৰ লগত।

এনেকৈয়ে পাঁচোটি বসন্ত পাৰ হৈ গৈছিল, সিহঁতৰ প্ৰেমৰ। আৰু এদিন দুয়োখন ঘৰৰ সন্মতিতেই সিহঁতৰ বিয়াৰ দিন-বাৰ ঠিক হৈ গ'ল। অতি সহজেই যেন হৈ গৈছিল কামবোৰ। প্ৰথমতে জিতহঁতৰ ঘৰত কথাষাৰ সহজভাৱে ল'ব পৰা নাছিল। কিন্তু পিছলৈ যেতিয়া সিহঁতৰ এৰাব নোৱাৰা প্ৰেমৰ কথা গম পাইছিল, তেতিয়া সকলোৱে কথাষাৰ মানি লৈছিল।

পহিলা বহাগ — বছৰৰ প্ৰথম দিন। এই দিনটোতে সিহঁতৰ যুগ্ম জীৱনৰ আৰম্ভণি হ'ব। কেতিয়া যে আহিব সিহঁতৰ এই মিলনৰ সু-মধুৰ ক্ষণ। ভাবি ভাবি গাত তত নোহোৱা হৈছিল মাইনুৰ। চাওঁতে চাওঁতে আহি পাইছিল সিহঁতৰ জীৱনৰ আটাইতকৈ স্মৰণীয় দিনটো।

সিদিনাখন ৰাতিপুৱাৰ পৰাই বিয়াঘৰত উদুলি-মুদুলি। অহা-আহিছে, যোৱা গৈছে, মুঠতে সকলোৱে নিজক লৈয়ে ব্যস্ত। কইনাৰ সাজত সঁচাকৈয়ে বৰ ধুনীয়া লাগিছিল মাইনুক। বেলিৰ দৰে গোলাকাৰ মুখখনিত ধেনুৰ দৰে ভাজখোৱা চেলাউৰি দুয়োকোচাৰ মাজত জোনৰ দৰে সেন্দুৰৰ ৰঙা ফোঁট, চকুৰ বেঁকা চাৱনি আৰু ওঁঠৰ মিচিকিয়া হাঁহিৰে সকলোৰে অন্তৰ জয় কৰিব পৰা মাইনুক সিদিনাখন কোনোবা সৰগৰ পৰী যেন লাগিছিল। মাজে মাজে নিজকে দাপোনত চাই তাই থমকি ৰৈছিল। তাই বাৰু সঁচাকৈয়ে ইমান ধুনীয়ানে?

ইমান বছৰৰ অপেক্ষাৰ অন্তত নিজৰ মনৰ মানুহজনক পোৱাৰ আনন্দৰ মাজেৰে এক অজান আবেগত মাইনুৰ বুকুৰ কোনোবাখিনি মাজে মাজে বিষাই উঠিছিল। পাৰিবনে তাই এখন নতুন ঘৰৰ সম্পূৰ্ণ নতুন পৰিস্থিতিৰ লগত মিলিবলৈ? পাৰিব, হয়তো দুদিন পলম হ'ব। তাই ভগবানৰ ওচৰত আশীৰ্বাদ বিচাৰিছিল, যাতে তাইৰ মন সদায় পবিত্ৰ হৈ থাকে। তাই প্ৰতিজ্ঞা কৰিছিল — তাইৰ কোনো কথাই যাতে জিতহঁতৰ পৰিয়ালৰ কোনো সদস্যৰ অন্তৰত আঘাত নিদিয়ে, তাৰ প্ৰতি তাই সদায়ে লক্ষ্য ৰাখিব।



ৰাতি গভীৰ হৈ আহিছিল। হঠাতে এখন গাড়ী আহি মাইনুহঁতৰ পদুলি মুখত ৰৈ গৈছিল। অলপ সময় পিছতে আৰু এখন, এনেকৈ দুই-তিনিখন গাড়ী আহি মাইনুহঁতৰ পদুলি মুখত ৰৈ গৈছিল। মাইনুৰ বান্ধৱী এজনীয়ে দৌৰি আহি কাণে কাণে কৈছিল — জোঁৱাই আহি পালেই, সাজু হ যাবলৈ। মাইনুৰ বুকুখন কঁপি উঠিছিল।

অলপ সময় পিছত কোনোবা এজন ঘৰৰ ভিতৰলৈ সোমাই আহি মাইনুক দাঙি কোলাত তুলি লৈ গৈছিল ৰভাতলীৰ তললৈ। জিতৰ একেবাৰে কাষতে বহুৱাই দিছিল তাইক। ইমান দিনে মনে বিচৰা মানুহজন আজি তাইৰ নিচেই ওচৰত। তথাপিও যেন তাই মূৰ তুলি চাব পৰা নাছিল জিতৰ দুচকুলৈ। কিবা এক নজনা লাজ-ভয়ে আগুৰি আছিল তাইৰ মন। ব্ৰাহ্মণে কিবা-কিবি মন্ত্ৰ মাতি দুয়োৰে হাত দুখন মিলাই দিছিল। আলফুলে ধৰি ৰাখিছিল জিতে তাইৰ হাতখন।

এয়া কি? জিতে দেখোন লাহে লাহে তাইৰ হাতখন তাৰ গাৰ পিনে টানি আছে। মাইনুৰ ভয় লাগিছিল, কোনোবাই দেখিলে কি ভাবিব বাৰু? মাইনুই হাতখনত খুব দুখ পাইছিল। থাকিব নোৱাৰা হৈ অৱশেষত তাই কৈয়েই পেলালে — আস্...... ৰবানা, ইমান জোৰকৈ কিয় টানিছা? খুব দুখ পাইছোঁ, প্লিজ এৰি দিয়ানা।

— জোৰে নাটানিম তেতিয়াৰে পৰা ইমানকৈ মাতি আছো। ইমান টোপোনিনে? সাত বাজিলেই, ন বজাত ক্লাছ আছে। মুখ-হাত ধুই যাবৰে হ'ব এতিয়া। পঢ়িবি কেতিয়া? — স্পষ্টকৈ কাণত আহি সোমাইছিল কথাকেইষাৰ — ধহমহকৈ সাৰ পাই গৈছিল মাইনু। আৰে এয়া দেখোন মাকে তাইক এখন হাতত ধৰি টানি আছে। খুব লাজ লাগি গৈছিল তাইৰ। তাৰমানে তাই এইবোৰ সপোনহে দেখি আছিলনে? ইস ৰাম — হয়তো সাত বাজিলেই। অলপ সময় পিচতে কলেজলৈ যাবৰে হ'ব। এৰা .... আজিনো তাই বাৰু ইমান দীঘলীয়া সপোন দেখিব লাগেনে?

# কুঁহিপাত কুমলীয়া .......



মফিজুল হাছান
*দ্বাদশ শ্ৰেণী (বিজ্ঞান)*

তাৰ নাম স্নেহাংক, মানে স্নেহাংক বৰুৱা। ঘৰত সকলোৱে মৰমতে 'ৰন্টু' বুলিয়েই মাতে। যোৱা দুদিন ধৰি তাৰ জ্বৰ। বিচনাত পৰি আছে। পিছে যোৱা দুদিনে মাক-দেউতাক, খুৰাক-পেহীয়েক কোনেও ডাক্তৰে লিখি দিয়া ঔষধৰ এচামুচো খুৱাব পৰা নাই। মাকহঁতে প্ৰথমতে মৰমেৰে, পিছত দাবি ধমকি দিও তাক ঔষধ খুৱাবলৈ চেষ্টা কৰিলে। কিন্তু সি কোনোমতে ডাক্তৰে দিয়া ঔষধ মুখত দিবলৈ সৈমান নহ'ল। ৰন্টুৰ মতে এই এলোপেথিক ঔষধৰ বিষবোৰ দেহত সুমুৱাই লৈ দেহাটো ঘূৰ্ণীয়া কৰাটো মূৰ্খামিৰ বাহিৰে অন্য একো নহয়। তাক "কনকোৰৰ" বুলি জোকাই হাবশাত্তি কৰা দীপু খুৰাকৰ কথা ভাবিও সি আচৰিত হয়। সি ভাবে দীপু খুৰা নিজে এজন বিজ্ঞানৰ ছাত্ৰ হৈও বিজ্ঞানৰ ভয়াবহ দিশটোৰ কথা ভাবি নাচায় কিয়?

স্নেহাংকৰ ভাবনাত যতি পেলাই দুটা কল আৰু গাখীৰ এগিলাছ লৈ তাৰ মৰমৰ পেহীয়েক জোনা সোমাই আহিল। এই জোনা পেহীয়েকেই এগৰাকী মানুহ যিয়ে তাৰ সকলোবোৰ কথা গুৰুত্ব দি শুনে। সি অতি কৰুণভাবে পেহীয়েকলৈ চাই সুধিলে, 'জোনা পেহী, মোৰ কথাবোৰ মাহঁতে কিয় হাঁহি উৰুৱাই দিয়ে? মইতো একো মিছা কথা কোৱা নাই......' পিছলৈ তাৰ মাতটো খোকাখুকি হৈ পৰিল। জোনাই তাৰ মুৰত আলফুলে হাত বুলাই ক'লে — 'ছিঃ অকঁনাটো। এনেদৰে সৰু ল'ৰাৰ দৰে দুখ কৰে নেকি? মাহঁতে তোমাৰ অসুখ সোনকালে ভাল হোৱাটো বিচাৰে। সেয়েহে তোমাক ঔষধ খুৱাবলৈ জোৰ কৰিছে। তোমাক তেওঁলোকে খুব মৰম কৰে বাবেহে তুমি অসুখত কষ্ট পোৱাটো সহ্য কৰিব পৰা নাই।'

'মাহঁতে যদি মোক ইমানেই মৰম কৰে তেন্তে সেই বিষবোৰ খাবলৈ ইমান জোৰ কৰে কিয়?" স্নেহাংকই সুধিলে 'ঔষধক বিষ বুলি ক'ব নাপায় নহয়" — তাৰ কথাত

বাধা দি জোনাই ক'লে।

জোনাৰ কথা শুনি ৰুবুয়ে এজন বিজ্ঞলোকৰ দৰে ক'বলৈ ধৰিলে — 'অকল মঁয়েই নহয় বুজিছা আমাৰ পৃথিৱীৰ সকলো মানুহেই অকঁৰা। আমাৰ অধিকাংশ মানুহেই নিজৰ ভ্ৰুৰিকেমটো সুন্দৰকৈ সজাই-পৰাই তুলিবলৈ যিমানখিনি কষ্ট কৰে, আমাৰ শৰীৰটো নিৰোগী, সুন্দৰ আৰু সতেজ কৰি তুলিবলৈ তাৰ আধাও নকৰে।'

তেৰ বছৰীয়া ল'ৰা এটাইও যে এনেকৈ ভাবিব পাৰে জোনাই কল্পনাই কৰিব পৰা নাছিল। ৰুবুয়ে পুনৰ আৰম্ভ কৰিলে 'পেহী ডাক্তৰ লিগু' নামৰ ডাক্তৰজনে এই এলোপেথিক ঔষধবোৰৰ বিষয়ে কি কৈছিল জানা? তেওঁ কৈছিল মানুহে চুক্তি পোৱা আটাইবোৰ বিষ হেনো এই এলোপেথিক ঔষধবোৰৰ মাজতে আছে। ঔষধৰ যোগেদি এই বিষবোৰ আমাৰ শৰীৰত সোমাই পৰি শৰীৰতেই বাহ লয়। এই বিষবোৰৰ ধ্বংসক্ৰিয়াৰ পৰিণাম স্বৰূপে শৰীৰত দীৰ্ঘস্থায়ী ৰোগ ব্যাধিয়ে দেখা দিয়ে। ব্ৰিটিছ মেডিকেল এচোছিয়েছনৰ সভাপতি ছাৰ জেমছ বেই আকৌ আমাৰ ৰোগ চিকিৎসা প্ৰণালীক বিজ্ঞানসম্মত নহয় বুলি কৈ ইয়াক এটা লাভজনক ব্যৱসায় বুলিহে আখ্যা দিছিল। ডাঃ জে. এন. হাৰ্টিৰ মতে পৃথিৱীত আজিলৈকে এনেকুৱা ঔষধ এটাও আৱিস্কৃত হোৱা নাই, যাৰ মাজত শৰীৰৰ পক্ষে ক্ষতিকৰ কিবা উপাদান নাই। তাতকৈও মনোগ্ৰাহী মন্তব্য দিয়া ডাঃ ডেমছ জনচনৰ মতে এই ধৰা বুকুৰ পৰা যদি সকলো সাধাৰণ চিকিৎসক, শল্য চিকিৎসক, ঔষধ প্ৰস্তুতকাৰক, ঔষধ বিক্ৰেতা আৰু সকলো ধৰণৰ নৰৰ-পাতি বিলুপ্ত হ'লহেঁতেন তেনেহ'লে ৰোগ-বেমাৰ আৰু মৃত্যুৰ সংখ্যা বৰ্তমানৰ তুলনাত বহুগুণে কমি গ'লহেঁতেন।

তাৰ কথাবোৰ শুনি অজান ভাবনাত বিভোৰ হৈ পৰা পেহীয়েকক জোকাৰি দি ৰুবুয়ে সুধিলে, 'কি হ'ল পেহী কি ভাবিছা ....'

'তুমি কেনেকৈ ইমানবোৰ কথা আয়ত্ব কৰিব পাৰিছা তাকেই ভাবিছোঁ'। জোনাৰ মুখত গৌৰৱৰ ভাব ফুটি উঠিল। ৰুবুয়ে ভাবিলে পেহীৰ দৰে পৃথিৱীৰ প্ৰতিজন ব্যক্তিয়েই যদি এবাৰ হ'লেও এই ধ্বংসমুখী ধৰিত্ৰীখনৰ বিষয়ে ভাবিলেহেঁতেন। তেতিয়া ডাঃ হেষ্টিংছে কোৱাৰ দৰে চিকিৎসা শাস্ত্ৰবোৰ জাবৰ-জোথৰৰ দ'মলৈ দলিয়াই পেলাব পৰা গ'লহেঁতেন।

কোঠাটোৰ মৌনতা ভাঙি জোনাই ক'লে 'তুমি ঠিকেই কৈছা ৰুবু। বিজ্ঞানে আমাক বাহিৰে বং চং ভিতৰে কোঁৱাভাতুৰী কৰি তুলিছে। আজি কালিৰ মানুহে বাৰীত নিজে খোৱা শাক-পাচলিতকৈ বজাৰৰ বৰফ দিয়া মাছ ডোখৰ বা ফ্ৰিজত থোৱা শাক-পাচলি খাইহে বেছি ভাল পায়। তোমাৰ কথাবোৰে আজি মোক আৰু বহুতো কথা নতুনকৈ ভাবিবলৈ বাধ্য কৰিছে।'

'এৰা পেহী, মানুহে চাগে বিশ্বাসেই নকৰিব যে প্ৰাৰম্ভিক অৱস্থাত কেন্সাৰৰ দৰে মাৰাত্মক ৰোগক বনৌষধৰ দ্বাৰা নাশ কৰিব পৰা যায়। ঘেঁহুৰ পাত বা ঠাবি খুন্দি ৰস উলিয়াই সেই ৰস ৰাতিপুৱা-গধূলি দুবাৰ এগিলাচকৈ একেৰাহে এমাহ খালে এইৰোগ আৰোগ্য হয়। এই ৰোগত নয়নতৰা বা পিৰালী কুৱৰীৰ পাতৰ ৰসো বৰ উপকাৰী। তদুপৰি পেহী তোমাৰ যে মুখত প্ৰায়েই ঘা লগা ৰোগ হয় — এই ৰোগ পুষ্টিহীনতা বা অন্যান্য কাৰণতো হ'ব পাৰে। তুমি তৰুৱা কদমৰ ছাল বা পদুম পাতৰ ৰস বা মহানিমৰ পাতৰ ৰসেৰে মুখ কুল কুলিয়ালে যথেষ্ট আৰাম পাবা।

অসমৰ চুকে-কোণে কিমান ধৰণৰ যে দুষ্প্ৰাপ্য বনৌষধি আছে তাৰ লেখ-জোখ নাই। সেয়েহে মই ডাঙৰ হ'লে কি কৰিম জানা পেহী — মই সেই বনৌষধিবোৰ সংগ্ৰহ কৰি তাৰ ওপৰত গৱেষণা কৰিম। সকলো লোককে বনৌষধিৰ জ্ঞান দি অসমক পৃথিৱীৰ ভিতৰতে এখন সুন্দৰ ৰাজ্য কৰি গঢ়ি তুলিম। তেতিয়া মানুহবোৰৰ দেহত কোনো ধৰণৰ ৰোগৰ উপদ্ৰৱ নাথাকিব। সকলো মানুহে এটা সুন্দৰ সতেজ স্বাস্থ্যৰ অধিকাৰী হৈ পৰিব। এদিন দেখিবা সমস্ত পৃথিৱীৰ পৰা এই বিষবোৰ আঁতৰি যাব। মই সফল হ'ব পাৰিমনে পেহী?

আনন্দৰ চকুলোৰে উজলি উঠা ৰুবুৰ ধুনীয়া চকুযুৰিত চকু থৈ জোনাই মৰমেৰে ক'লে "পাৰিবা সোণ, কিয় নোৱাৰিবা?'

ৰুবুয়ে গভীৰ বিশ্বাসেৰে পেহীয়েকক সাবটি ধৰিলে। তেতিয়া তাৰ মুখত অস্তমিত সুৰুযৰ ৰাঙলী আভাই লুকা-ভাকু খেলিছে।

উৎস গ্ৰন্থ ঃ সহজ লভ্য বন দৰৱৰ গুণ — গুণাৰাম খনিকৰ
শৰীৰ সাধনাত ব্যায়াম।



Scanned with CamScanner

অতিথি লেখকৰ

গল্প





# গোন্ধ

ড° পৰমানন্দ ৰাজবংশী
*মুৰব্বী, অসমীয়া বিভাগ*
*প্ৰাগজ্যোতিষ মহাবিদ্যালয়*

চৰ্দি লাগিলে, গোটেই গাত এলাৰ্জি উঠিলে অথবা বান্দৰ কেঁকোৱাই ডাকিলে দেহ-মনৰ যিটো অৱস্থা হয় তাতোকৈ যেন ৰমাকান্ত চৌধুৰীৰ দেহ-মন বেছি অস্থিৰ! অশান্ত! সেই কালি আবেলিৰ পৰাই তেওঁৰ দেহ-মনৰ ঠিক নাই। সন্ধিয়া কাছাৰীঘাটৰ পৰা ভেলিভিউ হোটেলৰ প্ৰায় কাষলৈকে তেওঁ খোজ কাঢ়োঁতে কাছাৰীঘাটত এবাৰ বৈছিল। ফুটপাথৰ পৰা পকী খলপেৰে নামি গৈ বিস্তীৰ্ণ লুইতৰ পিনে একেথৰে চাইছিল। হয়তো লুইতৰ পানীক চুমা যাঁচি পখিলাৰ দৰে নাচি-বাগি অহা সান্ধ্য বতাহজাকৰ গোন্ধটোও ইয়াৰ কাৰণ হ'ব পাৰে। প্ৰায়ে এই পকী খলপত বহি চৌধুৰীয়ে সান্ধ্য বতাহৰ স্পৰ্শ লয়। নয়নাভিৰাম দৃশ্য উপভোগ কৰে। আজি চিনাকি পৰিৱেশৰ চিনাকি জাহাজ ওপঙি থকাৰ দৰে উমানন্দলৈ চাইছিল। নিকটৱৰ্তী উৰ্বশী পানীৰ মাজত ককবকাই আছে। নীলাচল পাহাৰৰ দাঁতিত এখন মকৰাজালৰ দৰে ওলমি থকা শৰাইঘাটৰ দলংখন। যেন সেই দলংখনৰ দৰে ক্ৰমাৎ স্পষ্ট হৈ পৰিছে চৌধুৰীৰ জীৱনৰ ইপাৰ-সিপাৰক সংলগ্ন কৰা দলংখন। বৈতৰণী নদীখন এইখন দলঙেৰেই পাৰ হ'ব লাগিব! সেই কালি আবেলি হঠাৎ নাকত স্পৰ্শ কৰি পখিলাৰ দৰে আঁতৰি যোৱা চিন-অচিন গোন্ধটো বৈতৰণীৰ সিপাৰৰ পৰা ভাহি অহা গোন্ধটো নহয়তো?

কাছাৰীঘাটৰ পৰা ৰমাকান্ত চৌধুৰী আঁতৰি

আহি পুনৰ ফুটপাথেৰে খোজকাঢ়ি আগবাঢ়ি আহি গছবোৰৰ তলত ৰৈ গৈছিল। তেনেই দুৰ্গন্ধ এইখিনি ঠাই। ওপৰলৈ চাবলৈকে ভয় লাগে। কোন মুহূৰ্তত চিন-অচিন চৰাইবোৰে মলত্যাগ কৰে ঠিক নাই। গোটেই ফুটপাথছোৱা লেতেৰা হৈ গৈছে। পিছে ওকতি আহিব খোজা এই গোন্ধটোও সেই গোন্ধটো নহয়! লুইতৰ দাঁতিত পাৰ বাহৰ দৰে সৰু সৰু জুপুৰিবোৰত এশ্ৰেণী মানুহ নামৰ লেকেটীয়া জীৱ বসবাস কৰা স্থানখিনিৰ পৰা ভাহি অহা গোন্ধটোও নহয়! নহয় পৌৰসভাক কেৰেপ নকৰি ফুটপাথৰ দাঁতিত জমা কৰা আৱৰ্জনাৰ গোন্ধ! তেন্তে কি হ'ব পাৰে সেই গোন্ধ? গোন্ধটোৰ উৎস কি? গোটেই ৰাতি এনেবোৰ চিন্তাতেই ৰমাকান্ত চৌধুৰীৰ টোপনি নাহিল। পুৱতি নিশা চিলমিলকৈ টোপনি আহিব খুজিছিল। পিছে প্ৰাতঃভ্ৰমণৰ চিন্তাই বৰকৈ জুমুৰি দি ধৰাৰ বাবে টোপনিয়ে ওফোন্দ পাতিলে।

নিজৰ ঘৰৰ পৰা পুবা ৰমাকান্ত চৌধুৰীয়ে নিতৌ শুক্ৰেশ্বৰ মন্দিৰৰ কাষলৈকে খোজকাঢ়ি উভতি আহে। আজিও খোজকাঢ়ি আহি থাকোঁতে হঠাৎ কিবা চিন্তা কৰি তেওঁ মন্দিৰ প্ৰাংগণত সোমাল। ৰাতিপুৱা এইখিনি সময়ত দৰ্শনাৰ্থী কম। মন্দিৰৰ শংখ-ঘণ্টাধ্বনিৰ লগতে এটি চিনাকি গোন্ধে তেওঁৰ নাক স্পৰ্শ কৰিলে। ধূপ-ধুনা, তেল-সেন্দূৰ মিশ্ৰিত এই গোন্ধটোও সেই গোন্ধ নহয়। চৌধুৰী উভতি আহিল। ফুটপাথেৰে আগবাঢ়ি গৈ মহেন্দ্ৰমোহন চৌধুৰী হাস্পতালৰ পিছপিনে তেওঁ হঠাৎ ৰৈ গ'ল। এখন ঠেলাত বগা কাপোৰেৰে ঢকা মৃতদেহ এটা। দুজন চিপাহী। তেওঁলোকৰ কড়া নিৰ্দেশত দুজন বনুৱাই মৰাশটো হাস্পতালৈলৈকে দাঙি লৈ গৈছে। বোধহয় পষ্টমৰ্টেম কৰিব। মৰাশটোৰ কেচেমা-কেচেম্ গোন্ধটো নাকত লগাৰ লগে লগেই চৌধুৰীয়ে জেপৰ পৰা ৰুমালখন উলিয়াই নাকত ল'লে। কি যে উৎকট গোন্ধ! এই উৎকট গোন্ধৰ পৰা উপশম পাবৰ বাবে ব্যক্তি দুজনে মৃতদেহ থকা ঢাৰিখনত কেইবাডালো ধূপ জ্বলাই লৈছে। নাক কাপোৰেৰে ঢাকিও তেওঁলোকে ৰক্ষা পোৱা নাই। মৃতদেহৰ গলিত গোন্ধ আৰু ধূপৰ গোন্ধ মিশ্ৰিত হৈ কিযে এক অদ্ভুত গোন্ধৰ সৃষ্টি হৈছে। অথচ এই গোন্ধৰ এটিও সেই গোন্ধটো নহয়। চৌধুৰী কিছুদূৰ আগবাঢ়িল। বাওঁপিনে বিভিন্ন ফুলৰ পোহাৰ। দীঘল দীঘল নাজী ফুলৰ মালা আৰু ৰজনীগন্ধাৰ মালাৰ গোন্ধত চৌধুৰীয়ে ইতিমধ্যে অস্বস্তিত পেলোৱা পৰিবেশৰ পৰা যেন পৰিত্ৰাণ পালে। স্বস্তিৰে উশাহ ল'লে যদিও চৌধুৰী পুনৰ অশান্ত হৈ পৰিল। ক'তা, এই গোন্ধটোও দেখো সেই গোন্ধটো নহয়?

বিমৰ্ষ চৌধুৰীয়ে নিজ ঘৰলৈকে খোজ দিবৰ বাবে বিপৰীত ফুটপাথলৈকে আহিল। কেইখোজমান কাঢ়োঁতেই এক ভিন্নস্বাদৰ গোন্ধ নাকত লগাত তেওঁ হঠাৎ ৰৈ দিলে। ব্ৰহ্মপুত্ৰৰ বিশাল জলধাৰাৰ পিনে চাওঁতে অন্য এক কাণ্ডৰ পিনে দৃষ্টি পৰাত তেওঁৰ চকু থৰ হৈ গ'ল। হয়, হয়! লুইতৰ দাঁতিত ফুটপাথৰ নিচেই কাষত তললৈ মুৰ কৰি পুৰুষ, মহিলা উভয়ে কিছু আঁতৰা-আঁতৰিকৈ শৌচ ত্যাগ পৰ্ব সমাধা কৰি আছে। এই গোন্ধ সেয়া কেঁচা শৌচৰেই গোন্ধ। কিন্তু তেওঁ বিচাৰি ফুৰা গোন্ধটো হ'লে নহয়। চৌধুৰীয়ে পুনৰ খোজ ল'লে। কেইবাখনো জাহাজে শুক্ৰেশ্বৰ ঘাটত যেন আড্ডা দি আছে। তাৰ ওপৰত বহি ঘন নীলা ইউনিফৰ্ম পিন্ধি কোনো প্ৰশিক্ষণৰত নাবিকে ব্যায়াম কৰিছে। কোনোৱে পানী তুলিছে। বিকট শব্দেৰে এখন জাহাজে কেৰমেৰ কৰি সিপাৰলৈ বুলি গতি ল'লে। ওহো, জাহাজৰ মাস্তুলেৰে ওলাই অহা গোন্ধটো তেওঁ বিচৰা গোন্ধটো নহয়! তেন্তে কি গোন্ধে বাৰু তেওঁক ইমান অতিষ্ঠ, উদ্বিগ্ন, অস্থিৰ, অশান্ত কৰি পেলাইছে? কেতিয়া কোন সময়ত, কোন ঠাইত বাৰু সেই গোন্ধটোৱে হৰমোহিনীৰ দৰে তেওঁৰ নাকত চুমা দি হঠাতে নাইকিয়া হৈছিল? মহানগৰীৰ গাড়ীৰ ধোঁৱা, ট্ৰেইনৰ আকাশ ক'লা কৰিব খোজা ধোঁৱাৰ গোন্ধ অথবা ৰাতিপুৱা মহানগৰীৰ বুকুৰে বীৰদৰ্পে গতি কৰা ট্ৰাকবোৰে কঢ়িয়াই লৈ অহা শুকান মাছ অথবা অন্যান্য বস্তুৰ গোন্ধ, ফাপৰে ধৰা কুকুৰৰ, ফুটপাথত শুই থকা দৰিদ্ৰ ভিক্ষাৰীৰ গাৰ কানি কাপোৰৰ গোন্ধ পৌৰনিগমৰ জৰাজীৰ্ণ গাড়ীত কঢ়িয়াই নিয়া আৱৰ্জনাৰ গোন্ধ— ইয়াৰে কোনোটো গোন্ধেই তেওঁ বিচাৰি ফুৰা গোন্ধটো নহয়। তেন্তে কি হ'ব পাৰে বাৰু সেই গোন্ধটো?

দেউতা, পানী দিছোঁ! ·

ষ্টীলৰ জিকমিকাই থকা মগটো তেওঁৰ সমুখৰ মেজখনত থৈ হৰিচৰণ গুচি গ'ল। ইচ্ছা কৰিলে তেওঁ মজাইক কৰা, মাৰ্বল-পাথৰ লগোৱা বাথৰুমত স্বচ্ছন্দে ৰাতিপুৱাৰ মুখখন ধুব পাৰে। ঠাণ্ডা পানী, গৰম পানী— যি ধৰণৰ পানী বিচাৰে চুইচ টিপি দিলেই হ'ল। বেচিনৰ

টেপটো খুলিব লাগে মাত্র। বেচিনৰ ওপৰতে থকা পৰিষ্কাৰ টাবেলখনেৰে মুখ মচিব পাৰি। কিন্তু ৰাতিয়েই ভাত-পানী খাই উঠি ব্ৰাছ কৰাৰ পিছত পুৱা তেওঁ ব্ৰাছ নকৰে। মুখখন বাৰাণ্ডাত থিয় হৈয়েই দাঁতিত ধুইহে ভাল পায়। মুখখন ধোৱাৰ পিছতেই হৰিচৰণে আগবঢ়াই দিয়া ফিকা চাহকাপ মুখত দিলেহে যেন তেওঁ শান্তি পায়। শান্তি মানে ঠিক শান্তি নহয়। ৰিলিফ। প্ৰশান্তি। এই ফিকা চাহকাপ



আগতে তেওঁৰ পত্নী মায়াই যাঁচিছিল। ফিকা চাহৰ লগত নেমু অথবা গোলনেমুৰ ৰস অকণমান দি তৈয়াৰ কৰা চাহৰ স্বাদ হৰিচৰণে দিয়া চাহত নাপায়। সিও নেমু অথবা গোলনেমুৰে চাহকাপ তৈয়াৰ কৰে সঁচা কিন্তু কেতিয়াবা চাহত চেনি বেছি হয়। কেতিয়াবা বেছি হয় নিমখ অথবা নেমুৰ ৰস। কেতিয়াবা আকৌ বেছি হয় চাহপাত!

তেন্তে মায়াই কৰা সেই চাহকাপৰ গোন্ধটোৱে তেওঁক কালিৰ পৰা আমনি দিছে নেকি? চৌধুৰীয়ে হৰিচৰণে আগবঢ়াই দিয়া চাহকাপ হাতত লৈ চিন্তা কৰে। ওহো, নহয়! তেওঁ বিচাৰি ফুৰা গোন্ধটো ইয়াতকৈয়ো যেন উৎকট অথচ মিঠা, মৃদু তাৰ সুবাস। সেই কালি আবেলি ভ্ৰাতৃ নিশিকান্ত চৌধুৰী নিজ গাঁৱৰ ঘৰলৈ বুলি প্ৰস্থান কৰাৰ কিছু সময়ৰ পিছতে সেই গোন্ধটোৱে শৰীৰী এক দৈত্যৰ দৰে তেওঁৰ পিছ লৈছে। নে তেওঁ সেই দৈত্যটোৰ অ' নহয়, হৰিৰ মোহিনী শক্তিৰ পিছে পিছে দৌৰি ফুৰা উদ্ভ্ৰান্ত শিৱৰ দৰে তেওঁহে সেই গোন্ধটোৰ অনুসন্ধানত ঘূৰি ফুৰিছে?

হৰিচৰণ!

ৰমাকান্ত চৌধুৰীৰ মাতত চুম্বকে স্পৰ্শ কৰা লোহাৰ দৰে হৰিচৰণ নিমিষতে আহি উপস্থিত হ'ল। দেউতা!

চাহৰ কাপটো হৰিচৰণৰ হাতত তুলি দি চৌধুৰীয়ে ক'লে, সিঙক মই তিনি বজাত মাতিছোঁ বুলি ক'বা।

হ'ব দেউতা।

হৰিচৰণ আঁতৰি গ'ল। বাৰাণ্ডাৰ পৰাই চৌধুৰীয়ে গাড়ীখন থকা গেৰেজটোলৈ চাই পঠিয়ালে। এক অপ্ৰকাশিত বেদনাবোধে যেন বুকুত জুমুৰি পাতিলে। এই গাড়ীখনত উঠিবলৈ চৌধুৰীৰ মুঠেই মন নাযায়। অথচ গাড়ীখন এইদৰে পৰি থাকিলে ইঞ্জিনটো নষ্ট হৈ যাব। সেয়ে কেতিয়াবা আবেলি চৌধুৰীয়ে সিং ড্ৰাইভাৰক মাতি আনি গুৱাহাটীতেই ঘূৰি ফুৰে। পুৰণি মডেলৰ হ'লেও ঘিউ বৰণীয়া এম্বেছেডৰখন চৌধুৰীৰ বৰ প্ৰিয় আছিল। সেই গাড়ীখনত উঠি তেওঁ যেন এক বিশেষ আমেজ পাইছিল। পিছে যাৰ খেচখেচনিত সেইখন বিক্ৰী কৰি এই মাৰুতী কাৰখন কিনিলে সেইজনীয়েই আজি ইহসংসাৰত নাই! হয়তো এম্বেছেডৰখনতকৈ তাই চৌধুৰীৰ অধিক প্ৰিয় আছিল। তেওঁৰ বুকুৰ কলিজা বুলি ক'লেও হয়তো ভুল নহয়। কিন্তু তাই খং-অভিমানতেই সেই সৰ্বনশীয়া কামটো কৰি পেলালে। গাঁৱৰ দুখীয়া, টোকোনা বুলি ভবা ল'ৰাটোক পাহৰক, এৰক বুলিয়েই চৌধুৰীয়ে এই মাৰুতী কাৰখন কিনি তাইকেই চলাবলৈ দিলে। পিছে যেতিয়া তাই কাৰত গাঁৱৰ সেই ভালপোৱা ল'ৰাটোক উঠাই লৈ ফুৰালে তেতিয়া তেওঁ সেই মাৰাত্মক সিদ্ধান্তটো লৈ পেলালে।

গুৱাহাটীৰ জ্যোতিনগৰৰ ইঞ্জিনীয়াৰ ডেকা ল'ৰা এজনৰ লগত প্ৰায় জোৰ-জবৰদস্তিৰে বিয়াখন পাতিবৰ বাবে চেষ্টা চলোৱাৰ সময়তেই তাই সেই অমংগলীয়া কামটো কৰি পেলালে। তেওঁৰ একমাত্ৰ কন্যা জিণ্টিয়ে বিহ খাই আত্মহত্যা কৰি দেউতাকৰ প্ৰতি নিজৰ ক্ষোভ সাব্যস্ত কৰিলে। ওহো নহয়, তাই যেন প্ৰতিশোধ ল'লে।

মাজে মাজে চৌধুৰীয়ে ভাবে যে কাৰখন বিক্ৰী কৰি দিব। কিন্তু কিয় জানো কাৰখনত উঠিলে অথবা কাৰখন দেখিলে তেওঁ প্ৰায়ে জিণ্টিক দেখা পায়। কাৰখন প্ৰথমদিনা ঘৰলৈ অনাৰ পিছত জিণ্টিৰ কিযে স্ফূৰ্তি! কাৰখনৰ আগৰ আৰু পিছৰ চিটকেইটাত বহি লৈ আনন্দত আত্মহাৰা হোৱা জিণ্টিৰ মুখমণ্ডললৈ চৌধুৰীৰ প্ৰায়ে মনত পৰে। সেয়ে তাইৰ স্মৃতিয়ে কষ্ট দিয়া সত্বেও সেই কষ্টখিনি কিয় জানো চৌধুৰীৰ কেতিয়াবা ভালো লাগে!



Scanned with CamScanner

আৰ্মচেয়াৰৰ পৰা উঠি তেওঁ লাহে লাহে গেৰেজৰ পিনে খোজ ল'লে। কিজানি গেৰেজৰ ভিতৰত সেই চিনাকি সেমেকা গোন্ধটো তেওঁ বিচাৰি ফুৰা গোন্ধটো হ'ব পাৰে। গেৰেজৰ মূল দৰ্জাখন খুলি দিয়াৰ লগে লগে মহ কেইটামান তেওঁৰ গালে মুখে উজুটি খাই আঁতৰি গলাল। ওহো! এই সেমেকা গোন্ধটোও সেই গোন্ধটো নহয়!

গাড়ীখনৰ ৰংটো কিছু অনুজ্জ্বল হৈছে। এই কাৰখনৰ পাতল ঘিউবৰণীয়া ৰংটো জিণ্টিৰ বৰ পছন্দৰ আছিল। নিজৰ পছন্দ মতে তাই সঘনাই চিটকভাৰ সলাইছিল।

তই যদি গাঁৱৰ ল'ৰাটোক এৰিব পাৰ তেন্তে মই এই গাড়ীখন চিৰদিনৰ বাবে তোকেই দিম। তোৰ নামত দিম।

দেউতাকৰ প্ৰস্তাৱটো শুনি জিণ্টিৰ মুখমণ্ডল বৰ বেছি পৰিৱৰ্তন নহ'ল। মাথোঁ আগতকৈ কঠোৰহে হৈছিল।

ঠিক আছে দেউতা! মই ইয়াৰ বিপৰীতটোহে কৰিম। মই কাৰখনো এৰিলো, কিন্তু মোৰ ভালপোৱাক বিসৰ্জন দিব নোৱাৰোঁ।

কিযে আঁকোৰ-গোজ ছোৱালীজনী! সিদিনাৰ পৰা তেওঁ আৰু মাক মায়াই অশেষ বুজোৱা সত্বেও কাৰখনত তাই নুঠিল যে নুঠিলেই!

দেউতা, আহক। এইদৰে মন মাৰি থাকিলে আকৌ প্ৰেছাৰ বেছি হ'ব। বাতৰিকাকত দিছো। পঢ়কহি।

হৰিচৰণৰ মাততহে যেন ৰমাকান্ত চৌধুৰীয়ে সম্বিৎ ফিৰাই পালে। ৰুমালেৰে সেমেকা দুচকু মচি তেওঁ উভতি খোজ ল'লে। পুনৰ আৰ্মচেয়াৰত বহি বাতৰিকাকত মেলি ল'লে। ভয়ে ভয়ে। কাৰণ আজিকালি বাতৰিকাকতৰ প্ৰথম পৃষ্ঠাটো যিদৰে হত্যা, ধৰ্ষণৰ খবৰে অগ্ৰাধিকাৰ পায় একেদৰে দুৰ্নীতি কেলেংকাৰীত লেটি-পেটি কৰাসকলৰ গ্ৰেপ্তাৰৰ খবৰেও অগ্ৰাধিকাৰ পাবলৈ লৈছে।

এখন ইংৰাজী দৈনিক আৰু এখন অসমীয়া দৈনিক কাকত। দুয়োখন কাকত ভালদৰে পঢ়ি শেষ নোহোৱালৈকে চৌধুৰীয়ে এইখিনি সময়ত কোনো দ্বিতীয় ব্যক্তিৰ আগমন অথবা কাৰোবে আমনি সহ্য নকৰে। অথবা আশা নকৰে। হৰিচৰণেও এইখিনি সময়ত তেওঁৰ ওচৰ নাচাপে। কিবা দৰকাৰত ওচৰ চাপিলেও গালি অথবা ধমকিহে খাব লাগে।

বাতৰিকাকতকেইখন নাকৰ ওচৰলৈ আনি চৌধুৰীয়ে শুঙি চালে। খমখমীয়া কাগজৰ এই চিনাকি গোন্ধটো সেই গোন্ধটো নহয়। তেওঁৰ মনটো আৰু অধিক বিমৰ্ষ হ'ল। কাকত পঢ়িবলৈ মুঠেই মন নোযোৱা হ'ল।

এই পেপাৰবোৰ চোৱাৰ বাবেই আপোনাৰ প্ৰেছাৰ বেছি হয়।

নহয় মা, পেপাৰ চোৱাৰ বাবেহে দেউতাৰ প্ৰেছাৰ কমে। দেউতাই একান্তমনে পেপাৰ পঢ়া দেখিলে মোৰ হিংসাই লাগে। মই মোৰ পাঠ্যপুথিও ইমান মনোযোগেৰে নপঢ়ো।

চছমাযোৰ সোলোকাই গাত লোৱা এৰী চাদৰখনৰ এটি লোচেৰে চৌধুৰীয়ে সেমেকা দুচকু মচি পেলালে। এই বাতিপুৱা ফিকা চাহকাপ, দৈত্যাকায় ইঞ্জিনৰ বুকুৰ পৰা ওলাই অহা খমখমীয়া কাকতকেইখনৰ গোন্ধে যি এক চিনাকি আমেজসনা পৰিৱেশৰ সৃষ্টি কৰে, পত্নী মায়া আৰু ওচৰতে ঘৰ সাৰিবলৈ লোৱা জিণ্টিৰ দুই-এটি মন্তব্যয়ো সেই পৰিৱেশ যেন অধিক জীপাল কৰিছিল। কেতিয়াবা কোনো অসতৰ্ক, অশান্ত মুহূৰ্তত যি কণ্ঠক কাউৰী কণ্ঠ বুলি জ্ঞান কৰিছিল কিয় জানো তেওঁৰ অনুপস্থিতত চৌধুৰীৰ আজি অনুভৱ হৈছে সাংসাৰিক জীৱনত নিতান্তই স্বাভাৱিক সেই কণ্ঠবোৰ যেন কেতিয়াবা কোকিলৰ কণ্ঠতকৈ বেছি মিঠা, বেছি উপাদেয় হয়। অথচ সেই দুটি কণ্ঠই তেওঁৰ কঠিন হৃদয়খনিত তীব্ৰ আঘাতৰ সৃষ্টি কৰিলে। আঘাত জৰ্জৰিত হৃদয়খন যেন এতিয়া এক করুণ ৰস পূৰ্ণ কুণ্ডলৈ পৰিণত হৈছে। সেই ৰসবোৰেই বোধহয় চকুলো হৈ নিৰ্গত হয়।

চৌধুৰীয়ে সমুখৰ ফুলনিডৰা, ফুলনিডৰাৰ ওপৰেৰে নাতিদূৰৈৰ পাহাৰখনলৈ চাই পঠিয়ালে। হৰিচৰণে অশেষ চেষ্টা কৰিছে যদিও ফুলনিডৰা তেনেই নিষ্প্ৰভ। পাহাৰখন উকা। দুই-এজোপা ওখ গছৰ ওপৰত চোও-নোচোঁওকৈ পাতল মেঘে বিয়নী মেল পাতিছে। তেনেই শূন্য, উকা পৰিৱেশ।

এদিন তেওঁ ফুলনিখন ভালদৰে তদাৰক নকৰা বুলি হৰিচৰণক টান কথা কৈছিল। হৰিচৰণে কিছু সময় একো নকৈ অৱশেষত কৈছিল, ক'তা দেউতা, মই দেখো ফুলনিখন আগতকৈ ভাল লগাহে কৰিছোঁ? কথা এটি কওঁ দেউতা, ঘৰখনৰ আচল শুৱনি ফুলজোপা হৈছে

ছোৱালীজনী। জিণ্টি মাজনী। তায়েই যেতিয়া নাই, আপুনি ফুলনিৰ ধুনীয়াখিনি ক'ত দেখিব?

ভগ্ন কণ্ঠেৰে তেওঁৰ ওচৰৰ পৰা আঁতৰি যোৱা হৰিচৰণলৈ স্তব্ধ হৈ কিছু সময় চাই ৰৈছিল ৰমাকান্ত চৌধুৰীয়ে। সি দেখো অপ্ৰিয় অথচ এটি সত্য কথাকে ক'লে। অ'তো! আগতকৈ ফুলনিখনত ফুল বেছি ফুলিছে। জিণ্টিয়ে গুৱাহাটী নাৰ্ছাৰীৰ পৰা আনি নিজহাতে ৰোৱা ৰঙা গোলাপ জোপা এতিয়া লহপহকৈ ফুলিছে। বিভিন্ন ৰঙৰ ডালিয়া, নাজী ফুলবোৰ আকাশলৈ চাই চাই কথা পাতি আছে। আজি সেই ফুলবোৰৰ মাজত যদি জিণ্টিজনী থাকিলহেঁতেন!

বুকুভৰি, প্ৰাণভৰি ভালপোৱা কোনো এজন যদি ওচৰত নেথাকে তেন্তে পৃথিৱীৰ প্ৰত্যেকগৰাকী ব্যক্তিয়েই বোধহয় নিজকে নিজে অকলশৰীয়া বুলি ভাবে। প্ৰাণ থাকিও, শূণ্য দেখে। সৌন্দৰ্যানুভূতি নিস্তেজ হৈ যায়।

দেউতা কি হ'ল আজি? বাতৰিকাকত নপঢ়ি এনেদৰে কি চিন্তা কৰি আছে? বৰকৈ চিন্তা নকৰিব! প্ৰেছাৰ বাঢ়িব।

ৰমাকান্ত চৌধুৰীয়ে যেন এইমাত্ৰ চেতনা লাভ কৰিলে। ততাতৈয়াকৈ কাকতখন চকুৰ সমুখত মেলি লৈ চছমাযোৰ ঠিক কৰি পঢ়িবলৈ চেষ্টা কৰিলে। হৰিচৰণ তেতিয়াও ওচৰৰ পৰা আঁতৰি যোৱা নাছিল।

কি হ'ল তোৰ? কিবা ক'বি নেকি?

হৰিচৰণে চৌধুৰীৰ মুখলৈ চালে। অৱশেষত কওঁ-নকওঁকৈ ক'লে, গাঁৱৰ পৰা মাজুদেউতা পুনৰ আজি আবেলি আহিব! তেওঁৰ কথাটো অলপ ভাবি চাব দেউতা!

এৰা, নিশিকান্তৰ কথা ইমান সময়ে তেওঁ পাহৰিয়েই আছিল। কালি আবেলি নিশিকান্ত গুচি যোৱাৰ পৰা সেই গোন্ধটোৱে তেওঁক ভীষণ আমনি দি আছে। অথচ নিশিকান্তৰ প্ৰস্তাৱটো তেওঁ এতিয়ালৈকে চিন্তা কৰাই নাই। হৰিচৰণে ভাল মনত পেলাই দিলে।

তই কি ভাব?

হৰিচৰণক প্ৰশ্নটো সুধি কোনো প্ৰত্যুত্তৰ নাপাই চৌধুৰীয়ে কাকতৰ পৰা দুচকু আঁতৰাই তাক বিচাৰিলে। নাই! হৰিচৰণ ইতিমধ্যে তাৰ পৰা আঁতৰি গৈছে।

এইদৰে অকলশৰে চহৰত থকাটো নিশিকান্তহঁতে পছন্দ নকৰে। অকলশৰে থকাৰ বাবেই তেওঁৰ প্ৰেছাৰ বেছি হৈছে। সেয়ে নিশিকান্তই গাঁৱলৈ নিবৰ বাবেই আজি পুনৰ আহিব। গাঁৱত ভাই-বোৱাৰী, ভতিজা-ভতিজীৰে পূৰ্ণ সংসাৰত থাকিলে তেওঁৰ দুচিন্তা কমিব। বেমাৰ-আজাৰ হ'লে সেৱা-শুশ্ৰূষা পাব। চহৰৰ ঘৰ আৰু [illegible] হৰিচৰণক এইবোৰ তদাৰক কৰিবলৈ দিলেই হ'ব।

নিশিকান্তহঁতৰ চিন্তাত আত্মীয়তা আছে। আছে সঁচা আন্তৰিকতা। অথচ এদিন একমাত্ৰ পত্নী আৰু কলিজাসদৃশ জীয়েক জিণ্টিৰ স্বাৰ্থতেই ৰমাকান্ত চৌধুৰীয়ে এই প্ৰকৃত আত্মীয়তা আৰু সঁচা আন্তৰিকতাক কেনেদৰে যে নেওচা-কেওচা দিব পাৰিছিল— আজি ভাবিলে নিজৰ ওপৰতেই তেওঁৰ ধিক্কাৰ জন্মে।

কিন্তু তেওঁৰ জীৱনৰ স্বপ্ন জিণ্টি অপ্ৰত্যাশিতভাৱে, অভাৱনীয়ভাৱে তেওঁৰ ওচৰৰ পৰা আঁতৰি গ'ল। জীয়েকৰ মৃত্যুত পত্নী মায়াও শোকত শুকাই-খীণাই অসুখত পৰিল। যিগৰাকী মায়াৰ উৎসাহত চৌধুৰীয়ে নিজৰ গাঁও, পৰিয়াল সকলোবোৰ পৰিত্যাগ কৰি এই চহৰতেই ঘৰ-মাটি কৰি থাকিবলৈ ল'লে সেইগৰাকী মায়ায়ো তেওঁক বিশ্বাসঘাতকতা কৰিলে। মায়াই ইহসংসাৰ ত্যাগ কৰিলে!

এদিন গাঁৱত বোকা-পানী গচকি-খচকি ধান খেতি কৰা, মুকলি পথাৰত গৰু চৰোৱা, বৰনৈত সাঁতুৰি-নাদুৰি ডাঙৰ-দীঘল হোৱা ৰমাকান্ত অভাৱনীয়ভাৱে চহৰীয়া হৈ গ'ল। কি যে মোহনীয়া, মধুৰ, মনোৰম মুহূৰ্ত আছিল সেয়া! এক কৰ্মব্যস্ত সংগ্ৰামী জীৱন। পথাৰত হাল বোৱা, কঠীয়া পৰা, পথাৰত আলি সজা, গৰু চৰোৱা আদি কামৰ মাজত স্কুললৈ যোৱা, নিয়মিত পঢ়া-শুনা কৰা— তাৰ পিছত মেট্ৰিক পাছ কৰি চহৰীয়া পৰিৱেশৰ সৈতে অভ্যস্ত হোৱাৰ বাবে প্ৰচেষ্টা। কলেজত পঢ়োঁতে ৰমাকান্তই পথাৰখনৰ মোহ এৰিব পৰা নাছিল। পাহৰিব নোৱাৰিছিল প্ৰিয় বৰনৈখনক। পুহ, মাঘমহীয়া ঠাণ্ডাত ঘৰৰ চোতালত মৰণা মৰাৰ কিযে আনন্দ, কি যে স্ফূৰ্তি। বৰনৈত বান আহিলে কলৰ ভুৰ সাজি তাৰ ওপৰত উঠি আম-জাম খোৱা, গৰুৰ বাবে ঘাঁহ সংগ্ৰহ কৰা, শৌচ-পেচাবৰ বাবে ওখ ঠাই বিচাৰি যোৱা, আস্, কি যে আছিল সেই দিনবোৰ। কিন্তু কি জানো হ'ল ৰমাকান্ত চৌধুৰীৰ! চহৰত চাকৰি সূত্ৰে থাকিবলগীয়া হোৱাৰ পিছতো, মায়াক জীৱন সংগী কৰি লোৱাৰ পিছতো তেওঁৰ গাঁৱৰ ঘৰৰ লগত ঘনিষ্ঠ যোগাযোগ ৰাখিছিল। পিছে অতৰ্কিতে সেই



Scanned with CamScanner

সিদ্ধান্তটো লৈ পেলালে— তেওঁ চাকৰি বাদ দি ঠিকা কৰিব। হাইস্কুলৰ মাষ্টৰী চাকৰিৰ পৰা পদত্যাগ কৰি ঠিকাৰ মূলধনৰ বাবে ৰমাকান্ত এদিন গাঁৱৰ ঘৰলৈ গৈছিল। নিশিকান্তহঁতক জোৰ দিলে যে তেওঁৰ ভাগৰ মাটিখিনি বিক্ৰী কৰি মূলধনৰ ব্যৱস্থা কৰিব লাগে। নিশিকান্ত আৰু মাকৰ বুজনিত মাটিখিনি যেনিবা বিক্ৰী নকৰি বন্ধকত থ'লে। নিশিকান্তই আৰ-তাৰ পৰা টকা ধাৰ কৰি মাটিখিনি ৰাখি থ'লে। ভায়েকৰ এটাই কথা— পৈত্ৰিক সম্পত্তি আনৰ হাতলৈ যোৱাটো বেয়া কথা।

পিতাক জীয়াই থকা হ'লে সেই মাটি বন্ধকত দিব পাৰিলেহেঁতেন নে নাই চৌধুৰীয়ে ক'ব নোৱাৰে। কিন্তু তেওঁৰ মুখৰ পৰা সেই সিদ্ধান্ত শুনি মাকে হিয়া ঢাকুৰী কান্দোঁতে কিয় জানো তেওঁৰ হিয়াখন কঁপি উঠিছিল। তেওঁ ভুল পথে আগবাঢ়িছে নেকি? কিন্তু গাৰ ছাঁৰ দৰে থকা মায়াই তেনেবোৰ চিন্তা মনলৈ আহিলে খোপনি পুতিবলৈ কোনো সুবিধাই দিয়া নাছিল।

সঁচাকৈয়ে চৌধুৰীয়ে টকাৰ বাবেই নিজৰ চাকৰি বাদ দিছিল। গাঁৱৰ মাটি ভাগ নৌহওঁতেই জোৰ-জবৰদস্তি বন্ধকত দিছিল। আৰু টকা বাৰিষা বানৰ দৰে তেওঁৰ সংসাৰলৈ আহিছিল। অন্যায়-অনীতিৰ মথাউৰিবোৰ ভাঙি দিলে নৈৰ বানে ভঙা অংশেৰে প্ৰবল ৰূপ ধাৰণ কৰে। কোৰোণাৰে ধন চপাই সেই ধনেৰে গুৱাহাটীৰ গুৰুত্বপূৰ্ণ ঠাইত তেওঁ মাটি কিনিলে। ঘৰ সাজিলে। গাড়ী ল'লে। পাঁচ বছৰৰ মূৰত তেওঁলোকৰ সংসাৰলৈ আহি জিণ্টি! তায়েই যেন তেওঁলোকৰ জিউলাউ। কিন্তু, ক'ত কেনেদৰে সকলোবোৰ খেলি মেলি হৈ গ'ল জানো? জিণ্টি এদিন হেৰাই গ'ল। পলাই গ'ল মায়া! অকলশৰীয়া জীৱনটো এতিয়া গাৰ ছাঁৰ দৰে হৰিচৰণেই পৰ দি আছে। এতিয়া ভায়েক নিশিকান্তই আহি ক'ব লগা হৈছে তই অকলে ইয়াত থাকি কি কৰিবি? গাঁৱৰ ঘৰলৈ ব'ল। আমি অন্ততঃ তোক চাব পাৰিম!

গাঁৱৰ ঘৰলৈ? গাঁৱত জানো তেওঁৰ ঘৰ এখন আছে? নিজৰ ভাগৰ মাটি বন্ধক দিবলগীয়া হোৱা সেই দিনটো! যেতিয়া চৌধুৰীৰ উভৈনদী অৱস্থা, তেতিয়া এইবোৰ ভাই, ভতিজাক তেওঁ আৰু মায়াই কোনো পাত্তাই দিয়া নাছিল। একমাত্ৰ হালধনকে জীয়াই থকাৰ সম্বল হিচাপে লোৱা ভায়েক নিশিকান্ত অথবা ভতিজাহঁতক চৌধুৰীয়ে কি দিব নোৱাৰিলেহেঁতেন বাৰু সেই সময়ত? অট্টালিকাসদৃশ প্ৰকাণ্ড দালান, ৰাজকীয় জীৱনৰ মাজলৈ এদিন মাকক তেওঁ লৈ আহিছিল। কিন্তু কেইদিনমান থাকিয়েই মাক এদিন জোৰকৈ ঘৰখনৰ পৰা গুচি গ'ল। এই কৃত্ৰিম জীৱন বোলে মাৰ অসহ্য। একমাত্ৰ জিণ্টিৰ বাবেহে বোলে মা আহিছিল। চৌধুৰীয়ে মন কৰিছিল আচলতে মায়াৰ আন্তৰিকতাহীন ব্যৱহাৰৰ বাবেই তেওঁ এইখন ঘৰত বেছিদিন নেথাকিল। আৰু কোনোদিন নাহিলো। এদিন ইহসংসাৰৰ পৰা আঁতৰি যাওঁতেও ভায়েক নিশিকান্তই মৃতকৰ সকাম-নিকামত ককায়েকৰ কোনো সহায় নল'লে।

নাই। ৰাতৰিকাকত আজি চোৱা নহ'ব। মনটো একেবাৰে অস্থিৰ, অশান্ত। শৌচটোৰ ভাবো অহা নাই। তথাপিও চৌধুৰীয়ে আনদিনাৰ সময়তেই গা-পা ধুলে। হৰিচৰণে যতনাই দিয়া নাস্তাসহ চাহ একাপ খাই ল'লে। ড্ৰয়িং ৰুমত বহি হাতত ৰিমোট কণ্ট্ৰ'ল লৈ টি-ভিটো বন্ধ কৰি চৌধুৰীয়ে নিজৰ বিছনাত এনেয়ে বাগৰ দিলে। ওপৰলৈ মুখ কৰি বহু কিবা-কিবি বিক্ষিপ্ত চিন্তাত নিমগ্ন হ'ল। লক্ষ্য-উদ্দেশ্যবিহীন সকলো মানুহেই বোধহয় এদিন নিজেই নিজৰ অকলশৰীয়া হৃদয় দ্বীপটোত সংগবিহীন আলহী হ'বলগীয়া হয়। এদিন মায়া আৰু জিণ্টিৰ সৈতে পৰিপূৰ্ণ জাহাজত উঠি ঘূৰি ফুৰা, মনোমোহা বুলি ভৱা সাগৰখন এতিয়া বালিচৰত পৰিণত হ'ল। সেই বালিচৰত অকলশৰীয়া চৌধুৰীয়ে এতিয়া বালিৰ ওপৰত মায়া আৰু জিণ্টিৰ নামবোৰ লিখিবলৈ বৃথা চেষ্টা কৰি আছে।

হৰিচৰণে ভাত খাবলৈ মাতোঁতেহে চৌধুৰী যেন পুনৰ বাস্তৱ পৃথিৱীলৈ ঘূৰি আহিল। ভাত-পানী খাই আনদিনা হ'লে তেওঁ বিছনাত বিশ্ৰাম লয়। আজি ভাত খায়েই সিং ড্ৰাইভাৰক গাড়ী উলিয়াবলৈ কৈ গুচি আহিল।

ক'লৈ যাব বাবু?

সিঙৰ কথাত ৰমাকান্ত চৌধুৰীয়ে নিজেই চিন্তা কৰিলে ক'লৈ যাব তেওঁ। আজি পুৱাবেলা পদব্ৰজে নিৰ্দিষ্ট কেইটিমান ঠাইত তেওঁক ব্যতিব্যস্ত কৰা গোন্ধটোক অনুসন্ধান কৰিছিল। কিন্তু সেই অনুসন্ধান আধৰুৱা হৈ ৰ'ল। এতিয়া ক'লৈ যাব তেওঁ?

প্ৰথমতে নুনমাটি হৈ নাৰেংগী, তাৰ পৰা গীতামন্দিৰ হৈ বশিষ্ঠ আৰু তাৰ পৰা জালুকবাৰী হৈ ঘৰলৈ আহিম। ব'লা!

সিং ড্ৰাইভাৰে চৌধুৰীৰ নিৰ্দেশ শুনি গাড়ী চলাবলৈ



Scanned with CamScanner

ধৰিলে। নুনমাটিৰ শোধনাগাৰৰ কাষেৰে অভাৰগ্ৰীজত গাড়ীখন তেওঁ ৰ'বলৈ ক'লে। সিঙে গাড়ী ৰখালে।

বাওঁপিনে নতুন শ্যাম মন্দিৰটো। সোঁপিনে সেউজীয়া গছ-গছনিৰ মাজত গীতা মন্দিৰে মুখ লুকুৱাই ইঁহি আছে। গাড়ীৰ পৰা তেওঁ নামিল। পাতল ধোঁৱা বৰণীয়া হৈ পৰিছে আকাশখন। শোধনাগাৰ অথবা কাৰ্বন অফিচৰ ধোঁৱা নহয়তো এইবোৰ? বেলিটোৱে ইতিমধ্যে হেলনীয়া হৈ নীলাচল পাহাৰত মুখ লুকুৱাও, লুকুৱাও! এজাক পাতল বতাহে তেওঁৰ দেহ-মন চুই গ'ল। ওহোঁ! এই বতাহতো দেখো সেই গোন্ধটো নাই! চৌধুৰী পুনৰ গাড়ীত উঠিল। নাৰেংগী মহিলা হোষ্টেল পাৰ হৈ নতুনকৈ পতা কলেজখনৰ সন্মুখত গাড়ীখন ৰখালে। খোলা আয়নাৰে তেওঁ চাৰিওপিনে চালে। মহানগৰীখনে যেন এইপিনে ক্ৰমাৎ নোদোকা হোৱাৰ উপক্ৰম কৰিছে। চিটিবাছৰ আৰু অন্যান্য গাড়ীৰ ধোঁৱা আৰু গাড়ীয়ে উৰুওৱা ধূলিৰ উৎপাতৰ বাহিৰে চৌধুৰীয়ে তেওঁৰ আকাংক্ষিত গোন্ধটো ইয়াতো নেপালে। গাড়ী গৈ চিধা গীতা মন্দিৰৰ সমুখত ৰ'ল। গাড়ীৰ পৰা তেওঁ নামিল। এনেয়ে মন্দিৰটোৰ এপাক ঘূৰিবলৈ গৈ তেওঁ পিছুৱাই আহিল। ডেকা-গাভৰুৰ অশ্লীল প্ৰেমৰ অংগী-ভংগীবোৰ কিবা আচহুৱা যেন লাগিল তেওঁৰ। তাৰমানে এনে নিজঙ্গাল পৰিৱেশৰ গইনা লৈ ডেকা-গাভৰুৱে এইবোৰ কৰিবলৈকে ইয়ালৈ আহে? নাই, নাই! ইয়াত তেওঁ বিচাৰি ফুৰা গোন্ধটো থাকিব নোৱাৰে। তেওঁ চিধা বশিষ্ঠলৈ আহিল। সন্ধ্যা, ললিতা, কান্তাৰ সংগমস্থলীৰ এটি ডাঙৰ শিলৰ ওপৰত তেওঁ বহি ল'লে। এদিন গাঁৱৰ পৰা গুৱাহাটী চাবলৈ অহা যাত্ৰীবোৰৰ মাজত কামনাৰ লগত সি বহিছিল। এবাৰ কামনা পিছল খাই পৰিব খোজোঁতে সি তাইক গৰা মাৰি ধৰিছিল। অষ্টম শ্ৰেণীত পঢ়ি থকা কামনাৰ কিঞ্চিৎ গুখ বুকুৰ স্পৰ্শত ৰমাকান্তই নোপোৱা বহু কিবাকিবিৰ উমান পাইছিল। কামনাৰ মাথে তেল আৰু বকুল ফুল মিশ্ৰিত চুলিটাৰিৰ গোন্ধটোৱে তাক সঘনাই আমনি কৰিছিল। মায়াক চহৰত লগ নোপোৱালৈকে কামনাৰ চুলিটাৰিৰ গোন্ধে তাৰ দেহ-মন আমোলমোলাই তুলিছিল। কামনাৰ সদ্য প্ৰস্ফুটিত যৌবনৰ স্পৰ্শই তাক জীৱন সংগ্ৰামত আগুৱাই খোজ দিবলৈ প্ৰতিটো মুহূৰ্ততে উৎসাহ যোগাইছিল। কিন্তু কেনেদৰে তাইৰ একান্ত ভালপোৱা পৰিত্যাগ কৰি চহৰীয়া মায়াক আঁকোৱালি ল'লে এই কথা ভাবিলে চৌধুৰীৰ নিজকেই কিবা অপৰাধী যেন লাগে। বহু বছৰ কামনা বিয়াত বহা নাছিল। শেষত পৰিয়ালৰ হেঁচাত দিগম্বৰীৰ লগত তাইৰ বিয়া হ'ল সেই বয়োবৃদ্ধ দৰাজনো ইমানৰ পিছতেই মৰি থাকিল।

জেপৰ পৰা ৰুমালখন উলিয়াই সিক্ত দুচকু মচি ৰমাকান্ত চৌধুৰী খপজপকৈ উঠিল। নাই! ইয়াৰ সেমেকা পৰিৱেশত তেওঁৰ বিচৰা গোন্ধটো নাই। কি ঠিক, সেই গোন্ধটো কামনাৰ দীঘল চুলিটাৰিৰ মাথে তেল আৰু বকুল ফুল মিশ্ৰিত গোন্ধটোও হ'ব পাৰে। কঁকাললৈকে বৈ পৰা কামনাৰ চুলিকেইডাল? ব'দ দিলে জিলিমিলি ম'ৰাৰ পেখম ধৰা চুলিটাৰি! আস্! কিযে অন্তৰস্পৰ্শী তীব্ৰ অথচ মনোহৰ গোন্ধৰ সেই চুলিটাৰি, য'ত আকণ্ঠ নিমজ্জিত হৈ আছিল এসময়ৰ ৰমাকান্ত নামৰ দুৰ্বাৰ প্ৰেমিকজন!

সিং, একেবাৰে ঘৰলৈকে ব'লা। জালুকবাৰী হৈ যাব নেলাগে।

'হ'ব বাবু' বুলি সঁহাৰি দি সিঙে গাড়ী ঘৰলৈকে বুলি পোনালে। ইতিমধ্যে মহানগৰীখনে যেন এন্ধাৰবোৰক খেদিবলৈকে বুলি নিজৰ গাত পোহৰৰ অলংকাৰবোৰ পিন্ধিবলৈ ধৰিছে। এন্ধাৰবোৰে থৰকাচুটি হেৰুৱাই য'তে পাৰি ত'তে কুছি-মুছি লুকাই পৰিল।

গাড়ী আহি চৌধুৰীৰ ঘৰৰ মজিয়াত ৰ'ল।

হৰিচৰণে আগবাঢ়ি আহি চৌধুৰীক আগবঢ়াই নিলে। তেওঁ পুনৰ বাৰাণ্ডাৰ আৰ্মচেয়াৰখনত বহি ল'লে। সিঙে গাড়ী গেৰেজত সোমাই থ'লে। হৰিচৰণে মুখ-হাত ধুবলৈ পানী যতনাই দিলে। ৰমাকান্ত চৌধুৰীয়ে একাত্মমনে সমুখৰ ফুলনিলৈ আৰু লোহাৰ গেটখনলৈ চাই থাকিল। এক চিনাকি সুগন্ধই তেওঁৰ নাক স্পৰ্শ কৰিলে। তাৰ মানে পদুলিমুখৰ দাঁতিত থকা শেৱালি জোপা ফুলিবলৈ আৰম্ভ কৰিছে।

ছায়ামূৰ্তিৰ দৰে কোনোবা এজন লোহাৰ গেটখন সন্তৰ্পণে খুলি আগবাঢ়ি আহিছে। চৌধুৰী সতৰ্ক হ'ল।

কোন অ' এইটো হৰিচৰণ?

চৌধুৰী প্ৰশ্নত হৰিচৰণে পদুলিমুখ ভালদৰে নিৰীক্ষণ কৰিলে।

সেয়া সৰু দেউতা, গাঁৱৰ পৰা আহিছে।

চৌধুৰী আশ্বস্ত হ'ল। আজি সি অহাৰ কথা আছিল।

ৰাতি থকাকৈ। সেয়ে আহিছে। আজি সি গাঁৱলৈ যোৱা-নোযোৱা সম্পৰ্কে খাটাং সিদ্ধান্ত জানিবলৈকে আহিছে। পাৰিলে সি তেওঁক লৈয়েই যাব।

নিশিকান্ত আহা, বহা।

অইনদিনা চৌধুৰীয়ে নিজ ভায়েকক এনেদৰে বহা বুলি কোৱা নাছিল। আজি ক'লে। নিশিকান্তই বহো-নবহোকৈ ককায়েকৰ নিচেই ওচৰত থকা চেয়াৰখনত বহিল।

ঘৰৰ সকলোৰে ভালনে?

ভাল!

ককায়েকৰ প্ৰশ্নোত্তৰ নিশিকান্তই এটা শব্দেৰে দিলে।

হৰিচৰণ, আমাৰ দুয়োলৈকে চাহ দুকাপ আনা।

হৰিচৰণ ভিতৰলৈ সোমাই গ'ল।

কিছু সময় দুয়ো মনে মনে থাকিল। পাতল বতাহ এজাক বলিছে। শেৱালিৰ স্নিগ্ধ সুবাসে পুনৰ তেওঁৰ নাক স্পৰ্শ কৰিলে।

হঠাৎ ৰমাকান্ত চৌধুৰী বহাৰ পৰা উঠিল। কঁচু বিচৰা গাহৰিৰ দৰে তেওঁ গোটেই বাৰাণ্ডাখনতেই কিবা বিচাৰি ঘূৰি ফুৰিবলৈ ধৰিলে।

হঠাৎ তেওঁ মন কৰিলে নিশিকান্ত বহা ঠাইৰ পৰা যেন সেই গোন্ধটো, তেওঁ ইমান সময়ে বিচৰা গোন্ধটো ভাহি আহিছে।

ৰমাকান্ত নিশিকান্তৰ ওচৰ চাপিল।

নিশিকান্ত, তুমি থিয় হোৱাচোন!

ককায়েকৰ অপ্ৰকৃতিস্থ অৱস্থা প্ৰত্যক্ষ কৰি আচৰিত হোৱা নিশিকান্ত উঠো-নুঠোকৈ উঠিল। ৰমাকান্তই তেওঁৰ মূৰৰ পৰা ক্ৰমাৎ তলপেটৰ পিনে শুঙিবলৈ আৰম্ভ কৰিলে।

নিশিকান্ত অস্বস্তিত পৰিল।

ককাইদেউ, আপুনি পাগলৰ দৰে এইবোৰ কি কৰিছে। আপুনি মোৰ ভৰিত.....

নিশিকান্ত পিছুৱাই আহিল।

ৰমাকান্ত আৰু অধিক অস্থিৰ হৈ পৰিল।

চাওঁ, নিশিকান্ত, তুমি তোমাৰ ভৰি দুখন আগবঢ়াই দিয়াচোন।

আকুলভাৱে ৰমাকান্ত চৌধুৰীয়ে নিশিকান্তক অনুৰোধ কৰিলে। অস্বস্তিত পৰা নিশিকান্ত যিমানে পিছুৱাই যায় তিমানে তেওঁ আগবাঢ়ি যায়। অৱশেষত নিশিকান্ত ৰৈ গ'ল। খং, লাজ, অভিমানত দুৰ্বল কণ্ঠে নিশিকান্তই মুখ খুলিলে, এইবোৰ আপুনি কি কৰিছে ককাইদেউ? মোক কিয় লাজ দিছে? মই কাইলৈ ভূঁই ৰুব লাগিব বাবে ততাতৈয়াকৈ কোৰেৰে পথাৰত আলি কেইটামান দি আহোঁতে ভৰি দুখন ভালদৰে ধুবলৈ নহ'ল। সেইবাবে আঙুলিৰ মাজত বোকা লাগি থাকিল। সেই বোকাৰ বাবেই আপুনি মোক।

কান্দো-নাকান্দোকৈ কোৱা কথা শুনি ৰমাকান্ত চৌধুৰী ঠাইতে ৰৈ গ'ল। তেওঁ আচৰিত হৈ নিশিকান্তৰ মুখৰ পিনে আৰু ভৰি দুখনলৈ পুনৰ চালে।

তাৰ মানে ইমানিদিনে তেওঁক ব্যতিব্যস্ত কৰা চিৰ আকাংক্ষিত, পৰম প্ৰত্যাশিত সেই গোন্ধটো নিশিকান্তৰ দুভৰিৰ আঙুলিৰ মাজত থকা বোকাৰ গোন্ধ? অৰ্থাৎ তেওঁৰ একালৰ প্ৰিয় আকৰ্ষণ খেতি পথাৰৰ মাটিৰ গোন্ধ?

চৌধুৰীৰ মুখমণ্ডল উজ্জ্বল হৈ পৰিল।

হৰিচৰণ, সিং গ'ল নেকি?

হৰিচৰণে ওচৰ চাপি ক'লে, গ'ল দেউতা! কিয় গাড়ীখন লৈ আকৌ ক'ৰবালৈ যায় নেকি?

ৰমাকান্ত চৌধুৰী পুনৰ আৰ্মচেয়াৰত বহিল। নিজৰ গলটো পৰিষ্কাৰ কৰি ক'লে, আজি নেযাওঁ। কাইলৈ ৰাতিপুৱাই নিশিকান্তৰ লগত যাম। গাঁৱলৈ। নিজ ঘৰলৈ। তই মোৰ কাপোৰ-কানি আজি ৰাতিয়েই ভালদৰে বান্ধি থৈ দে। আৰু শুন, সিঙক এতিয়াই খবৰ দিব নেলাগে। পুৱা তই নিজে তাক লৈ আহিবি। আজি মাটি দাইলেৰে ঔ টেঙা খাবৰ মোৰ খুউব মন গৈছে। মাটি দাইল আৰু ঔ টেঙা বজাৰৰ পৰা আনিব পাৰিবি?

নিশিকান্তই বুৰ্বকৰ দৰে ককায়েকৰ মুখলৈ চালে।

হৰিচৰণৰ মুখমণ্ডল পাতল এন্ধাৰতো জিলিকি উঠিল! □

গল্প



# উৰ্বী, শোভিতা আৰু অনন্ত জিজ্ঞাসা

**দীপ্তিৰেখা পাঠক মজুমদাৰ**
*প্ৰৱক্তা, অসমীয়া বিভাগ*

'যেতিয়া আমি প্ৰত্যেকেই সজাগ হ'ম - যেতিয়া প্ৰেম-ভালপোৱাৰ গংগাত অৱগাহন কৰি সমগ্ৰ মানৱ জাতিকে একতাৰ ডোলেৰে মেৰিয়াব পাৰিম - হয়তো তেতিয়া এই ভ্ৰাতৃঘাতী সংগ্ৰামৰ অন্ত পৰিব।'

সঘনাই বাজি থকা টেলিফোনটোলৈ অনিচ্ছাকৃতভাৱে হাত মেলিলে শোভিতাই। আধা মেলা চকুহালিৰে ঘড়ীটোলৈ চাই দেখিলে পাঁচ বাজিবলৈ এতিয়াও পোন্ধৰ মিনিট বাকী আছে। কিমান আশাৰে আজি দেৰীলৈ শুই থাকিম বুলি ভাবিছিল। কোনে বাৰু এই বোবাৰীপুৱাতে তাইক জগাই দিলে। কিবা জৰুৰী খবৰ-বাংগালোৰলৈ যোৱা আকাশদীপ অথবা মোমায়েকৰ ঘৰলৈ যোৱা ৰাজ-ৰিয়াৰ ফোন নহয়তো .....! মুহূৰ্তৰ ভিতৰতে তাইৰ মনলৈ নানা চিন্তা আহিল। 'হেল্লো' অলসভাৱে শোভিতাই মাত লগালে।

'উস্ হওক দেও সাৰ পালি যে! ইমান দেৰীলৈ ফোন নুঠাৱ। এনেকৈ শুই থাকিলে পেটুৱা হৈ যাবি বুজিছ।' সিফালৰ পৰা ভাঁহি অহা বান্ধৱী প্ৰিয়ম্বদাৰ মাতত স্বস্তিৰ নিশ্বাস কাঢ়িলে শোভিতাই।

'তইঁত সাংবাদিকবোৰৰ ৰাতিপুৱাও কোনো কাম-কল নেথাকে নেকি অ'। মোৰ তাত এতিয়া তোক দিবলৈ কোনো সংবাদ নাই। ঘৰত কোনো নাই, আৰামত শুই আছোঁ। শুবলৈ দে মোক।" তাই ফোনটো থবলৈ বিচৰা যেন লগাত সিফালৰ পৰা প্ৰিয়ম্বদাই চিএৰি উঠিল, 'ৰবি, ৰবি, ফোন নথবি। কাম-কাজ নাথাকিলে তোক ফোন কৰাৰ মোৰ কোনো গৰজ নপৰে। আৰু শুন, আজি গৰজ তোৰহে বুজিছ। তই এঘণ্টাৰ ভিতৰত ৰেডী হৈ থাক। আমি এঠাইলৈ যাম, তোক বাটতে পিক্ আপ কৰিম।'

'তইঁত য'তেই যাব যা, মই কিয় যাম তইঁতৰ লগত? মই ক'তো যাব নোৱাৰো।'

'নয়নপুৰলৈও নাযাব?'

'নয়নপুৰ ......?'

'ওঁ নয়নপুৰ। শুন, যোৱা নিশা নয়নপুৰত সন্ত্ৰাসবাদী আৰু ৰাইজৰ মাজত সংঘৰ্ষ হৈছে। কেইবাজনো লোক হতাহত হোৱা বুলি খবৰ আহিছে। ডিটেইলছ গম পোৱা নাই। আমি এৰেণ্টাৰ ভিতৰতে ৰেডী হৈ যাব লাগে। তই ওলাই থাক।' লাইনটো কাটি দিলে প্ৰিয়ম্বদাই। মুহূৰ্তৰ ভিতৰতে দিনটোৰ সকলো ৰুটীন যেন সলনি হৈ গ'ল শোভিতাৰ। লৰালৰিকৈ হিল্লাখন সজাই-পৰাই থৈ তাই বাথৰুমত সোমাল। নয়নপুৰ নামটোৱে প্ৰতিটো পলতে তাইৰ হৃদয়তন্ত্ৰীত জোকাৰণি তুলিবলৈ ধৰিলে! কিমান বছৰ হ'ল বাৰু ..... কুৰি বছৰ - হয়তো হ'ব পাৰে। হয়তো তাতকৈও বেছি হ'ব পাৰে। পাহৰণিৰ অতল গহ্বৰত সেই দিনবোৰ যে কেনেকৈ বিলীন হৈ গৈছে ভাবি আচৰিত লাগে শোভিতাৰ। শৈশৱ আৰু কৈশোৰৰ সবাতোকৈ সুন্দৰ দিনবোৰ যিখন নয়নপুৰত কটাই স্বৰ্গীয় আনন্দ লাভ কৰিছিল সেইখন নয়নপুৰ তাইৰ বাবে এতিয়া এটা পাহৰি যোৱা অতীত। আমি মানুহবোৰ কেনেকৈ ইমান স্বাৰ্থপৰ হৈ পৰো বাৰু? তাই নিজকে নিজে প্ৰশ্ন কৰিলে।

বাহিৰত গাড়ীৰ হৰ্ণ শুনি শোভিতাই বেগটোত প্ৰয়োজনীয় বস্তু দুপদমান লৈ দুৱাৰ আৰু গ্ৰীল লক্ কৰি খৰখেদাকৈ তললৈ নামি আহিল। ড্ৰাইভাৰৰ চিটত প্ৰিয়ম্বদা। তাৰমানে এইজনীয়ে আজি কোনো সংগী অনা নাই। ইমান লং ড্ৰাইভ —

আহ আহ চিন্তা কৰিব নালাগে। হৃদয়ক লৈছো। প্ৰয়োজন হ'লে সিও ড্ৰাইভ কৰিব। তইতো আছই ডিবেকচন দিবলৈ।' শোভিতাৰ মনৰ ভাব বুজি প্ৰিয়ম্বদাই ক'লে। হৃদয়লৈ চাই হাঁহি এটা মাৰি শোভিতা প্ৰিয়ম্বদাৰ কাষত বহি পৰিল।

আহল বহল মুকলি ৰাস্তাটোৰে সিহঁতৰ গাড়ী আগবাঢ়িল। ৰাতিপুৱাৰ পাতল ফিৰফিৰিয়া বতাহজাকে সিহঁতক মৰমৰ চুম্বন যাচিলে। মহানগৰীৰ ধূলি-ধোঁৱা ধূসৰিত জীৱনৰ পৰা ওলাই আহি নিজকে মুকলি মুকলি যেন লাগিল শোভিতাৰ। গালে মুখে চিটিকি পৰি টৌ খেলি থকা চুলিখিনি ঠিক কৰি তাই প্ৰিয়মলৈ চালে। প্ৰিয়মে ভাল ড্ৰাইভ কৰে। কিন্তু কিয় জানো আজি গাড়ী প্ৰিয়মে নহয় - হৃদয়ে চলালে বেছি ভাল হ'লহেঁতেন। হাইৱেৰ পৰা নয়নপুৰলৈ যোৱা সেই কুৰি কিলোমিটাৰ ৰাস্তা যে কিমান বেয়া সেই কথা প্ৰিয়মে নাজানে। ৰাস্তাটোও তাইৰ বাবে বিশেষ পৰিচিত নহয়। এইখিনি কথা যদি তাইক কোৱা হয় তেন্তে তাই জকজকাই উঠিব।

'কি হ'ল এনেকৈ গুম চুম হৈ গাৰি নে কথা পাতিবি? কথা নাপাত যদি গানকে শুনো — কি শুনিবি?' প্ৰিয়মে সুধিলে।

"বাইদেউ আপোনাৰ ফে'ভৰিট্ ভিস্কো" — পিছৰ চিটৰ পৰা হৃদয়ে ক'লে।

'ন' — আজি মোৰ ফে'ভৰিট্ নহয় — শোভাৰ অল টাইম ফে'ভৰিট্ চং হে শুনিম। হ'বনে শোভা?' শোভিতাই মিঠা হাঁহি এটা মাৰি মূৰ দুপিয়ালে। সকলো সময়তে সকলো গান শুনি তাই ভাল নাপায়। আজিৰ এই মুহূৰ্তত কলেজীয়া দিনৰ ভাল লগা গানবোৰ শুনি শুনি তাই সোঁৱৰণিৰ সঁফুৰা মেলিবলৈ যত্ন কৰিব। তাত এতিয়াৰ অন্তৰংগ বন্ধু-বান্ধৱীসকলৰ প্ৰৱেশেই নঘটিব। নয়নপুৰে তাইক সুদূৰ অতীতলৈ লৈ যাব ধৰিলে...।

এজাপ তাম বৰণীয়া চুলি আৰু ৰঙচুৱা টুপ্ টুপীয়া চেহেৰাৰ তিনিবছৰীয়া শোভাক আইতাকে লৈ আহিছিল নয়নপুৰলৈ। অত্যাধিক মৰমৰ ডাঙৰ ছোৱালী অৰ্পিতাৰ অকাল বিয়োগৰ পিছত মৃত্যু কি বুজি নোপোৱা অবোধ শিশুটোক মাক নোহোৱা ঘৰখনত এৰি আহিবলৈ তেওঁ কোনোপধ্যে মান্তি হোৱা নাছিল। নিৰুপায় জোঁৱায়েকে চকুলোৰে মৰমৰ পত্নীৰ স্মৃতি কণ'মানি শোভাক শাহুৱেকৰ হাতত তুলি দিছিল। মোমায়েক-মাহীয়েকহঁতৰ মৰমৰ ছাঁত কোনোদিনে মাকৰ অভাৱ অনুভৱ নকৰাকৈয়ে শোভাৰ আৰম্ভ হৈছিল সোণালী শৈশৱ। নয়নপুৰৰ নদীত সাঁতুৰি নাদুৰি, পথাৰে পথাৰে নাচি বাগি ৰ'দে বৰষুণে ধেমালি কৰি ঘূৰি ফুৰা সেইদিনবোৰ আজি যেন জাকি মাৰি আহিছে তাইৰ কাষলৈ। তাইৰ ঠেহ পূৰাবলৈ মোমায়েকহঁতে সাজি দিয়া ৰঙা নীলা কাগজৰ চিলাবোৰ নীল নীলিমাত মিলিবলৈ দি কি যে অনাবিল আনন্দ পাইছিল!

গাওঁৰ মানুহে কাপোৰ ধোৱা, গা ধোৱা, মাছ মৰা আদি কামত ব্যৱহাৰ কৰা চিনাডুবি বিলৰ পাৰত তুলি থোৱা শুকান মেটেকাৰ মৰমৰনিয়ে মনৰ মাজত মৌবৰষা সুৰৰ মূৰ্চনা তুলি আজি যেন বিজিয়াই মাতিছে শোভিতাক। আছেনে এতিয়াও বিলৰ সিটো পাৰত জুপুকা লাগি বহি থকা বগা বগা বগলীবোৰ? চিনাডুবি বিলৰ কাষতে থকা ওখ ওখ গছকেইজোপাত থকা হাড়গিলাবোৰে এতিয়াও দীঘল দীঘল ঠোঁট বুলাই পোৱালিবোৰক মৰম কৰেনে? ......... ফাগুণ-



Scanned with CamScanner



চ'ত মাহত শুকাই একাঠুও পানী নথকা ৰূপালী নৈখনৰ পাৰৰ কুমলিয়া দুবৰি বন খুৱাবলৈ এতিয়াও গৰুবোৰক নিয়েনে? নৈৰ দাঁতিত থকা কদম জোপাৰ তলত বহি প্ৰসন্ন-হৰিহঁতে এতিয়াও বাঁহীৰ সুৰৰ লহৰ তোলেনে? নৈৰ সিটো পাৰত থকা ডুগডুগী পাহাৰৰ বুকুত কল্‌কলাই বৈ থকা ৰাংঢালী জুৰি কেইটি এতিয়াও নাচি বাগি বৈ আছেনে? শোভাৰ এনে লাগিছে এতিয়াই যেন তাই দৌৰি যাব সেই ঠাইবোৰলৈ। তাইৰ লগৰীয়া জবা, চম্পা, অপৰাইতৰ লগত সোণসেৰীয়া পথাৰৰ আলিয়ে আলিয়ে বালীমাহী চৰাইৰ দৰে নাচি বাগি গাব — "পকাধানৰ মাজে মাজে সৰু সৰু আলি ঐ ........."

হঠাতে তাইৰ মনলৈ আহিল কানু খুৰাৰ কথা। গাঁওৰ চিকিৎসালয়ত ডাক্তৰ নোহোৱাতো সকলোৰে বাবে পৰিচিত কথা। সেয়েহে বিভিন্ন অসুখৰ কবিৰাজী দৰৱ দি দিনৰ দিনটো ঘূৰি ফুৰা কানু খুৰা অঞ্চলটোৰ এজন বিখ্যাত ডাক্তৰ। ওখ-পাখ কানু খুৰাৰ মাওৰ বৰণীয়া মুখত সদায় উজলি থকা মিঠা হাঁহিটোৰ ছবি জলছবিৰ দৰে তাইৰ মনত বৈ গ'ল। আৰু সেই যে যাত্ৰাপাৰ্টীত সদায় ৰাজকুমাৰৰ ভাও লোৱা সিটো চুবুৰীৰ পৰিতোষ — সি বাৰু এতিয়াও অভিনয় কৰি আছেনে? মূৰত জিক্‌মিকাই থকা সৰু ৰঙা মুকুট, গাত ক'লা ভেলভেট কাপোৰৰ ওপৰত জিক্‌মিকোৱা মণি মুকুতা লগোৱা চোলা আৰু হালধীয়া বোঁছমী চুৰিয়াখনেৰে কোনো ৰূপ কথাৰ ৰাজকোঁৱৰ যেন লগা পৰিতোষে ক'ৰপৰা ইমান অভিনয় প্ৰতিভা পাইছিল — নে অভিমন্যুৰ দৰে মাকৰ গৰ্ভতে লাভ কৰিছিল সেই প্ৰতিভা...।

ব্ৰেক মাৰি ৰাখি দিয়া গাড়ীখনৰ প্ৰচণ্ড জোকাৰণিত জোকাৰ খাই উঠিল শোভিতা। 'কি হ'ল, বখালি যে।'

'মহাৰাণী, তুমি তপস্যাত তন্ময় হৈ থাকিলে আমাৰ পেটৰ পোৰণি নমৰে। জস্তি আহ, আটলাণ্টাৰ গৰম গৰম ৰুটী-তৰকাৰে দিনটোলৈ পেট পুৰাই লওঁ।' 'আটলাণ্টা' উচপ খাই উঠিল শোভিতা। তেতিয়াহে তাই হোটেলখনৰ ওপৰলৈ চালে। সুন্দৰকৈ লিখা আছে 'ৱেল কাম টু আটলাণ্টা'। আজি-কালি হোটেল, ধাবা আদিৰ নামবোৰো ইণ্টাৰনেচনেল নহ'লে নচলে কিজানি। তাই মনতে ভাবিলে।

'আহক-আহক বাইদেউ বহুদিনৰ মূৰত আপুনি আমাৰ ইয়ালৈ আহিছে। আজিকালি বেলেগত সোমায় কিজানি' — মিঠা হাঁহি মাৰি মেখেলা-চাদৰ পৰিহিতা মংগোলিয়ান গঢ়ৰ মানুহগৰাকীয়ে সিহঁতক সাদৰ-সম্ভাষণ জনালে। প্ৰিয়ম আৰু হৃদয়ে তেওঁৰ লগত কথা পতাত ব্যস্ত হৈ পৰিল। শোভিতাই হোটেলখনৰ চাৰিওফালে চকু ফুৰালে। যথেষ্ট চাফ-চিকুন আৰু পৰিপাটিকৈ সজাই থোৱা হোটেলখনৰ পিছফালৰ খোলা খিৰিকীৰে দেখা গৈছে বিস্তীৰ্ণ সেউজ পথাৰ। ফিৰ্‌ফিৰিয়া বতাহজাকৰ লগত উৰি আহিছে চিনাকি চিনাকি লগা ধূপৰ সুবাস। সুবাসটো বাৰু কামিনী কাঞ্চন ফুলৰ সুবাসৰ দৰে নহয়নে....! হঠাতে শোভিতাৰ সন্মুখৰফালে চকু গ'ল। বাহিৰৰ ফুলনিত বিভিন্ন চিজন ফ্লাৱাৰ জক্‌মকাই ফুলি আছে। এটা কোণত সেই জোপা দেখোন কামিনীকাঞ্চন! এতিয়া কামিনী কাঞ্চন ফুলাৰ বতৰ শেষেই হৈছে যদিও গছজোপাৰ পাতৰ মাজে মাজে থোপাথোপে ফুলি থকা ফুল কেইপাহমান দেখিলে।

'তই আজি বৰ নষ্টালজিক হৈ পৰিছ' — নয়নপুৰলৈ সোমোৱা একাবেঁকা খাল-বিলেৰে পৰিপূৰ্ণ গ্ৰেভেল ৰোডটোত সাৱধানেৰে গাড়ী চলাই প্ৰিয়ম্বদাই ক'লে —

'শোভা বাইদেৱেতো আপোনাৰ দৰে ঘূৰি ফুৰা চাকৰি নকৰে — ইমান বছৰৰ মূৰত পুৰণি ঘৰলৈ আহিছে। অলপ নষ্টালজিক হ'বই।' কথা চহকী হৃদয়ে যেন কথা পতাৰ সুবিধা এটাহে বিচাৰি আছিল।

'দৈনিক বাতৰি কাকতৰ চাকৰি — সেয়েহে জীৱনটোৱেই ভ্ৰাম্যমান হৈ পৰিছে। আজিকালি এনেকৈ হঠাতে

ক'ৰবালৈ যাবলৈ মুঠেই আমনি নালাগে। নতুন ঠাই - নতুন মানুহ - ন এডভেঞ্চাৰ। বৰ মজা নহয়নে হৃদয়?'

'হয় হয় বাইদেউ, প্ৰতিদিনে শৰীৰৰ ন - ন ঠাইত বিষ, ধমকি ভৰা ফোন ......' হৃদয়ে হাঁহি হাঁহি টিপ্পনী মাৰিলে।

'মানুহবোৰ কিয় এনে হৈ পৰিছে প্ৰিয়ম? মোৰ শৈশৱৰ নয়নপুৰ এনেকুৱা নাছিল। কিমান শান্তি কিমান প্ৰেম আৰু নিৰিবিলিৰে ভৰা নয়নপুৰখন আজি ইমান অশান্ত ইমান ৰক্তাক্ত হৈ পৰিল!'

'তই ঠিকেই কৈছ শোভা, আমাৰ শৈশৱ এতিয়া বিলুপ্ত অতীত। সকলোৰে সন্মুখত সমস্যাৰ সাগৰ। সন্ত্ৰাসবাদে বিধ্বংসী বনজুইৰ দৰে লহ্লহ্কৈ জিভা মেলি আমাৰ জাতীয় জীৱনত বিয়পি পৰিছে। নাজানো এই ৰক্তাক্ত সংগ্ৰামৰ কেতিয়া অৱসান ঘটিব!' প্ৰিয়ম্বদাৰ মুখৰ পৰা এটা হুমুনিয়াহ ওলাই আহিল।

'যেতিয়া আমি প্ৰত্যেকেই সজাগ হ'ম - যেতিয়া প্ৰেম-ভালপোৱাৰ গংগাত অৱগাহন কৰি সমগ্ৰ মানৱ জাতিকে একতাৰ ডোলেৰে মেৰিয়াব পাৰিম - হয়তো তেতিয়া এই ভ্ৰাতৃঘাতী সংগ্ৰামৰ অন্ত পৰিব।' শোভিতাৰ কণ্ঠত বিষাদৰ ভাব ফুটি উঠিল।

কিছুসময় নীৰৱতাৰে অতিক্ৰম হ'ল। 'এইপ্ৰিয়ম আমি নয়নপুৰৰ সীমা পালোহি। চাচোন চা-সেউজীয়া আভৰণেৰে সেই যে প্ৰকাণ্ড জৰীগছ জোপা দেখিছ, সেই জোপাৰ পৰা নয়নপুৰৰ সীমা আৰম্ভ হয় আৰু শেষ হয় এজোপা প্ৰকাণ্ড বকুল ফুলেৰে। গছজোপা আগৰদৰেই আছে প্ৰিয়ম, মাত্ৰ কনৰীয়া লতাৰে ইয়াৰ শাখা-প্ৰশাখা বাঢ়িছে।' শোভিতাৰ মুখত হাঁহি বিৰিঙি উঠিল।

জনবসতিপূৰ্ণ এলেকাত সোমোৱাৰ লগে লগে প্ৰিয়ম্বদাইঁতে দেখিলে প্ৰায়বোৰ পদূলিমুখেই শূণ্য। যোৱানিশা ইমান ডাঙৰ ঘটনা এটা ঘটি গৈছে— কতোছোন তাৰ ৰেঙনি নাই। তেনেহ'লে ভুল ইনফৰমেচন পাইছিল নেকি তাই? নাই নাই ইমান ভুল খবৰ তাইলৈ অন্ততঃ নাহে।

হঠাতে দূৰৈত মানুহৰ জুম কেইটামান দেখি প্ৰিয়মে লাহেকৈ গাড়ীখন ৰখালে। অলপ ইফালে সিফালে চাই দুৱাৰখন খুলি গাড়ীৰ পৰা ওলাল। একে সময়তে শোভিতা আৰু হৃদয়েও বাহিৰলৈ আহিল।

'যোৱা নিশা ইয়াত ......'

'হয় কিছুদুৰ আগত ঘটনাটো ঘটিছে। আপোনালোকে সম্ভৱ বেছি আগুৱাই যাব নোৱাৰিব। বাতিয়েই আৰ্মিয়ে ফ্লেগমাৰ্চ কৰিছে। স্পষ্টত বহুত আৰ্মি আছে বুলি শুনিছো।' ডেকা ল'ৰা এজনে ক'লে।

'কিন্তু আমি প্ৰেছৰ মানুহ - আমি যাবই লাগিব। আপোনালোকে ঘটনাটো কওঁকছোন' — প্ৰিয়ম্বদাই সুধিলে। বয়সস্থ মানুহ এজনে আগবাঢ়ি আহি ক'বলৈ ধৰিলে — যোৱা তিনিবছৰ মানৰ পৰা অঞ্চলটোত কালিকা লাগিল। সাতামপুৰুষীয়া ঐতিহ্যৰ এনাজৰীৰে সকলো সম্প্ৰদায়ৰ লোকে সুখে সন্তোষে বাস কৰা এই অঞ্চলটোত কাৰোবাৰ কু-দৃষ্টি পৰিল। ক'ৰপৰা জানো অচিনাকি ডেকা কিছুমান আহি অঞ্চলটোৰ বাতাবৰণ দূষিত কৰিব ধৰিলে। লোকালয়ৰ পৰা নিলগত হোৱা বাবে সিহঁত প্ৰশাসনৰ চকুত নপৰাকৈ থাকিল, বিশেষকৈ ভুগডুগী পাহাৰৰ চৌপাশে থকা গভীৰ হাবি-বননিৰে পলাবলৈ সুবিধা থকা বাবে সিহঁতে তাত ঘাটি পাতিলে। প্ৰথমতে আলহী, তাৰ পিছত দাবি ধমকি আৰু ভাবুকিৰে মানুহৰ ঘৰত থাকিব ধৰিলে। লাহে লাহে সিহঁতৰ সাহস বাঢ়িল। আশ্ৰয়স্থলতে টকা-পইচা বিচাৰি চিঠি দিব ধৰিলে। কালিৰ ঘটনাটো অতীষ্ঠ জনসাধাৰণৰ পুঞ্জীভূত ক্ষোভৰ বহিঃপ্ৰকাশ মাথোঁন।' মানুহজন অলপ বৈ গ'ল। 'যোৱানিশা কি ঘটিছিল', হৃদয়ে সুধিলে। 'কি আৰু ঘটিব! গাওঁত কালি পৰগণাৰ নাম চলি আছিল। তাৰ পৰাই কাৰোবাৰ হতুৱাই সিহঁতে ভগীৰথক মাতি পঠিয়ালে। ভগীৰথৰ চাকৰি ভাল। টকা-পইচাও কিছু কৰিছে। আগতেও সিহঁতক কৰ-কাটল দিছে। পিছে এইবাৰ সিহঁতৰ লোভ বাঢ়িল। দহলাখ টকা লাগে বোলে। ইমানবোৰ টকা ক'ৰপৰা দিব সি? এইলৈ দুই পক্ষৰ মাজত শীতল যুদ্ধ চলি আছিল। কালি সিহঁতে তাক দাবি ধমকি দি পিষ্টল উলিয়ালে। ভগীৰথ হৃষ্টপুষ্ট খামিডাঠ-ডেকা। সিও আত্মৰক্ষাৰ বাবে প্ৰাণকাতৰ চিঞৰ মাৰি অতৰ্কিতে গোৰ মাৰি পিষ্টল মানুহ দুয়োকে চিটিকাই দিলে। বাকী দুটাকো কিবা বুজাৰ আগতে সি আৰু তাৰ লগৰ বন্ধুকেইজনে কাবু কৰিলে। নামঘৰৰ পৰা হেজাৰ ৰাইজ ওলাই আহিল। ৰাইজে শিশুপাল বধ ভাওনা কৰিলে।'

'পুলিছে বা আইন কোনোৱে বাধা নিদিলে?'

'বাধা ....? ক্ৰুদ্ধ নৰ-নাৰায়ণক বাধা দিবলৈ সাহ কাৰ? পুলিছে খবৰ পোৱালৈ সকলো শেষেই হৈছে।'

প্ৰিয়ম্বদাইঁতে দেৰী কৰিব নিবিচাৰিলে। বিষণ্ণ মনেৰে মানুহবোৰলৈ চাই তেওঁলোকৰ পৰা বিদায় মাগিলে। সিহঁতক



Scanned with CamScanner

আগবঢ়াই দিবলৈ গাওঁৰ ডজবজীয়া ডেকা এজন আহিল। "মই ঋতুৰাজ - ঋতুৰাজ গোস্বামী। স্কুলত কাম কৰোঁ। বলক, মইও আপোনালোকৰ লগত যাওঁ।" ডেকাজনে নিজৰ পৰিচয় দি গাড়ীত বহিল। শোভিতাই ঋতুৰাজলৈ চালে। কাৰোবাৰ চিনাকি মুখ এখন যেন ঋতুৰাজৰ মুখত তাই দেখা পাইছে। সেইখন মুখ কাৰ তাই ধৰিব পৰা নাই। এই সময়ত তাক একো সোধাৰো ইচ্ছা যোৱা নাই শোভিতাৰ।

কিছুদূৰ আগবাঢ়ি গাড়ী পুনৰ ৰৈ গ'ল। 'যোৱা নিশা ইয়াতে ঘটনাটো ঘটিছিল।' — ঋতুৰাজে ক'লে। ধুই দিয়া ৰাস্তাটোত কেঁচাতেজৰ ৰেঙনি। মাত্ৰ কেইঘণ্টামান আগতে এই ঠাই ডোখৰতে জীৱন-মৰণৰ মহাসমৰ এখন হৈছিল। ঠাইডোখৰ মুকলি। যোৱানিশা প্ৰকৃতিৰ ওপৰত হোৱা মানৱৰ নিষ্ঠুৰ হাঁতোৰাৰ নিৰৱ সাক্ষী লেবেলি যোৱা ঘাঁহনিবোৰতও মুঠি মুঠি ৰঙা ৰঙৰ ফাকুগুড়ি। পহৰাদাৰী আৰ্মি কেইজনমানে এবাৰ 'প্ৰেছ' বুলি লিখা গাড়ীখনলৈ চাই সিহঁতলৈ লক্ষ্য কৰিলে। প্ৰিয়মে একো নক'লে। দ্ৰুতগতিত গাড়ী চলাই দি তাই শোভিতালৈ চালে। সোণালী শৈশৱক বুটলিবলৈ অহা শোভাজনী যেন নিষ্ঠুৰ বাস্তৱৰ বা-মাৰলিত বিপৰ্যস্ত হৈ পৰিছে। চকুৰে মুখে ফুটি উঠিছে এক অনামী বিষাদ, এক অসহায় হাঁহাকাৰ।

কিছুদূৰ আগবাঢ়ি প্ৰিয়ম্বদাই গাড়ীৰ বেগ কমাবলৈ বাধ্য হ'ল। সন্মুখত জনতাৰ বিৰাট মিছিল। কিছুসময় আগতে দেখি অহা পৰিৱেশ আৰু ইয়াৰ পৰিৱেশৰ মাজত আকাশ পাতাল পাৰ্থক্য। প্ৰশ্নবোধক দৃষ্টিৰে তাই পিছৰ চিটত বহি থকা ঋতুৰাজলৈ চালে। 'থানা নিচেই কাষতে বাইদেউ। ডেথবডীকেইটা থানাত আছে। অকল নয়নপুৰৰেই নহয় কাষৰ গাঁওৰ মানুহবোৰও কিজানি আহি উপস্থিত হৈছে।

ভিৰ ঠেলি প্ৰিয়মৰ গাড়ী বেছি আগবাঢ়িব পৰা নাই। শোভিতাৰ অনুভৱ হৈছে এয়া যেন শৈশৱৰ নয়নপুৰত দেখা বিৰ দি বাট নোপোৱা শাৰদীয় দুৰ্গোৎসৱৰ বিজয়াৰ সন্ধিয়া। সেই একে ঠাই, একে জনতা। পাৰ্থক্য মাথোঁন এটাই — ইয়াত নাই বিজয়াৰ আৰতীৰ প্ৰাণোচ্ছল আনন্দ। আছে মাথোঁ সন্ত্ৰাসবাদৰ প্ৰতি জনতাৰ অন্তৰৰ তীব্ৰ ঘৃণা।

গাড়ীখন এঠাইত ৰখাই থৈ জনতাৰ ভিৰ ঠেলি সিহঁত আটাইকেইজনে থানাৰ বাৰান্দাত উপস্থিত হ'লহি। জীৱনত প্ৰথমবাৰৰ বাবে বীভৎস ৰূপ লোৱা মৃতদেহ কেইটা দেখি মূক হৈ পৰিল শোভিতা। স্বজাতিৰ যুৱকৰ এনে হৃদয় বিদী- ৰ্ণ কৰি তোলা ৰূপ চাব নোৱাৰি তাই কোৱা কুৰিকৈ আহি গাড়ীত বহিলহি। দুয়ো হাতেৰে চকু দুটা ঢাকি ধৰি নিজকে সংযত কৰিবলৈ যত্ন কৰিলে।

........... তীব্ৰগতিত চলি থকা গাড়ীখনৰ প্ৰচণ্ড জোকাৰণিত শোভিতা বাস্তৱলৈ আহিল। অলস দৃষ্টিৰে বাহিৰলৈ চাই পঠিয়ালে। দুয়োকাষে সেউজীয়া পথাৰ, সন্মুখত গোমসাপৰ দৰে পৰি থকা দীঘল ৰাস্তা। দুখ, হতাশা আৰু চিন্তা-ভাৱনাত ভাৱাক্ৰান্ত শোভিতাৰ আগত এতিয়া বাৰে বাৰে ভুমুকি মাৰিছে সহজ-সৰল দেৱশিশু এটিৰ নিষ্পাপ মুখ এখনি। সেইখন মুখ উৰ্বীৰ। তাইৰ প্ৰতিবেশী উপকুল বৰুৱাৰ একমাত্ৰ সন্তান উৰ্বী। আঠ বছৰীয়া উৰ্বী যেন অইন শিশুতকৈ কিছু ব্যতিক্ৰম। কিছুদিন আগতে বাতৰিকাকতত সুঠাম যুৱক কেইজনমানৰ ৰক্তাক্ত মৃতদেহ কেইটা দেখি উৰ্বীয়ে তাইক সুধিছিল 'আণ্টী বাতৰি কাকতখনত যে দাদা কেইজনৰ ফটো দিছে — সিহঁতক পুলিছে কিয় মাৰিছে?' 'সিহঁতে বেয়া কাম কৰিছিল, সেইবাবে মাৰিছে দিয়া'। তাই উৰ্বীৰ পৰা প্ৰসংগতো এৰাব বিচাৰিছিল।

'যদি বেয়া কাম কৰা বাবেই মাৰিছে তেনেহলে সিহঁতক মৰা বাবে তুমি কিয় দুখ কৰিছা?' উৰ্বীয়ে পুনৰ সুধিলে।

'মৰা দাদা কেইজন আমাৰেই ল'ৰা। সেইবাবে সিহঁতৰ অকাল মৃত্যুত মোৰ দুখ লাগিছে।'

'তেনেহ'লে আণ্টী, সিহঁতে বেয়া কাম কৰা আৰু পুলিছে সিহঁতক মাৰি পেলোৱা কোনটো বেছি বেয়া?'

'দুয়োটা কামেই সমানেই বেয়া কাৰণ মানুহক বন্দুক দেখুৱাই ভয় খুৱাবলৈ অথবা মানুহক হত্যা কৰিবলৈ আইনে কাকো অধিকাৰ দিয়া নাই।'

বৰ বিব্ৰত হৈ পৰিছে শোভিতা। কাইলৈ বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাতে তাই দেখি অহা মৃতদেহ কেইটাৰ ফটো ওলাব। অইনদিনাৰ দৰে কাইলৈও উৰ্বী তাইৰ ওচৰলৈ আহিব। বাতৰি কাকতখন আগতলৈ হয়তো তাইক প্ৰশ্ন কৰিব 'আণ্টী, তোমালোকে দেখি অহা দাদাকেইজনক যে ৰাইজে মাৰি পেলালে সেই কামটো বেছি বেয়া হৈছে নে দাদা কেইজনে যে মানুহক দিগদাৰ দি আছিল সেইটো কাম বেছি বেয়া হৈছে ....?'

কণমানি উৰ্বীৰ এই সৰু অথচ সাংঘাতিক প্ৰশ্নটোৰ উত্তৰ দিবলৈ যি প্ৰজ্ঞাৰ দৰকাৰ তাৰ অভাৱ অনুভৱ কৰিছে শোভিতাই। আপোনাৰ ওচৰত আছে নে সেই উত্তৰ ....?



Scanned with CamScanner

গল্প



# মঙ্গলসূত্ৰ


মূল ৰচনা ঃ মঙ্গলসূত্ৰ (তামিল)
গল্পকাৰ ঃ চক্ৰৱৰ্তী ৰাজাগোপালাচাৰী
ভাষান্তৰ ঃ নগেন্দ্ৰ নাৰায়ণ দেৱান
*মুৰব্বী, অসমীয়া বিভাগ*


পিতৃ-মাতৃয়ে তেওঁৰ নাম ৰাখিছিল ৰামভদ্ৰন। যেতিয়া তেওঁক উচ্চ শিক্ষাৰ কাৰণে ইংলেণ্ডলৈ পঠোৱা হ'ল, নামটো সংক্ষিপ্ত কৰি তেওঁ নিজকে কেৱল ভদ্ৰন বুলি চিনাকি দিবলৈ ল'লে। পিতৃয়ে তেওঁলৈ যথেষ্ট টকা পঠাইছিল যাতে তেওঁ ভালদৰে পঢ়া-শুনা কৰিব পাৰে। কিন্তু ভদ্ৰনে আজে-বাজে খৰচ কৰি টকা উৰুৱাই দিছিল আৰু পৰীক্ষা একেবাৰে বেয়া কৰিছিল। কোনখন মুখেৰে তেওঁ দেশলৈ উভতি আহিব! সেয়েহে ইংলেণ্ডৰ এটা কাৰখানাত কোনোমতে কাম যোগাৰ কৰি মনে মনে স্থিৰ কৰিলে তাতেই থাকি যাব।

ৰামভদ্ৰনক বিদেশলৈ পঠোৱাৰ আগে আগে তেওঁৰ গোঁড়া আৰু প্ৰাচীনপন্থী পিতৃ পত্তনাভ আয়েঙ্গাৰে ঠিক কৰিছিল পুত্ৰৰ বিয়া'পাতিব। কইনা হিচাপে তেওঁৰ নিজৰ ভনীয়েকৰ ছোৱালীকেই নিৰ্বাচন কৰিছিল। কমলা দেখিবলৈ যেনে ধুনীয়া তেনে তেওঁৰ নম্ৰ স্বভাৱ; সকলো দিশৰ পৰাই আদৰ্শ পুত্ৰবধূ হ'বলৈ যোগ্য। সেয়েহে বিয়াখন ভালদৰেই পাৰ হৈছিল।

ইফালে ইংলেণ্ডত ভদ্ৰনৰ এজনী গাভৰুৰ সৈতে প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিল। তেওঁ কাম কৰা কাৰখানাৰ সহকৰ্মী। ভদ্ৰনে মনে মনে স্থিৰ কৰিলে তেওঁ যিহেতু ভাৰতবৰ্ষলৈ ঘূৰি নাযায়, গতিকে প্ৰেমিকাক বিয়া কৰাব পাৰে। বিয়াৰ প্ৰস্তাৱত ছোৱালীজনীও ৰাজী হ'ল।

ভদ্ৰনে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিলে। ভাৰতীয় পত্নীক চিঠিৰে জনালে তেওঁলোকৰ বিবাহ-বিচ্ছেদৰ ব্যৱস্থা কৰিবলৈ। তাৰপিছতে তেওঁ ইজাবেলক বিয়া কৰালে।

ইজাবেল বৰ ভাল ছোৱালী। বিশ্বৰ অন্য নাৰীৰ দৰেই তেওঁৰ হৃদয় কোমল। স্বামীৰ প্ৰতি আছে গভীৰ ভালপোৱা। ভদ্ৰনৰ ওপৰত তেওঁ ইমানেই প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল যে তেওঁৰ সুৰাপানৰ অভ্যাস এৰাব পাৰিছিল। দুৰ্ভাগ্যবশতঃ

ভদ্ৰনৰ সুৰাৰ প্ৰতি আছিল গভীৰ আসক্তি। অবিশ্বাস্য যেন লাগিলেও ইজাবেলে সেই অসম্ভৱকো সম্ভৱ কৰি তুলিছিল। কামটো বৰ সহজসাধ্য নাছিল, কিন্তু প্ৰবল মানসিক দৃঢ়তাৰে ইজাবেলে তেওঁৰ ইচ্ছা পূৰণ কৰিব পাৰিছিল। এই কাৰণে ভদ্ৰনো তেওঁৰ প্ৰতি কৃতজ্ঞ হৈছিল আৰু তেওঁৰ প্ৰতি ভালপোৱা আগতকৈও বাঢ়িছিল। তেওঁলোকৰ দাম্পত্য জীৱন বেছ সুখেৰেই অতিবাহিত হৈছিল।

ইফালে পিতৃয়ে ভদ্ৰনৰ বিয়া আৰু ধৰ্মান্তৰকৰণৰ কথা জানি স্বাভাৱিকতে খঙত অগ্নিশৰ্মা হ'ল আৰু ক'লে "আজিৰ পৰা সি মোৰ পুত্ৰই নহয়!"

ভদ্ৰনৰ বয়স যেতিয়া চাৰি বছৰ তেতিয়াই পদ্মনাভ আয়েঙ্গাৰে তেওঁৰ পত্নীক হেৰুৱায়। তিনি বছৰ পিচত তেওঁ দ্বিতীয় বিবাহ পাতিছিল। ঘনিষ্ঠ বন্ধু ৰামকৃষ্ণ আয়াৰৰ পৰামৰ্শমতেই তেওঁ পুত্ৰক বিদেশলৈ পঠাইছিল। লগতে পুত্ৰৰ ভৱিষ্যৎ সম্পৰ্কে নিজৰো উচ্চাকাঙ্ক্ষা আছিল। তাৰ পঢ়াশুনাৰ কাৰণে যথেষ্ট টকা ব্যয় কৰিছিল। গতিকে সকলো ফালৰ পৰাই পুত্ৰৰ এই ব্যৰ্থতাৰ কাৰণে যে তেওঁক অপৰিসীম হতাশাই আবৰি ধৰিব সেয়া স্বাভাৱিক। ক্ষোভ আৰু অপমানে ইমান গভীৰভাৱে তেওঁৰ মনত ক্ৰিয়া কৰিছিল যে সেয়া এক দীৰ্ঘস্থায়ী ঘৃণাত পৰিণত হ'ল। পদ্মনাভ আয়েঙ্গাৰৰ দ্বিতীয়া পত্নীয়ে ৰাম ভদ্ৰনক বৰ মৰম কৰিছিল। তেওঁ নিজৰ ল'ৰা বুলিয়েই ভাবিছিল আৰু ভদ্ৰনেও তেওঁৰ মৰমৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰিছিল। তেওঁক সৰুমা বুলিয়েই মাতিছিল। দুয়োজনৰ এই মৰমৰ সম্পৰ্কই সেই দিনবোৰত পদ্মনাভক অতি আনন্দেৰে পূৰ্ণ কৰি তুলিছিল। এতিয়া সেই আনন্দপূৰ্ণ সম্পৰ্কৰ জোৰত পুত্ৰৰ সপক্ষে কিবা ক'ব খুজিলেই আয়েঙ্গাৰে চিৎকাৰ কৰি পত্নীৰ মুখ বন্ধ কৰে। তৰুণী বোৱাৰীৰ দুৰ্দশাই তেওঁক অতি ক্ৰোধান্বিত কৰি তোলে। নিষ্পাপ, সৰল মনৰ ছোৱালীজনীৰ জীৱন দুৰ্বিসহ কৰা জনক তেওঁ কোনোপধ্যেই ক্ষমা কৰিব নোৱাৰে।

আয়েঙ্গাৰৰ বন্ধু ৰামকৃষ্ণ আয়াৰ মহাবিদ্যালয়ৰ অধ্যাপক। তেওঁৰ পুত্ৰ মুটুকো ৰামভদ্ৰনৰ সৈতে বিদেশলৈ পঠাইছিল। ভাৰতীয় প্ৰশাসনীয় সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ দেশলৈ ঘূৰি আহি মুটুৱে চৰকাৰী চাকৰি কৰিছে। মুটু ৰামভদ্ৰনৰ ঘনিষ্ঠ বন্ধু। বন্ধুৰ জীৱনত ঘটা ঘটনা সমূহৰ বাবে তেওঁ দুঃখিত। ৰামভদ্ৰনৰ বিদেশ যাত্ৰা আৰু ইয়াৰ লগত জড়িত ঘটনাৱলীৰ কাৰণে আয়েঙ্গাৰ পৰিয়ালত দুৰ্ভাগ্যৰ যি



ক'লা ছাঁ পৰিছে, তাৰবাবে তেওঁৰ পিতৃকেই পৰোক্ষভা[illegible] দায়ী বুলি ভাবে। যাৰ লগত ৰামভদ্ৰনৰ বিয়া হৈছিল, সে[illegible] দুৰ্ভগীয়া ছোৱালীজনীৰ কথা ভাবি মুটুৰ হৃদয় আৰু [illegible] ভাৰাক্ৰান্ত হৈ উঠে।

মুটুৰ বয়স এতিয়া একত্ৰিশ। তেওঁৰ পিতৃয়ে যেতিয়া[illegible] বিয়াৰ কথা কয় মুটুৱে যিকোনো প্ৰকাৰে এৰাই চলে। এদি[illegible] তেওঁ পিতাকক তেওঁৰ সিদ্ধান্তৰ কথা জনালে। মুটুৱে ক'লে "পিতা, ৰামভদ্ৰনৰ কাৰণে যিজনী ছোৱালীৰ জীৱন ধ্বং[illegible] হৈছে, তেওঁক তোমাৰ মনত আছেনে? মই তেওঁকেই বিয়া কৰাম বুলি স্থিৰ কৰিছোঁ।"

বিস্ময়ত বৃদ্ধ মানুহজন মুহূৰ্তৰ বাবে হতবাক হৈ গ'ল অৱশ্যে পিছ মুহূৰ্ততেই নম্ৰভাৱে ক'লে, "বেছ, তোমাৰ যদি এয়াই ইচ্ছা, মোৰ আপত্তি নাই। কিন্তু পদ্মনাভ আৰু তেওঁৰ পৰিবাৰে এই প্ৰস্তাৱত ৰাজী হ'বনে?"

কিছুদিন পিছত আয়েঙ্গাৰক যেতিয়া এই প্ৰস্তাৱৰ কথা কোৱা হ'ল, আশানুৰূপভাৱেই তেওঁ ক'লে, "অসম্ভৱ! এনে কথা মই ভাবিবই নোৱাৰোঁ।"

পিছত অৱশ্যে মুটুৰ প্ৰস্তাৱ পুনৰ্বিবেচনা কৰিলে। অবিশ্বাস্য হ'লেও ৰামভদ্ৰনৰ প্ৰতি থকা ভীষণ খঙৰ কাৰণেই তেওঁ শেষ পৰ্যন্ত মুটুৰ প্ৰস্তাৱ মানি ল'লে। মনে মনে ভাবিলে, "নিশ্চয়, কিয় নহ'ব? মোৰ পুত্ৰৰ কাৰণে যিজনী ছোৱালীৰ জীৱনলৈ দুৰ্ভাগ্য নামি আহিছে, তেওঁক হয়তো এইদৰে অলপ হ'লেও সুখী কৰিব পৰা যাব।"

কেইমাহমান পিছত আয়েঙ্গাৰে তেওঁৰ ভনীয়েকক লগ ধৰি ক'লে, "এটা ভাল বিয়াৰ প্ৰস্তাৱ আহিছে। ইয়াৰ দ্বাৰা আমাৰ পৰিয়ালৰ যি মৰ্যাদাহানি হৈছে তাৰ অলপ হ'লেও লাঘৱ কৰিব পাৰি। এতিয়া দিন-কাল সলনি হৈছে। গোঁড়ামি



Scanned with CamScanner

আৰু ৰীতি-নীতিৰ যথেষ্ট পৰিবৰ্তন ঘটিছে। কমলাৰ কাৰণে এটি সুখী জীৱন যাপনৰ সুযোগ পোৱা গৈছে ; সেয়া দূৰলৈ ঠেলি দিয়া উচিত নহয়। মুটুৱে ভাল চাকৰি কৰে। ভৱিষ্যৎ উজ্জ্বল। বয়সৰ ফালৰ পৰাও দুয়ো মিলিব। মোৰ পুত্ৰৰ দুৰ্ব্যৱহাৰৰ বিৰুদ্ধে এয়া নিঃসন্দেহে মুটুৰ মহানুভৱতা। মই ভাবোঁ তয়ো এই প্ৰস্তাৱত ৰাজী হোৱা উচিত।" কমলাৰ মাকে এই বিয়াৰ প্ৰতি সন্মতি জনালে।

সকলো বাধা আঁতৰ হোৱাত মুটু সুখী। আয়েঙ্গাৰক তেওঁ সুধিলে, "বিয়াৰ কথা আপুনি কমলাক কৈছিল নে?" আয়েঙ্গাৰে ক'লে, "তাই নিশ্চয় মত দিব। তাইৰ কাৰণে যেতিয়া আমি সকলোৱে সন্মতি জনাইছোঁ, তেতিয়া তায়ো নিশ্চয় আপত্তি নকৰিব। নৰকতকৈও জঘন্য এই জীৱনৰ পৰা তুমি তাইক উদ্ধাৰ কৰিব খুজিছা। তাই নিজকে সৌভাগ্যৱতী বুলি ভবা উচিত।"

'তথাপি মোৰ ভাব হয়', মুটুৱে ইতস্ততঃ কৰিলে, "ভাল, মই নিজেই সুধিম।"

"কেতিয়াও নহয়! অসম্ভৱ!", কমলাই দৃঢ়তাৰে প্ৰতিবাদ কৰিলে, "মোৰ স্বামী যেতিয়ালৈকে জীয়াই আছে, মই অন্য কাৰো কথা ভাবিবই নোৱাৰোঁ। তেখেতে অন্য কাৰোবাক বিয়া কৰাব পাৰে হয়, কিন্তু তাতে মোৰ একো আহে বা নাযায়। আমাৰ বিয়াৰ দিনা তেখেতে মোৰ ডিঙিত যি মঙ্গলসূত্ৰ পিন্ধাইছিল, সেয়া এতিয়াও মোৰ ডিঙিত আছে। মই এতিয়াও তেখেতৰ বিবাহিতা পত্নী আৰু ইয়াৰ কেতিয়াও কোনো পৰিবৰ্তন নহয়।"

ৰামকৃষ্ণ আয়াৰ আৰু পদ্মনাভ আয়েঙ্গাৰ দুয়োজনেই বহু বুজালে, কিন্তু কোনো ফল নধৰিলে। মুটুৱে পৰাজয় স্বীকাৰ কৰিব লগা হ'ল। দুয়োটা পৰিয়ালেই বৰ হতাশ হ'ল।

আয়েঙ্গাৰ পৰিয়ালৰ ভিতৰত তেওঁৰ পত্নীয়ে মাজে সময়ে ভদ্ৰনৰ পৰিয়ালৰ খবৰ পাইছিল। এদিন তেওঁ এখন অতি করুণ চিঠি পালে। চিঠিত ভদ্ৰনে লিখিছে, "মোৰ জীৱন সম্পূৰ্ণভাৱে বিধ্বস্ত হৈ গৈছে। পিছল বাটত হেৰাই যোৱাৰ পৰা ইজাবেলে মোক ৰক্ষা কৰিছিল। মোক এটা মানুহত পৰিণত কৰিছিল। সেই ইজাবেল আৰু নাই। কিছুদিন আগতে হাস্পতালত তেওঁ শেষ নিশ্বাস ত্যাগ কৰিলে। মোৰ ভয় হৈছে, পিতাৰ ক্ৰুদ্ধ অভিসম্পাতৰ বাবেই হয়তো চৰম দুৰ্ভাগ্য নামি আহিছে মোৰ মূৰৰ ওপৰলৈ। মই ইমানেই পাপী যে ঈশ্বৰেও মোক পৰিত্যাগ কৰিছে। অনুগ্ৰহ কৰি কমলাক সন্মত কৰোৱাৰ চেষ্টা কৰা যাতে তেওঁ মুটুৰ প্ৰস্তাৱ গ্ৰহণ কৰে। এইটো মোৰ একান্ত কামনা আৰু ঐকান্তিক প্ৰাৰ্থনা। তেওঁক ক'বা সমস্ত হৃদয় উজাৰি মই আশীৰ্বাদ দিছোঁ।" চিঠিখন তেওঁ স্বামী আয়েঙ্গাৰক দেখুৱালে। পিতৃহৃদয় এই কেইবছৰত একেবাৰে পাথৰ হৈ গৈছিল, চিঠিখন পঢ়াৰ পিছত যেন কোমল হৈ পৰিল আৰু খং প্ৰশমিত হোৱাৰ লক্ষণো দৃষ্টিগোচৰ হ'ল।

এদিন কমলাই বৃদ্ধ মানুহজনৰ ওচৰলৈ এটা অদ্ভুত প্ৰস্তাৱ লৈ আহিল। তেওঁ বৰ নম্ৰভাৱে অনুৰোধ জনালে, "পিতা, মই বিদেশলৈ যাব খোজোঁ। আপুনি অনুগ্ৰহ কৰি ব্যৱস্থা কৰি দিয়ক।"

বিস্ময়ত স্তম্ভিত হ'লেও ভিতৰি আয়েঙ্গাৰ স্নেহাতুৰ হৈ উঠিল। মুখেৰে মাথোঁ ক'লে, "কিয় তুমি তালৈ যাব খোজা সোণমণি? লম্পটটোৰ প্ৰতি কি তোমাৰ এতিয়াও মোহ আছে?"

"দয়া কৰি আপুনি মানা নকৰিব।" কমলাই মিনতিৰ সুৰত ক'লে, "মই জানো, ঈশ্বৰে মোক কেতিয়াও বিমুখ নকৰে। আপুনি মাথোঁ এবাৰ মোক যাবলৈ সুবিধা কৰি দিয়ক। যিভাবেই হওক মই তেখেতৰ ওচৰত নিজৰ কাৰণে অকণমান ঠাই উলিয়াই ল'ম।"

আয়েঙ্গাৰে অনুমতি দিলে। কমলাই মুটুৰ সৈতে ইংলেণ্ডলৈ যাত্ৰা কৰিলো। ভদ্ৰনৰ লগত কমলাৰ মিলনৰ দৃশ্যটি বৰ স্পৰ্শকাতৰ!

বেদনাৰ্ত মাতেৰে ভদ্ৰনে সুধিলে, "মোৰ দৰে পাপীৰ কাৰণে সঁচাই কি তোমাৰ হৃদয়ত এতিয়াও ঠাই আছে?"

মাটিত লুটি খাই কমলাই নীৰৱে চকুলোৰে ভৰিৰ পতা তিয়াই দিলে। ভদ্ৰনে দুহাতেৰে তেওঁক তুলি মৰমেৰে সাবটি ধৰিলে। ভদ্ৰনে কমলাক ইজাবেলৰ ছবি দেখালে। বহু সময় ধৰি তেওঁৰ বিষয়ে বহু কথাই ক'লে, "মই যেতিয়া নৰকৰ অতল তলীত প্ৰায় ডুবি গৈছিলোঁ' ইজাবেলে দেৱীৰ দৰে মোৰ সন্মুখত আহি থিয় হৈছিল, মোক উদ্ধাৰ কৰিছিল।"

কমলাই ইজাবেলৰ ছবিখন আলফুলে নি নিজৰ কপালত লগালে।

এবছৰ পিছত পিতৃ-মাতৃৰ আশীৰ্বাদলৈ ভদ্ৰনে আকৌ কমলাৰ সৈতে বিয়া পাতিলে আৰু তেওঁৰ পৈত্ৰিক ঘৰলৈ উভতি আহিল।



Scanned with CamScanner

অতিথি কবিৰ কবিতা

# সন্ধি

হৃদয়ানন্দ গগৈ

আকুলৰ মাকে কৈছিল
লেম্পটোত কেৰাচিন আজিলৈ নহ'ব যেন পাওঁ
টেটোনৰ দোকানৰ পৰাই আহিবা নেকি
চিমনি এটাও আনিবা

ৰাতিৰ সাঁজত কি দিম
চাউল দাইল এপোৱাও নাই
সৰিয়হ তেলকণো উদং
নহ'লেবা এবাটি পানীৰে ৰঙা আলুকেটা সিজাই
ল'ৰাইতৰ চকুলৈ টোপনি মাতোঁনে

...নিমাত নিতাল অচল মানুহটোলৈ চাই
মানুহজনীয়ে হাতৰ খালী মোনাটো পেলাই
আঁতৰি গৈছিল

গহীন গম্ভীৰ কিবা এটাই
যেন চেপি ধৰিছিল

সহস্ৰ প্ৰশ্নৰ আঁৰৰ প্ৰশ্নটোৱে
মানুহটোক আগুৰি ধৰিছিল
ভিতৰৰ শিৰা-উপশিৰা ফালি-ছিৰি
ওলাই আহিব খুজিছিল
বিবৰ্ণ বিব্ৰত স্বৰূপ

পিছে ৰুদ্ধ কণ্ঠৰ প্ৰাচীৰখনতো এনেয়ে
জহাই খহাই দিব নোৱাৰি
মৌনতায়ো কোঙা কৰিব নোৱাৰে
ত্বৰাণিত সন্ধানৰ পৰিক্ৰমা

কি যে দুৰ্বাৰ অনিৰ্বাণ গতি তেওঁৰ
মনত আছে
উত্তৰ তেওঁ কেতিয়াবাই দিছিল
বাখৰ খটুৱাই গঢ়িব খুজিছিল কাবেং
ৰূপালী সোণালী গোটেই ব্ৰহ্মাণ্ডকে যেন



চিত্ৰলেখাৰ হতুৱাই আঁকাব
য'ত ৰূপকোঁৱৰক নিমাতীয়ে মাতিব
কল্পনাই সৌন্দৰ্যৰ পাৰ ভাঙিব

আৰু তাহানিতে তেওঁ
আঙুলিৰ পাবত গণিছিল দিন মাহ বছৰ
মুকুতাৰ দৰে আঁৰি ল'ব খুজিছিল গলত
অনন্ত সত্য ধ্ৰুৱ নক্ষত্ৰ

তুমিতো জানা
নিবিড় হ'ব খুজি যিদিনা
অভিমানী নিমাতীয়ে কোঁৱৰৰ বহল বুকুত
গুজি দিলে এধানি মুখ
সিদিনাই তেওঁৰ আধাপোৰা মঙহত
সবল বিশ্বাসেৰে লেপি দিলে
তোমাৰ দুহাতৰ সঞ্জীৱনী
আৰু
নিজানে নিৰ্জনত
হেৰাই যাব ধৰা বিহ্বল সত্তাক
নিৰ্ভয় নিঃশংকাৰে সিদিনাখনেই
বাস্তবায়িত স্বপ্নৰ প্ৰত্যয়েৰে
সমৰ্পিলে তোমাৰ হাতৰ মুঠিত

তেতিয়া লেম্পটোত উজ্জ্বল পোহৰ
চৌদিশে প্লাৱন যেন

এপাহ এপাহকৈ সৰি পৰা
বকুলৰ পাহিয়েও তেতিয়া কয়
তোমাৰ কথা
সপোনৰ হাঁহি যেন মিঠা

তেতিয়া মানুহজনীয়ে
কেৰাচিনৰ কথা নুলিয়ায়
মাটিমাহ ৰঙাআলুৰে ৰাতিটো নকটায়



Scanned with CamScanner

আটলাণ্টিকৰ গৰ্ভত তেতিয়া তিৰবিৰায়
সকলৰ তৰা
যেন এই পাওঁ এই নাপাওঁ
হাতবে চুকি

বোধহয় এয়া
পৃথিৱীৰ সন্ধিকাল
সভ্যতাৰ শিখৰত মূৰ্তমান
জীৱনৰ বাবে জীৱিতৰ সংগ্ৰাম

ক্ৰমাৎ
কেৰাচিন চিমনিয়ে ঢাকি আছে
জীৱনটো
কোঁৱৰৰ সমুখত পৰি থাকে মানুহজনীৰ উকা মোনাটো।



## সমবেত সংগীত

ড° পৰাগ কুমাৰ ভট্টাচাৰ্য

মহাপ্ৰাণৰ প্ৰতীতি সামৰি
সেউজ সভাত জিলিকে জ্ঞানৰ আলয়
ই যে শত শতৰ সাধনা তীৰ্থ
বিমলা প্ৰসাদ মহাবিদ্যালয়
কত বুৰঞ্জী বুকুত সাৰটি
বৈ যায় বৈ যায় জলজলী নৈ
পাহাৰ পাৰাৰ ক'ত লোকগাঁথা
কল্ কল্ সুৰে আজিও আছে কৈ
স্বৰ্গদেউ আহিলে নগৰখন বেঢ়িলে
ঘটালে দ্ৰোহীয়ে যেতিয়া প্ৰলয়।
দুৰ্জেয় দুৰ্গেয় এই অলকাপুৰী

দুষ্কৃতি দানবে চলাই তাণ্ডৱ
ছহিদৰ প্ৰাণত শৃংখল চিঙাৰ
উজলিল তেজৰ ভীষণ ভমক।

সংস্কৃতি সৌধ সাজিবলৈ লাগে
ত্যাগৰ মণি প্ৰাণৰ বাখৰ
কত খনিকৰে বুকুৰ হেঁপাহেৰে
লিখিলে ইয়াতেই তাৰেই আখৰ
ই যে আমাৰ বুকুৰ বীজ মন্ত্ৰ
আমাৰ সুৰৰ মূৰ্চনা লয়।

## এটি শিশুৰ জন্ম

নৱনীতা পাঠক
*প্ৰবক্তা, প্ৰাণীবিদ্যা বিভাগ*



তোমাৰ তেজৰ সোঁত
মোৰ তেজৰ সোঁত,
মিলিছিল এই ঠাইতেই।
আমি আজি দুয়ো ছিন্নমুণ্ড
যুক্তি আৰু সাহসৰ সংগীন আঘাতত।
আৰ্য অনাৰ্যৰ ৰণ
মহাকাব্যৰ আভৰণ
আৰ্য কোন? অনাৰ্য কোন?
জটায়ু পৰি ৰ'ল যুগৰ বাবে
উপলব্ধিৰ তপ্ত হুমুনিয়াহ লৈ
সত্যৰ সাক্ষী হৈ।
এটি শিশুৰ জন্ম হ'ল
মিলনৰ তীৰ্থ ক্ষেত্ৰত
মুখত যাৰ জিলিকে
ভুবন পোহৰোৱা হাঁহি।
যাৰ তেজৰ ছাঁত ঘুৰি ফুৰে
এদল বহল বুকুৰ কুকুৰ।।



গীত

# হ'বই এদিন সূৰ্যোদয়

**ড° নীলকমল বৰদলৈ**
*প্ৰবক্তা, ভূগোল বিভাগ*

অশান্ত প্ৰহৰ
কালিকা লগা
একোৰে ভৰষা নাই,
হিংসাৰ দাবানল
জ্বলিছে চৌদিশে
সিঞাৰিছে সভ্যতাই।।
বুকুৰ মাজত
বোবা বেদনা
গুজৰি গুমৰি ৰয়,
কাৰ বাবে কিয়
এনে হ'ল নেজানো
কোনে ক'ব ফঁহিয়াই।
তথাপি আশাৰ
বন্তি এগছি
জ্বলাব বিচাৰোঁ মই
কাল এন্ধাৰৰ
বক্ষ বিদাৰি
হ'বই এদিন সূৰ্যোদয়।





# শৰৎ ঃ এটি অনুভৱ

**চিত্ৰলেখা দেৱী**
*প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ*

তোমাৰ আগমনে
কঁপাই তুলিছে মন কঁহুৱা
নিয়ৰক চুই চাব ভয় কৰোঁ বুলি নক'বা
নক'বা কঁহুৱাৰ বা লাগি কঁপি উঠা নাই মন,
অথবা শেৱালিৰ সুবাসে কৰা নাই মন ব্যাকুল।

দহজনে জনাৰ দৰে তুমিও জানা
শৰতৰ মলয়াই সকলোকে চুই যায়।
বিচাৰিব জনাজনে অনুভৱ কৰে তাৰ সৌন্দৰ্য
মতলীয়া হৈ পৰে যৌৱনৰ বলিয়া বান!
সেয়েহে বাট চাই থাকোঁ প্ৰিয়জনৰ
মধুৰ আলিংগনলৈ।।

# বিভীষিকা

নূৰুণ নাহাৰ বেগম
*প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ*

শীতৰ এক গভীৰ নিশা
দেখিছিলোঁ মই
ভগা চালখনৰ ফাঁকেৰে
আকাশৰ অলেখ তৰা।

মোৰ মন সাগৰত
জিলিকি উঠিছিল
সুদূৰ দিগন্ত বিয়পি পৰা
এখনি ছবি,
নৰকৰ পংকিলতাৰে
অংকিত
বিভীষিকা সদৃশ
এখন ব্যংগাত্মক ছবি।

# জীৱন তৃষ্ণা

ৰবিউল হক
*স্নাতক মহলা (১ম বৰ্ষ)*

তুমি আহিছিলা মোৰ কাষলৈ
শৰতৰ শেৱালি হৈ
আজলী পখিলাটিৰ দৰে
আশ্ৰয় লৈছিলাহি
হৃদয়ৰ সেউজী বাগিছাত।
তোমাৰ মধুৰ পৰশত ফুলিছিল
গোলাপ, চম্পা, হাচ্নাহানা
আকাশৰ তৰাবোৰে
ৰ'লাগি চাইছিল
আমাৰ মধুৰ মিলন।
হঠাতে এদিন হৃদয়বীণা
চুৰমাৰ কৰি
আত্মাক উদং কৰি
তুমি গ'লা আঁতৰি
বেদনাৰ বৃষ্টি সিঁচি থৈ
এতিয়া শূন্য আকাশ,
শূন্য হৃদয়, শূন্য মন
চৌপাশে মাথোঁ অনন্ত শূন্যতা।।



# প্ৰেমেৰেও গঢ়িব পাৰি মানুহৰ দেশ

মাকনি নাথ
*স্নাতক মহলা (৩য় বৰ্ষ)*

এনেকৈয়ে কঢ়িয়াই লৈ ফুৰোঁ শিৰোনামা
মোৰ দেশৰ অথবা পৃথিৱীৰ
আৰু বিলাই ফুৰোঁ ইমুৰৰ পৰা সিমূৰলৈ ...
সংগ্ৰামী জনতাৰ ...
পেটৰ ভোকৰ দৰে উজাই অহা দুখ।

আহ! আৰুনো কিমান দিম হিচাপ
হত্যা, লুণ্ঠন অথবা ধৰ্ষণৰ
নাইবা তেজেৰে লুতুৰি পুতুৰি দেহৰ ....
ভাবিলে বুকু বিষায়
সেউজ দেশত উপজিও কিয়
সেউজ হ'ব পৰা নাই
আমাৰ সত্তা!

নাজানো, সময়ে কেতিয়া কঢ়িয়াই আনিব
কেঁচা তেজৰ সলনি বকুলৰ সুবাস .....
সম্প্ৰতি,
হাতুৰিৰে পিটি পিটি সজা আধুনিক সভ্যতা
যান্ত্ৰিকতাত ডুব যোৱা যান্ত্ৰিক মানৱতা
দোকমোকালিৰ আমেজ স্বপ্নত কোনে বাৰু
কাণে কাণে আহি ক'লে ...
'প্ৰেমেৰেও গঢ়িব পাৰি মানুহৰ দেশ ....।'



Scanned with CamScanner

# যদি মই বৰষুণ হওঁ

আবুল হুছেইন আশিফ
*স্নাতক মহলা (২য় বৰ্ষ)*



মই যদি জাক জাক বৰষুণ হওঁ
ৰ'দ বাঢ়ি অহা দিনবোৰত
তাপময় পৃথিৱী আৰু
তোমাৰ ক্লান্ত শৰীৰ
শীতল কৰিবলৈ
নামিলোহেঁতেন ভৰদুপৰত।

যদি মই জাক জাক বৰষুণ হওঁ
বিজুলী গাজনিৰে আকাশ কঁপাই
নামিলোঁহেঁতেন ঝৰ ঝৰকৈ
তোমাৰ কোমল দেহা স্পৰ্শ কৰিবলৈ ....।

মই যদি জাক জাক বৰষুণ হওঁ
কিন্ কিন্‌কৈ পৰিলোঁহেঁতেন
তোমাৰ গালে-মুখে
চুম্বন যাচিবলৈ
জুয়ে পোৰা তোমাৰ শৰীৰ
সেউজ কৰিবলৈ ....
যদি মই জাক জাক বৰষুণ হওঁ,
জাক জাক বৰষুণ ...।

# নগৰবেৰাত নম্ৰতাৰ পদ্য



মেহবুব আলম
*স্নাতক মহলা (২য় বৰ্ষ)*

খোপাত গুজি লৈ আবেলিৰ বেলি
তুমি কলৈ গৈ আছা নম্ৰতা?
জলজলীৰ পাৰে পাৰে জিলিকি উঠিছিল
তোমাৰ খোজৰ চিন
নৈপৰীয়া ৰিণি ৰিণি বতাহজাকে
উটুৱাই আনিছিল তোমাৰ দেহৰ সুবাস
করুণ গুণ গুণনি এটাই কঁপাই তুলিছিল
নগৰবেৰাৰ আকাশ
সৰি পৰিছিল বকুলৰ দুখিলা পাত
বাৰে বাৰে খহি পৰা দেখিছিলোঁ
তোমাৰ ভাটৌপখীবুলীয়া উৰ্ণা .....
নম্ৰতা, প্ৰেমৰ নিয়ৰ সনা কথাবোৰ
কেতিয়া ক'বা ....?
জলজলীৰ বালিচৰত ঝাওবন ফুলা দেখি
কেতিয়া খিলখিলাই হাঁহিবা?

খোপত গুজি লৈ আবেলিৰ বেলি
তুমি ক'লৈ গৈ আছা
নম্ৰতা .....?

# কৃষ্ণচূড়া, চকুলোবোৰ শুকাবলৈ দিবা .....

ৰূপম নাথ
স্নাতক মহলা (৩য় বৰ্ষ)

নিয়ৰবোৰ এতিয়া আকাশ হ'ল।
এৰী চাদৰখনো
ভাঁজতে ফিটিঙিলে।
কৃষ্ণচূড়া মনত আছে মোৰ
তোমাৰ সেওতাত অযুত স্বপ্নৰ জমক।

মোৰ কলমটো শুকালে ...
লিখিম বুলি ভাবিও
লিখাই নহ'ল জানা
তোমালৈ বুলি এখনি, নিয়ৰ সনা
নীলা খামৰ চিঠি ......

কৃষ্ণচূড়া,
চকুলোবোৰ শুকাবলৈ দিবা
নিয়ৰবোৰ এতিয়া আকাশ হ'ল ......।।





# সাগৰিকালৈ

মইদুল ইছলাম
স্নাতক মহলা (২য় বৰ্ষ)

সাগৰিকা, তুমি কুশলে আছানে .... ?
মই লৈ ফুৰোঁ যেতিয়া
তোমাৰ মৰম ভৰা স্মৃতি
বন্ধুবোৰে মোক জোকায়, কিয় লৈ ফুৰিছা
পকেটত সেই ৰেচন কাৰ্ড।
সিহঁতে নাজানে
ইয়াতো আছে বসন্ত আৰু প্ৰেমৰ ঠিকনা।

সাগৰিকা, মই সাগৰ জুখিবলৈ নাযাওঁ
গৈ আছোঁ মাথোঁ —
তোমাৰ বেদনা আৰু ভাগৰ ধুবলৈ।
তুমি অনুভৱ কৰানে
কুলি চৰাই বিহীন বসন্ত
কি-মা-ন নিঃসঙ্গ।

এই নিঃসঙ্গতা ধুমুহা হৈ গুছি যাব
দূৰ-দূৰণিত
মোৰ উত্তপ্ত চকুলো দুধাৰিয়ে ক'ৰ খোজে
সপোন নহয়, আপোন হৈ হে আহা।
সাগৰিকা, তুমি কুশলে আছাতো ....।



Scanned with CamScanner

# শ্ৰদ্ধাঞ্জলি

মমতা দাস
*স্নাতক মহলা (৩য় বৰ্ষ)*

ক্ৰমশ ঃ
মোৰ বুকুৰ অটল গৰ্ভত
অহৰ্নিশে উজলি থাকে উৎকণ্ঠা
আজি একবিংশ শতিকাৰ দোকমোকালিত
কপৌজাকে ডেউকাত কঢ়িয়াই আনক
নৱ প্ৰভাতৰ পোহৰ।

সাতচল্লিছৰ ৰক্তেৰে সিক্ত তিনিবৰণীয়া পতাকা
নীলিমাৰ বুকুত আজিও জিলিকে
আমি স্বাধীন দেশৰ নাগৰিক
হিংসা আৰু বন্দুক পৰিত্যাগ কৰি
অহিংসাৰে গঢ়িম সুন্দৰ সমাজ।
আকাশত উৰিব শান্তিৰ পতাকা
দেশৰ মাটিত জ্বলিব প্ৰেমৰ বন্তি শিখা
মোৰ দুহাতেৰে যাচিম শ্ৰদ্ধাঞ্জলি
বিজয়ৰ তিলক পিন্ধোৱা,
সাহসেৰে পতাকা উৰোৱা
সেই মহান স্বদেশ প্ৰেমী লৈ .....।।





# মৃত্যুৰ খবৰ

মোবাৰক হুছেইন
*স্নাতক মহলা (১ম বৰ্ষ)*

শেষ নিশা
শেৱালিবোৰ সৰিছিল
নিয়ৰৰ দলিচাত।
নিশা ফুলা ফুলৰ সুঘ্ৰাণে
আমোলমোল কৰিছিল
জোনাকৰ শুভ্ৰ পোহৰ
শুধ বগা বসন পিন্ধা গাভৰুজনীয়ে
এৰঁকাল চুলিৰে
শান্তিৰ গীত গাব তাত।
শুভ্ৰ পাৰজনীকো
উৰুৱাই দিম
জোনাক ভৰা নিৰ্জন নিশা।
মচি দিম
মোৰ আইৰ চকুপানীবোৰ
সুকোমল ফুলৰ পাহিৰে।
কেতিয়াও যেন নুশুনো আৰু
আইৰ চোতালত
মৃত্যুৰ নিৰ্দয় খবৰ।।

# উত্তৰণ

নূৰীয়া আহমেদ
স্নাতক মহলা (২য় বৰ্ষ)



অতৃপ্ত নাৰীৰ হৃদয় নহয় পৰিচয়
বাহ্যিক সৌন্দৰ্যেৰে
পূৰ্ণ পৰিচয় নাৰীৰ
স্নেহ, করুণা আৰু মমতাৰে।
ধৰ্ষিতা, পতিতা, গণিকা আমিয়েই যুগে যুগে
নায়ক পুৰুষ যদিও নিকা, নিষ্কলুষ তেওঁলোক।
কাকতত পোৱা জানো
ধৰ্ষিতা লাঞ্ছিতাৰ বিপৰীত শব্দ?
জ্ঞানৰ আলোকেৰে আলোকিত নহয়
আমাৰ মনৰ আকাশ
সেয়েহে আমি হৈ পৰোঁ অৰ্ধ নগ্ন।
আহা আমি আটায়ে মিলি
প্ৰতিবাদৰ কলম তুলি লওঁ
নব প্ৰজন্মই আমলৈ বৈ আছে
আশাৰ ঢেউকা মেলি ......।।

# স্মৃতিৰ এলবাম

কমল দাস
*স্নাতক মহলা (২য়বৰ্ষ)*

আজি বহুদিন হ'ল তোমাক দেখা নাই
মাথোঁ এবাৰ তোমাক নিবিড়ভাৱে
লগ পাবলৈ বৰ মন গৈছে।
মোৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ
সপোন মাধুৰী
অতীতৰ মৰমসনা কথাবোৰ সুঁৱৰি
ৰোমাঞ্চিত হৈ আছিল মোৰ মন
নাচি উঠিছিল প্ৰাণ
বকুলৰ সুবাসে কলিজা পৰশা
সেই মিঠা শিহৰণ ....
ফুলবাগ্য দলিচাৰে
টলমল জলমল
নিয়ৰসনা সেউজীবন।
তোমাক এবাৰ লগ পাবলৈ বৰ মন গৈছে
তোমাৰ বুকুতে আঁকিব খোজোঁ
মোৰ দুখৰীয়া স্মৃতিৰ অলেখ ভাবনাবোৰ।।



# অনুভৱ

মৃণাল নাথ
*স্নাতক মহলা (২য়বৰ্ষ)*

ভালপোৱা বগুৱা বাই আহে
মোৰ হৃদয়লৈ
আকাশখন ৰঙীণ হৈ উঠে
আঙুলিবোৰ কঁপি উঠে বাঁহীত।

ভালপোৱা গুণ গুণাই আহে
মোৰ হৃদয়লৈ
ৰিণি ৰিণি বাজে গীতৰ কলি
অনুভৱে জাকি মাৰি উঠে
তেতিয়া নদীত তৰা সৰে
বগলী জাকে জাকে উৰে
হৃদয় শুই পৰে
তোমাৰ স্বপ্নৰ শেতেলিত।।



Scanned with CamScanner

# ন্যায়

মাজিদা খাতুন
*দ্বাদশ শ্ৰেণী*

ন্যায়, ন্যায়, ন্যায় — ন্যায় আজি ক'ত ?
ন্যায় আজি বিস্মৃতিৰ ইতিহাস
ন্যায় আজি আইতাৰ ধোঁৱা চাঙত।

বিচাৰৰ কাঠগড়াত
অন্যায় আৰু ন্যায়ৰ মহাৰণত
ন্যায় পৰে মহা সংকটত
মূৰ গুজি ক'ত লুকাই থ'বা
ন্যায়ৰ আপোন সত্বাক ?

মুখ খুলিলেই দেখোন
খোল খায় ভণ্ডামিৰ মুখা
ন্যায় বিচাৰি, তাঁত বাতি কাঢ়ি কাঢ়ি
হেৰাই যায় হৃদয়ৰ অন্তিম আশা।
এয়াই যদি ন্যায়ৰ নগ্ন ৰূপ
তেন্তে অভিধানৰ পৰা মচি দিয়া
ন্যায়ৰ ব্যাখ্যা।
পুলিচৰাজ, গুণ্ডাৰাজ আদিবোৰ
হয় যদি ন্যায়ৰাজ — তেন্তে
সলনি কৰি দিয়া ন্যায়ৰ পৰিভাষা।।





# তোমাৰ বাবেই বৈ

মইদুল ছিকদাৰ
*স্নাতক মহলা (২য়বৰ্ষ)*

নিজৰাৰ উত্তাল গতিৰ স'তে
দেও দি দি তুমি আহিছিলা
মোৰ হৃদয় বীণাত ঝংকাৰ তুলি।
তেতিয়া — মৰুময় পৃথিৱীখন
ফুল, তৰা, গানেৰে উপচি পৰিছিল
মই ধন্য হৈ পৰিছিলোঁ
তোমাৰ মিঠা সান্নিধ্যত।
আৰু এদিন —
মোৰ সকলো উদং কৰি
তুমি গুছি গ'লা .....
ভগ্ন হৃদয়েৰে আজিও মই বৈ আছোঁ
তোমাৰ বাবেই .....।

# প্ৰিয়ালৈ

আহাদ আলি আহমেদ
*স্নাতক মহলা (২য় বৰ্ষ)*



নিৰিবিলি নীৰৱ আবেলি
বতাহৰ স'তে ঢৌ খেলি খেলি
তুমি আহিছিলা মোৰ জীৱনলৈ।
অজানিতে খোল খাই গ'ল
মোৰ হৃদয় দুৱাৰ।
তোমাৰ প্ৰতিটো খোজত
প্ৰতিটো চাৱনিত
পুলকিত হ'ল মোৰ আত্মা।
এতিয়া মোৰ চৌদিশে তুমি,
মাথোঁ তুমি
কথাটো তুমি গম পাইছানে ?





Scanned with CamScanner



## এখানি পোহৰ বিচাৰি

জেহেৰুল ইছলাম
*একাদশ শ্ৰেণী*

স্ৰষ্টাৰ সৃষ্টিৰ এই ধৰণীত
প্ৰতি পল অনুপলে
সৃষ্টিৰ লগত ধ্বংসৰ লুকা-ভাকু।
ওখোৰা-মোখোৰা পথ
খোজ দিলেই আঘাতপ্ৰাপ্ত হয়
ভৰিৰ নখ।
তথাপিতো সংগ্ৰামী মনে
এখানি পোহৰ বিচাৰি
আগবাঢ়ি যায় বাধা নেওচি।
সাহসেৰে আগুৱাই গ'লে
কলীয়া ডাৱৰ ভেদি ওলাই আহিব
জীৱনলৈ নতুন পোহৰ।।



## মোৰ প্ৰেম

ছুমিৰ জালাল আহমেদ
*স্নাতক মহলা (৩য় বৰ্ষ)*

অন্তৰ্গামী সুৰুযৰ
হেঙুলী আভাৰে ভৰা সেই
মায়াৱী ক্ষণত
বকুলৰ ছাঁ-পোহৰৰ মাজত
তোমাক লগ পোৱা কথা
আজিও মোৰ মনত পৰে।
হেমন্তক ঠেলি শীতৰ পৰশ দিয়া
সেই হিম শীতল বতাহজাকে
আমাকো স্পৰ্শ কৰিবলৈ
পাহৰা নাছিল ....। তেতিয়া,
অনুভৱ কৰিবলৈ লৈছিলোঁ
দুখনি অশান্ত হৃদয়ৰ অচিন উত্তাপ
দুচকুত পঢ়িবলৈ বিচাৰিছিলোঁ
প্ৰেমৰ আদিপত্ৰ ....।



## শৰতৰ নিশা

লক্ষী ঠাকুৰীয়া
*প্ৰাক্তন ছাত্ৰী*

তেওঁ আহিছিল শৰতৰ জোনালী নিশা
হিয়া উপচাই আনিছিল
সঞ্চিত বেদনা।
মই তেওঁৰ হৃদয়ত হাত ভৰাই চাইছিলোঁ
বিচাৰি পাইছিলোঁ প্ৰেমৰ গভীৰতা
তেওঁ মোৰ চকুত চকু থৈছিল
মুখৰ ফালে একেথৰে চাইছিল
ওঁঠ দুটি ঘনে ঘনে কঁপিছিল
কওঁ কওঁ বুলি ভবা কথাষাৰ ওঁঠতে বৈছিল।
বহুসময় তেওঁ তেনেদৰেই আছিল
তেওঁৰ বুকুৰ মাজত কোনোবা সোমাই পৰিছিল
তেওঁৰ হৃদয়খন বহল হৈ গৈছিল
আন এখন হৃদয় তাত জিৰণি লৈছিল।
শৰতৰ শেষ নিশা
তেওঁ গুছি গৈছিল
কেৱল পৰি আছিলোঁ মই
আৰু
মোৰ ছাঁ।



Scanned with CamScanner

# মোৰ পঢ়া টেবুলত দুখৰ মমবাতি

ৰবিউল হুছইন
*প্ৰাক্তন ছাত্ৰ*

কাৰেণ্ট গ'ল, ভালেই হ'ল
এতিয়া হয়তো বহুত সময়লৈ পঢ়িব নালাগে
তোমাৰ কথাকে ভাবি থাকিম।
ভাবনাৰ মমবাতিডাল নুমাই গ'ল
কাৰেণ্ট নাহিল।
আৰু এডাল মমবাতি জ্বলাই লৈছোঁ
দুখৰ আৰু সংগ্ৰামৰ
যাৰ পোহৰত দেখা পাইছোঁ
মোৰ দেউতাৰ কোটৰগত এযুৰি
আশাবাদী চকু
দুখৰ ত্যাগৰ চকুলোৰে তিতা
মোৰ আইৰ আশীৰ্বাদ
আৰু ববদা, মাজুদা, ভণ্টী আদিৰ
প্ৰতীক্ষিত বহুতো চেপা আৰ্তনাদ।
আৰু হঠাতে এই আটাইবোৰ
দেশ আৰু মাটিৰ আকৃতি ল'লে।
তোমাৰ কথা ভাবিবলৈ
মোৰ সময় নাই, কি কৰিম কোৱা
তুমি মাথোঁ স্পৰ্শ দি থাকিবা
কাৰেণ্ট আহিলেও তোমাৰ কথা
ভাবিব পাৰিম তেতিয়া।





# সমিধান

আবু বক্কৰ ছিদ্দিক
*প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ*

দোষীৰ শাস্তি বিধিৰ বিধান
কিন্তু নিৰ্দোষীৰ প্ৰতি
কিয় এই অপমান?
বাৰে বাৰে কটু বাক্যবাণ।

সিহঁত জাৰজ
নে সন্তান মোৰ আইৰ?
এই বিচাৰ কৰিছে কোনে
যিসকলৰ দেহৰ ঘামত
সিক্ত মোৰ আইৰ প্ৰাণ।
সংস্কৃতিৰ বৰঘৰত সকলো উছৰ্গিত
স্বাধীনতা, অধিকাৰ আৰু মৰ্যাদাৰ
সোৱাদ নোপোৱা সিহঁত
বঞ্চিত, শোষিত আৰু অৱহেলিত
শ্ৰমজীৱীৰ দল।
ৰবলুইতৰ নিষ্ঠুৰতাৰ বলি হোৱা
হাড়ভঙা শ্ৰমেৰে আইক সুশোভিত কৰি
পাইছে অপ্ৰত্যাশিত এই প্ৰতিদান
কিয় বাৰে বাৰে এই অপমান?
কোনে দিব ইয়াৰ সমিধান!



Scanned with CamScanner



# উপ-সভাপতিৰ প্ৰতিবেদন।

**প্ৰতিবেদন**

"নাহি জ্ঞানেন সদৃশ পবিত্ৰমিহবিদ্যতে।"

প্ৰতিবেদনৰ পাতনিতে যি সকল বৰেণ্য ব্যক্তিৰ অক্লান্ত শ্ৰমৰ ফলশ্ৰুতিত বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল তেওঁলোকক শ্ৰদ্ধাৰে সোঁৱৰিলো। ২০০৬-২০০৭ বৰ্ষৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক উপ-সভাপতিৰ পদত সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ এই চেগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰ হিচাপে উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকত নাম ভৰ্ত্তি কৰা দিনৰে পৰা মহাবিদ্যালয়ৰ হৈ প্ৰত্যক্ষ ভাৱে সেৱা আগবঢ়োৱাৰ যি এক হেঁপাহৰ বীজ মোৰ মনত ৰোপিত হৈছিল সেই বীজ যেন এই মহান অনুষ্ঠানটোৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদত নিৰ্বাচিত হোৱাৰ পিছত ফুলে পাতে সুশোভিত হৈ পৰিল। উপ-সভাপতি হিচাপে মই মোৰ কাৰ্যকালত যিমান দুৰ সম্ভৱ নতুনত্ব অনাৰ চেষ্টা কৰিছিলোঁ মহাবিদ্যালয়ৰ আৰ্থিক সীমিত সুবিধাৰে অভাৱ-অভিযোগবোৰ আঁতৰোৱাৰ যত্ন কৰিছিলোঁ।

আমাৰ এবছৰীয়া কাৰ্যকালত আমি যিবোৰ কাম-কাজ কৰিবলৈ সুবিধা পাইছিলোঁ সেইবোৰত মই প্ৰতিজন সম্পাদককে যথাসম্ভৱ সহায় সহযোগিতা আগবঢ়াইছিলোঁ। প্ৰতিটো অনুষ্ঠানেই আমি যিমান দুৰ সম্ভৱ সুন্দৰ কৰি তুলিবলৈ চেষ্টা কৰিছিলোঁ।

মোৰ কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতে দিহা পৰামৰ্শ দিয়াৰ লগতে সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সভাপতি মহোদয়ৰ আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু নগেন্দ্ৰ নাৰায়ণ দেৱান ছাৰ, শাহআমাল মোল্লা ছাৰ, যতীন্দ্ৰ নাথ তালুকদাৰ ছাৰ আৰু ভূমিজা বৰ্মন কলিতা বাইদেউলৈ এই চেগতে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত মোৰ ওচৰত সকলো সময়তে থাকি সহায় কৰা বন্ধু-বান্ধৱী- জ্ঞানদীপ, দিলীপ, উৎপল, ফিৰোজুল, বিৰাজ, অভিজিৎ, কংকণ, হিমাশ্ৰী, অনুপ আৰু ত্ৰিদীপলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌশেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ সৰ্বাংগিন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়

**কৌশিক কলিতা**
উপ-সভাপতি



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

"তমসো মা জ্যোতিৰ্গময়"

প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্তত মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ সেইসকল ব্যক্তিক, যিসকল বহুমুখী প্ৰতিভাসম্পন্ন দূৰদৰ্শী ব্যক্তিয়ে একুৰি পোন্ধৰ বছৰ আগতে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি আমাৰ আটাইৰে অতি চেনেহৰ এই জ্ঞানৰ মন্দিৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰিছিল। মই শ্ৰদ্ধা নিবেদন কৰিছো সেইজন ব্যক্তিলৈ— যিজন মহান ব্যক্তিয়ে এইখন মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা অধ্যক্ষ পদ অলংকৃত কৰি জীৱনজোৰা প্ৰচেষ্টাৰে মহাবিদ্যালয়খন জাকতজিলিকা কৰি তুলিবলৈ অহোৰাত্ৰি চেষ্টা কৰিছিল, সেইজন ব্যক্তি হ'ল শ্ৰদ্ধাৰ প্ৰয়াত দেৱপ্ৰসাদ শইকীয়া ছাৰ।

অইন অইন বছৰৰ দৰে এইবেলিও ডিচেম্বৰ মাহৰ পাঁচ তাৰিখে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল। মোক ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰাৰ ক্ষেত্ৰত সক্ৰিয় সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই কৃতজ্ঞ হৈ ৰ'লোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰি আমি পালন কৰা অনুষ্ঠানসমূহ হ'ল—১। মহাবিদ্যালয় সপ্তাহ : এইবেলি পোন্ধৰ ডিচেম্বৰৰ পৰা বিশ ডিচেম্বৰলৈ ছদিনীয়া কাৰ্যসূচীৰে উলহ-মালহেৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। ১৫/১২/০৬ তাৰিখে ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় নিৰোদ বৰণ দাসদেৱে ৰাতি পুৱা আঠ বজাত পতাকা উত্তোলন কৰে আৰু ৯ বজাত খেল-ধেমালি উদ্বোধন কৰে। ইয়াৰ

পিছত নিৰ্দিষ্ট প্ৰতিযোগিতাসমূহৰ কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰা হয়। ২০ ডিচেম্বৰত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য অতিথি হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অধ্যাপক মাননীয় ডঃ দিলীপ বৰাদেৱ আৰু বিশিষ্ট অতিথি হিচাপে গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা ডঃ মৃদুল চক্ৰৱৰ্তীদেৱে সুমধুৰ আৰু সাৰুৱা ভাষণেৰে সকলোকে মোহিত কৰে।

**আন্তঃমহাবিদ্যালয় ক্ৰীড়া সমাৰোহত অংশগ্ৰহণ :** মহাবিদ্যালয় সপ্তাহৰ পিছতেই নলবাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় ক্ৰীড়া সমাৰোহত আমাৰ মহাবিদ্যালয়ৰ পৰা অংশ গ্ৰহণ কৰা হয়। মহাবিদ্যালয়ত খেল-ধেমালিৰবাবে প্ৰয়োজনীয় সা-সঁজুলিৰ অভাৱ আছিল যদিও মাননীয় ডঃ আবুল বাসাৰ ছাৰে অশেষ কষ্ট কৰি ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দি পৈণত কৰি তুলিছিল। ইয়াৰ বাবে তেওঁলৈ মোৰ কৃতজ্ঞতা নিবেদন কৰিলোঁ। এই চেগতে পৰিচালক হিচাপে যোৱা মাননীয় অনিতা কেওঁট বাইদেউলৈও অশেষ ধন্যবাদ জনালোঁ। টুৰ্ণামেন্টত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী মাজিদা খাতুনে চাৰিশ মিটাৰ দৌৰ আৰু যোল্লশ মিটাৰ দৌৰত তৃতীয় স্থান লাভ কৰি দুটা পদক লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। অন্যান্য খেলুৱৈসকলে পদক অৰ্জন কৰিব নোৱাৰিলেও যথেষ্ট উৎসাহী খেল প্ৰদৰ্শন কৰি মহাবিদ্যালয়ৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হয়।

**সৰস্বতী পূজা :** পৰম্পৰাগতভাৱে এইবেলিও আমাৰ মহাবিদ্যালয়ত ২৩.১.০৭ তাৰিখে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ শ্ৰীচৰণত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। ২৪.১০৭ তাৰিখে প্ৰতিমা বিসৰ্জনেৰে এই অনুষ্ঠানৰ সামৰণি মৰা হয়।

**মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস :** যোৱা ২৬.৮.০৭ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই উপলক্ষে পতাকা উত্তোলন, ছহিদ বেদীত মাল্য অৰ্পণ, বৃক্ষৰোপণ আদি কাৰ্যসূচী পালন কৰাৰ উপৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভাত নগৰবেৰাৰ বয়োজ্যেষ্ঠ নাগৰিক তথা এসময়ত মহাবিদ্যালয়ৰ লগত ওতঃ প্ৰোতঃ ভাৱে জড়িত মাননীয় ভূপেন চন্দ্ৰ দাসদেৱে মুখ্য অতিথিৰ আসন গ্ৰহণ কৰে।

**নৱাগত আদৰণী সভা :** মহাবিদ্যালয়ৰ উৎসৱসমূহৰ ভিতৰত আন এটা আকৰ্ষণীয় আৰু মনোমোহা অনুষ্ঠান ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মিলনৰ অনুষ্ঠান নৱাগত আদৰণী সভাখন এইবেলি ১২.৯.০৭ তাৰিখে পতাৰ বাবে সম্পূৰ্ণ প্ৰস্তুতি লোৱা হৈছিল যদিও প্ৰাকৃতিক দুৰ্যোগৰ বাবে সভাখন স্থগিত ৰাখিবলগীয়া হয়। পিছত ২৫.৯.০৭ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে সভাখন অনুষ্ঠিত কৰা হয়। মুকলি সভাত বিশিষ্ট গল্পকাৰ তথা সু-সাহিত্যিক ৰসানন্দ ৰিজু হাজৰিকাদেৱে মুখ্য অতিথি আৰু বিশিষ্ট কবি তথা মাননীয় সাহিত্যিক হৃদয়ানন্দ গগৈদেৱে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সাৰগৰ্ভ ভাষণেৰে সকলোকে আপ্লুত কৰে।

**আমাৰ কাৰ্যকালৰ সফলতা আৰু বিফলতা :** কোনো ব্যক্তিয়েই জীৱনত সম্পূৰ্ণভাৱে সফল বুলি দাবী কৰিব নোৱাৰে। আমাৰ সীমিত কাৰ্যকালত আমি সম্পূৰ্ণ সফল বুলি দাবী কৰিব নোৱাৰো। তথাপি আমাৰ মহাবিদ্যালয়ৰ আটাইতকৈ ডাঙৰ সমস্যা হ'ল সুদীৰ্ঘ কাল স্থায়ী অধ্যক্ষ নথকা। সমস্যাটোৰ আমাৰ কাৰ্যকালতে সমাধান হয় আৰু ইয়াৰ ফলত মহাবিদ্যালয়খনিলৈ সুস্থ শৈক্ষিক বাতাবৰণ ঘূৰি অহাত আমি সঁচাকৈয়ে আনন্দিত। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসটোৰ প্ৰয়োজনীয় সা-সুবিধাখিনি প্ৰদান কৰি অচিৰে ছাত্ৰীৰ বাবে মুকলি কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক টানি অনুৰোধ জনালোঁ।

আমাৰ কাৰ্যকালত ছাত্ৰ একতাসভাৰ স্থায়ী কাৰ্যালয়, প্ৰয়োজনীয় চকী-মেজ, আলমাৰি আদি যোগান ধৰি দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰা হৈছে। মহাবিদ্যালয়খনিত এখন ধুনীয়া ফুলৰ বাগিচা তৈয়াৰ কৰাৰ সপোনটো বিভিন্ন অসুবিধাৰ বাবে পূৰণ কৰিব নোৱাৰিলোঁ। আশা ৰাখিছোঁ পৰৱৰ্তী ছাত্ৰ একতা সভাই এই কামটো কৰিব। আমাৰ কাৰ্যকালতে বন্ধ হৈ থকা কম্পিউটাৰ চেণ্টাৰটো পুনৰ মুকলি কৰা হৈছে।

**অভাৱ-অভিযোগ :** নিম্নলিখিত অভাৱ-অভিযোগসমূহ সংশ্লিষ্ট কৰ্তৃপক্ষই অচিৰেই পূৰণ কৰিব বুলি আশা কৰিলোঁ—

১। মহাবিদ্যালয়ত পূৰ্ণাংগ প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা।
২। ছিলিং নথকা কোঠাসমূহত অতি সোনকালে ছিলিঙৰ ব্যৱস্থা কৰা।
৩। মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰৰ পৰা ভিতৰৰ ৰাস্তাটো পকীকৰণ কৰা।
৪। ছাত্ৰসকলৰ বাবে অনতিপলমে ছাত্ৰাবাস নিৰ্মাণ কৰা।
৫। ছাত্ৰ আৰু ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয় অভাৱ দূৰ কৰা।
৬। বিজ্ঞান আৰু কলা শাখাৰ প্ৰয়োগশালা সমূহত প্ৰয়োজন হোৱা সা-সঁজুলিসমূহৰ যোগান ধৰা।
৭। বিজ্ঞানৰ সকলো বিষয়ত 'মেজৰ' খোলা।



Scanned with CamScanner

৮। পুথিভঁৰালৰ কিতাপ বৃদ্ধি কৰি নতুন মাত্ৰা প্ৰদান কৰা।
৯। ছাত্ৰ-ছাত্ৰী অনুপাতে প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰ নিৰ্মাণ কৰা।

**কৃতজ্ঞতা স্বীকাৰ :**

আমাৰ কাৰ্যকালত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু বাইজৰ পৰা অশেষ সহায়-সহযোগিতা পাইছোঁ। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰ'ৰ মোৰ অতি শ্ৰদ্ধাৰ সভাপতি শ্ৰীযুত নিৰোদ বৰণ দাস, উপ-সভাপতি শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ দেৱান, যুটীয়া আহ্বায়ক মহঃ শ্বাহজামাল মোল্লা আৰু শ্ৰীযুত বসন্ত কলিতা দেৱে সৰ্বতোপ্ৰকাৰে আগবঢ়োৱা সহায়-সহযোগিতা, দিহা-পৰামৰ্শৰ বাবে সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিনোদন কেন্দ্ৰৰ সমূহ সদস্য ছাৰ বাইদেউ সকলে আগবঢ়োৱা সহায়-সহযোগিতৰ বাবে তেখেতসকলৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

যিগৰাকী শ্ৰদ্ধেয় ব্যক্তিৰ কথা উল্লেখ নকৰিলে এই প্ৰতিবেদন আধৰুৱা হৈ থাকিব, তেখেত হ'ল মোৰ কাৰ্যকালৰ মাজতে আমাৰ মহাবিদ্যালয়লৈ অধ্যক্ষহৈ অহা পৰম শ্ৰদ্ধেয় ড০ পৰাগ কুমাৰ ভট্টাচাৰ্যদেৱ। তেখেতে আগবঢ়োৱা আন্তৰিক সহায়, দিহা-পৰামৰ্শৰ বাবে সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শেষত আপোনালোক সকলোৰে ওচৰত মোৰ জ্ঞাত-অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়খন পুনৰ সকলো দিশতে জাকতজিলিকা হৈ পৰাৰ কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়। ধন্যবাদ।

**ফিৰোজুল হক**
সাধাৰণ সম্পাদক



# সহকাৰী সাধাৰণ সম্পাদৰ প্ৰতিবেদন

## "আত্মনং বিদ্ধি"

প্ৰতিবেদনৰ পাতনিতে যিসকল বৰেণ্য ব্যক্তিৰ অক্লান্ত প্ৰশ্ৰৰ ফলশ্ৰুতিত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল তেওঁলোকক শ্ৰদ্ধাৰে সোঁৱৰিলোঁ।

২০০৬-০৭ বৰ্ষৰ ছাত্ৰ একতা সভালৈ সহ সাধাৰণ সম্পাদক পদত সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ এই ছেগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ এই গুৰু দায়িত্বটোত মই কিমান সফল হ'ব পাৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য। তথাপিও অজানিতে হৈ যোৱা ভুলৰ বাবে মই মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

প্ৰকৃতিৰ মনোমোহা পৰিবেশত অৱস্থিত আমাৰ মহাবিদ্যালয়খনিৰ জন্মলগ্নৰে পৰা যি সুনাম আছে সেই সুনাম চিৰদিন অক্ষত থকাটো আমি প্ৰত্যেকেই বিচাৰোঁ। ইয়াৰ বাবে প্ৰয়োজন হোৱা সুস্থ শৈক্ষিক বাতাবৰণ, প্ৰেম, অহিংসা, ভ্ৰাতৃত্ববোধ আদি সদায় অটুত ৰখাটো আমাৰ প্ৰত্যেকৰে লক্ষ্য হোৱা উচিত। মহাবিদ্যালয় এখনত অভাৱ-অভিযোগ থকাটো নতুন কথা নহয়। কিন্তু অভাৱ-অভিযোগ বোৰ পূৰণ কৰাৰ সদিচ্ছা থাকাটোও অতি প্ৰয়োজন। শ্ৰেণী সমূহ চলি থকা গৰমৰ মাহ কেইটাত ছিলিং নোহোৱা শ্ৰেণী কোঠাবোৰত শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলে কিদৰে ক্লাছ কৰিবলগীয়া হয় এই কথাটো মহাবিদ্যালয় কতৃপক্ষই উপলব্ধি কৰিব নোৱাৰাটো সঁচাকৈয়ে দুখৰ কথা। আশা ৰাখিছো কতৃপক্ষই অতি সোনকালে শ্ৰেণী কোঠা সমূহত ছিলিঙৰ ব্যৱস্থা কৰি সকলোকে সকাহ দিব।

মোৰ কাৰ্যকালত আমাক প্ৰতিটো ক্ষেত্ৰতে দিহা পৰামৰ্শৰ লগতে সহায়-সহযোগিতাৰে উপকৃত কৰা ছাত্ৰ একতা সভাৰ সভাপতি, মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত নিৰোদ বৰণ দাসদেৱ, বসন্ত কলিতা ছাৰ, শ্বাহজামাল মোল্লা ছাৰ, যতীন্দ্ৰ নাথ তালুকদাৰ ছাৰলৈ এই ছেগতে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শেষত মোৰ কাৰ্যকালত মোৰ ওচৰতে সকলো সময়তে থাকি সহায় কৰা বন্ধু-বান্ধৱী বৰ্গ- কৰ্ণ, নিৰ্মল, চন্দনা, মমতা, হিমাংশু, পিংকু, দুলু আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

পৰিশেষত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ। শ্ৰদ্ধাৰে—

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়

**শ্ৰীহেৰম্ব দাস**
সহকাৰী সাধাৰণ সম্পাদক



# সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

## 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল'

প্ৰতিবেদনৰ আৰম্ভণিতে মই মাতৃভূমিৰ হকে তথা মহাবিদ্যালয়খনৰ কাৰণে জীৱন শলিতা জ্বলোৱা মহান ব্যক্তিসকললৈ সশ্ৰদ্ধ প্ৰণাম যাছিলোঁ। বৰ্তমান সময়ত আমাৰ মহাবিদ্যালখন এখন লেখত ল'বলগীয়া মহাবিদ্যালয়। এনেকুৱা এখন মহাবিদ্যালয়ৰ যে মই সাংস্কৃতিক সম্পাদক হ'ব পাৰিছোঁ সেইটো মোৰ ভাগ্যৰ কথা।

নিৰ্বাচনত জয়লাভ কৰি কেইদিনামান পিছতেই শপত গ্ৰহণ কৰি দায়িত্বভাৰ লৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগটো জাকজিলিকা কৰি তোলাৰ সপোন দেখিছিলোঁ। কিন্তু কিছুৰ অভাৱত মোৰ সপোন সপোন হৈয়েই ৰ'ল মই ক'ব নোৱাৰো।

মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক প্ৰতিযোগিতাৰ প্ৰথম দিনটো মোৰ বাবে আজিও স্মৰণীয় অতীত। আমাৰ শ্ৰদ্ধাৰ বাইদেউ শ্ৰীভূমিজা বৰ্মন কলিতা আৰু সু-পৰামৰ্শ দাতা শ্ৰীযতীন্দ্ৰ নাথ তালুকদাৰ ছাৰৰ অকুণ্ঠ সহায়-সহযোগিতাৰে নিয়াৰিকৈ চলাই নিবলৈ সক্ষম হোৱা বাবে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ ফালৰ পৰা ৰমেন, অঞ্জুৱাৰা বাইদেউ আৰু বাতুল মেধিলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সংগীতৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীখিনি বৰ্তমান সময়ত প্ৰায়েই ওলাই নাহে। মহাবিদ্যালয়খনিৰ আজিৰ পৰা দহ বছৰ আগৰ সংগীতৰ ইতিহাস আৰু আজিৰ সংগীতৰ ইতিহাসৰ মাজত যেন দিন ৰাতিৰ পাৰ্থক্য। ক'ত গ'ল সেই নাটক, একাংকিকা নাটক, কৌতুক আৰু বিভিন্ন প্ৰতিযোগিতাসমূহ। এতিয়া যি পৰিস্থিতি হৈছে সেয়া দেখিলে ভাব হয় আৰু কেইবছৰ মান পিছত যেন আমাৰ মহাবিদ্যালয়ৰ সংগীতাকাশৰ বেলি মাৰ যাব। উপযুক্ত সংগীতময় পৰিবেশৰ অভাৱ, আৰ্থিক অনাটন আদিয়েই ইয়াৰ মূল কাৰণ বুলি ধৰিব পাৰি।

মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা পিছৰ ছাত্ৰ-একতা সভালৈ অনুৰোধ জনাওঁ যে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হোৱাৰ লগে লগে বিভিন্ন খেল-ধেমালিসমূহ শেষ কৰি শেষৰ দুটা দিনত সাংস্কৃতিক প্ৰতিযোগিতাসমূহ পাতিবলৈ যত্ন কৰে যেন। ইয়াৰ পৰা ছাত্ৰ-ছাত্ৰীখিনি যথেষ্ট উপকৃত হ'ব বুলি মোৰ বিশ্বাস।

আমাৰ মহাবিদ্যালয়ত এটা স্থায়ী প্ৰেক্ষাগৃহ নোহোৱা বাবে যি কোনো সাংস্কৃতিক প্ৰতিযোগিতা, বক্তৃতানুষ্ঠান, সভা-সমিতি আদি পতাত অৱৰ্ণনীয় অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। প্ৰতিখন ছাত্ৰ একতা সভাই স্থায়ী প্ৰেক্ষাগৃহৰ বাবে কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিও কোনো সুফল নোপোৱাটো সঁচাই দুৰ্ভাগ্যৰ কথা। মোৰ এই প্ৰতিবেদনৰ জৰিয়তে কৰ্তৃপক্ষৰ ওচৰত এটা স্থায়ী প্ৰেক্ষাগৃহৰ দাবী পুনৰ উত্থাপন কৰিলোঁ।

সামৰণিত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ধন্যবাদ

**দিলীপ চৌধুৰী**
সাংস্কৃতিক সম্পাদক



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

## "সত্যমেৱ জয়তে"

জয় জয়তে ২০০৬-২০০৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰীৰ জিৰণী কোঠাৰ সম্পাদিকা হিচাপে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিয়েই জিৰণি কোঠাটো নতুন ৰূপত গঢ়ি তোলাৰ যি সপোন দেখিছিলোঁ তাক বাস্তৱত ৰূপায়িত কৰিব নোৱাৰা বাবে মই বাৰুকৈয়ে দুখিত। ইয়াৰ প্ৰধান কাৰণ হ'ল - প্ৰয়োজনীয় অৰ্থৰ অভাৱ তথা কৰ্তৃপক্ষৰ অমনোযোগিতা। সম্পাদিকাৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিয়েই মই সন্মুখিন হৈছিলোঁ- 'মহাবিদ্যালয় সপ্তাহ'ৰ।



Scanned with CamScanner

অইন অইন বছৰৰ দৰে মোৰ কাৰ্যকালতো ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰা মহাবিদ্যালয় সপ্তাহত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা সমূহ মই যিমান দূৰ পাৰো নিষ্ঠাসহকাৰে আৰু নিয়াৰিকৈ চলাই নিবলৈ চেষ্টা কৰিছিলোঁ। এই ক্ষেত্ৰত মোক বিশেষ ভাৱে দিহা পৰামৰ্শ দি সহায় কৰা তত্বাৱধায়িকা অধ্যাপিকা নৱনীতা পাঠক বাইদেউলৈ এই ছেগতে মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কামত প্ৰতিটো ক্ষেত্ৰতে নিষ্ঠাৰে সহায় সহযোগিতা আগবঢ়োৱা বান্ধৱী সংগীতা সাহালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। যি সকল শিক্ষা গুৰু আৰু বন্ধু-বান্ধৱীয়ে মহাবিদ্যালয় সপ্তাহৰ সকলো দিশ চলাই নিয়াত সহায় কৰিলে তেওঁলোকলৈ কৃতজ্ঞতা যাচিলোঁ।

ছাত্ৰী জিৰণি কোঠাত প্ৰয়োজন অনুপাতে ডেস্ক-বেঞ্চ, কেৰম বোৰ্ড, বাতৰি কাকত, আলোচনী, খেলৰ সামগ্ৰী, খোৱা পানীৰ উপযুক্ত ব্যৱস্থা আদিৰ অভাৱ। মোৰ প্ৰতিবেদনৰ জৰিয়তে এই অভাৱবোৰ মোচন কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষলৈ আবেদন জনালোঁ। শেষত সমূহ ছাত্ৰীকে জনাওঁ যে জিৰণি কোঠাটো চাফ-চিকুণ কৰি ৰখা অকল বিভাগীয় সম্পাদিকাৰ দায়িত্ব বা কৰ্তব্য নহয়, ছাত্ৰী সমূহৰো কৰ্তব্য বুলি মই ভাবো। গতিকে প্ৰত্যেকে প্ৰত্যেকৰে দায়িত্ব আৰু কৰ্তব্য মানি চলিলেই কোঠাটোৰ বাতাবৰণ সুস্থ হ'ব বুলি মই ভাবো। সদৌ শেষত মোৰ কাৰ্য কালত হোৱা জ্ঞাত অজ্ঞাত, ভুলৰ ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ উন্নতি তথা ছাত্ৰী জিৰণি কোঠাৰ পূৰ্ণতা কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

শ্ৰীৰূপালী মেধি
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

---



# ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## 'মধু ক্ষৰন্তি সিন্ধৱ'

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল চহিদে নিজ স্বাৰ্থ ত্যাগ কৰি সামাজকি, ৰাজনৈতিক আৰু অৰ্থনৈতিক উন্নতিৰ হকে কাম কৰি প্ৰাণ বিসৰ্জন দিলে সেই সকললৈ মোৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০৬-২০০৭ ইং বৰ্ষৰ ক্ৰীড়া বিভাগৰ প্ৰথম ছোৱালী সম্পাদকৰূপে বিনা প্ৰতিদ্বন্দিতাৰে মোক নিৰ্বাচিত কৰি পবিত্ৰ জ্ঞানৰ মন্দিৰটোৰ সেৱা কৰিবলৈ দিয়াবাবে সমূহ সতীৰ্থলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ' । মহাবিদ্যালয় সপ্তাহত দৌৰ, দীঘল জাম্প, ট্ৰিপল জাম্প, শ্বটপুট, জেভলিন থ্ৰ', ডিচকাছ থ্ৰ' আদি বিভিন্ন খেল অনুষ্ঠিত কৰা হয়। খেল সমূহ পাৰ্যমানে সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। অৱশ্যে এই ক্ষেত্ৰত কিমান দূৰ সফল হৈছো আপোনালোকৰ বিচাৰ্য বিষয়।

কাৰ্যকালৰ দ্বিতীয় কাৰ্যসূচী হিচাপে নলবাৰী মহাবিদ্যালয়ত অনুষ্ঠিত 'আন্ত কলেজ এথলেট টুৰ্ণামেণ্টলৈ এটা দল প্ৰেৰণ কৰা হয়। দলটোৱে যথেষ্ট সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰী মাজিদা আহমেদে দুটা পদক লাভ কৰিবলৈ সক্ষম হৈছিল।

মোৰ কাৰ্যকালত আৰম্ভণিৰে পৰা বৰ্তমানলৈ বিভিন্ন ক্ষেত্ৰত দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা বাবে শ্ৰদ্ধাৰ আবুল বাসাৰ ছাৰ, অনীতা কেওট বাইদেউ আৰু মহিবুৰ দাদালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় আগবঢ়োৱা বাবে ধনদা খুড়া, নছিউৰ, নৰহৰি, খাজিদুৰ আবুধামা, তাছমিনা, ছামিমা, কুলছুম আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়ালৈ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌশেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ কাৰ্যকালত হোৱা অবাঞ্চিত ভুল ত্ৰুতিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয় আই অসম । জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

নুৰিয়া আহমেদ
সম্পাদক, ক্ৰীড়া বিভাগ



Scanned with CamScanner



# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## "সৰ্বং অত্যন্ত্যং গৰ্হিতম্"

প্ৰতিবেদনৰ আৰম্ভনিতেই জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে অসমবাসীলৈ গৌৰৱ কঢ়িয়াই অনা লেখক-লেখিকা সকললৈ আৰু যি সকলৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাত এইখন মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল তেওঁলোকলৈ মোৰ ভক্তিভৰা শ্ৰদ্ধা নিবেদন কৰিলোঁ। ২০০৬-২০০৭ বৰ্ষটোৰ বাবে মোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিনা প্ৰতিদ্বন্দ্বিতাৰে সাহিত্য বিভাগৰ সম্পাদক হিচাপে যি গুৰুদায়িত্ব অৰ্পন কৰিছে তাৰ বাবে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

আমাৰ মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ অভাৱৰ অন্ত নাই যদিও সীমিত সুবিধাৰেই এক নতুনত্ব প্ৰকাশ কৰিম বুলি ভাবিছিলো। কিন্তু মহাবিদ্যালয় কৰ্তৃপক্ষৰ আশানুৰূপ সহাঁৰি নোপোৱাত বহুক্ষেত্ৰত থমকি ৰবলৈ বাধ্য হৈছিলোঁ। অৰ্থনৈতিক সা-সুবিধাৰ ওপৰত শৈক্ষিক মান নিৰ্ভৰ কৰে। এই ক্ষেত্ৰত দেখা যায় আমাৰ মহাবিদ্যালয়ৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে অৰ্থৰ অভাৱত লাগতিয়াল কিতাপ-পত্ৰ যোগাৰ কৰিব নোৱাৰে। আমাৰ পুথিভঁৰালত পৰ্যাপ্ত পৰিমাণৰ পাঠ্যপুথি আৰু প্ৰসংগ পুথি নোহোৱা বাবে ছাত্ৰ-ছাত্ৰীসকলে প্ৰায়ে সমস্যাত পৰিবলগীয়া হৈছে। সেয়ে মহাবিদ্যালয় কৰ্তৃপক্ষলৈ আমাৰ বিনম্ৰ নিবেদন অচিৰে যেন ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় কিতাপসমূহ যোগান ধৰে।

আন আন বছৰৰ ২০০৬-২০০৭ ইং বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ' উলহ-মালহেৰে পালন কৰা হয়। মোৰ দায়িত্বত থকা সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ চলাই নিয়াত মাননীয় তত্বাৱধায়ক ছাৰ অৰুণ চৰকাৰ দেৱে যি সহায় কৰিছিল তাৰ বাবে তেওঁলৈ মোৰ কৃতজ্ঞতা নিবেদন কৰিলোঁ।

মোৰ কাৰ্যকালত বিভিন্ন সময়ত বিভিন্ন ধৰণে সহায় কৰা আব্দুল লাউফ, আজিবুল, নূৰ আলম, শ্বামচুল, অসীম আৰু জিকুলৈ হিয়া ভৰা মৰম চেনেহ যাচিলোঁ। শেষত মোৰ কাৰ্যকালত হোৱা জ্ঞাত-অজ্ঞাত ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

**মহম্মদ আতোৱাৰ ৰহমান**
সম্পাদক, সাহিত্য বিভাগ



# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## 'শ্ৰদ্ধাবান লভ্যতে জ্ঞানম'

প্ৰতিবেদনৰ প্ৰাৰম্ভতে যি সকল মহান ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত আমাৰ মহাবিদ্যালয়খন গঢ়লৈ উঠিল সেই সকল পূণ্যাত্মৰ পবিত্ৰ স্মৃতিত ভক্তিভৰা প্ৰণিপাত নিবেদন কৰিলোঁ।

২০০৬-২০০৭ বৰ্ষৰ ছাত্ৰ একতা সভাই মোক তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক ৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়ভৰা ওলগনি যাচিলোঁ।

শপত গ্ৰহণ আৰু দায়িত্বভাৰ গ্ৰহণ কৰাৰ কেইদিন মান পিছতে আমাৰ 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হৈছিল। মই তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ তৰফৰ পৰা অসমীয়া আৰু ইংৰাজী তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, প্ৰশ্নোত্তৰ প্ৰতিযোগিতা, অসমীয়া আৰু ইংৰাজী আলোচনা চক্ৰ আৰু বিভিন্ন প্ৰতিযোগিতা সমূহ পাতিছিলোঁ। এই প্ৰতিযোগিতা বোৰ চলাই নিয়াত শ্ৰদ্ধাৰ শিক্ষাগুৰু আব্দুল জব্বৰ ছাৰ আৰু হৃষীকেশ সিং ছাৰে মোক সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শ আৰু অনুপ্ৰেৰণা দিছিল।

এই ক্ষেত্ৰতে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলোঁ। মোৰ কাৰ্যকাল চলাই নিয়াত সদায় কাষতে থকা বন্ধু-বান্ধৱী- ৰফিকুল, দিলীপ, শ্বাহজামাল, ৰাতুল, জিন্নাতাৰা, ৰূপালী, বিপ্লৱ, ফৰিদা, ৰেজ্জাউল আৰু ফিৰোজুললৈ যাচিলোঁ হিয়াভৰা মৰম চেনেহ।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি যাচিলোঁ। জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়

**মহম্মদ মজমল হক**
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ



Scanned with CamScanner



## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

"মধুৰতা ঋতায়তে"

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল লোকৰ ঐকান্তিক প্ৰচেষ্টাত এইখন মহাবিদ্যালয় স্থাপিত হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। অসমী আইৰ যিজন ব্যক্তিৰ নামেৰে আমাৰ মহাবিদ্যালয় খনৰ নামাকৰণ কৰা হৈছে তেখেতকো শ্ৰদ্ধাৰে সোঁৱৰিছো। আনহাতে যিজন ব্যক্তিয়ে এই মাহন শিক্ষানুষ্ঠানখনিৰ জন্ম লগ্নৰে পৰা ১৯৯৬ চনলৈকে অধ্যক্ষৰ গুৰুদায়িত্ব গ্ৰহণ কৰি মহাবিদ্যালয়খন জাকতজিলিকা কৰি তুলিবলৈ অহোপুৰুষাৰ্থ কৰিছিল সেই গৰাকী মহান পুৰুষ প্ৰয়াত দেৱ প্ৰসাদ শইকীয়া ছাৰলৈ শ্ৰদ্ধা নিবেদন কৰিলোঁ। ২০০৬-২০০৭ ইং বৰ্ষটোৰ বাবে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে সেৱা কৰাৰ সুযোগ দিয়া বাবে এইখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

এই বেলি 'মহাবিদ্যালয় সপ্তাহ'ৰ প্ৰথম দিনাখন ছাত্ৰ-ছাত্ৰীৰ মাজত সমাজসেৱা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। উক্ত প্ৰতিযোগিতাত ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি কাৰ্যসূচীটো আকৰ্ষণীয় কৰি তুলিছিল। 'মহাবিদ্যালয় সপ্তাহ'ত সমাজ সেৱা বিভাগৰ পৰা এলানি বৃক্ষৰোপণ কাৰ্যসূচীও অনুষ্ঠিত কৰিছিলো। উক্ত কাৰ্যসূচীৰ পৰিচালক তথা সহযোগী ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। মোৰ দায়িত্ব আৰু কাৰ্যভাৰ সুচাৰুৰূপে চলাই নিয়াত উৎসাহ যোগোৱা বিভাগীয় তত্বাৱধায়ক মাননীয় বিষ্ণুৰাম তালুকদাৰ ছাৰৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো। বিভিন্ন ক্ষেত্ৰত মোক সহায় কৰা শ্বাহ আলম, মজনুৰ, ৰফিজুল, হামিদুল, ৰবিউল, ওৱাহেদুৰ আৰু ভাইটি ৰফিকুল লৈ মোৰ হিয়াভৰা মৰম যাচিলোঁ।

শেহত মোৰ কাৰ্যকালত হোৱা ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ক্ষমা বিচাৰি বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

**নাজিৰ হুছেইন**
সম্পাদক, সমাজ সেৱা বিভাগ

---



## গুৰু খেল বিভাগৰ প্ৰতিবেদন

"উত্তিষ্ঠত জাগ্ৰত"

প্ৰতিবেদনৰ পাতনিতে যিসকল ব্যক্তিৰ অক্লান্ত শ্ৰমৰ ফলশ্ৰুতিত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল তেওঁলোকক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিলোঁ। ২০০৬-০৭ ইং চনৰ বৰ্ষটোৰ বাবে মোক বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰসমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শপত গ্ৰহণ কৰি দায়িত্বভাৰ লোৱাৰ পিছতেই আমাৰ মহাবিদ্যালয়ত অইন অইন বছৰৰ দৰেই এইবাৰো মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। মোৰ বিভাগৰ মহাবিদ্যালয় সপ্তাহৰ ক্ৰিকেট প্ৰতিযোগিতাৰ গোটেই কেইখন খেল আমোদজনক হৈছিল। বিশেষকৈ ফাইনেল খেলখন অতিশয় উপভোগ্য হৈছিল। সেই খেল অনুষ্ঠিত হৈছিল উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ আৰু স্নাতক দ্বিতীয় বৰ্ষৰ মাজত। খেলখনত উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষই স্নাতক দ্বিতীয় বৰ্ষক পৰাজিত কৰি চেম্পিয়ন খিতাপ দখল কৰে। খেলুৱৈৰ অভাৱৰ বাবে ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিব পৰা নহ'ল। মোৰ কাৰ্যকালত সকলো ধৰণে সহায়-সহযোগিতা আৰু সুপৰামৰ্শ দি সহায় কৰা বিভাগীয় তত্বাৱধায়ক মাননীয় শ্ৰীযুত বিপ্লৱ নাগ ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। তদুপৰি বিভিন্ন দিশত সহায় আগবঢ়োৱা মাননীয় নিৰ্মল কলিতা ছাৰ, বীৰেণ বৰা ছাৰ আৰু বসন্ত কলিতা ছাৰলৈ এই সুযোগতে মই মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোক সৰ্বোতো প্ৰকাৰে সহায় কৰা — চন্দ্ৰ, ৰাহিম, গুনীন্দ্ৰ, বিমল, কানাই, পাপৰি, মাকনি, চম্পা, বুলু, মানসী, দিতু, বিজুলী, চন্দনা, সোণালী বাইদেউ, ধ্ৰুৱজ্যোতি, ইমদাদুল দা, উজ্জ্বল, কুটুবৰ, নিপন, সমৰেশ আৰু মহিদুললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালৰ সময়ছোৱাত হোৱা অজানিত ভুলত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু লগতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ধন্যবাদ

**শ্ৰীকমল দাস**
সম্পাদক, গুৰু খেল বিভাগ



Scanned with CamScanner

## ঃ ২০০৬-২০০৭ বৰ্ষত বিভিন্ন দিশত কৃতিত্ব অৰ্জনকাৰী ছাত্ৰ-ছাত্ৰী ঃ


বৰ্ণালী দাস
স্নাতক চূড়ান্ত পৰীক্ষাত
অৰ্থনীতি বিষয়ত
প্ৰথম শ্ৰেণী লাভ কৰিছে।


মাকণি নাথ
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী


বিজুস্মিতা দাস
শ্ৰেষ্ঠ নৃত্য পটীয়সী


কৰ্ণ নাথ
স্নাতক চূড়ান্ত পৰীক্ষাত
ভূগোল বিষয়ত
প্ৰথম শ্ৰেণী লাভ কৰিছে।


ৰমেন পাঠক
শ্ৰেষ্ঠ গায়ক


নূৰ মহম্মদ
শ্ৰেষ্ঠ ভলীবল খেলুৱৈ


মজিদা খাতুন
ছোৱালী শাখাৰ শ্ৰেষ্ঠ খেলুৱৈ
আৰু আন্তঃমহাবিদ্যালয় ক্ৰীড়া
সমাৰোহৰ পদক বিজয়ী


তাপস পাল
ক্ৰিকেটৰ মেন অৱ দি মেচ
আৰু মেন অৱ দি
চিৰিজ বিজয়ী।


স্বপ্না বৰা
শ্ৰেষ্ঠ সমাজসেৱী


হেৰম্ব দাস
ল'ৰা শাখাৰ শ্ৰেষ্ঠ খেলুৱৈ

## মহাবিদ্যালয়ৰ সাহিত্য চৰা 'সাহিত্য কানন'ৰ
### বাৰ্ষিক প্ৰতিবেদন (২০০৬-২০০৭ বৰ্ষ)

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ১৯৯৫ চনত জন্ম লাভ কৰা মহাবিদ্যালয়ৰ সাহিত্য চৰা 'সাহিত্য কানন' এ ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা বিকাশ কৰিবৰ বাবে প্ৰতিবছৰে বিভিন্ন ধৰণৰ বক্তৃতানুষ্ঠান, গল্প-কবিতা লেখা প্ৰতিযোগিতা আদি পাতি আহিছে। ২০০৬-২০০৭ বৰ্ষত অনুষ্ঠিত কৰা বিভিন্ন অনুষ্ঠান /প্ৰতিযোগিতা সমূহ হ'ল —

**'স্বৰচিত হাস্য-ব্যঙ্গ কবিতা আবৃত্তি' অনুষ্ঠান ঃ**

**তাৰিখ ঃ- ২২-০৯-০৬**

সঞ্চালক ঃ ড° নীলকমল বৰদলৈ

অংশ গ্ৰহণ কাৰী ছাত্ৰ-ছাত্ৰী ঃ ৩৫ জন।

অংশ গ্ৰহণ কাৰী শিক্ষক-শিক্ষয়িত্ৰী ঃ ১৫ জন।

মুঠ ঃ ৫০ জন।

বঁটা প্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকল —

প্ৰথম ঃ ৰমেন পাঠক

দ্বিতীয় ঃ হাফিজুৰ ৰহমান

তৃতীয় ঃ মাকনি নাথ

উদ্‌গনি বঁটাঃ নিখিল দাস।

**কুইজ প্ৰতিযোগিতা, তাৰিখ ঃ ০৯-১০-০৬**

বিষয় ঃ অসমৰ বৈষ্ণৱ যুগৰ সাহিত্য-সংস্কৃতি।

সঞ্চালক - মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰ প্ৰাপ্ত মুৰব্বী অধ্যাপিকা শ্ৰীমতী কল্যাণী দাস

পৰিচালনা ঃ নগেন্দ্ৰ নাৰায়ণ দেৱান।

অংশ গ্ৰহণকাৰী মুঠ দল ঃ ১০ টা।

শ্ৰেষ্ঠ দল ঃ

(ক) আয়ুব আলী আহমেদ (দলপতি)

(খ) আৰা শ্বামা



Scanned with CamScanner

(গ) আব্দুল কাদেৰ

(ঘ) আব্দুল হাকিম।

দ্বিতীয় শ্ৰেষ্ঠ দল ঃ

(ক) ৰমেন পাঠক (দলপতি)

(খ) হাফিজুৰ ৰহমান

(গ) চন্দনা নাথ

(ঘ) মাকনি নাথ।

**প্ৰয়াত অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়াৰ স্মৃতিত ঃ**

**'সত্ৰীয়া সংগীতৰ ঐশ্বৰ্য' শীৰ্ষক বক্তৃতানুষ্ঠান ঃ**

**তাৰিখ ঃ ২৭/১০/০৭**

শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠান গুৱাহাটীৰ সহযোগত ২০০৬ চনৰ ২৭ অক্টোবৰত মহাবিদ্যালয়ৰ সাহিত্য চৰ্চা 'সাহিত্য কানন' আৰু শিক্ষকগোটৰ উদ্যোগত প্ৰাক্তন অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়াৰ স্মৃতিত 'সত্ৰীয়া সংগীতৰ ঐশ্বৰ্য' শীৰ্ষক প্ৰদৰ্শনমূলক এক মনোজ্ঞ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ সভাপতি দুৰ্গাপ্ৰসাদ নেওগৰ সভাপতিত্বত অনুষ্ঠিত বক্তৃতানুষ্ঠানত পণ্ডিত গৱেষক তথা সত্ৰীয়া সংস্কৃতিৰ বিশেষজ্ঞ ড° কেশবানন্দ দেৱ গোস্বামীয়ে সত্ৰীয়া সংস্কৃতিৰ ওপৰত বিশ্লেষণাত্মক বক্তৃতা দাঙি ধৰে। গীত, নৃত্য আৰু সুৰৰ ঝংকাৰেৰে মুখৰিত অনুষ্ঠানটোত তেওঁক সহায় কাৰী শিল্পীসকল হ'ল - তৰালী দাস, প্ৰীতিলেখা চৌধুৰী, সৌৰভজ্যোতি মহন্ত, স্তুতিবাণী ঠাকুৰীয়া, কুশ মহন্ত, হিৰণ্যজ্যোতি মহন্ত আৰু দীপংকৰ গোস্বামী। বক্তৃতানুষ্ঠানত লেখক তথা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দয়ানন্দ পাঠক, লেখক তথা পাণ্ডু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰ প্ৰাপ্ত মুৰব্বী অধ্যাপক ভূপেন্দ্ৰ কুমাৰ বাৰ্মা, শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ সম্পাদক শংকৰ দাস, অসম হস্ততাত বয়ণ শিল্পৰ অৱসৰ প্ৰাপ্ত সহকাৰী সঞ্চালক ব্ৰজেন শৰ্মা আৰু প্ৰাক্তন ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ চিত্তৰঞ্জন দাসে অংশগ্ৰহণ কৰে।

**২০০৭-০৮ বৰ্ষৰ অনুষ্ঠান /প্ৰতিযোগিতা সমূহ—**

**কুইজ প্ৰতিযোগিতা ঃ তাৰিখ ঃ ২৩-০৮-২০০৭**

বিষয় ঃ- জ্যোতিপ্ৰসাদ আগৰৱালা ঃ জীৱন আৰু সাহিত্য সংস্কৃতিলৈ অৱদান।

পৰিচালক ঃ- নগেন্দ্ৰ নাৰায়ণ দেৱান।

অংশগ্ৰহণ কাৰী মুঠ দল দহটা।

শ্ৰেষ্ঠ দল ঃ

(ক) হাফিজুৰ ৰহমান (দলপতি)

(খ) মাকনি নাথ

(গ) চন্দনা নাথ

দ্বিতীয় শ্ৰেষ্ঠ দল ঃ

(ক) নুৰ মহম্মদ আলী (দলপতি)

(খ) শফিকুল আলম

(গ) নৰিয়া আহমেদ।

**"প্ৰতীতি" উন্মোচন ঃ তাৰিখ ঃ ২৮-০৮-০৭**

'সাহিত্য কানন'ৰ হাতেলেখা বাৰ্ষিক মুখপত্ৰ 'প্ৰতীতি' উন্মোচন কৰে বিশিষ্ট লেখক তথা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° পৰমানন্দ ৰাজবংশীদেৱে।

মুখপত্ৰ খনৰ সম্পাদক ঃ দীপ্তিৰেখা পাঠক মজুমদাৰ।

শীৰ্ষ বাতৰি পাঠ প্ৰতিযোগিতা ঃ

তাৰিখ ঃ ০৮-১০-০৭

| | | |
|---|---|---|
| পৰিচালক | ঃ | শাহজামাল মোল্লা |
| মুঠ প্ৰতিযোগী | ঃ | ১৯ জন। |

বঁটা প্ৰাপ্ত প্ৰতিযোগীসকল ঃ

| | | |
|---|---|---|
| প্ৰথম | ঃ | মীনাক্ষি নাথ। |
| দ্বিতীয় | ঃ | খৰিফুল হাচান। |
| তৃতীয় | ঃ | মাকনি নাথ। |

## প্ৰয়াত দেৱপ্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান ঃ

২০০৭ চনৰ ৯ অক্টোবৰ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত দেৱ প্ৰসাদ শইকীয়াৰ একাদশ স্মাৰক বক্তৃতা প্ৰদান কৰে সাহিত্যিক গৱেষক পণ্ডিত তথা মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ড° পৰাগ কুমাৰ ভট্টাচাৰ্যই। 'চুটিগল্পৰ আংগিক আৰু অসমীয়া চুটি গল্প' শীৰ্ষক বক্তৃতাত তেখেতে ফৰাচী, ইংৰাজী আৰু ৰুচ সাহিত্যৰ চুটিগল্পৰ বিজলিৰে বক্তব্য দাঙি ধৰি এক বসাল তথা মনোগ্ৰাহী বক্তব্য দাঙি ধৰে। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত শইকীয়াৰ আত্মাৰ চিৰশান্তি কামনা কৰি তেখেতৰ নাম যুগমীয়া কৰি ৰাখিবৰ বাবে তেখেতে বিশেষ কাৰ্যসূচী হাতত ল'ব বুলিও ঘোষণা কৰে। অসমীয়া বিভাগৰ মুৰব্বী তথা 'সাহিত্য কানন'ৰ সভাপতি নগেন্দ্ৰ নাৰায়ণ দেৱানৰ সঞ্চালনাত অনুষ্ঠিত স্মৃতিচাৰণ সভাত প্ৰয়াত অধ্যক্ষৰ জীৱন আৰু কৰ্মৰাজিৰ সশ্ৰদ্ধ স্মৃতিচাৰণ কৰে উপাধ্যক্ষ বিনোদ বৰণ দাস, প্ৰবক্তা আব্দুল হাকিম, কাৰ্যালয় সহায়ক নৃপেন কলিতা আৰু গ্ৰন্থাগাৰিক ধীৰেন তালুকদাৰে। প্ৰয়াত অধ্যক্ষৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে প্ৰবক্তা দয়ানন্দ কুমাৰ দাস, নৰবাহাদুৰ ছেত্ৰী আৰু শিক্ষক গোটৰ সভাপতি শ্যামচৰণ ঠাকুৰীয়াই।

সমূহ সাহিত্য প্ৰেমীলৈ

শুভেচ্ছাৰে—শাহজামাল মোল্লা

সম্পাদক, সাহিত্য কানন।



Scanned with CamScanner

# THEME OF DECADENCE IN WILLIAM FAULKNER

*Dr. Parag Kumar Bhattacharyya*

Faulkner, one of the most difficult American novelists was of the generation of World War- 1 When the United States entered the first World War Faulkner joined the Royal Air Forcein Canada and became a pilot. Back in Oxford after the war, he seems to have devoted himself for a time to the cultivation of mild eccentricities. Thereafter he worked in a book shop for a time and made a friendship with Elizabeth Proll, who was later on married to Sherwood Anderson, the great novelist. Their companionship gave Faulkner his first introduction to a really literary circle By this time he had published several poems under the title "The Marble Faum". This was Faulkner's first unhappy experience of book publication for the book attracted a few sale and little attention. Anderson at that time was at the height of his reputation and the recognition and the encouragement he gave Faulkner was an extremely important factor in the younger writer's career. It can be surmised that it was solely the influence of Anderson that turned Faulkner to fiction. He also helped him in publishing his first novel 'Soldier's Pay' which he wrote during his stay at New Orleans. Only three years later of its publication, he wrote his masterpiece "The Sound and the Fury ",It was rather strange that a minor novelist of 'Soldier's Pay' in a very short span of time acquired such a proficiency to produce a work of, art which represented weal and woe, ups and downs of present generation. It elevated him to the rank of the greatest American novelist and possibly the most important American writer since Henry James

However, he is being alleged by some critics to be obscure because of unnecessary display of technicalities. He is simply a cynical exploiter of violence, cruelty and perversion for their own sake, 'The New York Times' commented on his being awarded the Nobel Prize: "His field of vision is concentrated on a society that is too often vicious, depressed, decadent and corrupt incest and rape may be common pastime in Faulkner's Jefferson and Miss but they are not else where in United States."

But the charge levelled against him is not always true. His aptitude in delineating characters using symbols in a broader perspective in terms of modern decandent age is clearly discernible Basing on the image of southern alienation, he suggests that everyone in the world has to face the same kind of alienation in his microcosm. The South where Faulkner had grown up are Cut off from the North. Its culture was of a massive immobility. But the war brought it into a collision not only with the Europe but also with the North. It thus offered a classic situation of a world strong and stirred by cultural shock which became the matrix of his art to objectify the grasp of its' inner drama. The great period of Faulkner's achievement from 'The Sound and the Fury' to 'Hamlet' overlaps with the depression of the shadow of World War-II. His field of vision is concentrated in a society that is too often vicious, depressed, decadent and corrupt. But the agonies, longing and nobilities of the unimportant people in his novel bear some meaning fullness of individual effort in this callous world. Perhaps that is the great message, he conveyed to the war stricken modern man.

To exemplify his mode of delineating the



Scanned with CamScanner

degenerated world we can allude to his representative novel 'The Sound and the Fury'. Here he presents a story of Southern domestic life in decay. The family of Compson with whom the novel deals however is that of last generation, an enfeebled remnant of the glorious old stock". Mr. Compson the head of the family is sententious and ineffectual while Mrs. Compson is one of those wralhs one meets in Southern novel of whom it is said that "the war made ghosts of our ladies". She is a whinning, hypochondriac who provides a domestic environment to drive the children along their terrible path. Among their four children Jason IV is a businessman. In him the old Southern tradition of the genteel property building classes are seen to disappear in favour of purely materialistic way of life. Quentin, another son develops a neurotic love for his sister Promiscuous Candace which ultimately leads him to commit suicide. The other son Benjamin is Mrs. Compson's greatest cross. He is an idiot who moans, cries and slabbers all day long. The only person who could quiet him is Caddy (candace). She loves him very much. He possesses a sensual attachment for her and once he molests one school going girl assuming her to be his beloved sister Caddy. Caddy the daughter of Compsons is a sexual rebel. She does not hesitate to give herself freely to anyone who would love her. She is married to a banker when the latter gives her the hope that he will give an employment to her elder brother Jason soon after their marriage. But after marriage she is driven away by her husband when he becomes aware of the fact that Caddy is already pregnant before the marriage. Her family also refuses to accept her but the daughter she gives birth to has been adopted by them. When her daughter grows up she becomes the prototype of her mother. She gives herself to anyone in her town. Once a performer of a show troop makes acquaintance with her and suddenly she flees away with him. Jason finds that three thousand dollars he had hidden in his room had also been stolen by her. Jason goes out to find the fugitives but he has to give up his chase for his chronic headache and returns home to take medicine.

Jason is now ashamed of the happenings in his family that Benjamin is an idiot, Candace a lost women, Quentin a killer of himself and the girl of Candace is a village harlot and a thief. He forgets that he too is a thief since he has been keeping with himself the money sent for her daughters care by Caddy. He now feels deeply for his accursed family. At that time he finds Benjamin riding through town in a carriage driven by one coloured boy. He knocks the coloured boy down and strikes Benjamin with all his force and thereby he expresses his sudden wrath Benjamin lets out a loud moan and then pelts a withered flower and his face assumes a calm and quiet blankness by this gesture he indicates that the strife which had already stirred the world is over and things have settled down once again. Thus the novel is a compelling study of the dissolution of an old Southern family, the members of which are the victims of incest and suicide. Selfishness plays a vital role in the decay and destruction of this family. From this point of view Caddy may be termed as the central figure of the book. Her three brothers are all obsessed with her. They exploit her in a selfish and self centred way. None of them is capable of loving her. It is this rigidity that compels Caddy to raise rebellion first through her indiscriminate sexual relation and later through her marriage. But she cannot release herself from the trap as her daughter is a hostage in Compson family. Her illgotten money refused by her parents ultimately goes to her elder brother Jason who forging the signature of mother receives them. Thus most of the characters are hankering after money and wealth. They are also incapable of love and affection. Failure of love and triumph of selfishness which are the common traits of the modern people are the main causes of degradatin and decadence of Compson family. Such is the saddest plight of common human family life today.

# Manas *The heaven of* TIGER

***Hafizur Rahman***
T.D.C. 2nd yr. (Geography)

The heaven of tiger, Manas national park, at the base of foothills of the Himalayas, in the state of Assam in India, is among the most vibrant wilderness on the earth. It extends over an almost continuous linear belt of forest from the Sanpos river in the west to the Dhansiri river in the east. The tumultuous Manas river swirling down the surged mountainous enters the plains of the reserve, divides in to two, and the main course after transversing the breadth of the river emerges out re-named the Beki river. The manas river not only lends its name (named after the serpent goddess Manasa) but life support system to the reserve.

Unique location of Manas at the confluence of the India, Ethiopian and Indo-Chinese realms along with criss-cross of major and minor rivers make the reserve a treasure house of nature-dense jungles and grasslands teeming with plethora of fauna. It's the home and heaven of the tiger.

It is a land of hispid hare, golden langur and pigmy hog. Manas is one place, where all the largest terrestrial mammals-elephant, wild buffalo, Indian bison and great one-horned rhinoceros-roam free and wild in one area.

Chit - chat of small creatures, humming of insects, melodious notes of birds, trumpeting of elephants, mooing and thundering herds of buffalo and bison, rutting and alarm calls of deer or the deep-throated matting calls of tiger are all music to ear.

**Geographical and Physical Feature :**

The geographical location of Manas reserve is between 91' 51 E to 92'0 E longitude and 26'30 N to 27'0 N latitude. The total area of thereserve is 2837 sq. km. and area of the core 500 sq.km. The average rainfall of the Manas reserve is 333cm. The temperature of this areas is minimum 6$^0$ C. and maximum 37$^0$C. This reserve is dominated by sub-tropical climate.

The Manas river, the largest Himalayan tributary of the Brahmaputra river has its contributive net spread over Tibet, Bhutan, and Arunachal Pradesh. The single channel Manas river in the sub Himalaya splits into a distributive net in the plains of the reserve at Mothanguri. This channel and other rivers running through the reserve carry enormous amount of and rock from the toothills. This leads to formation of alluvial terraces, comprising deep layers of deposited rock and detritus overlain with sand channels and swap swamps. Bhabar formation, highly porous in the northern part and terai tract, fine deposits with underlaying pans, in the southern part are typical of the reserve.

**Conservation History** : 1917- North Kamrup and eastern part of Manas reserved forest notified protected region and hunting, shooting and rapping of animals prohibited except fishing for sport.

1928 - Protected area increased to 360 sq. km.and declared as Manas Sanctuary.

1951 - Area increased



Scanned with CamScanner

1955 - Area further increased to 391 sq.km.

1973- Manas tiger reserved created under the aegis of projection tiger. Manas sanctuary formed the core of the reserved.

1979- National man and diosphere committee identifies Manas as a potential biosphere reserve.

1985- World heritage site (UNESCO). A site of out standing universal value.

1989 - Biosphere reserve

1990- Reserve core zone declared as Manas national park with area of 500 sq. km. enlarged by inclusion of Kokilabari, Kahilama and Panbari reserve forest.

1992 - World heritage site in danger (UNESCO) reviews the status of reserve due to damage to a portion during the bodo agitation since 1989.

**Tiger Conservation** : The king of Indian jungles, the tiger, stands humbled before man. Population explosion along with onslaught of development, industrialisation, intensive cultivation, consumerismled to rapid destruction of forests along with wanton killing, shooting, traping and poisoning of animals. This not only decimated the habitat and pray base of tiger but the tiger itself. There were only 1800 tigers left in India by early 1970s.

Project tiger scheme was launched by the government of India 1973 and Manas had the distinction of being among the first few included in the net work of tiger reserve of India created for conservation of tiger.

**Fauna** : So, far 60 mammals, 312 birds, 42 reptiles (11 families), 7 amphibian (5 families) 54 fishes (19 families and 9 orders) and more than 100 species insects have been identified in Manas.

It is interesting to note that among the mammals recorded in Manas, 21 are listed in the schedule I of the wildlife (Projection) Act. 1972, few of which are endemic such as Pygmy hog, golden langur and hispid hare. In fact, the only viable population of the smallest and rarest wild side, the pygmy hog, exists in Manas and nowhere else in the world.

**Mammal** : Tiger, leopard, clouded leopard, golden cat, fishing cat, leopard cat, jungle cat, marbled cat, civets, binturong, wild dog, jackal, Indian fox, sed fox, pygmy hog, hispid hare, Asiatic elephant, great one-horned rhinoceros, langur, Assamese macaque, hog deer, samber, swamp deer, barking deer, spotted deer, other, marten, dabger, weasel, pangoline, porcupine, genetic dolphin etc. are found in Manas.

**Reptile** : Geckos, monitor lizard, viper, cobra, Krait, cat-snake, vine-snake, flying-snake, sat-snake, trinket snake, water-snake, python, gavial, turtles etc. are also found here.

**Bird** : Stork, egrets, herons, pelican, cormorant, darter, bitterns, mallard, brahminyduck, merganser, teats, spottbill-duck, pinlail, pochard, kite, sparrow hawk, shikra, eagles, osprey, vultures, harrier, falcon, buzzard, partridges, peafowl, jungle, fowl, crow pheasant, coot, lesser bengal florican, lapwing, plovess, sandpipers, shank, snipes, river tern, pogeons, doves, cuckoos, parakeet, owls, nightjar, trogon, Indian-roller, kingfisher, bee-eaters, hornbills, barbets, woodpecker, pita, larks, swifts, shrikes, oriole, drongo, starling, minivets, bulbuls, babbles, flycatchers, warblers, chats, thrushes, tits, parrot etc. are the inhabitants of Manas.

**Flora** : Like various types of mammals birds and reptiles we also see here various types of forests, these are -

(i) Sub-Himalayan high alluvial
semi-evergreen2/B/C/S

(ii) Eastern bhabar sal - 3c/cb



Scanned with CamScanner

(iii) East Himalayan moist mixed deciduous - 3c/c3.
(iv) Eastern wet alluvial grasslands - 4D/252.
(v) Low alluvial Savannah Woodlands - 3/S
(vi) Assam valley semi-evergreen - 2B/C/(a,b)

In, Manas national park, 543 species of plant have been identified- Rose flora such as Reinwardto indica, desmodium motorium, Pucraria subspicata, and Biden pilasa.

Noteable trees are Semal, Sissoo, Owtenga, Bhelkhore, Poma, Uriam, Khori, Amlakhi, Sida, Siris, Kum, Sonaru, Oxi, Parali etc.

**Tourism Facilities** :

* Manas is generally open to tourism from November to April or as notified by the Field Director (F.D.)

* Field trips are permitted from sunrise to sunset only.

* Elephant and boat are available in the park for the tourism.

* Entry to the park is permited from Bansbari gate only with permission from the office of the F.D.

* Forest lodges inside the park are situated at Mothanguri for which reservation is done by the office of the F.D.

* Loding facilities are available outside the park also at Barpeta Road.

# *Yeti : The snowman*

*Nilotpal Thakuria*
T.D.C 3rd yr.

Yetis are the mystery of the Himalaya in Nepal. There are no known photographs of these strange creature in existence. However, most of the village people have seen a yeti, even at close range.

Yeti is said to be elusive ape like creature who is tail-less and covered with long shaggy hair. He is only occasionally spotted leaping through the high peaks usually above the snowline. His height is said to vary anywhere from 5.5 to 9 feet.

